GSK S5 03 (M)
Exam Code : SKM5C

ধর্মশাস্ত্র আৰু উপনিষদ

পঞ্চম ষাণ্মাসিক

সংস্কৃত

পাঠ্যবিষয় ০৩

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৱা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৱক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৱ সদস্য

অধ্যায়	**অৱিহণা যোগাইছে**
৭-১০	ড° জগদীশ শর্মা সহযোগী অধ্যাপক, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
১১-১২	ড° সুধেন্দু মোহন ভদ্র, প্রাক্তন মুৱব্বী অধ্যাপক, সংস্কৃত বিভাগ, কটন মহাবিদ্যালয়
১৩-১৪	ড° বাগ্মীতা সান্দিল্য, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, কটন বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° সুধেন্দু মোহন ভদ্র, কটন কলেজ, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (৭-১০) (১৩-১৪)
অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (১১-১২)

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্তবিশ্ববিদ্যালয

প্রথম প্রকাশ ঃ জুন, ২০১৯

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৱ হৈ পঞ্জীয়কৱ দ্বাৱা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৱাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৱ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

খণ্ড পৰিচয় - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত স্মৃতিশাস্ত্র আৰু উপনিষদৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত সর্বমুঠ ৭ টা অধ্যায় আছে।

পাঠ্যবিষয়টিৰ অধ্যায়সমূহ হ'ল—

অধ্যায় ৭ ঃ নাৰদস্মৃতি ঃ সাধাৰণ পৰিচয়
অধ্যায় ৮ ঃ নাৰদস্মৃতি ঃ প্রথম অধ্যায় ঃ 'ব্যৱহাৰ'ৰ মূলভূত অংগ
অধ্যায় ৯ ঃ নাৰদস্মৃতি ঃ প্রথম অধ্যায় ঃ 'ব্যৱহাৰ'ৰ বিভিন্ন দিশ
অধ্যায় ১০ ঃ নাৰদস্মৃতি ঃ চতুর্থ অধ্যায় ঃ দায়ভাগ
অধ্যায় ১১ ঃ উপনিষদ
অধ্যায় ১২ ঃ ঈশোপনিষদ্
অধ্যায় ১৩ ঃ কঠোপনিষদ (সাধাৰণ অধ্যয়ন)
অধ্যায় ১৪ ঃ তৈত্তিৰীয়োপনিষদ - সাধাৰণ পৰিচয়

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আর্হি প্রশ্ন' হিচাপে কেইটিমান আর্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৭ ঃ নাৰদস্মৃতি ঃ সাধাৰণ পৰিচয় ৮৫-১০২

স্মৃতি ঃ সংক্ষিপ্ত পৰিচয়; স্মৃতি আৰু ধর্মশাস্ত্ৰৰ সম্বন্ধ; ধর্মশাস্ত্ৰ অথবা স্মৃতিৰ মূল বিষয় ধর্ম; ধর্মবিষয়ক প্রাচীন গ্রন্থ ধর্মসূত্র; স্মৃতিৰ সংখ্যা; স্মৃতিৰ বিষয়বস্তু; কেইখনমান প্রমুখ স্মৃতি; নাৰদস্মৃতি ঃ নাৰদস্মতিৰ ৰচনা কাল, নাৰদস্মৃতিৰ বিষয়বস্তু, নাৰদস্মৃতিৰ সংকলন, নাৰদস্মৃতিৰ ভাষ্যকাৰ।

অধ্যায় ৮ ঃ নাৰদস্মৃতি ঃ প্রথম অধ্যায় ঃ 'ব্যৱহাৰ'ৰ মূলভূত অংগ ১০৩-১১৬

প্রথম অধ্যায় ঃ নাৰদ মাতৃকাৰ বিচাৰদর্শন ঃ মূলপাঠ; প্রথম অধ্যায় ঃ ব্যৱহাৰ মাতৃকা ঃ মূলপাঠ ঃ (শ্লোক নং ১-২৯); সাধাৰণ আলোচনা।

অধ্যায় ৯ ঃ নাৰদস্মৃতি ঃ প্রথম অধ্যায় ঃ 'ব্যৱহাৰ'ৰ বিভিন্ন দিশ ১১৭-১৩০

প্রথম অধ্যায় ঃ ব্যৱহাৰ মাতৃকা ঃ মূলপাঠ ঃ (শ্লোক নং ৩০-৭৫); সাধাৰণ আলোচনা।

অধ্যায় ১০ ঃ নাৰদস্মৃতি ঃ চতুর্থ অধ্যায় ঃ দায়ভাগ ১৩১-১৪৮

দায়ভাগ ঃ মূলপাঠ; সাধাৰণ আলোচনা।

অধ্যায় ১১ ঃ উপনিষদ ১৪৯-১৬১

উপনিষদৰ সংখ্যা আৰু নামবোৰ; উপনিষদৰ প্রবক্তাসকল; প্রধান উপনিষদবোৰৰ চমু পৰিচয়।

অধ্যায় ১২ ঃ ঈশোপনিষদ্ ১৬২-১৭৫

ঈশোপনিষদৰ পৰিচয়; শান্তি মন্ত্র, ইয়াৰ অর্থ আৰু তাৎপর্য ঃ ঈশোপনিষদৰ প্রথম মন্ত্রৰ শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য, ঈশোপনিষদৰ দ্বিতীয় মন্ত্র, শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য, ঈশোপনিষদৰ তৃতীয় মন্ত্র, শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য; আত্মাৰ স্বৰূপ (চতুর্থ, পঞ্চম আৰু অষ্টম মন্ত্র) ঃ আত্মজ্ঞানীৰ মনৰ অৱস্থা (ষষ্ঠ আৰু সপ্তম মন্ত্র)।

অধ্যায় ১৩ ঃ কঠোপনিষদ (সাধাৰণ অধ্যয়ন) ১৭৬-১৮৯

নামৰ তাৎপর্য্য; উপনিষদৰ সংখ্যা - মুখ্য উপনিষদসমূহ; উপনিষদৰ কাল; কঠোপনিষদৰ এক সম্যক আভাস ঃ কঠোপনিষদৰ এক সাধাৰণ পৰিচয়, কঠোপনিষদৰ আলোচ্য বিষয়, কঠোপনিষদৰ অধ্যায়ৰ প্রতিটো বল্লীৰ বিষয়বস্তুৰ সাৰাংশ।

অধ্যায় ১৪ ঃ তৈত্তিৰীয়োপনিষদ - সাধাৰণ পৰিচয় ১৯০-২০১

তৈত্তিৰীয়োপনিষদৰ এক সম্যক আভাস ঃ উপনিষদখনিৰ আলোচ্য বিষয়, উপনিষদখনিৰ প্রতিটো বল্লীৰ বিষয়বস্তুৰ সাৰাংশ ঃ উপনিষদখনিৰ প্রথম বল্লী বা শিক্ষাবল্লী, উপনিষদখনিৰ দ্বিতীয়বল্লী বা ব্রহ্মানন্দবল্লী, তৈত্তিৰীয়োপনিষদৰ ভৃগুবল্লীৰ বিশদ আলোচনা ঃ প্রতিটো অনুবাকৰ বিষয়বস্তুৰ সাৰাংশ; উপনিষদৰ ভাষ্যকাৰসকল।

প্রসঙ্গ পুথিঃ (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে) ২০২

অধ্যায় ৭ ঃ নাৰদস্মৃতি ঃ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ স্মৃতি ঃ সংক্ষিপ্ত পৰিচয়

৭.৪ স্মৃতি আৰু ধর্মশাস্ত্ৰৰ সম্বন্ধ

৭.৫ ধর্মশাস্ত্র অথবা স্মৃতিৰ মূল বিষয় ধর্ম

৭.৬ ধর্মবিষয়ক প্রাচীন গ্রন্থ ধর্মসূত্র

৭.৭ স্মৃতিৰ সংখ্যা

৭.৮ স্মৃতিৰ বিষয়বস্তু

৭.৯ কেইখনমান প্রমুখ স্মৃতি

৭.১০ নাৰদস্মৃতি

- ৭.১০.১ নাৰদস্মৃতিৰ ৰচনা কাল
- ৭.১০.২ নাৰদস্মৃতিৰ বিষয়বস্তু
- ৭.১০.৩ নাৰদস্মৃতিৰ সংকলন
- ৭.১০.৪ নাৰদস্মৃতিৰ ভাষ্যকাৰ

৭.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১২ অধিক জানিবলৈ

৭.১৩ অগ্রগতিৰ খতিয়ান

৭.১৪ আর্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- স্মৃতি সাহিত্য সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব
- স্মৃতি সাহিত্যৰ উৎস সম্পর্কে জানিব পাৰিব
- নাৰদস্মৃতিৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিব
- নাৰদস্মৃতিৰ সময় সম্বন্ধে জানিব পাৰিব
- নাৰদস্মৃতিৰ বিভিন্ন অধ্যায়ৰ লগত চিনাকী হ'ব পাৰিব
- নাৰদস্মৃতিৰ ভাষ্যকাৰৰ জ্ঞান লাভ কৰিব।

৭.২ পৰিচয়

বেদ, পুৰাণ, মহকাব্যৰ পিছতেই স্মৃতি সাহিত্যই ভাৰতীয় সাহিত্যত অগ্রগণ্য ভূমিকা লাভ কৰি আহিছে। সমাজ এখনত মানুহৰ প্রকৃত স্থান লাভ কৰিবলৈ হ'লে অথবা সমাজ এখন সুশৃংখলভাৱে গঢ় লৈ থাকিবলৈ কিছুমান নীতি-নিয়ম, আচাৰ-ব্যৱহাৰৰ প্রয়োজন। বিধি-নিয়ম নাথাকিলে সমাজত উচ্ছৃঙ্খলতাই দেখা দিব আৰু সমাজখন অধঃগতি প্রাপ্ত হ'ব। সেই কাৰণে সমাজৰ বাবে প্রাচীন ঋষি-মুনি তথা সমাজ সংস্কাৰকসকলে কিছুমান বিধি-নিয়ম আৰোপ কৰিছে। এই বিধিসমূহ মূলতঃ যিবোৰ গ্রন্থত থাকে, তাকেই স্মৃতি বুলি কোৱা হয়। ধর্মশাস্ত্রৰেই আন এটা ৰূপ হ'ল স্মৃতি। এই স্মৃতিসমূহত আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্ত— এই তিনিটা বিষয় প্রধানভাৱে আলোচনা কৰা হৈছে। প্রাচীন ভাৰতত বহুকেইজন স্মৃতিকাৰে সমাজৰ প্রগতিৰ স্বার্থত বহুকেইখন স্মৃতি গ্রন্থ ৰচনা কৰিছে। প্রায় ১০০খন মান স্মৃতিগ্রন্থৰ নাম পৰৱর্তী সাহিত্যসমূহত পোৱা যায়। ইয়াৰে ভিতৰত মনুস্মৃতি, যাজ্ঞবল্ক্যস্মৃতি, পৰাশৰস্মৃতি, নাৰদস্মৃতি, বৃহস্পতিস্মৃতি, কাত্যায়নস্মৃতি আদি প্রধান।

নাৰদপ্রোক্ত 'নাৰদস্মৃতি'য়ে স্মৃতি সাহিত্যত অন্যতম স্থান দখল কৰি আহিছে। বিভিন্ন সাহিত্যত নাৰদস্মৃতিৰ উল্লেখ আছে। তথা ইয়াৰ বিধি কার্যকৰী কৰাৰ প্রমাণ আছে। এই অধ্যায়টোত আপোনালোকে স্মৃতি সাহিত্যৰ কিছু আভাসৰ লগতে নাৰদস্মৃতিৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব।

৭.৩ স্মৃতি ঃ সংক্ষিপ্ত পৰিচয়

স্মৃতি হৈছে এক শ্রেণীৰ সাহিত্য, য'ত পৰম্পৰাগত আচাৰ পদ্ধতি, বিধি, প্রাচীন আইনসমূহ লিপিবদ্ধ হৈ আছে। 'শব্দকল্পদ্রুম্' নামৰ কোষগ্রন্থখনত কোৱা হৈছে যে মনু আদি মহর্ষিসকলৰ দ্বাৰা বেদার্থৰ স্মৰণেই স্মৃতি (মহর্ষিভির্বেদার্থস্মৰণংস্মৃতিঃ)। স্মৃতি হৈছে একপ্রকাৰৰ ব্যৱস্থা-শাস্ত্র। এনেদৰে কোৱা হৈছে যে, আগতে মনু, যাজ্ঞৱল্ক্য আদি ঋষিসকলে ব্যৱস্থাবোৰ মুখেৰে তেওঁলোকৰ শিষ্যসকলক শিকাইছিল। পিছত সেই ঋষিসকলে নিজৰ স্মৃতিৰ পৰাই সেইবোৰ লিপিবদ্ধ কৰিছিল। সেই কাৰণে এই শ্রেণীৰ গ্রন্থৰ নাম স্মৃতি বুলি কোৱা হয়।

'স্মৃতি' শব্দটো দুটা অর্থত ব্যৱহৃত হয়। এটা অর্থত ইয়ে বেদবাঙ্ময়ৰ বাহিৰে অন্য গ্রন্থৰ লগত সম্বন্ধিত গ্রন্থ, যেনে পাণিনীয় ব্যাকৰণ, শ্রৌত, গৃহ্য তথা ধর্মসূত্র, মহাভাৰত, মনু, যাজ্ঞবল্ক্য তথা অন্যান্য গ্রন্থ। কিন্তু সংকীর্ণ অর্থত এই শব্দটোৱে স্মৃতি অথবা ধর্মশাস্ত্রক বুজায়, যি দৰাচলতে একেটাই।

৭.৪ স্মৃতি আৰু ধর্মশাস্ত্রৰ সম্বন্ধ

আচার্য্য মনুৱে তেওঁৰ মনুসংহিতাৰ দ্বিতীয় অধ্যায়ত কৈছে যে স্মৃতিকে ধর্মশাস্ত্র অথবা ধর্মশাস্ত্রকেই স্মৃতি বোলা হয়। বেদ, স্মৃতি, সদাচাৰ আৰু মনৰ প্রসন্নতা এই চাৰিটাই ধর্মৰ সাক্ষাৎ

অর্থাৎ প্রধান লক্ষণ বুলি মুনিসকলে কয়—

'বেদঃ স্মৃতিঃ সদাচাৰঃ স্বস্য চ প্রিয়মাত্মনঃ।
এতচ্চতুর্ৱিধং প্রাহুঃ সাক্ষাদ্ধর্মস্য লক্ষণম্।' (মনুসংহিতা, ২/১২)

তাৰ পিছত মনুৱে কৈছে— বেদক শ্রুতি আৰু ধর্মশাস্ত্রক স্মৃতি বুলি বুজিব লাগে। এই বিলাক সকলো বিষয়তে প্রতিকূল তর্কৰ অতীত। কাৰণ, এই দুটাৰ পৰাই ধর্মৰ প্রাদুর্ভাব হৈছে—

'শ্রুতিস্তু ৱেদো ৱিজ্ঞেয়ো ধর্মশাস্ত্রন্তু ৱৈ স্মৃতি।
তে সর্ৱার্থেষ্ৱমীমাংস্যে তাভ্যাং ধর্মো হি নির্বভৌ।।' (মনুসংহিতা, ২/১০)

এই শ্লোকটোৰ ব্যাখ্যা প্রসংগত 'মনুসংহিতা'ৰ ভাষ্যকাৰ কুল্লুক ভট্টই কৈছে যে— শ্রুতি হৈছে বেদ আৰু মন্ত্রাদি শাস্ত্র হৈছে স্মৃতি, যিহেতু উভয়েই ধর্ম প্রকাশ কৰে। ইয়াৰ তত্ত্বার্থ প্রতিকূল-তর্কৰ দ্বাৰা বিচাৰ কৰা নহয়— 'শ্রুতির্ৱেদঃ মন্ত্রাদিশাস্ত্রং স্মৃতিঃ তে উভে প্রতিকূল-তর্কৈর্ন বিচাৰয়িতব্যে, যত স্তাভ্যাং ধর্মঃ প্রকাশতাংগতঃ।' আন এজন ভাষ্যকাৰ মেধাতিথিয়ে কৈছে যে— ধর্মানুশাসনশব্দ য'ত শুনা যায়, সেয়াই শ্রুতি, তথা য'ত স্মৰণ কৰা হয়, সেয়াই স্মৃতি— 'য়ত্র শ্রূয়তে ধর্মানুশাসনশব্দঃ সা শ্রুতিঃ। যত্র চ স্মর্য্যতে সা স্মৃতিঃ।'

বেদনিষ্ণাত ঋষি-মুনিসকলে বেদৰ আধাৰত আচাৰ ব্যৱহাৰ বিষয়ত স্মৰণ কৰি মনৰ পৰা নিগৰাই যিবিলাক ৰচনা কৰিছিল, সেয়াই স্মৃতি। ঋষি-মুনিসকলে বেদ-ব্রাহ্মণ-উপনিষদ আদি অতি গভীৰভাৱে অধ্যয়ন কৰি সেই শাস্ত্রসমূহত থকা যাগ-যজ্ঞ, আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বাধা-নিষেধ আদি বিষয়সমূহ সঠিকভাৱে আয়ত্ব কৰিছিল আৰু সেইবোৰৰ আধাৰত যিবোৰ গ্রন্থ ৰচনা কৰিছিল, সেই বিলাকেই স্মৃতি নামেৰে জনাজাত। বেদেই যিহেতু সকলো ধর্মৰ মূল (বেদোখিলধর্মমূলম্), এই স্মৃতিসমূহ যিহেতু সম্পূর্ণৰূপে বেদৰ আধাৰত ৰচিত, সেয়েহে স্মৃতিয়েই হ'ল ধর্মশাস্ত্র।

বেদ হৈছে অপৌৰুষেয়, অর্থাৎ কোনো পুৰুষৰ দ্বাৰা বেদ ৰচিত হোৱা নাই। মহর্ষিসকল বেদৰ মন্ত্রসমূহৰ আচলতে দ্রষ্টা হে, স্রষ্টা নহয়। কিন্তু স্মৃতি হৈছে লৌকিক। ঋষিসকলে ভিন্ন সময়ত সেইবোৰ ৰচনা কৰিছিল। সকলো স্মৃতি শাস্ত্রৰেই মূল হৈছে বেদ। স্মৃতিত থকা কোনো এটা বিষয় বেদৰ কোনো এটা ঠাইত থাকিবই, নাথাকিলে বেদৰ সেই পাঠটো কালৰ গর্ভত বিলীন হৈ যোৱা বুলি ধৰি লোৱা হ'ব। কোনো স্মৃতি শাস্ত্রই বেদক আধাৰ নকৰাকৈ ৰচিত হোৱা নাই। আনহাতে বেদ আৰু স্মৃতিৰ মাজত কোনো বিষয়ত বিৰোধ হ'লে বেদকেই প্রমাণ হিচাপে মানি লোৱা হ'ব।

৭.৫ ধর্মশাস্ত্র অথবা স্মৃতিৰ মূল বিষয় ধর্ম

ধর্মশাস্ত্র অথবা স্মৃতিৰ মূল বিষয়টোৱেই হৈছে ধর্ম। ধর্ম শব্দটোৰ বহু অর্থ আছে। তথাপিও ধর্ম শব্দটোৰ ব্যুৎপত্তিগত অর্থ হৈছে 'ধাৰণ'— 'ধাৰণাৎ ধর্ম উচ্যতে'। 'ধৃ' ধাতু ধাৰণার্থক অর্থত মনীন্ প্রত্যয় যুক্ত হৈ 'ধর্ম' শব্দটো নিষ্পন্ন হৈছে। যাৰ দ্বাৰাই বিশ্বক ধাৰণ কৰা হৈছে, সেয়াই ধর্ম। দেশ বা সমাজ এখনক যিবোৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, শিক্ষা-সংস্কৃতি

আদিয়ে বান্ধি ৰাখে, সাধাৰণ অর্থত সেয়াই হৈছে সেইখন দেশ বা সমাজৰ ধর্ম। সেয়েহে 'মহাভাৰত'ত কোৱা হৈছে যে, য'ত সমস্ত প্রাণীৰ কল্যাণ নিহিত হৈ আছে সেয়ে ধর্ম। গতিকে দেখা যায় যে যিবিলাক আচাৰ-ব্যৱহাৰ, ন্যায়-নীতি ধর্ম শব্দৰ অন্তর্গত, সেই সকলোবোৰেই মূল লক্ষ্য হ'ল সমস্ত প্রাণীৰ কল্যাণ—

'ধাৰণাদ্ধর্মমিত্যাহুধর্মেণ বিধৃতাঃ প্রজাঃ' (মহাভাৰত, ১২/১০৯/১১)

আকৌ

'প্রভবার্থায়ভূতানাং ধর্মপ্রৰচনং কৃতম্।
যঃ স্যাৎ প্রভৱসংযুক্তঃ স ধর্ম ইতি নিশ্চয়।' (মহাভাৰত, ১২/১০৯/১০)

ঋগ্বেদাদি গ্রন্থত 'ধর্ম' শব্দটো 'ধর্ম', 'ধার্মিক বিধি' অথবা 'ধার্মিক ক্রিয়া-সংস্কাৰ' আদি ৰূপত প্রয়োগ হৈছে। ঋগ্বেদত (১০.৯০.১৬) পোৱা যায় যে— 'তানি ধর্মাণি প্রথমান্যাসন্'। অথর্ববেদতো ধর্ম শব্দটোৱে ধার্মিক ক্রিয়া সংস্কাৰ কৰিলে অর্জিত গুণ হিচাপে বিবেচিত হৈছে— 'ঋত সত্যং তপো ৰাষ্ট্রং শ্রমো ধর্মশ্চ কর্ম চ' (অথর্ববেদ, ১/৯/১৭)। শ্রীমদ্ভগৱদ্গীতাতো কৈছে যে— 'স্বধর্মে নিধনং শ্রেয়ঃ' অর্থাৎ নিজৰ ধর্ম (জীৱনধাৰাত) থকাটোৱেই শ্রেষ্ঠ (নিধন হ'লেও কোনো কথা নাই)। 'তন্ত্রবার্তিক' নামৰ গ্রন্থখনৰ মতে ধর্মশাস্ত্রৰ কাম হৈছে বর্ণ তথা আশ্রম ধর্মৰ শিক্ষা দিয়া— 'সর্বধর্মসূত্রাণাং বর্ণাশ্রম-ধর্মোপদেশিত্বাৎ'। মনুসংহিতাৰ ব্যাখ্যাকাৰ মেধাতিথিৰ মতে স্মৃতিকাৰ সকলে ধর্মৰ পাঁচটা স্বৰূপ স্বীকাৰ কৰিছে। সেইকেইটা হৈছে— বর্ণধর্ম, আশ্রমধর্ম, বর্ণাশ্রমধর্ম, নৈমিত্তিক ধর্ম আৰু গুণধর্ম।

গৌতমধর্মসূত্র অনুসৰি বেদেই হৈছে ধর্মৰ মূল— 'বেদো ধর্মমূলম্' তদ্বিদাং চ স্মৃতিশীলে। (১/১/২)। মনুৰ মতে ধর্মৰ পাঁচটা উপাদান আছে— সম্পূর্ণ বেদ, বেদজ্ঞৰ পৰম্পৰা, তথা ব্যৱহাৰ, সাধুৰ আচাৰ, তথা আত্মতুষ্টি— 'বেদোঽখিলো ধর্মমূলম্ স্মৃতিশীলে চ তদ্বিদাম্। আচাৰশ্চৈৱ সাধূনামাত্মনস্তুষ্টিৰেৱ চ। (মনুসংহিতা, ২.৬)। যাজ্ঞৱল্ক্যৰ মতে বেদ, স্মৃতি (পৰম্পৰা অনুসৰি প্রচলিত হৈ থকা জ্ঞান), সদাচাৰ (ভাল মানুহৰ আচাৰ-ব্যৱহাৰ), যিজনক নিজৰ প্রিয় লাগে, তথা উচিত সংকল্পৰ দ্বাৰা উৎপন্ন অভিকাংক্ষা অথবা ইচ্ছা, এই আটাইবোৰেই হৈছে ধর্মৰ উপাদান—

'শ্রুতিঃ স্মৃতিঃ সদাচাৰঃ স্বস্য চ প্রিয়মাত্মনঃ।
সম্যক্ সংকল্পজঃ কামো ধর্মমূলমিদং স্মৃতম্।'

(যাজ্ঞৱল্ক্য, ১.৭)

আচার্য্য মনুৰ মতে বেদ, ধর্মশাস্ত্র, সদাচাৰ আৰু আত্মসন্তুষ্টিয়েই ধর্মৰ লক্ষণ বুলি অভিহিত কৰিছে—

'শ্রুতিস্মৃতি সদাচাৰঃ স্বস্য চ প্রিয়মাত্মনঃ।
এতচ্চতুর্ৱিধং প্রাহুঃ সাক্ষাদ্ধর্মস্য লক্ষণম্।' (মনুসংহিতা, ২/১২)

৭.৬ ধর্মবিষয়ক প্রাচীন গ্রন্থ ধর্মসূত্র

বেদেই হৈছে ধর্মৰ মূল। ভাৰতীয় সমাজ-ব্যৱস্থা বেদতেই নিহীত হৈ আছে। বেদৰ মন্ত্রসমূহক সহজে হৃদয়ঙ্গম কৰিবলৈ অথবা মন্ত্রসমূহক স্পষ্টভাৱে বুজিবলৈ পিছৰ কালত ছয় প্রকাৰৰ বিশেষ গ্রন্থৰ প্রণয়ন কৰা হয়, সেইবোৰকেই 'বেদাঙ্গ' বুলি কোৱা হয়। মানুহৰ বিভিন্ন প্রকাৰৰ অঙ্গসমূহে যেনেদৰে বিভিন্ন কাম কৰে, ঠিক তেনেদৰে বেদাঙ্গসমূহেও বেদৰ মন্ত্রসমূহ বুজাত বিভন্ন প্রকাৰে সহায় কৰে। এই বেদাংগসমূহ হৈছে— শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ। ইয়াৰে ভিতৰত যি কল্পৰ কথা কোৱা হৈছে, সেয়াই হৈছে কল্পসূত্র তথা ধর্মসূত্রৰ আধাৰ।

'কল্প' মানে হৈছে যজ্ঞৰ বিধি বা নিয়ম। বেদৰ মন্ত্রসমূহৰ কোনটো মন্ত্র কোনটো যাগত প্রয়োগ হ'ব, সেইটোৰ নির্দেশ কল্পসূত্রবোৰত পোৱা যায়। এই বিধিসমূহ সূত্র আকাৰত থকা কাৰণে, এইবোৰক কল্পসূত্র বুলি কোৱা হয়। কল্পসূত্র চাৰিপ্রকাৰৰ— শ্রৌতসূত্র, গৃহ্যসূত্র, ধর্মসূত্র আৰু সূল্বসূত্র। শ্রৌতসূত্রসমূহত শ্রৌতযাগ অর্থাৎ বৈদিক ক্রিয়া-কর্মৰ বিষয়ে বর্ণনা আছে। গৃহ্যসূত্রসমূহত সংস্কাৰ কর্ম, গৃহস্থই অগ্নিৰ দ্বাৰা কৰা যজ্ঞকর্ম, বার্ষিক শ্রাদ্ধ, পঞ্চমহাযজ্ঞ আদিৰ বিষয়ে বর্ণনা আছে। শুল্ব সূত্রসমূহত যজ্ঞৰ বেদী, কুণ্ড আদি নির্মাণৰ বিষয়ে আলোচনা আছে।

ধর্মসূত্রসমূহত যাগ-যজ্ঞৰ দার্শনিক আলোচনাৰ উপৰিও সদাচাৰ, চাৰিওটা বর্ণৰ কর্তব্য-অকর্তব্য, চাৰি আশ্রম, উপনয়ন-বিৱাহাদি সংস্কাৰ, ৰজাৰ কর্তব্য-অকর্তব্য, ন্যায়বিচাৰ, দণ্ডবিধান, কৰ-কাতলৰ ব্যৱস্থা, শ্রাদ্ধ-প্রায়শ্চিতাদিৰ ব্যৱহাৰ আদি বিষয়বোৰ আলোচনা কৰা হৈছে। আচলতে এই ধর্মসূত্রসমূহেই হৈছে ধর্মশাস্ত্রসমূহৰ ভেটি। শ্রুতি-স্মৃতি সন্মত সকলোবোৰ বিষয় ইয়াতেই প্রতিষ্ঠিত হৈ আছে। বর্তমান উপলব্ধ ধর্মসূত্রৰ সংখ্যা হৈছে আঠখন— ১) বৌধায়ন ধর্মসূত্র, ২) গৌতম ধর্মসূত্র, ৩) আপস্তম্ব ধর্মসূত্র, ৪) হিৰণ্যকেশী ধর্মসূত্র, ৫) বসিষ্ঠ ধর্মসূত্র, ৬) বিষ্ণু ধর্মসূত্র, ৭) বৈখানস ধর্মসূত্র, ৮) হাৰীত ধর্মসূত্র।

৭.৭ স্মৃতিৰ সংখ্যা

আৰম্ভণিতে স্মৃতিগ্রন্থৰ সংখ্যা কম আছিল। গৌতমে মনুক বাদ দি আন কোনো স্মৃতিকাৰৰ নাম উল্লেখ কৰা নাই। বৌধায়নে নিজৰ বাহিৰেও আন সাতজন ধর্মশাস্ত্রকাৰৰ নাম উল্লেখ কৰিছে— ঔপজংঘনি, কাত্য, কাশ্যপ, গৌতম, প্রজাপতি, মৌদগল্য আৰু হাৰীত। বসিষ্ঠই কেবল পাঁচজনৰ কথা কৈছে— গৌতম, প্রজাপতি, মনু, যম তথা হাৰীত। আচার্য্য মনুই নিজৰ বাহিৰে ছটা আন নাম উল্লেখ কৰিছে— অত্রি, উতথ্যৰ পুত্র ভৃগু, বসিষ্ঠ, বৈখানস তথা শৌনক।

স্মৃতিৰ সঠিক সংখ্যা নির্ণয় হোৱা নাই। কুমাৰিল ভট্টই 'তন্ত্রবার্তিক' গ্রন্থত ১৮খন ধর্মসংহিতাৰ নাম উল্লেখ কৰিছে। 'বীৰমিত্রোদয়' গ্রন্থত ১৮খন মুখ্য স্মৃতি, ১৮খন উপস্মৃতি তথা ২১জন অন্য স্মৃতিকাৰৰ নাম উল্লেখ আছে। ১৮জন মুখ্য স্মৃতিকাৰ হৈছে— মনু, বৃহস্পতি, দক্ষ, গৌতম, যম, অংগিৰা, যোগীশ্বৰ, প্রচেতা, শাতাতপ, পৰাশৰ, সংবর্ত, উশনা, শংখ, লিখিত,

অত্রি, বিষ্ণু, আপস্তম্ব আৰু হাৰীত। ১৮খন উপস্মৃতিৰ লিখক হৈছে— নাৰদ, পুলহ, গার্গ্য, পুলস্ত্য, শৌণক, ক্রতু, বৌধায়ন, জাতুকর্ণ, বিশ্বামিত্র, পিতামহ, জাবালি, নাচিকেতা, স্কন্দ, লৌগাক্ষি, কশ্যপ, ব্যাস, সনৎকুমাৰ, শন্তনুজনক। অন্য ২১জন স্মৃতিকাৰ হৈছে— বসিষ্ঠ, নাৰদ, সুমন্তু, পিতামহ, বিষ্ণু, কাৰ্ষ্ণাজিনি, সত্যব্রত, গার্গ্য, দেবল, জমদগ্নি, ভৰদ্বাজ, পুলস্ত্য, পুলহ, ক্রতু, আত্রেয়, গৱেয়, মৰীচি, বৎস, পাৰস্কৰ, চর্য্যশৃঙ্গ আৰু বৈজবাপ। বিভিন্নজনৰ মতৰ পৰা ধাৰণা কৰিব পাৰি যে, সর্বমুঠ স্মৃতিৰ সংখ্যা ১০০খন মান হ'ব। মুঠৰ ওপৰত ওঠৰখন স্মৃতিয়েহে মান্যতা পাইছে। সেই ওঠৰখন স্মৃতি হৈছে— মনু, যাজ্ঞবল্ক্য, বিষ্ণু, বৃহস্পতি, কাত্যায়ন, পৰাশৰ, গৌতম, অত্রি, হাৰীত, ব্যাস, দক্ষ, উশনস, যম, আপস্তম্ব, বশিষ্ঠ, অঙ্গিৰা, ভৃগু আৰু নাৰদ।

৭.৮ স্মৃতিৰ বিষয়বস্তু

ইতিমধ্যে কৈ অহা হৈছে যে স্মৃতিসমূহৰ বিষয়বস্তু মূলতঃ হৈছে— আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্য। আচাৰ মানে হৈছে সদাচাৰ অর্থাৎ সৎ মানুহ জ্ঞানীলোকৰ আচাৰ। স্মৃতিসমূহত এই আচাৰ প্রকৰণত এইবোৰ বিষয় অন্তর্ভুক্ত কৰিছে— বর্ণাশ্রম ধর্ম, বর্ণাশ্রম ধর্মত পালন কৰিবলগীয়া নিয়ম, ষোড়শ সংস্কাৰ, চাৰিবর্ণৰ কর্তব্য-অকর্তব্য, শ্রাদ্ধাদি তর্পণ বিধি, পতি-পত্নীৰ দায়িত্ব আৰু কর্তব্য, গুৰু-শিষ্যৰ ব্যৱহাৰ ইত্যাদি।

স্মৃতিত 'ব্যৱহাৰ' শব্দটোৰ অর্থ হৈছে মেল-মোকর্দমা, বিবাদ আদি। এই দোষবিলাকৰ নিষ্পত্তি, দোষীৰ প্রতি দণ্ডবিধান আদি বিষয়সমূহ 'ব্যৱহাৰ' প্রকৰণৰ বিষয়বস্তু।

স্মৃতিৰ আন এটা বিষয় হৈছে প্রায়শ্চিত্ত। আচাৰ-সংস্কাৰ আদিত থকা বিধি-নিষেধসমূহ শাস্ত্রানুসাৰে পালন নকৰাৰ ফলত যি দোষ বা পাপ হয়, সেইবোৰৰ পৰা পৰিত্রাণেই হৈছে প্রায়শ্চিত্ত। আনহাতে যিবোৰ দোষ ৰাজকীয় দণ্ডবিধিৰ আওতাত নপৰে। সেইবোৰৰ পৰা মুক্ত হ'বৰ বাবে এই প্রায়শ্চিত্তৰ বিধান দিয়া হৈছে।

৭.৯ কেইখনমান প্রমুখ স্মৃতি

মনুস্মৃতি ঃ আচার্য্য মনুৰ দ্বাৰা প্রণীত স্মৃতিখনকে মনুস্মৃতি অথবা মনুসংহিতা বুলি কোৱা হয়। মনুৰ দ্বাৰা প্রোক্ত এই সংহিতা সকলো স্মৃতিৰ ভিতৰত সর্ববৃহৎ, সর্বশ্রেষ্ঠ আৰু সর্বজনস্বীকৃত। মনুক স্বয়ম্ভু ব্রহ্মাৰ পুত্র বুলি মনুস্মৃতিৰ প্রথম অধ্যায়ৰ আৰম্ভণিতে কোৱা হৈছে বর্তমান মনুস্মৃতিত ১২ অধ্যায় তথা ২৬৯৪টা শ্লোক পোৱা যায়। মনুস্মৃতিত বর্ণব্যৱস্থা, আশ্রমধর্ম, নাৰীৰ মর্য্যদা, দণ্ডবিধি, বেপাৰ-বাণিজ্য, ৰাজধর্ম, বিবাদ প্রক্রিয়া, স্নাতকৰ প্রকাৰ আদি বিষয়সমূহ আলোচনা কৰা হৈছে। মনুস্মৃতি মনুৰ শিষ্য ভৃগুৰ দ্বাৰা সম্পাদিত।

বিষ্ণুস্মৃতি ঃ কলাপ গ্রামৰ মুনিসকলে ভগৱান বিষ্ণুৰ ওচৰলৈ শ্রুতি আৰু স্মৃতি সম্বন্ধে তেওঁৰ পৰা জানিব বিচাৰে। তেওঁলোকৰ অনুৰোধত বিষ্ণুৱে যি ধর্মোপদেশ দিছিল, সেয়াই বিষ্ণুস্মৃতিৰ বিষয়বস্তু। এই স্মৃতিখনত মুঠতে ১১৩টা শ্লোক আছে।

যাজ্ঞবল্ক্যস্মৃতি ঃ বৈদিক ঋষিসকলৰ মাজত যোগিবৰ যাজ্ঞৱল্ক্য অন্যতম। ছান্দোগ্য, বৃহদাৰণ্যক উপনিষদ, মহাভাৰত আদিত যাজ্ঞৱল্ক্যৰ নাম পোৱা যায়। যাজ্ঞৱল্ক্য বৃহদাৰণ্যক উপনিষদৰ ঋষি আছিল আৰু তেওঁৰ দ্বাৰাই যাজ্ঞৱল্ক্যস্মৃতি কথিত হৈছে। যাজ্ঞৱল্ক্যস্মৃতিত তিনিটা অধ্যায় আছে— ১) আচাৰ অধ্যায় (৩৬৮ শ্লোক), ২) ব্যৱহাৰ অধ্যায় (৩০৭টা শ্লোক), ৩) প্রায়শ্চিত্য অধ্যায় (৩৩৪টা শ্লোক)।

পৰাশৰস্মৃতি ঃ ব্যাসদেৱৰ পিতৃ পৰাশৰেই এইখন স্মৃতিৰ বক্তা। এই স্মৃতিখনত ১২টা অধ্যায় আৰু ৬০০ শ্লোক আছে। এই স্মৃতিখনত কোৱা হৈছে যে সত্যযুগত মনুৱে প্রণয়ন কৰা ধর্মই মুখ্য আছিল। ক্রেতাযুগত গৌতমৰ ধর্ম, দ্বাপৰত শঙ্খলিখিত ধর্ম আৰু কলিত পৰাশৰৰ ধর্মকে মুখ্য বুলি মানি লোৱা হয়।

গৌতমস্মৃতি ঃ এই স্মৃতিখন গদ্যত ৰচিত আৰু ইয়াত ২৯টা অধ্যায় আছে। এই স্মৃতিখনত উপনয়নাদি সংস্কাৰ প্রভৃতিৰ বিস্তৃত বিৱৰণ আছে।

বৃহস্পতিস্মৃতি ঃ মহাভাৰতৰ শান্তিপর্ব মতে ব্রহ্মাই একলাখ অধ্যায়ৰ এখন নীতিশাস্ত্র প্রণয়ন কৰিছিল। পিছত ঋষি-মুনিসকলে কম শ্লোকলৈ সেইখন সংকুচিত কৰিলে আৰু 'বাইস্পত্যশাস্ত্র' নামেৰে প্রকাশ কৰিলে। এই স্মৃতিখনত স্মৃতিৰ তিনিওটা বিষয়বস্তু আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্তৰ বর্ণনা আছে।

কাত্যায়নস্মৃতি ঃ মহর্ষি গোভিল এই স্মৃতিখনৰ বক্তা। এই স্মৃতিখনত ২৯টা অধ্যায় আছে। মনু, বৃহস্পতি, নাৰদ আদি স্মৃতিৰ সৈতে এই স্মৃতিখনৰ মিল থকা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্মৃতিক আন কি নামেৰে জনা যায়?

.....

.....

প্রশ্ন নং ২ ঃ স্মৃতিৰ মূল বিষয়টো কি?

.....

.....

প্রশ্ন নং ৩ ঃ ধর্মৰ মূল কি?

.....

.....

প্রশ্ন নং ৪ ঃ কল্প মানে কি?

.....

.....

প্রশ্ন নং ৫ ঃ মনুস্মৃতিত কিমানটা অধ্যায় আছে?

.....

৭.১০ নাৰদস্মৃতি

সংস্কৃত ধর্মশাস্ত্রসমূহৰ ভিতৰত নাৰদস্মৃতি অন্যতম। ন্যায় প্রক্রিয়াৰ লগত জড়িত এইখনকেই মূলাস্মৃতি বুলি কোৱা হৈছে। আন স্মৃতিবোৰৰ প্রায়বিলাকে স্মৃতিৰ তিনিওটা বিষয় আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্তৰ ওপৰত গুৰুত্ব দিয়াৰ বিপৰীতে নাৰদস্মৃতিয়ে কেবল ব্যৱহাৰ (legal procedure) বিষয়টোৰ ওপৰত গুৰুত্ব প্রদান কৰিছে। নাৰদ স্মৃতিৰ সৃষ্টি সম্পর্কে নাৰদস্মৃতিৰ প্রথম অধ্যায়ৰ পাতনিতে এনেদৰে পোৱা যায়।

ভগৱান মনুৱে সকলো প্রাণীৰে কল্যাণৰ কাৰণে প্রথমে আচাৰ পৰম্পৰাৰ সংৰক্ষণৰ হেতুৰূপী এই ধর্মশাস্ত্র নামৰ গ্রন্থবিধ ৰচনা কৰিছিল। এই ধর্মশাস্ত্রত ২৪টা প্রকৰণ পোৱা যায়। এইকেইটা হৈছে— ১। সংসাৰৰ সৃষ্টি (creation of the world), ২। প্রাণীসমূহৰ বিভাগ (classification of beings), ৩। ন্যায্য দেশৰ প্রমাণ (extent of the land of the virtuous), ৪। পৰিষদৰ লক্ষণ (constitution of the assembly), ৫। বেদ-বেদাঙ্গ অনুসৰি যজ্ঞৰ বিধান (prescription of sacrifice according to the vedas and the vedangas), ৬। আচাৰ (proper conduct), ৭। ব্যৱহাৰ (legal procedure), ৮। কণ্টকশোধন (banishment of offensive persons), ৯। ৰাজধর্ম (conduct of the king), ১০। ৰাজধর্ম (distinctions between the castes), ১১। আশ্রমৰ বিভাজন (distinctions between the stages of life), ১২। বিবাহ বিধি (law of marriage), ১৩। স্ত্রী আৰু পুৰুষৰ বৈকল্পিক ধর্ম (arrangements between men and women), ১৪। দায়ভাগ (order of succession), ১৫। শ্রাদ্ধবিধান (prescription of funerary rites), ১৬। শৌচাচাৰৰ বিকল্প ব্যৱস্থা (arrangements for acts of purification), ১৭। ভক্ষ্যাভক্ষলক্ষণ (indication of what may and may nor be exten), ১৮। বিক্রেয় মীমাংসা (discussion of hat may be sold), ১৯। অবিক্রেয় মীমাংসা (discussion of what may not be sold) ২০। পাতকভেদ (kinds of sin), ২১। স্বর্গ-নৰকবর্ণনা (description of heavens and hells), ২২। প্রায়শ্চিত্ত (penances), ২৩। উপনিষদ (upanisads), ২৪। ৰহস্যস্থান (secret teachings)।

এই গোটেইবোৰ বিষয় ১০০৮ অধ্যায়ত ১ লাখ শ্লোকত মনুৱে সন্নিৱিষ্ট কৰি দেৱর্ষি নাৰদক এই শাস্ত্রখন প্রদান কৰিলে। নাৰদেও এইখন ১২০০০ শ্লোকত সংক্ষিপ্ত কৰি মহর্ষি মার্কণ্ডেয়ক প্রদান কৰিলে। মার্কণ্ডেয়ই মানুহৰ আয়ুস তথা শক্তি-সামর্থলৈ লক্ষ্য ৰাখি এই স্মৃতিখনক ৮০০০ শ্লোকলৈ সংক্ষিপ্ত কৰিলে আৰু ভার্গৱক প্রদান কৰিলে। ভার্গৱেও এইখন ৪০০০ শ্লোকলৈ সংক্ষিপ্ত কৰে।

মনুসংহিতাৰ লগত নাৰদস্মৃতিৰ যথেষ্টখিনি মিল আছে। আনহাতে বহুতেই নাৰদস্মৃতিখনক মনুসংহিতাৰ নৱম অধ্যায় বুলি ক'ব খোজে, কিয়নো নাৰদস্মৃতিত অকল ব্যৱহাৰৰ বিষয়েহে কোৱা হৈছে। ভাগৱততো (১২.৩২২.৩৬-৪৩) মনুসংহিতাৰ লগত নাৰদস্মৃতিৰ সম্বন্ধৰ

বিষয়ে কোৱা হৈছে। কিয়নো ভগৱান মনুই ৰচনা কৰা ১ লাখ শ্লোকৰেই সংক্ষিপ্ত ৰূপ হৈছে নাৰদস্মৃতি। ভৱিষ্যপুৰাণৰ মতে 'স্বয়ম্ভুশাস্ত্ৰ' অর্থাৎ মনুধর্মশাস্ত্ৰত ৪টা ভাঙনি পোৱা যায়। সেইকেইটা হৈছে— ভৃগু, নাৰদ, বৃহস্পতি আৰু অঙ্গিৰস।

কিছুমান পণ্ডিতে নাৰদস্মৃতি এজনৰ দ্বাৰা ৰচিত নহয় বুলি ক'ব খোজে। বহুতেই আকৌ নাৰদক স্বর্গৰ ঋষি নাৰদ বুলি অভিহিত কৰিব খোজে। তেওঁলোকৰ মতে এই নাৰদ হৈছে দেৱতাসকলৰ দূত, যিজনে দেৱতাসকলৰ বার্তা পৃথিৱীলৈ লৈ আহে। এই নাৰদে সকলোৰে মাজত কাজিয়াৰ সৃষ্টি কৰে। তেওঁ বিষ্ণু-কৃষ্ণৰ সহচাৰী। ইয়াৰ প্ৰমাণ হিচাপে তেওঁলোকে ক'ব কোজে যে মহাভাৰতৰ সভাপর্বত নাৰদ যুধিষ্ঠিৰক নীতি, বিধি আদিৰ বিষয়ে উপদেশ দিছে. অৱশ্যে নাৰদ স্মৃতিত ইয়াৰ কোনো ইংগিত নাই।

যাজ্ঞবল্ক্য তথা পৰাশৰে নাৰদক ধর্মবক্তা হিচাপে গণ্য কৰা নাই। কিন্তু বৃদ্ধযাজ্ঞবল্ক্যই এটা উদ্ধৃতিৰ দ্বাৰা দেখুৱাইছে যে ভাষ্যকাৰ বিশ্বৰূপে নাৰদক দহজন ধর্মশাস্ত্ৰকাৰসকলৰ মাজত স্থান দিছে। কিছুমান পণ্ডিতৰ মতে নাৰদ নেপাল অথবা মধ্যপ্ৰদেশৰ নিবাসী আছিল। নাৰদস্মৃতিত নাৰদৰ দ্বাৰা কোৱা বুলিও উল্লেখ আছে— 'প্ৰোক্তানি নাৰদেনেহ' (ঋণাদান, ২৫৩)

৭.১০.১ নাৰদস্মৃতিৰ ৰচনা কাল

ধর্মশাস্ত্ৰৰ ইতিহাসৰ প্ৰণেতা ভাৰতৰত্ন, মহামহোপাধ্যায় ড° পাণ্ডুৰঙ্গ বামন কণে নাৰদস্মৃতিৰ ৰচনা কাল খ্ৰীষ্টাব্দ ১০০-৩০০ শতিকাৰ ভিতৰত হ'ব পাৰে বুলি উল্লেখ কৰিছে। জুলিয়াছ জলি নামৰ পণ্ডিত গৰাকীয়ে ৫০০ খ্ৰীষ্টাব্দৰ ভিতৰত এইখন ৰচিত হৈছে বুলি কৈছে। কে. পি. জয়ছোৱালে (K. P. Jayaswal) এইখন স্মৃতিৰ ৰচনা কাল ৩০০-৪০০ খ্ৰীষ্টাব্দ বুলি কৈছে। জে. জে. মেয়েৰে (J. J. Meyer) খ্ৰীষ্টজন্মৰ বহু আগেয়েই নাৰদস্মৃতি ৰচিত হৈছে বুলি দাবী কৰিছে। তেওঁৰ মতে আনকি মনুস্মৃতি আৰু যাজ্ঞবল্ক্যস্মৃতিতকৈও এইখন আগৰ।

নাৰদ স্মৃতিত ধর্মশাস্ত্ৰ তথা অর্থশাস্ত্ৰৰো আলোচনা হৈছে। ইয়াত ধর্মশাস্ত্ৰক অর্থশাস্ত্ৰতকৈও অধিক মান্যতা দিয়া হৈছে। নাৰদে বসিষ্ঠ ধর্মসূত্ৰ তথা পুৰাণৰো চর্চা কৰিছে। মনুক ইয়াত বহুবাৰ উল্লেখ কৰা হৈছে তথা স্থানে স্থানে তেওঁৰ মতৰ লগত নাৰদে সাম্য দেখুৱাইছে আৰু ঠায়ে ঠায়ে বিৰোধ প্ৰকট কৰিছে। নাৰদ স্মৃতিত মহাভাৰতৰো কোনো কোনো শ্লোক আহিছে। কৌটিল্য আৰু নাৰদৰ কিছু কিছু ক্ষেত্ৰত সাম্যতা দেখিবলৈ পোৱা যায়। সম্ভৱত নাৰদস্মৃতি যাজ্ঞৱল্ক্যস্মৃতিৰ পিছৰ ৰচনা। যাজ্ঞৱল্ক্যত 'দিব্য'ৰ প্ৰকাৰ কেৱল পাঁচটা পোৱা যায়, কিন্তু নাৰদস্মৃতিত সাতটা পোৱা যায়।

৭.১০.২ নাৰদস্মৃতিৰ বিষয়বস্তু

নাৰদস্মৃতিৰ অধ্যয়নৰ ক্ষেত্ৰত ড° জুলিয়াছ জ'লী আছিল অগ্ৰগামী। জার্মান

পণ্ডিতগৰাকীয়ে দুবাৰ এই গ্ৰন্থখনি সম্পাদনা কৰে। লঘু সংস্কৰণটো প্ৰকাশিত হয় ১৮৭৬ চনত নাৰদস্মৃতিৰ অনুবাদেৰে। ডাঙৰ সংস্কৰণটো প্ৰকাশিত হয় ১৮৪৫ চনত Sacred Book of the East Series (Vol. 33)। এই সংস্কৰণটোত নাৰদস্মৃতিৰ অনুবাদৰ উপৰিও ব্যৱহাৰৰ পঞ্চম পদ অৰ্থাৎ 'অভ্যুপেত্যাশুশ্ৰূষা'ৰ ২১ নং শ্লোকলৈ থকা অসহায় ভাষ্যৰ সৈতে পোৱা যায়।

প্ৰকাশিত নাৰদস্মৃতিত চাৰিটা অধ্যায় পোৱা যায়। প্ৰথম তিনিটা অধ্যায় ন্যায়সম্বন্ধীবিধি (ব্যৱহাৰ মাতৃকা) তথা ন্যায়সম্বন্ধীয় সভাৰ ওপৰত আধাৰিত। চতুৰ্থ অধ্যায়ত ব্যৱহাৰ পদসমূহ আলোচিত হৈছে। পৰিশিষ্ট এটা বিষয় 'চৌৰ্য্যবৃত্তি'ৰ বিষয়ে আলোচনা কৰা হৈছে, যিবোৰৰ কিছু অংশ ইতিমধ্যে 'সাহস' নামৰ ব্যৱহাৰ পদটিত আলোচিত হৈছে। তলত প্ৰত্যেকটো অধ্যায়ৰ বিষয়বস্তু সংক্ষেপে দিয়া হ'ল।

জানি থোৱা ভাল



জুলিয়াছ জ'লী (Julius Jolly) ঃ ড° জুলিয়াছ জ'লী এজন জাৰ্মান পণ্ডিত আছিল। তেওঁ ভাৰতীয় ধৰ্মশাস্ত্ৰ তথা চিকিৎসা শাস্ত্ৰৰ অনুবাদক আছিল। তেওঁ ১৮৪৯ চনৰ ২৮ ডিচেম্বৰত জাৰ্মানীৰ হেইদেলবাৰ্গ (Heidelberg) নামে ঠাইত জন্মগ্ৰহণ কৰিছিল। তেওঁ তুলনাত্মক ভাষাতত্ত্ব, সংস্কৃত আৰু ইৰানীয়ান ভাষা বাৰ্লিনত অধ্যয়ন কৰিছিল। তেওঁ ৰচিত গ্ৰন্থসমূহ হৈছে (1) Minor Law books (1889), (2) Indian Medicine, (3) Outline of an History of the Hindu Law in partition, Inheritance and Adoption as contained in the original Sanskrit Treatisas, (4) Manava Dharmasastra, (5) The Institutes of Vishnu, (6) Naradiya Dharmasastra of the Insititutes is Narada. ১৯৩২ চনৰ ২৪ এপ্ৰিলত তেওঁৰ দেহাৱসান ঘটে।

প্ৰথম অধ্যায় ঃ নাৰদস্মৃতিৰ প্ৰথম অধ্যায়ত ৭৪টা শ্লোক পোৱা যায়। এই অধ্যায়ত ন্যায় সম্বন্ধীয় বিধিসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ড° ব্ৰজকিশোৰ স্বাইয়ে এই অধ্যায়টোৰ নাম নাৰদমাত্ৰিকাৰ 'বিচাৰদৰ্শন' বুলি উল্লেখ কৰিছে। অধ্যায়টোৰ আৰম্ভণিতে মনুৰ পৰা নাৰদস্মৃতিৰ কেনেকৈ উদ্ভৱ হ'ল, সেই সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াত ব্যৱহাৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ বিভাগ, চাৰিটা পাদ, চাৰিটা স্থান, চাৰিটা সাধন, আঠটা অঙ্গ, ওঠৰটা পদ, শত শাখা, দুটা অভিযোগ, দুটা দ্বাৰ, দুটা গতি আদিৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ পিছত ব্যৱহাৰৰ বিভিন্ন বিষয়, ৰজাৰ কৰ্তব্য, গ্ৰেপ্তাৰৰ প্ৰকাৰ, বিচাৰকৰ কৰ্তব্য আদিৰ বিষয়ে পোৱা যায়।

দ্বিতীয় অধ্যায় ঃ নাৰদস্মৃতিৰ দ্বিতীয় অধ্যায়ত ৪৪টা শ্লোক আছে। এই অধ্যায়টোক 'ব্যৱহাৰ মাতৃকা' বুলি কোৱা হৈছে। এই অধ্যায়ত লেক্ষ্য, প্ৰতিবাদীৰ উত্তৰ, বাদীৰ অভিযোগ পত্ৰৰ দোষ, মানুষী-দৈৱিকী লেক্ষ্য সাক্ষী, সাক্ষী-প্ৰমাণাদি গ্ৰহণ আদি

বিষয়বোৰ অন্তর্ভুক্ত হৈছে।

তৃতীয় অধ্যায় ঃ নাৰদস্মৃতিৰ তৃতীয় অধ্যায়ত ১৮টা শ্লোক আছে আৰু এই অধ্যায়টোক নাৰদমাতৃকাৰ 'সভালক্ষণ' নামেৰে জনা যায়। এই অধ্যায়টোত বিচাৰ সভাৰ লক্ষণ, সভ্যৰ নিযুক্তি, মিথ্যাবাদীৰ লক্ষণ, ধর্মযুক্ত বিচাৰ প্রক্রিয়া আদি বিষয়ৰ আলোচনা আছে।

চতুর্থ অধ্যায় ঃ নাৰদস্মৃতিৰ চতুর্থ অধ্যায়ত ব্যৱহাৰৰ ওঠৰটা পদৰ (titles of the law) বিস্তৃত আলোচনা পোৱা যায়। এই পদবোৰ হৈছে—

১। **ঋণাদান (recovery of debts) ঃ** যিজনে য'ত যি ধন যেনেদৰে ঋণৰূপেৰে দিয়ে আৰু নিদিয়ে, ঋণৰ দান তথা আদান আৰু ঋণদানৰ বিধি, এই সকলোবোৰ 'ঋণাদান' প্রকৰণৰ বিবেচনীয় বিষয়বস্তু। যিজনে ঋণ দিয়ে তেওঁ হ'ল উত্তমর্ণ আৰু যিজনে ঋণ লয় তেওঁ হৈছে অধমর্ণ। ইয়াত সর্বমুঠ ৩৪৮টা শ্লোক আছে।

২। **নিক্ষেপ (উপনিধি) (depositis) ঃ** নিজৰ দ্রব্য যেতিয়া শংকা বিহীনভাৱে আনৰ সমীপত বিশ্বাসেৰে জমা ৰাখে, তাকেই নিক্ষেপ বুলি কোৱা হৈছে। ইয়াত উপনিধিৰ বিষয়েও আলোচনা কৰা হৈছে। এটা পাত্রৰ ভিতৰত কিবা বস্তু আনে নজনাকৈ থৈ সেই পাত্রটো আনৰ ঘৰত থৈ দিলে, তাক উপনিধি বোলে। ইয়াত ১৫টা শ্লোক আছে।

৩। **সম্ভূয়সমুত্থান (partnership) ঃ** (সহকাৰিতা) যি ঠাইত বণিকআদিয়ে লগ হৈ কাম কৰে, তাকেই সম্ভূয়সমুত্থান বুলি কোৱা হয়। বণিক শ্রেণীয়ে এটা ঠাইত মিলিত হৈ দেয় আধাৰ, দেয় পৰিমাণ আদিৰ অংশ নির্ণয় কৰে। এই পদটোত ১৮টা শ্লোক আছে।

৪। **দত্তাপ্রদানিক (দান তথা ইয়াৰ পূর্ণগ্রহণ) (resumption of gifts) ঃ** যেতিয়া কোনো এজনে অনুচিত উপায়েৰে কোনো এটা বস্তু কাৰোবাক দিয়ে আৰু কিবা কাৰণত সেই বস্তুটো পুনৰ ঘুৰাই আনিব বিচাৰে, এই কার্যটোকে দত্তাপ্রদানিক বুলি কোৱা হয়। অদেয়, দেয়, দত্ত, আৰু অদত্ত- ব্যৱহাৰৰ এই চাৰিটা দানমার্গ। এই পদটোত ১২টা শ্লোক আছে।

৫। **অভ্যুপেত্য-অশুশ্রূষা (চাকৰিৰ চুক্তি ভঙ্গ) (breach of contract of service) ঃ** কোনো এজনে কাৰোবাক চাকৰি দিম বুলি চুক্তিবদ্ধ হোৱাৰ পিছত, সেই চুক্তি ভঙ্গ কৰিলে ইয়াক অভ্যুপেত্য-অশুশ্রূষা বিবাদ বুলি কোৱা হয়। এই পদটোত ৪৩টা শ্লোক আছে।

৬। **বেতনস্য-অনপাকর্ম (বেতন প্রদান নকৰা) (non-payment of wages) ঃ** ভৃত্যসকলক অথবা মজুৰীপ্রাপ্ত কর্মীসকলক বেতন দিয়া আৰু বেতনৰ অনাদায়ৰ বিধিক বেতনস্য-অনপাকর্ম বোলে, যিটো নেকি এটা বিবাদাস্পদ বিষয়। এই পদটোত ২২টা শ্লোক আছে।

৭। **অস্বামিবিক্রয় (বিনা স্বামীত্বৰ দ্বাৰা বিক্রী) (sale without ownership)** ঃ কোনো এজন ব্যক্তিয়ে আন এজনে তেওঁৰ তাত থোৱা ধন বা দ্রব্যৰ (নিক্ষেপ) নাশ অথবা অপহৰণ কৰি আনৰ ওচৰত বিক্রী কৰিলে, তাকে অস্বামিবিক্রয় বুলি কোৱা হৈছে, যিটো বিবাদৰ বিষয়। এই পদটোত ৮টা শ্লোক আছে।

৮। **বিক্রীয়-অসম্প্রদান (বিক্রী কৰাৰ পিছতো প্রদান নকৰা) (non-delivery after sale)** ঃ মূল্য লৈ পণ্যদ্রব্য বিক্রী কৰাৰ পিছতো, যেতিয়া ক্রেতাজনক দিয়া নহয়, সেইটোকে বিক্রীয়-অসম্প্রদান বিবাদ-স্থান বুলি কোৱা হৈছে। এই পদটোত ১২টা শ্লোক আছে।

৯। **ক্রীত্বানুশয় (ক্রয়ৰ বাতিলকৰণ) (rescission of purchase)** ঃ যেতিয়া কোনো এজনে কোনো এটা বস্তু মূল্যৰে ক্রয় কৰি, পিছত সেইটো ঠিক বুলি নাভাবি ঘূৰাই দিব বিচাৰে তেতিয়াই ক্রীত্বানুশয় নামৰ বিবাদটো আৰম্ভ হয়। এই পদটোত ১৬টা শ্লোক আছে।

১০। **সময়স্যানপকর্ম (নিগম, শ্রেণী আদিৰ পৰম্পৰাৰ বিৰোধ) (violation of conventions of corporations, guilds etc.)** ঃ নিগম (corporati bodies), শ্রেণী (guilds), পূগ (councils) আদিৰ পৰম্পৰাগত নিয়মক 'সময়' বুলি কোৱা হয়, এই নিয়মৰ লঙঘনক 'সময়ৰ অনপাকর্ম' বুলি কোৱা হয়। এইটো এটা বিবাদৰ বিষয়। এই পদটোত ৭টা শ্লোক আছে।

১১। **সীমাবন্ধ (সীমা নির্ণয়) (settlement of boundaries)** ঃ সেতু আৰু শস্য ক্ষেত্রৰ সীমা ইতস্তত হোৱাৰ পিছত, ইয়াক নিশ্চিত কৰিবলৈ ক্ষেত্রৰ ওপৰত অধিকাৰক লৈ যি বিবাদ হয়, সেয়াই 'ক্ষেত্রজ' অথবা সীমাবন্ধ নামৰ বিবাদৰ বিষয়। এই পদটোত মুঠ ৪৩টা শ্লোক আছে।

১২। **স্ত্রীপুংসয়োগ (বৈবাহিক সম্বন্ধ) (marital relation)** ঃ স্ত্রী আৰু পুৰুষৰ বিবাহাদি বিধি য'ত প্রয়োগ হয়, সেয়াই 'স্ত্রীপুংসযোগ'। ইয়াক এটা বিবাদৰ কাৰণ বুলি কোৱা হৈছে। ইয়াত ১১৩টা শ্লোক আছে।

১৩। **দায়ভাগ (পিতৃসম্পত্তিৰ বিভাজন আৰু উত্তৰাধিকাৰ) (partition and inharitance)** ঃ পুত্রসকলৰ মাজত যেতিয়া পৈত্রিক সম্পত্তিৰ বিভাজন কৰা হয় তাকেই 'দায়ভাগ' বুলি কোৱা হয়, যি এটা বিবাদৰ বিষয়। এই পদটোত ৫২টা শ্লোক আছে।

১৪। **সাহসম্ (বল প্রয়োগৰ দ্বাৰা উৎপন্ন অপৰাধ, যেনে হত্যা, ডকাইতি, বলাৎকাৰ আদি) (violent acts)** ঃ বল আৰু দর্পৰ সৈতে যি কাম বলপূর্বক কৰা যায়, সিয়েই 'সাহস'। 'সহ' মানে হৈছে বল। মানুহৰ হত্যা, ডকাইতি, পৰস্ত্রীগমন আৰু পাৰুষ্য (বাক্পাৰুষ্য তথা দণ্ডপাৰুষ্য) এই চাৰিবিধ 'সাহস'। এই পদটোত ২৭টা শ্লোক আছে।

১৫। **বাক্‌পাৰুষ্য (কথাৰ জৰিয়তে অপমান, মানহানি আদি) (verbal assault)** ঃ দেশ, জাতি আৰু কুলৰ নিন্দাপৰক আক্রোশ বচন আৰু প্রতিকূল মন্তব্যক বাক্যপাৰুষ্য বুলি কোৱা হৈছে।

১৬। **দণ্ডপাৰুষ্য (শাৰীৰিক অপদস্ত) (physical assault)** ঃ হাত, ভৰি, অস্ত্র আদিৰ দ্বাৰা আন লোকৰ শাৰীৰিক প্রহাৰক তথা ভস্মাদি দ্রব্য আনৰ গালৈ চতিয়াই দিয়া কর্মক দণ্ডপাৰুষ্য বুলি কোৱা হৈছে। বাক্‌পাৰুষ্য আৰু দণ্ডপাৰুষ্য মিলি মুঠ ৩২টা শ্লোক আছে।

১৭। **দ্যূতসমাহ্বয় (জুৱা তথা পক্ষীযুঁজ) (gambling and contests)** ঃ অক্ষ (জুৱাৰ গুটি), বধ্র (জন্তুৰ ছালৰ পেটী) আৰু শলকা (হাতীৰ দাঁতেৰে নির্মিত জুৱাখেলৰ পাশতি) আদিৰ দ্বাৰা আৰু পক্ষীৰ মাজত লগোৱা কাজিয়াৰ দ্বাৰা (এইটো এটা জুৱা) আৰু পণপূর্বক অনুষ্ঠিত কপটতা নিষ্পাদিত ক্রীড়াক দ্যূতসমাহ্বয় বুলি কোৱা হয়। এই পদটোত ৮টা শ্লোক আছে।

১৮। **প্রকীর্ণকম্‌ (অন্যান্য দোষ) (miscallaneous worngs)** ঃ প্রকীর্ণক খণ্ডৰ বিষয়সমূহ ৰজা সম্বন্ধীয় বিচাৰযোগ্য ব্যৱহাৰ বিষয়। ৰজাৰ আজ্ঞা উল্লঙ্ঘন আদি বিষয়সমূহ ইয়াৰ অন্তর্গত। ইয়াত ৫৫টা শ্লোক আছে।

ইয়াৰ উপৰিও পৰিশিষ্টৰূপে আন দুটা বিবাদ পদ নাৰদস্মৃতিত পোৱা যায়। সেই দুটা বিবাদ পদ বিষয় হৈছে—

১। **তস্কৰ প্রকাৰ (স্তেয়ম্‌) (চোৰৰ প্রকাৰ ভেদ) (theft)** ঃ প্রকাশতস্কৰ আৰু অপ্রকাশ (প্রচ্ছন্ন তস্কৰ হিচাপে দুই প্রকাৰৰ চোৰ পোৱা যায়। ইয়াত ৬১টা শ্লোক আছে।

২। **দিব্যানি (দৈৱিক পৰীক্ষা) (ordeals)** ঃ যেতিয়া বাদী অথবা বিবাদী কোনো পক্ষৰ লগত সাক্ষী নাথাকে, তেতিয়া ৰজাই দৈৱিক ব্যৱস্থা তথা শপথেৰে বিচাৰ প্রক্রিয়া সম্পন্ন কৰিব। এই ক্ষেত্রত ৰজাই অগ্নি, ঘট, জল, কোশ আদিৰ প্রয়োগৰ দ্বাৰা বিচাৰ প্রক্রিয়া চলাব। এই প্রকৰণটোত ৪৮টা শ্লোক আছে। (সকলোবোৰ নাৰদস্মৃতিৰ সংকলনত এই প্রকৰণটো পোৱা নাযায়।)

প্রকাশিত নাৰদস্মৃতিত পৰিশিষ্টৰ স্তেয় প্রকৰণ সমন্বিতে (৬১টা শ্লোক) ১০২৮টা শ্লোক পোৱা যায়। পিছৰ কালৰ 'স্মৃতি নিৰন্ধ' শ্রেণীৰ ৰচনাত নাৰদস্মৃতিৰ প্রায় ৭০০ মান শ্লোক উদ্ধৃতি হিচাপে পোৱা যায়। 'অভ্যুপেত্যাশুশ্রূষা' প্রকৰণটোৰ ২১ নং শ্লোকলৈ 'অসহায়' ভাষ্য পোৱা যায়। নৱম শতিকাৰ প্রথম ভাগৰ ভাষ্যকাৰ বিশ্বৰূপে নাৰদস্মৃতিৰ ৫০টা মান শ্লোক উদ্ধৃতি হিচাপে ব্যৱহাৰ কৰিছে। মেধাতিথিৰ ভাষ্য তথা বিজ্ঞানেশ্বৰৰ 'মিতাক্ষৰা' ভাষ্যতো নাৰদস্মৃতিৰ শ্লোকৰ উদ্ধৰণ পোৱা যায়। পৰৱর্তী কালৰ স্মৃতি ভাষ্য, যেনে— স্মৃতিচন্দ্রিকা, হেমাদ্রি, পৰাশৰমাধৱীয় আদি আৰু পৰৱর্তী

নিৰন্ধ গ্ৰন্থসমূহত নাৰদস্মৃতিৰ শ্লোকৰ উদ্ধৃতি পোৱা যায়।

নাৰদস্মৃতিৰ প্ৰাৰম্ভিক গদ্যাংশখিনি, য'ত নাৰদ, মাৰ্কণ্ডেয়, সুমতি ভাৰ্গৱ আদিৰ দ্বাৰা মনুৰ মৌলিক গ্ৰন্থৰ সংক্ষিপ্তকৰণৰ কথা কোৱা হৈছে, সেইখিনি বাদ দি সম্পূৰ্ণ নাৰদস্মৃতি অনুষ্টুপ্ (শ্লোক) ছন্দত ৰচনা কৰা হৈছে। (কেৱল ব্যৱহাৰমাতৃকাৰ দ্বিতীয় অধ্যায়ৰ ৩৮ নং শ্লোক আৰু 'সভা' নামৰ অধ্যায়ৰ অন্তিম শ্লোকটোক বাদ দি)। নাৰদস্মৃতিৰ চতুৰ্থ অধ্যায়ৰ ঋণাদান প্ৰকৰণত নাৰদে নিজৰ নাম উল্লেখ কৰি এনেদৰে কৈছে যে— সন্দিগ্ধ অৰ্থত অভিযুক্ত দুৰ্জনৰ বিশুদ্ধিৰ কাৰণে সত্য আৰু মিথ্যাৰ বিশুদ্ধিৰ বিষয়টো লৈ নাৰদে এনেদৰে কৈছে—

'সন্দিগ্ধেৎৰ্থেভিযুক্তানাং বিশুদ্ধ্যৰ্থং দুৰাত্মনাম্।
প্ৰোক্তানি নাৰদেনেহ সত্যানৃতবিশুদ্ধয়ে।।' (নাৰদস্মৃতি, ঋণাদান, ২৫৩)

৭.১০.৩ নাৰদস্মৃতিৰ সংকলন

এতিয়ালৈকে নাৰদস্মৃতিৰ পাঁচটা সংকলন উপলব্ধ হৈছে। জাৰ্মান পণ্ডিত ড° জুলিয়াছ জ'লীয়ে দুটা সংকলন প্ৰকাশ কৰিছে। এটা সংকলনক হ্ৰস্বসংলন (smaller version) আৰু আনটোক কোৱা হয় দীৰ্ঘ সংকলন (long version)। হ্ৰস্ব সংকলনটোত কেৱল নাৰদস্মৃতিৰ মূলশ্লোক আৰু তাৰ অনুবাদ আছে। যিটো লণ্ডনস্থিত Trubner & co এ ১৮৭৬ চনত প্ৰকাশ কৰিছে।

দীৰ্ঘ সংকলনটো ১৮৪৫ চনত Bibliotheca Indica seriesত প্ৰকাশত হোৱাৰ লগতে অনুবাদসহ Sacred Books of the East series ৰ vol.33 ত প্ৰকাশিত হৈছে। এই সংকলনটোত পঞ্চম পদ অৰ্থাৎ 'অভ্যুপেত্যাশুশ্ৰূষা'ৰ ২১ নং শ্লোকলৈ অসহায়ৰ দ্বাৰা ৰচিত ভাষ্য সংকলিত কৰা হৈছে। ১৪০৭ খ্ৰীষ্টাব্দত নেপালত উদ্ধাৰ হোৱা নাৰদস্মৃতিৰ এখন পুথিত (manuscript) পোৱা দুটা অতিৰিক্ত অধ্যায়, স্তেয় আৰু দিব্য, এই দুটাৰ প্ৰথমটো অধ্যায় পৰিশিষ্টৰূপে এই সংকলনটোত পোৱা যায়।

'নাৰদীয় মনুসংহিতা' হিচাপে নাৰদস্মৃতিৰ আন এটা সংকলন ১৯২৯ চনত ত্ৰিবান্দ্ৰম সংস্কৃত সিৰিজৰ দ্বাৰা প্ৰকাশিত হৈছে, যাৰ সম্পাদনা কৰিছে কে. সাম্বশিৰ শাস্ত্ৰীয়ে। এই সংকলনখনত ভৰস্বামীৰ ভাষ্য পোৱা যায়।

Chicago ত জন্মগ্ৰহণ কৰা Richard W. Lariviera য়ে কৰা সমালোচনাত্মক সম্পাদন তথা ইংৰাজীলৈ কৰা অনুবাদৰ সংকলন এটা ১৯৮৮ চনত প্ৰকাশিত হয়। নাৰদস্মৃতিৰ এই সংকলনটোত অসহায় ভাষ্য পোৱা যায়। স্তেয় আৰু দৈৱ-পৰিশিষ্টভাৱে পোৱা এই দুটা প্ৰকৰণ এই সংকলনটোত দিয়া হৈছে।

পুৰী (ওড়িষা) স্থিত শ্ৰীজগন্নাথ সংস্কৃত বিশ্ববিদ্যালয়ৰ ধৰ্মশাস্ত্ৰ বিভাগৰ আচাৰ্য্য ড° ব্ৰজকিশোৰ স্বাঁইয়ে নাৰদস্মৃতি এটা সংকলন ১৯৯২ চনত প্ৰকাশিত হৈছে। এই

সংকলনটোত স্বাঁইয়ে 'তিলোত্তমা' নামৰ এটা সংস্কৃত টিপ্পনী (তেওঁৰ দ্বাৰা লিখিত) তথা নাৰদস্মৃতিৰ তেওঁ কৰা হিন্দী অনুবাদ পোৱা যায়। প্রতিটো অধ্যায়ৰ সংস্কৃত টিপ্পনীটোৰ অন্তত এনেদৰে পোৱা যায়— 'শ্রী পুৰুষোত্তমপুৰীবাস্তব্যপণ্ডিত শ্রীব্রজকিশোৰ স্বাঁই প্রণীতা নাৰদস্মৃতি-প্রথমাধ্যায়তিলোত্তমাটিপ্পনী'।

৭.১০.৪ নাৰদস্মৃতিৰ ভাষ্যকাৰ

নাৰদস্মৃতিৰ কেবল দুজন ভাষ্যকাৰহে উপলব্ধ হৈছে। এজন হৈছে অসহায় আৰু আনজন হৈছে ভৰস্বামী।

১। **অসহায় ভাষ্য ঃ** ইতিমধ্যে কোৱা হৈছে যে নাৰদস্মৃতিৰ চতুর্থ অধ্যায়ৰ পঞ্চম পদ 'অভ্যুত্যে-অশুশ্রূষা'ৰ ২১ নং শ্লোকলৈকেহে কেৱল অসহায়ৰ দ্বাৰা ৰচিত ভাষ্য পোৱা যায়। এই অসহায়ৰ দ্বাৰা ৰচিত ভাষ্যটো কেশৱভট্টৰ প্রেৰণাৰে কল্যাণভট্টই সংশোধন কৰা বুলি ভাষ্যটোৰশেষত পোৱা যায়— 'ইতি অসহায়নাৰদ ভাষ্যে কেশৱভট্টপ্রোৎসাহিত-কল্যাণভট্ট পৰিশোধিত-ব্যৱহাৰ মাতৃকায়াং প্রথমোঽধ্যায়'। কল্যাণ ভট্টই কিয় সংশোধন কৰিলে, তাৰো কাৰণ হিচাপে কোৱা হৈছে যে, অসহায়ৰ দ্বাৰা ৰচিত নাৰদ ভাষ্যটোৰ লিপিকাৰসকলে ভুলকৈ লিপিবদ্ধ কৰা কাৰণে তেওঁ সংশোধন কৰিলে— 'দৃষ্ট্বাসহায়ৰচিতং নাৰদভাষ্যং কুলেখকৈর্ভ্রষ্টম্। কল্যাণেন ক্রিয়তে প্রাক্তনমেতদ্ বিশোধ্য পুনঃ।।' অসহায় সম্বন্ধে বিশেষ, বিৱৰণ পোৱা নাযায়। অসহায়ক এজন প্রখ্যাত ভাষ্যকাৰ বুলি কোৱা হৈছে। নাৰদস্মৃতিৰ উপৰিও তেওঁ মনুস্মৃতি, গৌতমধর্মসূত্র আৰু শঙ্খ-লিখিত স্মৃতিৰ ওপৰত ভাষ্য ৰচনা কৰা বুলি পোৱা যায়। বিশ্বৰূপে তেওঁৰ 'যজ্ঞেবল্কীয়টীকা', তথা অনিৰুদ্ধই তেওঁৰ 'হাৰলতাটীকা'ত অসহায়ৰ নাম উল্লেখ কৰিছে। জুলিয়াছ জ'লীয়ে অসহায়ক খ্রীষ্টাব্দ পঞ্চম শতিকাৰ পিছৰ বুলি কৈছে। পি. ভি. কাণেৰ মতে তেওঁ ৭৫০ খ্রীষ্টাব্দৰ আগৰ। কিয়নো অহসাঢ় ভাষ্যকাৰ বিশ্বৰূপ তথা মেধাতিথিৰ আগৰ। বিশ্বৰূপৰ সময়সীমা ৭৫০-১০০০ খ্রীষ্টাব্দ তথা মেধাতিথিৰ সময়সীমা ৮২৫-৯০০ খ্রীষ্টাব্দ। কে. পি. জয়চোৱালৰ মতে অসহায় ৭তম শতিকাৰ আগৰ আৰু তেওঁ পাটলিপুত্রৰ বাসিন্দা আছিল।

২। **ভৰস্বামী ভাষ্য ঃ** ভৰস্বামী সম্বন্ধেও বিশেষ একো পোৱা নাযায়। সম্ভৱতঃ এওঁ অসহায়ৰ পিছৰ ভাষ্যকাৰ। কে. সাম্বশিৱ শাস্ত্রীৰ মতে ভৰস্বামী দক্ষিণ ভাৰতীয়, বিশেষকৈ কেৰেলাৰ ব্রাহ্মণ আছিল। কিন্তু কাণে আদি পণ্ডিতৰ মতে তেওঁ মধ্যভাৰতীয় হ'ব পাৰে। নাৰদভাষ্যৰ উপৰিও ভৰস্বামীয়ে কল্পসূত্রৰ ভাষ্য লিখা বুলি পোৱা যায়। পি. ভি. কাণে ভৰস্বামীৰ সময় ৭০০-১০০০ খ্রীষ্টাব্দৰ ভিতৰত বুলি ঠাৱৰ কৰিছে। আন এজন গৱেষক টি. আৱ্. চিন্তামনিয়ে ভৰস্বামীৰ সময় অষ্টম শতিকাৰ বুলি ক'ব খোজে।

এইখিনিতে স্মৃতিসাহিত্যৰ কেইজনমান প্ৰধান ভাষ্যকাৰ আৰু তেওঁলোকৰ ভাষ্যৰ নাম উল্লেখ কৰিব খোজা হৈছে—

ভাষ্যকাৰৰ নাম	ভাষ্যৰ নাম	ভাষ্য থকা স্মৃতিখনৰ নাম
বিজ্ঞানেশ্বৰ	মিতাক্ষৰা	যাজ্ঞবল্ক্যস্মৃতি
মেধাতিথি	মনুভাষ্য	মনুস্মৃতি
কুল্লুক	মন্বৰ্থমুক্তাৱলী	মনুস্মৃতি
বিশ্বৰূপ	বালক্রীড়া	যাজ্ঞৱল্ক্যস্মৃতি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ নাৰদস্মৃতিত প্রধানকৈ স্মৃতিৰ কোনটো বিষয় পোৱা যায়?

.....

.....

প্রশ্ন নং ৭ ঃ নাৰদস্মৃতিত কিমানটা অধ্যায় আছে?

.....

.....

প্রশ্ন নং ৮ ঃ কাণেৰ মতে নাৰদস্মৃতিৰ ৰচনাৰ সময় কি?

.....

.....

প্রশ্ন নং ৯ ঃ নাৰদস্মৃতিৰ এজন ভাষ্যকাৰৰ নাম লিখক?

.....

.....

প্রশ্ন নং ১০ ঃ নাৰদস্মৃতিত কিমানটা শ্লোক আছে?

.....

.....



৭.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- স্মৃতি সাহিত্য সম্পৰ্কে জ্ঞান লাভ কৰিলে।
- স্মৃতি সাহিত্যৰ অন্তৰ্গত নাৰদস্মৃতিৰ লগত পৰিচয় হ'ল।

- নাৰদস্মৃতিৰ বিষয়বস্তুৰ লগত চিনাকী হ'ব পাৰিলে।
- নাৰদস্মৃতিৰ সময় অৱগত হ'ব পাৰিলে।
- নাৰদস্মৃতিৰ ভাষ্যকাৰৰ বিষয়ে জানিব পাৰিলে।



৭.১২ অধিক জানিবলৈ

১) Swain, (Dr.) Braja Kishore, (2006), *Naradasmrti*, Varanasi, Choukhambha Sanskrit Bhawan.

২) Larivier, Richard W., (2003), *The Naradasmrti*, Delhi, Motilal Banarsidass.

৩) কাণে পি ভি, (১৯৯২), *ধর্মশাস্ত্র কা ইতিহাস প্রথম ভাগ,* লক্ষ্ণৌ ঃ উত্তৰ প্রদেশ হিন্দী সংস্থান।

৪) শর্মা, কিৰণ, (১৯৯৮), *মনুসংহিতা,* গুৱাহাটী, অসম বেদ বিদ্যালয়।

৫) বসু, সুমিতা, (১৪০৭ বংগাব্দ), *যাজ্ঞৱল্ক্যসংহিতা,* কোলকাতা, সংস্কৃত পুস্তক ভাণ্ডাৰ।

৬) Kane, P. V., (2006), *History of Dharmasastra*, Vol. I, Pune, Bhandarkar Oriental Research Institute.



৭.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ধর্মশাস্ত্র।

২ নং প্রশ্নৰ উত্তৰ ঃ ধর্ম।

৩ নং প্রশ্নৰ উত্তৰ ঃ বেদেই ধর্মৰ মূল।

৪ নং প্রশ্নৰ উত্তৰ ঃ কল্প মানে হৈছে যজ্ঞৰ বিধি বা নিয়ম।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১২ টা।

৬ নং প্রশ্নৰ উত্তৰ ঃ ব্যৱহাৰ বিষয়টো।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৪ টা

৮ নং প্রশ্নৰ উত্তৰ ঃ ১০০-৩০০ খ্রীষ্টাব্দ।

৯ নং প্রশ্নৰ উত্তৰ ঃ অসহায়।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ১০২৮ টা।



৭.১৪ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ তলত প্ৰশ্নসমূহৰ উত্তৰ লিখক।

(ক) ধৰ্মৰ প্ৰধান লক্ষণ কি বুলি কোৱা হৈছে।

(খ) স্মৃতিৰ সংজ্ঞা কি?

(গ) ধৰ্মসূত্ৰসমূহ কি কি?

(ঘ) নাৰদস্মৃতিত কেইটা বিবাদপদ আছে।

(ঙ) নিক্ষেপ মানে কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ স্মৃতিৰ মূল বিষয় সম্বন্ধে এটি টোকা যুগুত কৰক।

প্ৰশ্ন ২ ঃ স্মৃতিৰ সংখ্যা নিৰ্ণয় কৰি কেইখনমান স্মৃতিৰ পৰিচয় দিয়ক।

প্ৰশ্ন ৩ ঃ নাৰদস্মৃতিৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ নাৰদস্মৃতিৰ সংকলনসমূহৰ ওপৰত এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৮ ঃ নাৰদস্মৃতি ঃ প্ৰথম অধ্যায় ঃ 'ব্যৱহাৰ'ৰ মূলভূত অংগ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ প্ৰথম অধ্যায় ঃ নাৰদ মাতৃকাৰ বিচাৰদৰ্শন ঃ মূলপাঠ

৮.৪ প্ৰথম অধ্যায় ঃ ব্যৱহাৰ মাতৃকা ঃ মূলপাঠ ঃ (শ্লোক নং ১-২৯)

৮.৫ সাধাৰণ আলোচনা

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্ৰগতিৰ খতিয়ান

৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নাৰদস্মৃতিৰ প্ৰথম অধ্যায়ৰ লগত চিনাকী হ'ব পাৰিব
- প্ৰথম অধ্যায়ত থকা মূল সংস্কৃত শ্লোকৰ লগত পৰিচয় হ'ব পাৰিব
- প্ৰথম অধ্যায়ৰ কিয়দাংশৰ বিষয়বস্তু সম্বন্ধে অৱগত হ'ব পাৰিব
- নাৰদস্মৃতিৰ মূল বিষয় 'ব্যৱহাৰ'ৰ লগত পৰিচয় হ'ব পাৰিব
- প্ৰাচীন ভাৰতীয় বিচাৰ পদ্ধতিৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

প্ৰাচীন ভাৰতীয় ধৰ্মশাস্ত্ৰকাৰসকলৰ ভিতৰত নাৰদ অন্যতম। তেওঁৰ দ্বাৰা ৰচিত নাৰদস্মৃতি প্ৰাচীন বিধি ব্যৱস্থাৰ এখন যথাযথ পদ্ধতিগত পুথি। ইয়াৰ আগৰ পাঠটোত ইতিমধ্যে আপুনি নাৰদস্মৃতিৰ লগত পৰিচিত হৈ আহিছে। নাৰদৰ সময় খ্ৰীষ্টাব্দ ১০০-৪০০ শতাব্দীৰ ভিতৰত ধৰা হৈছে আৰু তেওঁক আন দুজন প্ৰখ্যাত স্মৃতিকাৰ মনু আৰু যাজ্ঞবল্ক্যৰ পিছৰ বুলি ঠাৱৰ কৰা হৈছে।

চাৰিটা অধ্যায়যুক্ত নাৰদস্মৃতিত প্ৰথম তিনিটা অধ্যায় ভূমিকা (introduction) হিচাপে পোৱা যায়, য'ত ব্যৱহাৰ মাতৃকা (judicial procedure) মূল বিষয় হিচাপে ধৰা হৈছে। ইয়াত ব্যৱহাৰৰ বিধিসমূহ উপস্থাপন কৰা হৈছে।

প্ৰথম পাঠটোত নাৰদস্মৃতিৰ প্ৰথম অধ্যায়ৰ কিছু অংশ আলোচনা কৰা হৈছে। মূল সংস্কৃত শ্লোকসমূহৰ লগতে সেইবোৰৰ অসমীয়া অনুবাদ আৰু কিছু আলোচনা এই পাঠটোত

দিয়া হৈছে। প্ৰথম অধ্যায়টো আৰম্ভ হৈছে ৬টা গদ্যাত্মক খণ্ডৰ দ্বাৰা, যাক নাৰদমাতৃকাৰ বিচাৰ দৰ্শন বুলি কোৱা হয়। ইয়াত নাৰদস্মৃতিৰ ৰচনা কেনেকৈ আৰম্ভ হ'ল, কোনো কাক সেই স্মৃতিজ্ঞান প্ৰদান কৰিলে, সেই বিষয়ে আলোচনা কৰা হৈছে। তাৰ পিছত আলোচ্য বিষয় ব্যৱহাৰ মাতৃকা আৰম্ভ কৰা হৈছে। ব্যৱহাৰ অৰ্থাৎ বিচাৰ ব্যৱস্থাৰ সূচনা, বিধি, প্ৰকাৰ আদি বিষয়সমূহ আলোচনা কৰাৰ লগতে, ব্যৱহাৰৰ অন্তৰ্গত বিষয়, ব্যৱহাৰৰ পাদ, অংগ, ওঠৰটা পদ আদি উল্লেখ কৰা হৈছে।

নাৰদস্মৃতিৰ প্ৰথম অধ্যায়ৰ এই পাঠটোত ব্যৱহাৰ মাতৃকাৰ প্ৰথম শ্লোকটোৰ পৰা ২৯ নং শ্লোকটোলৈ বৰ্ণিত বিষয় বস্তুৰ লগত অৱগত হ'ব পাৰিব। বাকীখিনি শ্লোক পিছৰ পাঠটোত আলোচনা কৰা হৈছে।

৮.৩ প্ৰথম অধ্যায় ঃ নাৰদ মাতৃকা বিচাৰদৰ্শন ঃ মূলপাঠ

খণ্ড-১ ঃ ইহ হি ভগবন্ মনুঃ প্ৰথমং সৰ্বভূতানুগ্ৰহাৰ্থমাচাৰস্থিতি হেতুভূতং শাস্ত্ৰং চকাৰ। য়ত্ৰ লোকসৃষ্টিৰ্ভূতপ্ৰবিভাগঃ সদ্দেশপ্ৰমানং পৰ্ষল্লক্ষণং বেদবেদাংগয়জ্ঞবিধানমাচাৰো ব্যৱহাৰঃ কণ্টকশোধনং ৰাজবৃত্তবৰ্ণাশ্ৰমবিভাগৌ বিবাহন্যায়ঃ স্ত্ৰীপুংসবিকল্পোদায়ানুক্ৰমঃ শ্ৰাদ্ধবিধানং শৌচাচাৰবিকল্পো ভক্ষ্যাভক্ষ্যলক্ষণং বিক্ৰেয়াবিক্ৰেয়মীমাংসা পাতকভেদাঃ স্বৰ্গনৰকানুবৰ্ণনং প্ৰায়শ্চিত্তান্যুপনিষদো ৰহস্যস্থানানি। এবং চতুবিংশতি প্ৰকৰণানি।। ১।।

অসমীয়া অনুবাদ ঃ ছয় প্ৰকাৰৰ ঐশ্বয্যশালী ভগৱান মনুই সকলো প্ৰাণীৰ মঙ্গলৰ বাবে প্ৰথমে আচাৰ পৰম্পৰাৰ সংৰক্ষণৰ মূল হেতু ৰূপী এই ধৰ্মশাস্ত্ৰৰ ৰচনা কৰিছিল। ইয়াত ২৪টা প্ৰকৰণ অৰ্থাৎ বিষয় সন্নিৱিষ্ট আছে, যিবোৰ হৈছে— জগতৰ সৃষ্টি, প্ৰাণীসকলৰ বিভাগ, নায্য দেশৰ প্ৰমাণ, পৰিষদৰ লক্ষণ, বেদ-বেদাঙ্গ অনুসৰি যজ্ঞৰ বিধান আচাৰ, ব্যৱহাৰ, কণ্টক, শোধন, ৰাজধৰ্ম, বৰ্ণ বিভাগ, আশ্ৰম বিভাগ, বিবাহ ন্যায়, স্ত্ৰী আৰু পুৰুষৰ বৈকল্পিক ধৰ্ম, দায়ভাগ, শ্ৰাদ্ধ বিধান, শৌচাচাৰৰ বিকল্প ব্যৱস্থা, ভক্ষ্যাভক্ষ্যলক্ষণ, বিক্ৰেয় মীমাংসা, অবিক্ৰেয় মীমাংসা, পাতকভেদ, স্বৰ্গ-নৰকৰ বৰ্ণনা, প্ৰায়শ্চিত্ত, উপনিষদ আৰু ৰহস্য বিদ্যা। ।। ১।।

খণ্ড-২ ঃ তদেতদত্ৰ শ্লোকশতসহস্ৰেণ সাশীতিনাধ্যায়সহস্ৰেণ চ ভগবান্ মনুৰূপনিবদ্ধ্য দেবৰ্ষয়ে নাৰদায় প্ৰায়চ্ছৎ। স চ তস্মাদধীত্য মহত্বান্নায়ং নায়ং গ্ৰন্থঃ সুকৰো মনুষ্যেৰেব ধাৰয়িতুমিতি দ্বাদশভিঃ সহস্ৰৈঃ সংচিক্ষেপ তং চ মহৰ্ষয়ে মাৰ্কণ্ডেযায় প্ৰায়চ্ছৎ।। ২।।

অসমীয়া অনুবাদ ঃ ১০০৮টা অধ্যায়ত এক লাখ শ্লোকত এই সকলোবোৰ বিষয় উপনিবদ্ধ কৰি মনুৰে দেৱৰ্ষি নাৰদক এই শাস্ত্ৰ প্ৰদান কৰিলে। তেৱোঁ তেওঁৰ পৰা এইবোৰ অধ্যয়ন কৰি, ইমান ডাঙৰ গ্ৰন্থ মানুহে গ্ৰহণ আৰু ধাৰণ কৰিব নোৱাৰে, (এই

বুলি বিচাৰ কৰি) সেয়েহে ১২০০০ শ্লোকত সংক্ষিপ্ত কৰি মহর্ষি মার্কণ্ডেয়ক প্রদান কৰিলে ।। ২।।

খণ্ড-৩ ঃ স চ তস্মাদধীত্য তথৈবায়ুঃ শক্তিমপেক্ষ্য মনুষ্যাণামষ্টভিঃ সহস্রৈঃ সংচিক্ষেপ তং চ সমুতয়ে ভার্গৱায় প্রায়চ্ছৎ।। ৩।।

অসমীয়া অনুবাদ ঃ তেৱোঁ (মার্কণ্ডেয়ই) তেওঁৰ পৰা (নাৰদৰ পৰা) সেইখিনি অধ্যয়ন কৰি ৮০০০ শ্লোকলৈ সংক্ষিপ্ত কৰিলে তথা বুদ্ধিশালী ভার্গৱক অর্পণ কৰিলে।। ৩।।

খণ্ড-৪ ঃ সুমতিৰপি ভার্গবস্তস্মাদধীত্য তথৈৱায়ুর্হ্রাসদল্পীয়সী শক্তির্মনুষ্যাণমিতি চতুর্ভিঃ সহস্রৈঃ সংচিক্ষেপঃ।।

অসমীয়া অনুবাদ ঃ উত্তম বুদ্ধিশালী হ'লেও ভার্গৱে মানুহবিলাকৰ আয়ুহ্রাসৰ ফলত শক্তিহীন হোৱা কাৰণে, সিমানখিনি শ্লোক অধ্যয়ন কৰাটো অসম্ভৱ বুলি ভাবি, ৪০০০ শ্লোকত সংক্ষিপ্ত কৰিলে।। ৪।।

খণ্ড-৫ ঃ তদেতপ্যিতৃমনুষ্যা হ্যধীয়তে বিস্তৱেণ শতসহস্রং দেবগন্ধর্ৱাদয়ঃ তত্রায়মাদ্যঃ শ্লোকঃ। আসীদিদং তমো ভূতং ন প্রাজ্ঞায়ত কিংচন।
ততঃ স্বয়ংভূর্ভগৱান্ প্রাদুৰাসীচ্চতুর্মুখঃ।। ৫।।

অসমীয়া অনুবাদ ঃ সেই সময়ত পিতৃ আৰু মনুষ্যসকলৰ মাজত এইখনৰ অধ্যয়ন আৰম্ভ হ'ল, দেৱতা আৰু গন্ধর্বসকলৰ বাবে এশ হেজাৰ (এক লাখ) শ্লোকেৰে এই গ্রন্থখনৰ নির্মাণ হ'ল। সেইখনৰ এইটো প্রথম শ্লোক—
এই সংসাৰখন অন্ধকাৰাছন্ন আছিল। ইয়াৰ বিষয়ে কোনোৱেও একো জনা নাছিল। ইয়াৰ পিছত নিজে নিজে চতুমুর্খযুক্ত ভগৱান ব্রহ্মাৰ উৎপত্তি হ'ল।। ৫।।

খণ্ড-৬ ঃ এৱমধিকৃত্য ক্রমাৎ ক্রমং প্রকৰণাৎ প্রকৰণমনুক্রান্তম্। তত্রং প্রথমং প্রকৰণং ব্যবহাৰো নাম যত্রেমামাদৌ দেৱর্ষিনাৰদঃ সূত্রীয়াং মাতৃকাং চকাৰ। অস্যায়মাদ্যঃ শ্লোকঃ।। ৬।।

অসমীয়া অনুবাদ ঃ এই বিষয়টোকে আধাৰ হিচাপে লৈ ক্রমানুসাৰে প্রকৰণসমূহৰ বর্ণনা হ'ল। ইয়াৰে প্রথম প্রকৰণত ব্যৱহাৰ বিষয়টোৱে স্থান পালে, যাৰ ওপৰত দেবর্ষি নাৰদে ব্যৱহাৰ মাতৃকা ৰচনা কৰিলে। ইয়াৰে প্রথমটো শ্লোক হৈছে—

৮.৪ প্রথম অধ্যায় ঃ ব্যৱহাৰ মাতৃকা ঃ মূলপাঠ ঃ (শ্লোক নং ১-২৯)

শ্লোক-১ ঃ ব্যৱহাৰ

ধর্মৈকতানাঃ পুৰুষা যদাসন্ সত্যবাদিনঃ।
তদা ন ব্যৱহাৰো২ভূন্ন দ্বেষো নাপি মৎসৰঃ।।

অসমীয়া অনুবাদ ঃ যেতিয়া মানুহ সত্যবাদী আছিল তেতিয়া বিবাদ অর্থাৎ বিচাৰ প্রক্রিয়াও

হোৱা নাছিল। দ্বেষ অর্থাৎ ঈর্ষা তথা মৎসৰতা (হিংসা অথবা ক্রোধ)ও নাছিল।

ব্যৱহাৰৰ অথবা ন্যায়িক ব্যৱস্থাৰ সূচনা ঃ

শ্লোক-২ ঃ নষ্টে ধর্মে মনুষ্যাণং ব্যৱহাৰঃ প্ৰৱর্ততে।
দ্রষ্টা চ ব্যৱহাৰাণাং ৰাজা দণ্ডধৰঃ স্মৃতঃ।। ২।।

অসমীয়া অনুবাদ ঃ যেতিয়া মানুহৰ ধর্ম নষ্ট হ'ল তথা ধর্মক অৱজ্ঞা কৰা হ'ল, তেতিয়া ব্যৱহাৰ অর্থাৎ ব্যৱহাৰৰ (legal procedure) সূচনা হ'ল। সেই বিবাদত বাদী আৰু প্ৰতিবাদীৰ যুক্তি শুনাৰ বাবে ৰজা অধিকাৰী হৈ পৰিল আৰু বাদী-বিবাদীৰ মাজত কোন দোষী, তাক নির্ণয় কৰি দণ্ড দিয়াৰ ব্যৱস্থা হ'ল। দণ্ড দিয়াৰ অধিকাৰী হোৱা বাবে ৰজাৰ 'দণ্ডধৰ' বুলি কোৱা হ'ল।

ব্যৱহাৰত দুই প্ৰকাৰৰ বিধি ঃ

শ্লোক-৩ ঃ লিখিতং সাক্ষিণশ্চৈব দ্বৌ বিধী পৰিকীর্তিতৌ।
সন্দিগ্ধার্থবিশুদ্ধ্যর্থং দ্বয়োর্ৱিৱদমায়োঃ।। ৩।।

অসমীয়া অনুবাদ ঃ বিবাদত দুয়োটা পক্ষৰে সন্দিগ্ধ বিষয়ৰ নিৰাকৰণ কৰি বিশুদ্ধ প্ৰকাশ কৰিবলৈ দুটা বিধি নিশ্চিত হৈছে— এটা হৈছে লিখিত পত্র আৰু দ্বিতীয়টো হৈছে সাক্ষী।



জানি থোৱা ভাল

বিধি অথবা প্ৰমাণ ঃ ধর্মশাস্ত্রকাৰসকলে সন্দিগ্ধ বিষয়ত সত্যাসত্য নিৰূপণ কৰাৰ কাৰণে তিনি প্ৰকাৰ মনুষ্য প্ৰমাণ স্বীকাৰ কৰিছে— লিখিত, ভুক্তি আৰু সাক্ষী। (প্ৰমাণং লিখিতং ভুক্তিঃ সাক্ষিণশ্চেতি কীর্তিতম্।) আচার্য্য নাৰদে প্ৰথমতে মানুষী প্ৰমাণৰ দুটা ভেদৰ উল্লেখ কৰিছে— লেখ্য আৰু সাক্ষী। কিন্তু পৰৱর্তী সময়ত (দ্বিতীয় অধ্যায়ত) তেওঁ অৱশ্যে ভুক্তি (possession) বিষয়েও বিস্তাৰিত আলোচনা কৰিছে— 'লিখিতং সাক্ষিণো ভুক্তিঃ প্ৰমাণং ত্রিৱিধং স্মৃতম্।

লেখ্য বা লিখিত প্ৰমাণ (written document) **ঃ** তিনি প্ৰকাৰৰ প্ৰমাণৰ ভিতৰত লিখিত প্ৰমাণৰ গুৰুত্ব অপৰিসীম। অর্থীৰ অর্থাৎ বাদীৰ অভিযোগ শ্ৰৱণ কৰি প্ৰত্যর্থী অর্থাৎ বিবাদীয়ে বাদীৰ সন্মুখতে নিজৰ উত্তৰ লিখিব। বাদীয়ে তেতিয়াই প্ৰতিজ্ঞাত অভিযোগৰ স্বপক্ষে প্ৰমাণ প্ৰদর্শন কৰিলেও সেইটো লিখিত হ'ব। ঋণ, দান আদিৰ ক্ষেত্রত ভৱিষ্যতে বিবাদ নিষ্পত্তিৰ বাবে সাক্ষীসহিত অথবা সাক্ষীৰহিত লেখ্যপত্র (দলিল) ৰচনা কৰা হয়। লেখ্য প্ৰমাণ দুই প্ৰকাৰৰ— জানপদ বা চীৰক আৰু শাসন। জানপদ সাধাৰণ মানুহে লিখা লেখ্য পত্র আৰু শাসন ৰজাৰ দ্বাৰা ৰচিত।

সাক্ষী (witness) **ঃ** আচার্য্য মনুৱে কৈছে 'সমক্ষদর্শনাৎ সাক্ষ্যং শ্ৰৱণাচ্চৈৰ সিধ্যতি'। অর্থী অর্থাৎ বাদী আৰু প্ৰত্যর্থীৰ অর্থাৎ প্ৰতিবাদীৰ ক্রিয়াকলাপ দর্শন কৰা তথা তেওঁলোকৰ কথাবার্তা শ্ৰৱণ কৰাৰ ফলত বিবাদাস্পদীভূত বিষয়ত সত্যাসত্য নির্ণয়ত

যিয়ে সহায় কৰিব পাৰে, তেৰেঁই সাক্ষী। সহ অক্ষি + ষঞ + ইলি = সাক্ষি। তপস্বী, দানশীল, সৎকুলজাত, সত্যবাদী, ধাৰ্মিক, শ্ৰৌত আৰু স্মাৰ্তক্ৰিয়াপৰায়ণ, সৰলচিত্ত, পুত্ৰবান আৰু ধনী ব্যক্তি সাক্ষী হোৱাৰ উপযুক্ত। নাৰদৰ মতে সাক্ষী দুই প্ৰকাৰৰ— কৃতসাক্ষী আৰু অকৃতসাক্ষী। যাক ইতিমধ্যে সাক্ষীৰূপে নিৰূপিত কৰা হৈছে, তেওঁ হ'ল কৃতসাক্ষী। আনহাতে যাক সাক্ষী ৰূপে পূৰ্বতে নিৰ্ধাৰিত কৰা হোৱা নাই, অথচ সাক্ষ্যদানৰ বাবে সেইজন যোগ্য, তেওঁ হ'ল অকৃতসাক্ষী। কৃতসাক্ষী পাঁচ প্ৰকাৰৰ— লিখিত, স্মাৰিত, যদৃচ্ছভিজ্ঞ, গূঢ় আৰু উত্তৰ সাক্ষী।

শ্লোক-৪ ঃ সোত্তৰো২নুত্তৰশ্চৈব স বিজ্ঞেয়ো দ্বিলক্ষণঃ।
সোত্তৰো২শ্চধিকো যত্ৰ বিলেখাপূৰ্বকঃ পণঃ।।

অসমীয়া অনুবাদ ঃ এই বিবাদৰ দুটা প্ৰকাৰ আছে। যেনে— সোত্তৰ (with of guaranty) আৰু অনুত্তৰ (without a guaranty)। যেতিয়া পণ ৰাখি বাদী অথবা প্ৰতিবাদীয়ে উত্তৰ দিয়ে, তেতিয়া এই বিবাদক সোত্তৰ বুলি কোৱা হয়। এই বিবাদ লিখিত পূৰ্বক হোৱা উচিত।

শ্লোক-৫ ঃ বিৱাদে সোত্তৰপণে দ্বয়োৰ্যস্তত্ৰ হীয়তে।
স এৱ হি পণং দাপ্যো ৱিনয়ং চ পৰাজয়ে।।

অসমীয়া অনুবাদ ঃ সোত্তৰ বিবাদৰ ক্ষেত্ৰত, যেতিয়া দুয়োজনৰ ভিতৰত বাদী অথবা প্ৰতিবাদী, যিজন পৰাজিত হয়, সেইজনে পণ (fine) দিবলগীয়া হয় তথা বিনয় অৰ্থাৎ ৰাজদণ্ডও ভোগ কৰিবলগীয়া হয়।

লিখিত সাৰবস্তু - প্ৰতিজ্ঞা ঃ

শ্লোক-৬ ঃ সাৰস্তু ব্যৱহাৰাণাং প্ৰতিজ্ঞা সমুদাহৃতা।
তদ্ধানৌ হীয়তে বাদী তৰংস্তামুত্তৰো ভৱেৎ।।

অসমীয়া অনুবাদ ঃ বিবাদত ভাষাপত্ৰৰ লিখিত সাৰবস্তু (plaint) ক 'প্ৰতিজ্ঞা' (essence of lawsuits) হিচাপে মানি লোৱা হয়। এই প্ৰতিজ্ঞাত লিখিত বস্তু যদি প্ৰমাণিত নহয়, তেতিয়া বাদীজন পৰাজিত হয় আৰু প্ৰমাণিত হ'লে বিজয়ী হয়।

বিচাৰৰ ৰায়দান কৰা পাঁচ প্ৰকাৰৰ ব্যক্তি (দণ্ডাধীশ) ঃ

শ্লোক-৭ ঃ কুলানি শ্ৰেণয়শ্চৈৱ গণাশ্চাধিকৃতো নৃপঃ।
প্ৰতিষ্ঠা ব্যৱহাৰাণাং গুৰ্বেভ্যস্তূত্তৰোত্তৰম্।।

অসমীয়া অনুবাদ ঃ পাঁচ প্ৰকাৰৰ মানুহ অথবা জনসমূহৰ দ্বাৰা বিবাদৰ নিৰ্ণয় অৰ্থাৎ ৰায়দান কৰা হয়। এই পাঁচপ্ৰকাৰৰ ব্যক্তি হৈছে— কুল অৰ্থাৎ জ্ঞাতি-সম্বন্ধিৰ গোট (Local groups), শ্ৰেণী অৰ্থাৎ ভিন্ন স্থানত থাকি একেটা কৰ্ম কৰা গোষ্ঠী (বণিক শ্ৰেণীৰ লগত প্ৰধান নাগৰিক ? (guilds), গণ অৰ্থাৎ ভিন্নজাতি তথা ভিন্নবৃত্তিৰ মানুহৰ একেটা স্থানত বাস কৰা, যেনে— ব্ৰাহ্মণাদিগণ (assemblies), ৰজাৰ দ্বাৰা নিযুক্ত অধিকাৰী (appointed judge) আৰু স্বয়ং ৰজা (the

king)। এই কেইটাৰ ভিতৰত পৰৱৰ্তীজন পূৰ্ববৰ্তীজনতকৈ প্ৰবল তথা পূৰ্বজনৰ আদেশক (পৰৱৰ্তীজনে ৰুদ্ধ কৰাৰ লগতে পুনৰ বিচাৰ কৰিব পাৰে।

ব্যৱহাৰৰ অন্তৰ্গত বিষয় ঃ

শ্লোক-৮ ঃ স চতুষ্পাচ্চতুঃ স্থানশ্চতুঃ সাধন এৱ চ।
চতুর্হিতশ্চতুর্ব্যাপী চতুষ্কাৰী চ কীর্ত্যতে।।

অসমীয়া অনুবাদ ঃ ব্যৱহাৰ অর্থাৎ ন্যায় ব্যৱস্থাত (legal procedure) চাৰিটা পাদ (four feet), চাৰিটা স্থান (four bases), চাৰিটা সাধন (means) আছে। এই ব্যৱস্থাটো চতুর্দিন যুক্ত (four beneficiaries), চতুর্ব্যাপী (extends to four) আৰু চতুষ্কাৰী (four proceduces)।

শ্লোক-৯ ঃ অষ্টাংগো২ষ্টাদশপদঃ শতশাখস্তথৈব চ।
ত্রিয়োনির্দ্বয়থিয়োগশ্চ দ্বিদ্বাৰো দ্বিগতিস্তথা।।

অসমীয়া অনুবাদ ঃ (এই ন্যায়ব্যৱস্থাৰ) আঠটা অঙ্গ (limbs) ১৮টা পদ (titles), এশ শাখা (branches), তিনিটা উৎপত্তি স্থল (sources), দুটা অভিযোগ (accusations), দুখন দ্বাৰ (gates) আৰু দুটা গতি (pathways) আছে।

ব্যৱহাৰৰ চাৰিটা পাদ ঃ

শ্লোক-১০ ঃ ধর্মশ্চ ব্যবহাৰশ্চ চৰিত্রং ৰাজশাসনম্।
চতুষ্পাদ্ ব্যৱহাৰো২যমুত্তৰঃ পূৰ্ৱবাধকঃ।।

অসমীয়া অনুবাদ ঃ ধর্ম (dharma), ব্যৱহাৰ (legal proceduce), চৰিত্র (custom) আৰু ৰাজাজ্ঞা (king's decree) — এই চাৰিটা ব্যৱহাৰৰ চাৰিটা পাদ। ইয়াৰে পৰৱৰ্তী কেইটা পূৰ্ববৰ্তীটোতকৈ শক্তিশালী তথা ৰাজাজ্ঞা সকলোতকৈ শ্রেষ্ঠ।

শ্লোক-১১ ঃ তত্র সত্যে স্মিতো ধর্মো ব্যবহাৰস্তু সাক্ষিযু।
চৰিত্রং পুস্তকৰণে ৰাজাজ্ঞায়াং তু শাসনম্।।

অসমীয়া অনুবাদ ঃ যেতিয়া বাদীজনৰ আপত্তি প্রতিবাদীজনে মানি লয়, তেতিয়া সেয়াই ধর্ম। যেতিয়া সাক্ষিৰ দ্বাৰা প্রমাণিত কৰা হয়, তেতিয়া সেয়াই ব্যৱহাৰ। যেতিয়া লিখিত পত্রৰ দ্বাৰা (recorded letter) প্রমাণ কৰা হয়, সেয়াই চৰিত্র আৰু ৰজাৰ আজ্ঞাৰ দ্বাৰা গোচৰ নিষ্পত্তি কৰিলে, সেয়াই হৈছে 'শাসন'।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধর্মশাস্ত্রৰ ৰচনা কোনে প্রথমতে কৰিছিল?

.....

প্রশ্ন নং ২ ঃ নাৰদক কোনে প্রথমতে ধর্মশাস্ত্রখন অর্পণ কৰিছিল?

.....

প্ৰশ্ন নং ৩ ঃ ব্যৱহাৰ মাতৃকা কোনে ৰচনা কৰিছিল ?

.....

প্ৰশ্ন নং ৪ ঃ ব্যৱহাৰৰ দুটা বিধি কি কি ?

.....

প্ৰশ্ন নং ৫ ঃ ব্যৱহাৰৰ চাৰিটা পাদ কি কি ?

.....

ব্যৱহাৰৰ চাৰিটা সাধনঃ

শ্লোক-১২ ঃ সামাদ্যুপায়সাধ্যত্বাচ্চতুঃ সাধন উচ্যতে।
চতুর্ণামাশ্রমাণাং চ ৰক্ষণাৎ স চতুর্হিতঃ।।

অসমীয়া অনুবাদ ঃ সাম, দান, ভেদ আৰু দণ্ড— এই চাৰিপ্ৰকাৰৰ উপায়। এই চাৰি উপায়ৰ দ্বাৰা সম্বন্ধিত হোৱাৰ বাবে ব্যৱহাৰক 'চতুঃসাধন' বুলি কোৱা হৈছে। ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাস— এই চাৰি আশ্ৰমৰ ৰক্ষাৰ হেতু ব্যৱহাৰ 'চতুৰ্হিত' বুলি জনা যায়।

চতুৰ্ব্যাপী ব্যৱহাৰ ঃ

শ্লোক-১৩ ঃ কৰ্ত্তৃনথো সাক্ষিণশ্চ সভ্যান্ ৰাজানমেৰ চ।
ব্যাপ্নোতি পাদশো যস্মাচ্চতুৰ্ব্যাপী ততঃ স্মৃতঃ।।

অসমীয়া অনুবাদ ঃ বাদী আৰু প্ৰতিবাদী ব্যৱহাৰৰ কৰ্তা। কৰ্তা (perpetrators), সাক্ষী (witnesses), ধৰ্মাধিকাৰীমণ্ডলীৰ অন্তৰ্গত সদস্য (the judges) আৰু ৰজা— এই চাৰিটা ব্যৱহাৰ পাদ। এই পাদকেইটাক ব্যৱহাৰে পৰিব্যাপ্ত হৈ থাকে। সেই কাৰণে ব্যৱহাৰ 'চতুৰ্ব্যাপী' বুলি জনা যায়।

চতুষ্কাৰী ব্যৱহাৰ ঃ

শ্লোক-১৪ ঃ ধৰ্মস্যাৰ্থস্য যশসো লোকপংক্তেস্তথৈৰ চ।
চতুৰ্ণাং কৰণাদেযাং চতুষ্কাৰী প্ৰকীৰ্ত্তিতঃ।।

অসমীয়া অনুবাদ ঃ ধৰ্ম, অৰ্থ, যশ আৰু লোকানুৰাগ (people's respect) — এই চাৰিটাক সৃষ্টি কৰাৰ কাৰণে ব্যৱহাৰক চতুষ্কাৰী (produce four) বুলি জনা যায়।

ব্যৱহাৰৰ আঠটা অংগ ঃ

শ্লোক-১৫ ঃ ৰাজা সৎপুৰুষঃ সভ্যাঃ শাস্ত্ৰং গণকলেখকৌ।
হিৰণ্যমগ্নিৰুদকমষ্টাংগঃ সমুদাহৃতঃ।।

অসমীয়া অনুবাদ ঃ স্বকীয় পুৰুষৰ সৈতে ৰজা (the king and his men), সভ্যসকল (judges), শাস্ত্ৰ (texts), গণক (accountant), লেখক (scribe), হিৰণ্য অৰ্থাৎ সোণ (gold), অগ্নি (fire) আৰু পানী (water)— এই আঠটা হৈছে ব্যৱহাৰৰ অংগ।

ব্যৱহাৰৰ ওঠৰটা পদ ঃ

শ্লোক-১৬-১৯ ঃ ঋণাদানং হ্যপনিধিঃ সংভূয়োত্থানমেৰ চ।
দত্তস্য পুনৰাদানমশুশ্ৰূষাভ্যুপেত্য চ।।
ৰেতনস্যানপাকৰ্ম তথৈৰাস্বামিৰিক্ৰয়ঃ।
ৰিক্ৰিয়াসংপ্ৰদানং চ ক্ৰীত্বানুশয় এৰ চ।
সয়যস্যানপাকৰ্ম ৰিৰাদঃ ক্ষেত্ৰজস্তথা।
স্ত্ৰীপুংসয়োশ্চ সংবন্ধো দায়ভাগো ৎথ সাহসম্।
ৰাক্পাৰুস্যং তথৈৰোক্তং দণ্ডপাৰুষ্যমেৰ চ।
দ্যুতং প্ৰকীৰ্ণকং চৈৰেত্যষ্টাদশপদঃ স্মৃতঃ।

অসমীয়া অনুবাদ ঃ ব্যৱহাৰৰ ওঠৰতা পদ (titles) হৈছে — ১) ঋণাদান (Non-payment of debts), ২) উপনিধি (Deposits), ৩) সংভূয়সমুত্থান (Partnership), ৪) দত্ত পদাৰ্থৰ অস্বীকাৰ (Resumption of gifts), ৫) শুশ্ৰূষাৰ অস্বীকাৰ (Breach of contract for service), ৬) দৰমহা লৈ কাম নকৰা (Wages without work), ৭) গৰাকী নথকা বস্তুক বিক্ৰী কৰা (Sale without ownership), ৮) বিক্ৰী কৰাৰ পিছতো ক্ৰেতাক নিদিয়া (NOn-delivery of sold items), ৯) ক্ৰয় কৰাৰ পিছত অনুশোচনা (Reneging on a purchase), ১০) চুক্তিভংগ (Non-observance of conventions), ১১) ভূমি সম্পৰ্কীয় বিবাদ (Land disputes), ১২) স্ত্ৰী-পুৰুষৰ সম্বন্ধ (Relation between men and women), ১৩) দায়ভাগ (Partition of inheritance), ১৪) সাহস অৰ্থাৎ বলপূৰ্বক অপহৰণ (Violent Acts), ১৫) বাক্ পাৰুষ্য অৰ্থাৎ অনধিকাৰ গালি-শপনি দিয়া (Verbal assault), ১৬) দণ্ড পাৰুষ্য অৰ্থাৎ মাৰপিট কৰা (Physical assault), ১৭) দ্যুতক্ৰীড়া অৰ্থাৎ জুৱা খেলা (Gambling) আৰু ১৮) প্ৰকীৰ্ণক অৰ্থাৎ পূৰ্বতে উল্লেখ নকৰা আন বিষয়ৰ সমাহাৰ (Miscellaneous)।

শ্লোক-২০ ঃ এষামেৰ প্ৰভেদো২ন্যো দ্বাত্ৰিংশদধিকং শতম্।
ক্ৰিয়াভেদান্মনুষ্যাণাং শতশাখো নিগদ্যতে।

অসমীয়া অনুবাদ ঃ আন এচামৰ মতে এই ব্যৱহাৰৰ পদৰ বিভাগ ১৩২টা পোৱা যায়। আনহাতে ব্যৱহাৰৰ শাখা (branches), মানুহৰ সাক্ষী প্ৰমাণাদি ক্ৰিয়াভেদে এশটা পোৱা যায়।

শ্লোক-২১-২৫ ঃ ঋণাদানং পঞ্চবিংশতি ষড়ৌপনিধিকে স্মৃতাঃ।
সংভূয়োত্থে ত্ৰয়ো ভেদাশ্চতুৰ্দত্তাপ্ৰদানকে।। ২১।।
নৰভেদা অশুশ্ৰূষা ৰেতনং স্যাচ্চতুৰ্ৱিধম্।
অস্বামিবিক্ৰয়ে তু দৌ ৰিক্ৰিয়াদানমেকধা।। ২২।।

ক্ৰীত্বা মুক্তং চতুৰ্ভেদং সময়াকাৰ্যমেকধা।
ক্ষেত্ৰৱাদো দ্বাদশধা স্ত্ৰীপুংসোৰ্ভেদৱিংশতি।
দায়ভাগে তু একোনা ভেদা দ্বাদশ সাহসে।
বাগ্‌দণ্ডপাৰুষ্যয়োস্তু দ্বয়ো ৰ্ভেদাস্ত্রয়ঃ স্মৃতাঃ।।
দ্যুতাহ্বয়ং চৈকভেদং ষড়্‌ভেদং তু প্ৰকীৰ্ণকম্।
এৱমেষাং প্ৰথেদানাং দ্বাত্ৰিংশচ্ছতমেব ৱৈ।।

অসমীয়া অনুবাদ ঃ ওপৰোক্ত মুখ্য ওঠৰবিধ ব্যৱহাৰ পদৰ ভিতৰত আৰু কিছুমান প্ৰভেদৰ কথা উল্লেখ কৰিছে অন্যান্য আচাৰ্যসকলে। তেওঁলোকৰ মতানুসৰি সৰ্বমুঠ পদ হৈছে ১৩২টা। ইয়াত কোনটো মুখ্য পদৰ ভিতৰত কেইটা পদ আছে তাৰেই সংখ্যাসমূহ দিয়া হৈছে। সেই অনুসৰি—

ঋণাদানত ২৫ বিধ, উপনিধিত ৬ বিধ, সম্ভূয় সমুত্থানত ৩ বিধ, দত্ত অপ্ৰাদনত ৪ বিধ, অশুশ্ৰূষাত ৯ বিধ, বেতনত ৪ বিধ, ক্ৰীত্বানুশয়ত ৪ বিধ, চুক্তিভঙ্গত ১ বিধ, ক্ষেত্ৰবাদত ১২ বিধ, স্ত্ৰী-পুৰুষবাদত ২০ বিধ, দায়ভাগত ১৯ বিধ, সাহসত ১২ বিধ, বাক্‌-পাৰুষ্য তথা দণ্ডপাৰুষ্যত ৩ বিধ, দ্যূত ক্ৰীড়াত ১ বিধ আৰু প্ৰকীৰ্ণকত ৬ বিধ। এনেদৰে এইবোৰৰ প্ৰভেদ ১৩২ টা পোৱা যায়।

ব্যৱহাৰৰ তিনিটা উৎপত্তিস্থল ঃ

শ্লোক-২৬ ঃ কামাৎ ক্ৰোধাচ্চ লোভাচ্চ ত্ৰিভ্যো যস্মাৎ প্ৰৱৰ্ততে।
ত্ৰিযোনিঃ কীৰ্ত্যতে তেন এয়মেতদ্‌ ৱিৱাদকৃত।।

অসমীয়া অনুবাদ ঃ ব্যৱহাৰৰ তিনিটা উৎপত্তি স্থল (sources) হৈছে কাম (passion), ক্ৰোধ (anger) আৰু লোভ (greed)। ব্যৱহাৰ এই তিনিটাৰ পৰাই সৃষ্টি হোৱা বাবে এওঁলোকক 'ত্ৰিযোনি' বুলি কোৱা হৈছে। এই তিনিটাই হৈছে বিবাদৰ কাৰণ।

ব্যৱহাৰৰ দুই প্ৰকাৰৰ অভিযোগ ঃ

শ্লোক-২৭ ঃ দ্বয়ভিযোগস্তু ৱিজ্ঞেয়ঃ শংকাতত্ত্বাভিযোগতঃ।
শংকা সতাং তু সংসৰ্গাত্তত্ত্বং হোঢ়াভিদৰ্শনাৎ।।

অসমীয়া অনুবাদ ঃ অভিযোগ (accusations) দুই প্ৰকাৰৰ। এটা হৈছে শংকা অভিযোগ (suspicion) আৰু আনটো হৈছে তত্ত্ব অভিযোগ (fact)। অসৎ সম্পৰ্কৰ দ্বাৰা যি শংকা উৎপন্ন হয়, তেনেকৈ হোৱা অভিযোগ শংকাভিযোগ। আনহাতে, চুৰি হোৱা বস্তুক দেখি যি অভিযোগ উত্থাপন হয়, সেয়াই হৈছে তত্ত্বাভিযোগ।

ব্যৱহাৰৰ দুটা পক্ষ ঃ

শ্লোক-২৮ ঃ পক্ষদ্বয়াভিসংবন্ধাদ্‌ দ্বিদ্বাৰং সমুদাহৃতঃ।
পূৰ্ৱৱাদস্তয়োঃ পক্ষঃ প্ৰতিপক্ষস্তদুত্তৰম্।।

অসমীয়া অনুবাদ ঃ ব্যৱহাৰত অর্থাৎ বিচাৰ প্ৰক্ৰিয়াত দুটা পক্ষৰ সম্বন্ধ থাকে। এটা পক্ষ এখন

এখন দুৱাৰ (gates)। সেয়েহে ব্যৱহাৰত দুই পক্ষৰ অৱস্থিতিৰ কাৰণে ব্যৱহাৰ দুই দ্বাৰযুক্ত। প্ৰথমতে যিজনে বাদ কৰে অৰ্থাৎ অভিযোগ উত্থাপন কৰে তেওঁ পক্ষ (plaintiff) আৰু যিজনে উত্তৰ দিয়ে, তেওঁ হৈছে প্ৰতিপক্ষ অথবা প্ৰতিবাদী (oppositic side)।

ব্যৱহাৰৰ দুটা গতি ঃ

শ্লোক-২৯ ঃ ভূতচ্ছলানুসাৰিত্বাদ্ দ্বিগতিঃ স উদাহৃতঃ।
ভূতং তত্ত্বাৰ্থসংযুক্তং প্ৰমাদাভিহিতং ছলম্।।

অসমীয়া অনুবাদ ঃ ব্যৱহাৰৰ দুটা গতি (Pathways) আছে। এটা হৈছে ভূত অৰ্থাৎ সত্য প্ৰতিষ্ঠিত (Fact) আৰু আনটো হৈছে ছল অৰ্থাৎ প্ৰবঞ্চনা (Error)। ভূত সত্যতত্ত্বৰ লগত জড়িত, আনহাতে সত্যক বিকৃতকৰণেই হৈছে ছল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ব্যৱহাৰৰ কেইটা অংগ আছে?

.....

প্ৰশ্ন নং ৭ ঃ ব্যৱহাৰৰ দুটা পদৰ নাম লিখক।

.....

প্ৰশ্ন নং ৮ ঃ নাৰদৰ মতে ব্যৱহাৰৰ শাখা কেইটা?

.....

প্ৰশ্ন নং ৯ ঃ ব্যৱহাৰৰ তিনিটা উৎপত্তিস্থল কি কি?

.....

প্ৰশ্ন নং ১০ ঃ ব্যৱহাৰৰ গতি কেইটা? কি কি?

.....

৮.৫ সাধাৰণ আলোচনা

নাৰদস্মৃতিৰ প্ৰথম অধ্যায়টো ব্যৱহাৰ মাতৃকা। ইয়াত ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টোৰ আৰম্ভণিতে প্ৰথম ছটা গদ্যাত্মক পংক্তিত স্মৃতিখনৰ উৎপত্তি সম্বন্ধে আলোচনা কৰা হৈছে, যাক নাৰদমাতৃকাৰ 'বিচাৰদৰ্শন' হিচাপে জনা যায়। ইয়াৰ পিছতে ব্যৱহাৰ মাত্ৰিকা আৰম্ভ হৈছে শ্লোক-১ পৰা শ্লোক-৭৪লৈকে, য'ত স্মৃতি শাস্ত্ৰৰ মূল বিষয় ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা হৈছে।

নাৰদমাতৃকাৰ বিচাৰদৰ্শনত পোৱা যায় যে ভগৱান মনুৱে সকলো প্ৰাণীৰ মংগলৰ বাবে ২৪টা প্ৰকৰণ সন্নিৱিষ্ট এই ধৰ্মশাস্ত্ৰৰ প্ৰণয়ন কৰিছিল। ১০০৮টা অধ্যায়ত থকা এক লাখ শ্লোকৰ এই শাস্ত্ৰখন মনুৱে নাৰদক অৰ্পণ কৰিছিল, পিছত নাৰদে ১২০০০ শ্লোকত এইখন সংক্ষিপ্ত কৰি মহৰ্ষি মাৰ্কণ্ডেয়ক প্ৰদান কৰিছিল। মাৰ্কণ্ডেয়ই এইখনৰ ৮০০০ শ্লোকলৈ সংক্ষিপ্ত কৰি ভাৰ্গৱক

অৰ্পণ কৰিছিল। ভাৰ্গৱে এইখন ৪০০০ শ্লোকলৈ সংক্ষিপ্ত কৰি মনুষ্যসকলৰ মাজত এই শাস্ত্ৰখনৰ অধ্যয়ন আৰম্ভ কৰিলে। ইয়াৰে প্ৰথম প্ৰকৰণত 'ব্যৱহাৰ' বিষয়টোৱে স্থান পালে, যাৰ ওপৰত দেৱৰ্ষি নাৰদে ব্যৱহাৰ মাতৃকা ৰচনা কৰিছিল।

'ব্যৱহাৰ' শব্দটোৰ সাধাৰণ লোক প্ৰচলিত অৰ্থ হৈছে পাৰস্পৰিক আচৰণ (Transaction dealing)। কিন্তু প্ৰাচীন ধৰ্মশাস্ত্ৰত এই শব্দটো এটা পাৰিভাষিক শব্দ হিচাপে ব্যৱহাৰ কৰা হৈছে, যাৰ অৰ্থ হৈছে আইন প্ৰয়োগ পদ্ধতি (Judicial procedure)। 'ব্যৱহ্ৰিয়তে অনেন' এই ব্যুৎপত্তিৰে বি-অৱ-হৃ+যঞ্ এইদৰে ধাতু প্ৰত্যয়ৰ যোগত 'ব্যৱহাৰ' শব্দটোৰ নিষ্পন্ন হৈছে। 'ব্যৱহাৰ' শব্দটোৰ ভিন্ন অৰ্থ সূত্ৰশাস্ত্ৰ তথা স্মৃতিশাস্ত্ৰসমূহত দেখিবলৈ পোৱা যায়। আপস্তব-ধৰ্মসূত্ৰত (২/৭/১৬-১৭) ব্যৱহাৰ শব্দটো পাৰস্পৰিক আচৰণ অৰ্থত উল্লেখিত হৈছে। মহাভাৰতৰ উদ্যোগ পৰ্বতো (৩৭/২৮-৩০) এই একেটা অৰ্থতেই এই শব্দটোৰ প্ৰয়োগ হৈছে।

ব্যৱহাৰ পদটি বিবাদ অথবা বিবাদ বিষয়ৰ অৰ্থত ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায় মহাভাৰতৰ শান্তি পৰ্বত (৬৯/২৮), বসিষ্ঠধৰ্মশাস্ত্ৰত (১৬/১), বিষ্ণুধৰ্মসূত্ৰত (৩/৭২), মনুসংহিতাত (৮/১), যাজ্ঞবল্ক্যসংহিতাত (২/১), নাৰদস্মৃতিত (১/১) তথা শুক্ৰনীতিসাৰত (৪/৫৫)। বসিষ্ঠ ধৰ্মসূত্ৰ আৰু শঙ্খলিখিত স্মৃতিত ব্যৱহাৰ পদটো বিচাৰত অংশগ্ৰহণৰ যোগ্যতা অৰ্থত প্ৰযুক্ত হৈছে।' 'বিবাদ ৰত্নকৰ' গ্ৰন্থতো এই অৰ্থতেই শব্দটো গৃহীত হৈছে (ৰক্ষেদ্ ৰাজা বালানাং ধনানি অপ্ৰাপ্তব্যৱহাৰাণাম্)। গৌতম ধৰ্মসূত্ৰত 'কোনো বিষয় নিৰ্ণয়ৰ উপায়' এই অৰ্থত ব্যৱহাৰ পদটো প্ৰযুক্ত হৈছে। বহুকেইজন স্মৃতিকাৰে ব্যৱহাৰ শব্দটি বিবাদৰ বিষয় তথা বিচাৰ পদ্ধতি এই দুয়োটা অৰ্থতেই ব্যৱহাৰ কৰিছে। কিন্তু আচাৰ্য্য যাজ্ঞবল্ক্যই 'বিবাদ' শব্দৰ দ্বাৰা বিবাদৰ বিষয়সমূহ তথা 'ব্যৱহাৰ' শব্দৰ দ্বাৰা বিচাৰ পদ্ধতিকে বুজাইছে।

ব্যৱহাৰৰ লক্ষণ কেৱলমাত্ৰ কাত্যায়ন, হাৰীত আৰু যাজ্ঞবল্ক্যইহে আগবঢ়াইছে। কাত্যায়নৰ মতে ধৰ্ম হ'ল প্ৰযত্নসাধ্য। সম্যগ্ভাষণ, অহিংসা আচৰণ আদি কষ্টসাধ্য উপায়েৰে ধৰ্ম সিদ্ধ হয়। এই ধৰ্ম যদি লোভ, দ্বেষ প্ৰভৃতিৰ দ্বাৰা বিচ্ছিন্ন হৈ পৰিলে, তেনেহ'লে ঋণাদান আদি বিষয়ত সাধ্যমূলক যি বিবাদ, তাকেই ব্যৱহাৰ বুলি কোৱা হয়।

'প্ৰযত্নসাধ্যে ৰিচ্ছিন্নে ধৰ্মাখ্যে ন্যায়ৰিস্তৰে।
সাধ্যসূলস্তু য়ো ৰাদো ব্যৱহাৰ ঃ স উচ্যতে।। (কাত্যায়ন, ২৫)

অভিষেক আদি গুণযুক্ত ৰজাৰ প্ৰজাপালনেই হৈছে মুখ্য কৰ্তব্য। দুষ্টজনক শাস্তিৰ বিনা প্ৰজাপালন ভালদৰে কৰা সম্ভৱ নহয়। কোনজন দুষ্ট তাক চিনাক্ত কৰাৰ কাৰণে ব্যৱহাৰৰ প্ৰয়োজন। আচাৰ্য নাৰদে কৈছে প্ৰজাপতি মনুৰ ৰাজত্বকালত মানৱগণ ধৰ্মনাৰায়ণ, জিতেন্দ্ৰিয় আৰু সত্যবাদী আছিল। তেতিয়া বিচাৰ প্ৰক্ৰিয়াৰ প্ৰয়োজনো হোৱা নাছিল। কিন্তু কালক্ৰমত ধৰ্মভাৱ নষ্ট হোৱাৰ সময়ত দণ্ডধাৰী ৰজাৰ দ্বাৰা ব্যৱহাৰ দৰ্শনৰ সূচনা হয়। ধৰ্মশাস্ত্ৰ তথা লোক প্ৰচলিত নিয়ম বিৰুদ্ধাচৰণ কৰি আনৰ দ্বাৰা পীড়িত হ'ল, পীড়িত ব্যক্তিয়ে পীড়নৰ বিষয়ে ৰাজসভাত আৱেদন জনালে, তেনেহ'লে সেইটো ব্যৱহাৰ অৰ্থাৎ বিচাৰৰ বিষয় হৈ পৰে।

নাৰদে দুই প্ৰকাৰৰ ব্যৱহাৰ উল্লেখ কৰিছে— সোত্তৰ আৰু অনুত্তৰ। যাজ্ঞবল্ক্যস্মৃতিৰ

'মিতাক্ষৰা' ভাষ্যত বিজ্ঞানেশ্বৰেও ব্যৱহাৰৰ প্ৰাথমিক দুটা ভেদ উল্লেখ কৰিছে— শঙ্কাভিযোগ আৰু তত্ত্বাভিযোগ। এই ব্যৱহাৰ বা বিচাৰ পদ্ধতিত চাৰিটা ক্ৰম দেখা যায়, যাক চতুষ্পাদী ব্যৱহাৰ বুলি কোৱা হৈছে। নাৰদৰ মতে ব্যৱহাৰৰ চাৰিটা পাদ হৈছে— ধৰ্ম, ব্যৱহাৰ, চৰিত্ৰ আৰু ৰাজাজ্ঞা। যাজ্ঞ্যবল্ক্যৰ মতে এই চাৰিটা পাদ হৈছে— ভাষাপাদ, উত্তৰপাদ, ক্ৰিয়াপাদ আৰু মাধ্যসিদ্ধিপাদ। নাৰদৰ মতে ব্যৱহাৰ কেৱল চতুষ্পাদীয়েই নহয়, এই ব্যৱহাৰ চতুঃস্থানী, চতুঃসাধন, চতুৰ্হিত, চতুব্যাপী আৰু চতুষ্কাৰী।

নাৰদৰ মতে ব্যৱহাৰৰ আঠটা অঙ্গ, অষ্টাদশ পদ, শতশাখা, তিনিটা উৎপত্তি স্থান, দুটা অভিযোগ, দুটা দ্বাৰ আৰু দুটা গতি আছে। মনু আৰু নাৰদে ১৮টা বিবাদপদ বৰ্ণনা কৰিলেও যাজ্ঞবল্ক্যই আৰু দুটা তাত সংযোগ কৰিছে। এই দুটা হৈছে অভ্যুপেত্যশুশ্ৰূষা আৰু বিক্ৰীয়া সম্প্ৰদানম্। ব্যৱহাৰত এশটা শাখা আছে কাৰণে ব্যৱহাৰক 'শতশাখ' বুলিও কোৱা হয়।



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- নাৰদস্মৃতিত প্ৰথম অধ্যায়ৰ লগত চিনাকী হ'ব পাৰিলে।
- ব্যৱহাৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ মূল বিধিসমূহৰ বিষয়ে জানিব পাৰিলে।
- প্ৰাচীন ভাৰতীয় বিচাৰ ব্যৱস্থাৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- লিখিত প্ৰমাণ সাক্ষী আদি বিষয়ৰ ওপৰত জ্ঞান লাভ কৰিলে।
- ব্যৱহাৰৰ অংগসমূহৰ লগত পৰিচয় হ'ব পাৰিলে।



৮.৭ অধিক জানিবলৈ

১) Swain, (Dr.) Braja Kishore, (2006), *Naradasmrti*, Varanasi, Choukhambha Sanskrit Bhawan.

২) Lariviere, Richard W., (2003), *The Naradasmrti*, Delhi : Motilal Banarsidass.

৩) কাণে পি ভি, (১৯৯২), *ধৰ্মশাস্ত্ৰ কা ইতিহাস প্ৰথম ভাগ,* লক্ষ্ণৌ ঃ উত্তৰ প্ৰদেশ হিন্দী সংস্থান।

৪) শৰ্মা, কিৰণ, (১৯৯৮), *মনুসংহিতা,* গুৱাহাটী ঃ অসম বেদ বিদ্যালয়।

৫) বসু, সুমিতা, (১৪০৭ বংগাব্দ), *যাজ্ঞৱল্ক্যসংহিতা*, কোলকাতা, সংস্কৃত পুস্তক ভাণ্ডাৰ

৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভগৱান মনুই

২ নং প্ৰশ্নৰ উত্তৰ ঃ মনুৱে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নাৰদে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ লিখিত পত্ৰ আৰু সাক্ষী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ধৰ্ম, ব্যৱহাৰ, চৰিত্ৰ আৰু ৰাজাজ্ঞা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ আঠটা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ঋণাদান আৰু দায়ভাগ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ এশটা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ কাম, ক্ৰোধ, লোভ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ দুটা। সত্য প্ৰতিষ্ঠিত আৰু প্ৰৱঞ্চনা।

৮.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক।

(ক) নাৰদক কোনে প্ৰথমতে ধৰ্মশাস্ত্ৰখন অৰ্পণ কৰিছিল?

(খ) মনুৱে ৰচনা কৰা ধৰ্মশাস্ত্ৰখনত কিমানটা প্ৰকৰণ আছিল।

(গ) মনুৱে ৰচনা কৰা ধৰ্মশাস্ত্ৰখনৰ প্ৰথম শ্লোকটো কি?

(ঘ) চতুষ্কাৰী ব্যৱহাৰ কি?

(ঙ) ব্যৱহাৰৰ তিনিটা উৎপত্তিস্থল কি কি?

খ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ নাৰদস্মৃতি আৰম্ভণি কেনেকৈ হৈছিল আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ব্যৱহাৰৰ অন্তৰ্গত বিষয়সমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ ব্যৱহাৰৰ আঠটা অংগ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ব্যৱহাৰৰ ওঠৰটা পদ সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক।

প্ৰতিজ্ঞা, চতুষ্পাদ, অষ্টাংগ, চতুষ্কাৰী, ঋণাদান।

প্ৰশ্ন ৬ ঃ ব্যাখ্যা কৰক ঃ

ধৰ্মৈকতানাঃ পুৰুষা যদাসন্ সত্যৱাদিনঃ।
তদা ন ৱ্যৱহাৰো২ভুন্ন দ্বেষো নাপি মৎসৰঃ।।

*** ***** ***

অধ্যায় ৯ ঃ নাৰদস্মৃতি ঃ প্ৰথম অধ্যায় ঃ 'ব্যৱহাৰ'ৰ বিভিন্ন দিশ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ প্ৰথম অধ্যায় ঃ ব্যৱহাৰ মাতৃকা ঃ মূলপাঠ ঃ (শ্লোক নং ৩০-৭৫)

৯.৪ সাধাৰণ আলোচনা

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্ৰগতিৰ খতিয়ান

৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নাৰদস্মৃতিৰ প্ৰথম অধ্যায়ৰ শেষাংশৰ লগত চিনাকী হ'ব পাৰিব
- ব্যৱহাৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ বিভিন্ন দিশ সম্বন্ধে জানিব পাৰিব
- বিচাৰ প্ৰক্ৰিয়াত ৰজাৰ ভূমিকা সম্বন্ধে অৱগত হ'ব পাৰিব
- গ্ৰেপ্তাৰ, দণ্ড, অভিযোগ আদিৰ লগত চিনাকী হ'ব পাৰিব
- প্ৰাচীন ভাৰতীয় বিচাৰ ব্যৱস্থাৰ লগত পৰিচয় হ'ব পাৰিব।

৯.২ পৰিচয়

নাৰদস্মৃতিৰ প্ৰথম অধ্যায়টোত ব্যৱহাৰৰ মূল বিধি অথবা মূল নীতিৰ ওপৰত আলোচনা আছে। ইতিমধ্যে আপুনি ইয়াৰে আগৰ পাঠটোত প্ৰথম অধ্যায়ৰ বৰ্ণিত বিষয়বস্তুৰ কিছু অংশৰ লগত পৰিচিত হৈ আহিছে। প্ৰথম অধ্যায়ত মুঠ ৭৪টা শ্লোক পোৱা যায়। প্ৰথম পাঠটোত আপুনি ২৯ নং শ্লোকৰ বিষয়বস্তুলৈ অৱগত হ'ব পাৰিছে। এই পাঠটোত ব্যৱহাৰ মাতৃকাৰ ৩০ নং শ্লোকৰ পৰা শেষলৈ থকা বিষয়সমূহ সামৰি লোৱা হৈছে।

এই পাঠটোত ৰজাৰ ধৰ্মানুসৰি বিচাৰ কৰা পদ্ধতি তথা তেওঁৰ গুণ, বিচাৰ প্ৰক্ৰিয়াত ৰজাৰ কৰণীয়, শুনানিৰ চাৰিটা স্তৰ, ধৰ্মশাস্ত্ৰৰ শ্ৰেষ্ঠত্ব, দীৰ্ঘ্য বিচাৰ প্ৰক্ৰিয়া, চাৰি প্ৰকাৰৰ আসেধ, বিচাৰৰ নিৰ্ণয়ৰ পুনৰীক্ষণ, বিচাৰ প্ৰক্ৰিয়াত বিজিত হোৱাৰ লক্ষণ, দোষযুক্ত বিচাৰ প্ৰক্ৰিয়াৰ দণ্ড আদি বিষয়সমূহ আলোচনা কৰা হৈছে।

এই বিষয়সমূহৰ দ্বাৰা আপুনি ব্যৱহাৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ বিভিন্ন দিশৰ লগত পৰিচয় হ'ব পাৰিব।

৯.৩ প্ৰথম অধ্যায় ঃ নাৰদ মাতৃকা ঃ মূলপাঠ (শ্লোক নং ঃ ৩০-৭৪)

ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰমাদশূন্যতা ঃ

শ্লোক-৩০ ঃ দিব্যান্যপ্যপ্ৰমাণানি নীয়ন্তে ৰাক্যৰঞ্চকৈঃ
দেশকালপ্ৰমাণাদাৰপ্ৰমাদো ভৱেদতঃ।।

অসমীয়া অনুবাদ ঃ অগ্নি তথা বায়ু আদি দৈৱিক প্ৰমাণক বাদ দি বাক্যবচ্চক দুৰ্জনজনে ব্যৱহাৰ আৰম্ভ কৰি দিয়ে। সেয়েহে, দেশ, কাল আৰু প্ৰমাণৰ ক্ষেত্ৰত প্ৰমাদশূন্য হৈ থাকিব লাগে।। ১।।

ধৰ্ম অনুসৰি বিচাৰ প্ৰক্ৰিয়া ঃ

শ্লোক-৩১ ঃ তত্ৰ শিষ্টং ছলং ৰাজা মৰ্ষয়েদ্ ধৰ্মসাধনঃ।
ভূতমেৰ প্ৰপদ্যেত ধৰ্মমূলা যতঃ শ্ৰিয়ঃ।

অসমীয়া অনুবাদ ঃ যেতিয়া বাদীজনৰ অভিযোগ মিছা প্ৰমাণিত হয়, সেই স্থলত ৰজাই ন্যায় অনুসৰি বিচাৰ কৰি সমাধান দিয়ে আৰু বাস্তৱিক সত্যৰ ওপৰত নিৰ্ভৰ কৰি সত্যৰ আশ্ৰয় লৈ বিচাৰ কৰে, কাৰণ ধৰ্মই হৈছে ৰাজ্যৰ উন্নতিৰ মূল (root)।। ২।।

ধৰ্মানুসৰি বিচাৰ কৰা ৰজাৰ গুণ ঃ

শ্লোক-৩২-৩৩ ঃ ধৰ্মেণোদ্ধৱতো ৰাজ্ঞো ব্যৱহাৰান্ কৃতাত্মনঃ।
সংভৱন্তি গুণাঃ সপ্ত সপ্ত ৰহ্নেৰিৱার্চিষঃ।
ধৰ্মশ্চার্থশ্চ কীৰ্তিশ্চ লোকপঙক্তিৰূপগ্ৰহঃ।
প্ৰজাভ্যো বহুমানং চ স্বৰ্গে স্থানং চ শাশ্বতম্।

অসমীয়া অনুবাদ ঃ যেনেদৰে অগ্নিৰ সাতটা ৰশ্মি আছে, ঠিক তেনেদৰে ধৰ্ম অনুসৰি যিজন ৰজাই বিচাৰ প্ৰক্ৰিয়া চলায়, তেওঁৰ সাতোটা গুণৰ উৎপত্তি হয়।
এই সাতটা গুণ হৈছে— ধৰ্ম, অৰ্থ, কীৰ্তি, মানুহৰ অনুৰাগ, প্ৰজাৰ ভক্তি-ভাজনতা, প্ৰজাৰ পৰা সন্মান আৰু স্বৰ্গত নিৰন্তৰ স্থান।। ৩।।

শ্লোক-৩৪ ঃ তস্মাদ্ধৰ্মাসনং প্ৰাপ্য ৰাজা ৰিগতমৎসৰঃ।
সমঃ স্যাৎসৰ্ৱভূতেষু ৰিভ্ৰদ্বৈৰস্বতং ব্ৰতম্।

অসমীয়া অনুবাদ ঃ সেয়েহে ৰজাই বিদ্বেষভাৰ পৰিহাৰ কৰি ধৰ্মৰ আসনত উপৰিষ্ট হৈ প্ৰাণীসকলৰ ওপৰত সমভাব অৰ্থাৎ সমদৃষ্টি ৰাখি বৈবস্বত অৰ্থাৎ যমৰ দৰে ব্ৰত ধাৰণ কৰিব লাগে। (যমে যেনেদৰে মৃতসকলক ধৰ্ম অনুসৰি শাস্তি প্ৰদান কৰে, যাৰ বাবে তেওঁক 'ধৰ্মৰাজ' বুলি কোৱা হয়।। ৪।।

ব্যৱহাৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াত ৰজাৰ কৰণীয় ঃ

শ্লোক-৩৫ ঃ ধৰ্মশাস্ত্ৰং পুৰস্কৃত্য প্ৰাঙ্‌বিবাকমতে স্থিতঃ।
সমাহিতমতিঃ পশ্যেদ্ ব্যবহাৰাননুক্ৰমাৎ।।

অসমীয়া অনুবাদ ঃ ৰজাই ধৰ্মশাস্ত্ৰত নিৰ্দিষ্ট বিধিসমূহক সন্মুখত ৰাখি, প্ৰাড্‌বিবক অৰ্থাৎ ৰজাৰ দ্বাৰা নিযুক্ত ব্ৰাহ্মণাদি ধৰ্মাধিকাৰী (judge) সকলৰ মতত আস্থা ৰাখি, নিজৰ বুদ্ধিক স্থিৰ কৰি, ক্ৰমানুসাৰে ব্যৱহাৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ বিষয়সমূহ চাব লাগে।



জানি থোৱা ভাল

প্ৰাড্‌বিবাক ঃ প্ৰজাপালনেই হ'ল ৰজাৰ ধৰ্ম। ব্যৱহাৰ দৰ্শনো প্ৰজাপালমতেই অংগ। বিশাল ৰাজ্যৰ বিভিন্ন জটিল বিচাৰ পদ্ধতিৰ পৰিচালনা ৰজাৰ দ্বাৰা অকলে সম্ভৰ নহয়। সেয়েহে বিশিষ্ট গুণসম্পন্ন সভাসদগণৰ প্ৰয়োজন, যিসকলে বিচাৰকাৰ্য পৰিচালনাত ৰজাক সহায় কৰিব পাৰে, উপযুক্ত পৰামৰ্শ দিব পাৰে। এওঁলোক বেদ-ব্যাকৰণ, মীমাংসা আদি শাস্ত্ৰনিষ্ণাত, ধৰ্মশাস্ত্ৰজ্ঞ, সদা সত্যবাদী, ৰাগদ্বেষাদিৰহিত হ'ব লাগে। এওঁলোকক অৰ্থ, সন্মান আদি দিয়া হয়।

কাত্যায়নৰ মতে ৰাজসভাত ৰজাৰ পৰামৰ্শদাতা হ'ব পাঁচজন— প্ৰাড্‌বিবাক, অমাত্য, ব্ৰাহ্মণ, পুৰোহিত আৰু সভাসদগণ। ৰজাই বিভিন্ন কাৰ্যব্যস্ততাৰ বাবে কেতিয়াবা ব্যৱহাৰ দৰ্শন অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়া কৰিব নোৱাৰিব পাৰে। তেতিয়া তেওঁ সভ্যগনৰ সৈতে সৰ্বধৰ্মবিৎ এজন ব্ৰাহ্মণক নিযুক্ত কৰে। এই ব্ৰহ্মণজনক প্ৰাড্‌বিবাক বোলে। বাদী-প্ৰতিবাদীক বিচাৰ্য বিষয়ত যিজনে প্ৰশ্ন কৰে তেওঁ হ'ল প্ৰাট্। তথা উভয়ৰে কথা শ্ৰৱণ কৰি সভ্যগণৰ সৈতে যিজনে বিবেচনা কৰে, তেওঁ বিবাক।

শ্লোক-৩৬ ঃ আগমঃ প্ৰথমং কাৰ্যো ব্যৱহাৰপদং ততঃ।
চিকিৎসা নিৰ্ণয়শ্চৈব দৰ্শনং স্যাচ্চতুৰ্বিধম্।।

অসমীয়া অনুবাদ ঃ এই বিচাৰ পদ্ধতিত চাৰিটা দৰ্শন অৰ্থাৎ স্তৰ আছে। প্ৰথম হৈছে 'অগম' (appearance) অৰ্থাৎ লিখিত প্ৰক্ৰিয়া অবলম্বন কৰা (আগম হৈছে সম্বন্ধ অৰ্থাৎ গোচৰটোৰ বিভিন্ন দিশৰ সম্বন্ধ, (the facts of the care)। দ্বিতীয়টো হৈছে ব্যৱহাৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ আৰম্ভণি (title of the legal proceeding)। তৃতীয়টো হৈছে চিকিৎসা অৰ্থাৎ ক্ৰিয়া (inquiry) আৰু চতুৰ্থটো হৈছে নিৰ্ণয় (decision)।

বিচাৰ প্ৰক্ৰিয়াত বজাৰ কৰ্তব্য ঃ

শ্লোক-৩৭-৩৮ ঃ ধৰ্মশাস্ত্ৰাৰ্থশাস্ত্ৰাভ্যামৰিৰোধেন যত্নতঃ।
সংপশ্যমানো নিপুণং ব্যৱহাৰগতিং নয়েৎ।
যথা মৃগস্য ৰিদ্ধস্য ব্যাধো মৃগপদং নয়েৎ।
কক্ষে শোণিতপাদেন তথা ধৰ্মপদং নয়েৎ।

অসমীয়া অনুবাদ ঃ কোনো পক্ষৰে বিৰোধ নকৰাকৈ ধৰ্মশাস্ত্ৰ আৰু অৰ্থশাস্ত্ৰ অনুসৰি নিপুন ৰজাই যত্নপূৰ্বক ব্যৱহাৰৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ নিৰীক্ষণ কৰে।

শৰৰ দ্বাৰা আঘাতপ্ৰাপ্ত হোৱা হৰিণাৰ শৰীৰৰ পৰা নিৰ্গত হোৱা তেজৰ চেকুৰা চাই চাই ব্যাধে যেনেদৰে পলাই যোৱা হৰিণাটোৰ সন্ধান কৰে, ঠিক তেনেদৰে ব্যৱহাৰৰ স্থলত আসীন হোৱা ৰজাজনে পদে পদে (ধৰ্মশাস্ত্ৰৰ) ব্যাখ্যা আগবঢ়াই প্ৰমাণৰ দ্বাৰা ন্যায়ৰ সন্ধান কৰে।

ধৰ্মশাস্ত্ৰৰ শ্ৰেষ্ঠত্ব ঃ

শ্লোক-৩৯ ঃ যত্ৰ ৱিপ্ৰতিপত্তিঃ স্যাদ্‌ধৰ্মশাস্ত্ৰাৰ্থশাস্ত্ৰয়োঃ।
অৰ্থশাস্ত্ৰোক্তমুত্সৃজ্য ধৰ্মশাস্ত্ৰোক্তমাচৰেৎ।।

অসমীয়া অনুবাদ ঃ বিচাৰ প্ৰক্ৰিয়াত যেতিয়া ধৰ্মশাস্ত্ৰ আৰু অৰ্থশাস্ত্ৰৰ বক্তব্য বিষয়ৰ মাজত বিৰোধ উৎপন্ন হয়, তেতিয়া অৰ্থশাস্ত্ৰৰ বিষয়ক বাদ দি ধৰ্মশাস্ত্ৰ অনুসৰি নিৰ্ণয় গ্ৰহণ কৰিব লাগে।

শ্লোক-৪০ ঃ ধৰ্মশাস্ত্ৰৱিৰোধে তু যুক্তিযুক্তো ৱিধিঃ স্মৃতঃ।
ৱ্যৱহাৰো হি বলৱান্ ধৰ্মস্তেনাৱহীয়তে।।

অসমীয়া অনুবাদ ঃ ধৰ্মশাস্ত্ৰৰ পৰস্পৰ বিৰোধত, যিটো অক্ষত অধিক যুক্তি আছে, সেই ধৰ্মশাস্ত্ৰমূলক যুক্তিপূৰ্ণ বচনক লৈ লোক ব্যৱহাৰৰ (custom) দ্বাৰা নিৰ্ণয় লোৱা উচিত। কাৰণ ধৰ্মশাস্ত্ৰৰ দ্বাৰা পৰিচালিত শিষ্ট লোকৰ আচাৰ ব্যৱহাৰৰ দ্বাৰাই ধৰ্মৰ নিৰ্ণয় হয়।

শ্লোক-৪১ ঃ সূক্ষ্মো হি ভগৱান্ ধৰ্মঃ পৰোক্ষো দুৰ্ৱিচাৰণঃ।
অতঃ প্ৰত্যক্ষমাৰ্গেণ ব্যৱহাৰগতিং নয়েৎ।।

অসমীয়া অনুবাদ ঃ ধৰ্ম ভগৱান সূক্ষ্ম, পৰোক্ষ অৰ্থাৎ চকু আদি ইন্দ্ৰিয়ৰ দ্বাৰা অগ্ৰাহ্য, অতীন্দ্ৰিয়, আৰু দুৰ্বিচাৰ অৰ্থাৎ অনুমান আদিৰে বিচাৰ কৰিবলৈ অপৰাগ। সেয়েহে স্বয়ং ৰজাই প্ৰত্যক্ষ উপায়ৰ দ্বাৰা অৰ্থাৎ দলিল আদিৰ দ্বাৰা বিচাৰ প্ৰক্ৰিয়াৰ গতি আগবঢ়াই নিব লাগে।

শ্লোক-৪২ ঃ যাত্যচৌৰোঽপি চৌৰত্ৱং চৌৰশ্চাযাত্যচৌৰতাম্।
অচৌৰশ্চৌৰতাং প্ৰাপ্তো মাণ্ডব্যো ব্যৱহাৰতঃ।।

অসমীয়া অনুবাদ ঃ যিজন দৰাচলতে চোৰ নহয়, বিচাৰ প্ৰক্ৰিয়াত তেৰোঁ চোৰ হ'ব পাৰে আৰু যিজন আচলতে চোৰ, তেৰোঁ চোৰ হিচাপে প্ৰমাণিত নহ'ব পাৰে। মাণ্ডব্য ঋষি যিজন প্ৰকৃততে চোৰ নাছিল, আনকি তেৰোঁ বিচাৰ প্ৰক্ৰিয়াত চোৰ হিচাপে প্ৰমাণিত হৈ পৰিছিল।



জানি থোৱা ভাল

মাণ্ডব্য ঋষিৰ কাহিনী ঃ অণীমাণ্ডব্য ঋষিৰ কাহিনীটো মহাভাৰতত (১.১০১) দেখিবলৈ পোৱা যায়। এসময়ত চোৰ কিছুমানে কেইপদমান চুৰি সামগ্ৰী ঋষি মাণ্ডব্যৰ অগোচৰে লুকাই ৰাখিছিল। যেতিয়া ৰজা আৰু

তেওঁৰ চিপাহীসকলে চোৰবিলাকক খেদি খেদি তেওঁৰ আশ্ৰমত উপস্থিত হৈছিল, তেতিয়া ঋষি মাণ্ডব্য মৌণব্ৰত ধাৰণ কৰি আছিল, আৰু তেওঁ ৰজাক চোৰ গতি-বিধি সম্পৰ্কে ক'বলৈ অস্বীকাৰ কৰিছিল। তাৰ পিছত চুৰি সামগ্ৰীখিনি তেওঁৰ আশ্ৰমত ৰজাই উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁক চোৰ হিচাপে ৰজাৰ বিচাৰত দোষী সাব্যস্ত কৰা হৈছিল আৰু শূলত দিয়া হৈছিল (জোঙাল খুটি এটাৰ ওপৰত জাপি দিয়া)। যদিও তেওঁৰ অসাধাৰণ শক্তিৰ ফলত মৃত্যু হোৱা নাছিল, কিন্তু তেওঁৰ প্ৰায়শ্চিত্য হিচাপে সেই খুটি (অণী)টোৰ এটা অংশ তেওঁৰ শৰীৰত লাগি আছিল।

বিচাৰ প্ৰক্ৰিয়া সঠিক নোহোৱা বিষয়সমূহ ঃ

শ্লোক-৪৩ ঃ স্ত্রীষু ৰাত্রৌ বহির্গ্রামাদন্তর্বেশ্মন্যৰাতিষু।
ব্যৱহাৰঃ কৃতোঽপ্যেষু পুনঃ কর্তব্যতামিয়াৎ।

অসমীয়া অনুবাদ ঃ স্ত্রীসকলৰ দ্বাৰা কৰা ব্যৱহাৰ অর্থাৎ বিচাৰ প্ৰক্ৰিয়া (অথবা পত্নী, কন্যা, আন স্ত্রীৰ দ্বাৰা সাক্ষ্য প্ৰদান কৰা বিচাৰ প্ৰক্ৰিয়া), ৰাতি কৰা বিচাৰ প্ৰক্ৰিয়া (ৰাতি শয়ন কালত), গাঁৱৰ বাহিৰত (অৰণ্যত) কৰা বিচাৰ প্ৰক্ৰিয়া, গৃহত (নিজৰ ঘৰত) কৰা বিচাৰ প্ৰক্ৰিয়া, আৰু শত্ৰুসকলৰ মাজত কৰা বিচাৰ প্ৰক্ৰিয়া সঠিক নহয় তথা সেই বিচাৰ প্ৰক্ৰিয়া পুনৰ কৰা উচিত।

দীৰ্ঘ্য বিচাৰ প্ৰক্ৰিয়া ঃ

শ্লোক-৪৪ ঃ গহনত্বাদ্ বিবাদানামসামর্থ্যাৎ স্মৃতেৰপি।
ঋণাদিষু হৰেৎকালং কামং তত্ত্ববুভুৎসয়া।।

অসমীয়া অনুবাদ ঃ ঋণ তথা এনেকুৰা অন্যান্য বিচাৰৰ ক্ষেত্ৰত, বিবাদৰ গুৰুত্ব তথা মানুহৰ স্বল্প স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি, তেওঁ (ৰজাই) প্ৰকৃত সত্য উৎঘাটনৰ স্বাৰ্থত বিচাৰ প্ৰক্ৰিয়া দীঘলীয়া কৰিব পাৰে। (বুভুৎসা = সদ্ভাৱবোধার্থং বোদ্ধমিচ্ছা)

হ্ৰস্ব বিচাৰ প্ৰক্ৰিয়া

শ্লোক-৪৫ ঃ গোভূহিৰণ্যস্ত্রীস্তেয়পাৰুষ্যাত্যয়িকেষু চ।
সাহসেষ্বভিশাপে চ সদ্য এব বিবাদয়েৎ।

অসমীয়া অনুবাদ ঃ গৰু, ভূমি, স্ত্রী, সোণ, চোৰ (চুৰিকার্য), বাক-পাৰুষ্য (গালি আদিৰে অশালীন ব্যৱহাৰ কৰা, (abuse), দণ্ডপাৰুষ্য (শাৰীৰিকভাৱে কৰা অপদস্ত), আত্যয়িক প্ৰাণনাশ আদি জৰুৰী বিষয়, (urgent matters), সাহস (বলপূৰ্বক কৰ্ম, অপহৰণ আদি) আৰু অভিশাপ (accusations of grave sins)— এইবোৰ বিষয়ৰ ক্ষেত্ৰত তৎক্ষণাতেই বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব লাগে, কালক্ষেপ কৰা উচিত নহয়।

ৰজাৰ অজ্ঞাতে বিচাৰ প্ৰক্ৰিয়া ঃ

শ্লোক-৪৬ ঃ অনাৱেদ্য তু যো ৰাজ্ঞে সন্দিগ্ধেঽর্থে প্ৰৱর্ততে।
প্রসহ্যঃ স বিনেয়ঃ স্যাৎ স চাঽস্যার্থো ন সিদ্ধ্যতি।।

অসমীয়া অনুবাদ ঃ ৰজাক নজনোৱাকৈ সন্দেহজনক বিষয়ত যিজনে বলপূৰ্বক বিচাৰ প্ৰক্ৰিয়াত প্ৰবৃত্ত হয়, বিধি অনুসৰিতেওঁ দণ্ডনীয় হয়। তেওঁ আৰু তেওঁৰ কাম কেতিয়াও গৃহীত নহয়।

প্ৰতিবাদীয়ে বিধিবহির্ভূতভাৱে দিয়া বক্তব্যত কৰণীয় ঃ

শ্লোক-৪৭ ঃ বক্তব্যেৎর্থে ন তিষ্ঠন্তমুৎক্রামন্তং চ তদ্বচঃ।
আসেধয়েদ্ ৰিৱাদার্থী যাৱদাহ্বানদর্শনম্।

অসমীয়া অনুবাদ ঃ প্ৰতিবাদী (respondent) জনে যদি নিজৰ উত্তৰ যথাযথভাৱে দিব নোৱাৰে আৰু স্ববিৰোধী বাক্য প্ৰদান কৰে, তেনেহ'লে বাদী (plaintiff) জনে ৰজাৰ দ্বাৰা আহ্বান (hearing) জাৰী নোহোৱা পৰ্যন্ত তেওঁক অবৰোধ অৰ্থাৎ আটক (আসেধ, arrest) কৰি ৰাখিব পাৰে। (আসেধো ৰাজাজ্ঞয়াৎৱৰোধঃ)।

চাৰিপ্ৰকাৰৰ আসেধ (আটক arrest) ঃ

শ্লোক-৪৮ ঃ স্নানাসেধঃ কালকৃতঃ প্ৰৱাসাৎকর্মণস্তথা।
চতুর্ৰিধঃ স্যাদাসেধো নাসিদ্ধস্তং বিলঙঘয়েৎ।।

অসমীয়া অনুবাদ ঃ আসেধ অৰ্থাৎ গ্ৰেপ্তাৰ চাৰি প্ৰকাৰৰ— স্থানাসেধ অৰ্থাৎ একেটা স্থানতে আটক (confinement to a place), কাৰ্মাসেধ অৰ্থাৎ নিৰ্দিষ্ট সময়লৈকে কৰা আটক (for a certain period of time), প্ৰৱাসাসেধ অৰ্থাৎ গমনত প্ৰতিৰোধ (prohibition of travel), তথা কৰ্যাসেধ অৰ্থাৎ নিৰ্দিষ্ট কৰ্মৰ পৰা অৱৰোধ (restriction of activity)। আসিদ্ধ অৰ্থাৎ গ্ৰেপ্তাৰ হোৱা জনে এই চাৰিটা উলঙঘন কৰিব নোৱাৰে।

গ্ৰেপ্তাৰৰ উলঙঘনতো দোষমুক্ত ঃ

শ্লোক-৪৯ ঃ নদীসন্তাৰকান্তাৰদুর্দেশোপপ্লৱাদিষু।
আসিদ্ধস্তং পৰাসেধমুৎক্রামন্নাপৰাধ্নুয়াৎ।।

অসমীয়া অনুবাদ ঃ নদী পাৰ হৈ অহা সময়ত, দুৰ্গম অৰণ্যত, বিপদ শংকুল স্থানত আৰু উপপ্লৱ অৰ্থাৎ দেশভঙ্গ আদি দুৰ্যোগৰ সময়ত যদি আসিদ্ধ পুৰুষজনে আসেধ ব্যৱস্থা উল্লঙঘন কৰে, তথাপিও তেওঁক অপৰাধী হিচাপে গণ্য কৰা নহয়।

বিচাৰৰ ৰায়দানৰ পুনৰীক্ষণ ঃ

শ্লোক-৫০ ঃ ৰাজপ্রত্যক্ষদৃষ্টানি সুহৃৎসম্বন্ধিবান্ধবৈঃ।
প্রাপ্তদ্বিগুণদণ্ডানি কার্যানি পুনৰুদ্ধৰেৎ।।

অসমীয়া অনুবাদ ঃ যি বিষয় স্বয়ং ৰজাৰ প্ৰত্যক্ষদৰ্শনত অথবা তেওঁৰ মিত্ৰ, বন্ধু তথা সম্বন্ধীয় সকল অৰ্থাৎ আত্মীয়সকলৰ দ্বাৰা নিৰ্ণীত কৰা হৈ গৈছে, সেই বিষয়ৰ পুনৰ বিচাৰ কৰিবলৈ হ'লে দ্বিগুণ দণ্ডভোগৰ পণ (fine) ৰাখি পুণৰ্বিচাৰ প্ৰাৰম্ভ কৰা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ধৰ্মানুসৰি বিচাৰ কৰা ৰজাৰ কেইটা গুণ আছে?

.....

প্ৰশ্ন নং ২ ঃ শুনানিৰ চাৰিটা স্তৰ কি কি?

.....

প্ৰশ্ন নং ৩ ঃ মাণ্ডব্য ঋষিৰ কাহিনীটো ক'ত আছে?

.....

প্ৰশ্ন নং ৪ ঃ সঠিক বিচাৰ নোহোৱা এটা বিষয়ৰ উদাহৰণ দিয়ক।

.....

প্ৰশ্ন নং ৫ ঃ চাৰিপ্ৰকাৰৰ আসেধ কি কি?

.....

গ্ৰেপ্তাৰৰ ব্যতিক্ৰমত দণ্ড ঃ

শ্লোক-৫১ ঃ আসেধকাল আসিদ্ধ আসেধং যো ব্যতিক্ৰমেৎ।
স ৰিনেয়োঽন্যথা কুৰ্ৱন্নাসেধা দণ্ডভাগ্ ভবেৎ।।

অসমীয়া অনুবাদ ঃ আসেধকালত অৰ্থাৎ গ্ৰেপ্তাৰৰ সময়ত যিজন আসিদ্ধ (গ্ৰেপ্তাৰত থকাজন) পুৰুষে আসেধৰ ব্যতিক্ৰম কৰে, তেওঁ দণ্ড ভোগ কৰে। আনহাতে আসেধৰ নিয়মক উল্লঙঘন কৰি যদি আটক কৰা হয়, তেনেহ'লে আটক কৰাজন দণ্ডনীয় হয়।

গ্ৰেপ্তাৰৰ পৰা সাময়িক পৰিত্ৰাণ ঃ

শ্লোক-৫২-৫৪ ঃ নিৰ্ৱেষ্টুকামো ৰোগাৰ্ত্তো যিযক্ষু ৰ্ব্যসনেস্থিতঃ।
অভিযুক্তস্তথান্যেন ৰাজকাৰ্যোদ্যতস্তথা।।
গৰাং প্ৰচাৰে গোপালাঃ শস্যাৰম্ভে কৃষীবলাঃ।
শিল্পতশ্চাপি তৎকালমাযুধোয়াশ্চ ৰিগ্ৰহে।।
অপ্ৰাপ্তব্যৱহাৰশ্চ দূতো দানোন্মুখো ব্ৰতী।
বিষমস্থশ্চ নাসেধ্যো ন চৈতানাহ্বয়েন্নৃপঃ।।

অসমীয়া অনুবাদ ঃ এইবোৰ ব্যক্তি আসিধ যোগ্য নহয় অৰ্থাৎ গ্ৰেপ্তাৰৰ অযোগ্য— বিবাহৰ বাবে বৰণ যুক্ত দৰা, ৰোগৰ দ্বাৰা পীড়িত, যজ্ঞ কৰিবলৈ ইচ্ছুক, বিপত্তিত পৰা লোক, আন গোচৰত অন্যৰ দ্বাৰা অভিযুক্ত, ৰাজকাৰ্যত সংলগ্ন ব্যক্তি, গোসেৱাত জড়িত থকা গোপাল, কৃষিকাৰ্যত জড়িত থকা কৃষক, শিল্পকলাত নিমগ্ন শিল্পী, যুদ্ধক্ষেত্ৰত থকা সৈনিক, শিশু (বিচাৰৰ বাবে উপযুক্ত নোহোৱা), দূত (messenger), দান কৰিবলৈ উদ্যত হোৱা ব্যক্তি, ব্ৰতী আৰু

বিষমস্থানত থকা ব্যক্তি। এওঁলোকক বলেৰে আটক কৰিব নোৱাৰে তথা ৰজায়ো তেওঁলোকক আহ্বান (summon) কৰিব নোৱাৰে।

অভিযোগ পৰিসমাপ্তি বিনা নতুন অভিযোগ খণ্ডনীয় ঃ

শ্লোক-৫৫ ঃ নাভিযুক্তোঽভিযুঞ্জীত তমতীত্বার্থমন্যতঃ।
ন চাভিযুক্তমন্যেন ন বিদ্ধং বেদ্ধুমর্হতি।।

অসমীয়া অনুবাদ ঃ অভিযোগকাৰীজনে অভিযুক্তজনৰ প্ৰচলিত অভিযোগ খণ্ডন নোহোৱা পৰ্যন্ত দ্বিতীয় অভিযোগ বা বিষয় উপস্থাপন কৰাটো উচিত নহয়। আনকি অন্যৰ অভিযোগৰ দ্বাৰা অভিযুক্তজনৰ ওপৰত আন এজনে অভিযোগ দিয়াটোও অনুচিত। কাৰণ ইতিমধ্যে বিদ্ধ (stricken) হোৱাজনৰ পুনৰ বিদ্ধ কৰাটো অনুচিত।

প্ৰত্যাভিযোগ অনুচিত ঃ

শ্লোক-৫৬ ঃ যমর্থসভিযুঞ্জীত ন তং বিপ্রকৃতিং নয়েৎ।
নান্যৎ পক্ষান্তৰং গচ্ছেদ্ গচ্ছন্ পুর্বাৎ স হীয়তে।।

অসমীয়া অনুবাদ ঃ এটা অভিযোগ উত্থাপন কৰাৰ পিছত, তাত কোনো সলনি অথবা আন প্ৰকাৰে উত্থাপন কৰা অনুচিত। নিজৰ স্থিতি সলনি কৰি আন পক্ষ অর্থাৎ স্থিতিলৈ গমনো কৰিব নালাগে। যদি এনেকুৱা কৰা হয়, তেনেহ'লে প্ৰথম অভিযোগত হানি হয় (অর্থাৎ প্ৰথমটোত তেওঁ পৰাজিত হয়)।

মিছা অভিযোগ দণ্ডনীয় ঃ

শ্লোক-৫৭ ঃ ন চ মিথ্যাভিযুঞ্জীত দোষো মিথ্যাভিযোগিনঃ।
যস্তত্র ৰিনয়ঃ প্রোক্তঃ সোঽভিযোক্তাৰমাব্রজেৎ।।

অসমীয়া অনুবাদ ঃ বিচাৰ ব্যৱস্থাত মিছা অভিযোগ উত্থাপন কৰাটো অপৰাধ। মিছা অভিযোগকাৰীজন দোষী হয় আৰু ইয়াৰ বাবে যি দণ্ড কোৱা আছে, সেই দণ্ড তেওঁলৈ যায়।

বিচাৰ প্ৰক্ৰিয়াত পৰাজিত হোৱাৰ লক্ষণ ঃ

শ্লোক-৫৮ ঃ সাপদেশং হৰন্কালমব্রুবংশ্চাপি সংসদি।
উক্তা বাচো বিব্রুবংশ্চ হীয়মানস্য লক্ষণম্।।

অসমীয়া অনুবাদ ঃ যিজনে ধর্মাধিকৰণৰ সময়ত কিবা এটা চেলুলৈ (pretext) বিলম্ব কৰি থাকে, (অথবা) বিচাৰ প্ৰক্ৰিয়াত নিৰ্বাক হৈ থাকে (অর্থাৎ মৌন হৈ থাকে), (অথবা) পূৰ্বতে কোৱা বিষয় অথবা কথাৰ বিৰোধ কৰে, তেওঁ হীন বাদী আৰু তেওঁৰ পৰাজয়ৰ এইবোৰ লক্ষণ।

শ্লোক-৫৯ ঃ পলায়তে য আহুতঃ প্রাপ্তশ্চ ৰিৰদেন্ন যঃ।
ৰিনেয় স ভৰেদ্রাজ্ঞা হীন এৰ স ৰাদতঃ।।

অসমীয়া অনুবাদ ঃ বিচাৰ প্ৰক্ৰিয়াত আহুত হোৱাৰ পিছতো যিজনে পলায়ন কৰে, নাইবা বিচাৰ

প্ৰক্ৰিয়াত উপস্থিত হৈ যিজনে কাজিয়া কৰে, তেওঁ ৰজাৰ দ্বাৰা দণ্ডনীয় হয় তথা হীনবাদী হয় অৰ্থাৎ পৰাজিত হয়।

শ্লোক-৬০ ঃ সম্যক্ প্ৰণিহিতং চাৰ্থং পৃষ্টঃ সন্নাভিনন্দতি।
অপদিশ্য চ যো দেশ্যং পুনস্তমনুধাৱতি।।

অসমীয়া অনুবাদ ঃ যিজনে নিজৰ বিবাদ বিষয়ক বিচাৰপূৰ্বক উপস্থাপন কৰে, কিন্তু বিচাৰ প্ৰক্ৰিয়াত প্ৰশ্ন হ'লে সঠিক উত্তৰ দিব নোৱাৰে আৰু পূৰ্বতে কোৱা বিষয়কে অনুসৰণ কৰে। (পূৰ্বৰ প্ৰশ্নটোৰ অৰ্থ উপলব্ধি কৰিব নোৱাৰি পুনৰ অনুধাবন কৰে), (তেওঁ হীনবাদী হয়)।

শ্লোক-৬১ ঃ সন্তি জ্ঞাতাৰ ইত্যুকত্বা দিশোৎযুক্তো দিশেন্ন যঃ।
এতৈস্তু কাৰণৈঃ সৰ্ৱৈধৰ্মহীনাৎ ৱিনির্দিশেৎ।।

অসমীয়া অনুবাদ ঃ বিচাৰ ব্যৱস্থাত বিচাৰ উপস্থাপন কৰা সময়ত 'দলিল (evidence) আছে নেকি? এনেকুৱা প্ৰশ্ন হোৱাৰ সময়ত 'আছে' বুলি কোৱাৰ পিছত, (ৰজাই) 'উপস্থাপিত কৰা হওঁক' এইবুলি আদেশ কৰাৰ পিছতো, বাদীজনে যেতিয়া দলিল (লিখিত অথবা সাক্ষী) উপস্থাপন কৰিব নোৱাৰে, এনেকুৱা কাৰণত ব্যৱহাৰ ন্যায়সংগত নহয় বুলি নিৰ্দিষ্ট কৰা হয়।

প্ৰমাণৰ নিষ্ফলতা ঃ

শ্লোক-৬২-৬৩ ঃ নিৰ্ণিক্তব্যৱহাৰেষু প্ৰমাণমফলং ভৱেৎ।
লিখিতং সাক্ষিণো ৱাপি পূৱমাৱেদিতং ন চেৎ।
যথা পক্কষু ধান্যেষু নিষ্ফলাঃ প্ৰাবৃষো গুণাঃ।
নিৰ্ণিক্তব্যবহাৰাণাং প্ৰমাণমফলং তথা।।

অসমীয়া অনুবাদ ঃ ব্যৱহাৰ নিৰ্ণিত হোৱাৰ আগতেই লিখিত প্ৰমাণ বা সাক্ষী প্ৰমাণৰ আবেদন নকৰিলে, বিচাৰৰ নিৰ্ণয় হোৱাৰ পিছত, সেই আৱেদন প্ৰমাণৰ কোনো ফল পোৱা নাযায়। (অৰ্থাৎ বিচাৰৰ নিৰ্ণয় হোৱাৰ আগতেই বাদী উপযুক্ত লিখিত প্ৰমাণ অথবা সাক্ষী উপস্থাপন কৰা দৰকাৰ)।
যেনেদৰে ধান পকাৰ পিছত যেনেদৰে বৃষ্টিধাৰাৰ নিষ্ফল হৈ পৰে (অৰ্থাৎ ধানৰ গঁজালি বৃদ্ধি হোৱাৰ সময়তহে বৰষুণৰ প্ৰয়োজন), ঠিক তেনেদৰে ব্যৱহাৰৰ নিৰ্ণয় হৈ যোৱাৰ পিছত সকলো প্ৰমাণেই অসাৰ হৈ পৰে।

শ্লোক-৬৪ ঃ অভূতমপ্যভিহিতং প্ৰাপ্তকালং পৰোক্ষয়েৎ।
যত্তু প্ৰমাদান্নোচ্যেত তদ্ভূতমপি হীয়তে।।

অসমীয়া অনুবাদ ঃ ব্যৱহাৰ সময়ত যদি অসত্য বিষয়ো উথাপন কৰা হয় আৰু সেইটো যদি প্ৰমাণ হিচাপে গ্ৰহণ কৰা হয়, কিন্তু তাক যথাসম্ভৱ প্ৰশ্নাদিৰ দ্বাৰা পৰীক্ষা কৰিব লাগে। যথাসময়ত যদি প্ৰমাদবশতঃ সত্য বিষয়ো উপস্থাপন কৰা নহয়, তেনেহ'লে, সেইটো সত্য হ'লেও তাৰ পক্ষত নিৰ্ণয় গ্ৰহণ কৰা নহয়।

উদাহৰণ স্বৰূপে কোনো বাদী এজনে প্ৰথমতে তেওঁৰ হাতত ১০টা সুবৰ্ণ থকা বুলি কৈ বিচাৰ আৰম্ভ কৰে, পিছত যদি তেওঁৰ হাতত ১২টা সুবৰ্ণ থকা বুলি কৈ সেইটো শুদ্ধ কৰিবলৈ বিচাৰে, তেনেহ'লে বিচাৰ প্ৰক্ৰিয়াত তেওঁৰ হাতত ১০টা সুবৰ্ণ থকা বুলিয়েই ধৰা হ'ব।

পুনৰ্বিচাৰৰ আৱেদন ঃ

শ্লোক-৬৫ ঃ তীৰিতং চানুশিষ্টং চ যো মন্যেত বিধৰ্মতঃ।
দ্বিগুণং দত্তমাস্থায় তৎকাৰ্যং পুনৰুদ্ধৰেৎ।।

অসমীয়া অনুবাদ ঃ যদি কোনো এজনে ভাৰে যে ধৰ্ম অনুসৰি কোনো এটা বিবাদৰ নিষ্পত্তি হৈছে আৰু সেই নিষ্পত্তি অনুসৰি দণ্ড বিধান অথবা জয়-পৰাজয়ো ঘোষণা কৰা হৈছে, তথাপিও পৰাজিত ব্যক্তিজনে তেওঁক দিয়া দণ্ডৰ দুগুণ পণ ৰাখি পুনৰ্বিচাৰৰ ব্যৱস্থা কৰিব পাৰে।

দোষযুক্ত বিচাৰ প্ৰক্ৰিয়াৰ দণ্ড ঃ

শ্লোক-৬৬ ঃ দুৰ্দষ্টে ৰ্ব্যৱহাৰে তু সভ্যাস্তুং দণ্ডমাপ্নুযুঃ।
ন হি জাতু ৰিনা দণ্ডং কশ্চিন্মার্গো২ৱতিষ্ঠতে।।

অসমীয়া অনুবাদ ঃ দোষযুক্ত বিচাৰ প্ৰক্ৰিয়াত বিচাৰ মণ্ডলীৰ সভ্য (judge) সকলেও দণ্ড পায়, কিয়নো দণ্ডবিহীন কোনো পথেই নিৰ্দিষ্ট কৰা হোৱা নাই।

শ্লোক-৬৭ ঃ ৰাগাদজ্ঞানতো ৰাপি লোভাদ্বা যো২ন্যথা ৱদেৎ।
সভ্যো২সভ্যঃ স বিজ্ঞেয়ঃ তং পাপং ৰিনযেন্নৃপঃ।

অসমীয়া অনুবাদ ঃ অনুৰাগ অথবা ক্ৰোধৰ বশৱৰ্তী হৈ, অজ্ঞানতাৰ বাবে, অথবা লোভৰ বশৱৰ্তী হৈ যেতিয়া কোনো এজন বিচাৰকে বিচাৰত পক্ষপাত কৰে, তেওঁ বিচাৰৰ সভ্য হৈও অসভ্য হৈ পৰে আৰু সেই পাপাচাৰীজনক ৰজাই দণ্ড দিয়ে।

ৰজাৰ কৰ্তব্য ঃ

শ্লোক-৬৮ ঃ কিং তু ৰাজ্ঞা বিশেষেণ স্বধৰ্মমনুৰক্ষতা।
মনুষ্যচিত্তৱৈচিত্র্যাৎ পৰীক্ষা সাধ্বসাধুতা।

অসমীয়া অনুবাদ ঃ কিন্তু বিশেষকৈ স্বধৰ্ম ৰক্ষা কৰা ৰজাই সত্য আৰু অসত্যৰ পৰীক্ষা কৰা উচিত, কিয়নো মানুহৰ চিত্তবৃত্তি বহু প্ৰকাৰৰ হয়। (men's motives are diverse).

শ্লোক-৬৯-৭০ ঃ পুৰুষাঃ সন্তি যে লোভাৎ প্ৰব্ৰুযুঃ সাক্ষ্যমন্যথা।
সন্তি চান্যে দুৰাত্মানঃ কূটলেখ্যকৃতো জনাঃ।
অতঃ পৰীক্ষ্যমুভয়মেতদ্রাজ্ঞা বিশেষতঃ।
লেখ্যাচাৰেণ লিখিতং সাক্ষ্যাচাৰেণ সাক্ষিণঃ।

অসমীয়া অনুবাদ ঃ এনেকুৰা কিছুমান মানুহ আছে, যিবোৰে লোভত আকৃষ্ট হৈ মিছা সাক্ষ্য দাঙি ধৰে। আনহাতে আন কিছুমান দুৰাত্মা মানুহ আছে, যিবোৰে কূটলেক্ষ্য

অর্থাৎ ভুৱা নথি প্রস্তুত কৰে (forge documents) (সঁচা কথাটোক মিছাকৈ লিখে) (কূটলৈখ্যকৃতো জনাঃ অন্যথা উচ্চমানম্ অন্যথা লিখন্তি ভিন্নাঃ)। [কূট মানে মিথ্যা (False)]।

সেয়েহে ৰজাই বিশেষ বিশেষকৈ লেখ্যবিধি অনুসৰি প্রস্তুত কৰা লিখিত প্রমাণ (writing evidences, documents etc.) আৰু সাক্ষ্যবিধি অনুসৰি সাক্ষ্য প্রদান কৰা সাক্ষী (witnesses) এই উভয়বিধকে পৰীক্ষা কৰা উচিত।

শ্লোক-৭১-৭৩ ঃ অসত্যাঃ সত্যসঙ্কাশাঃ সত্যাশ্চাসত্যসংনিভাঃ
দৃশ্যন্তে বিৰিধা ভাবাস্তস্মাদ্যুক্তং পৰীক্ষণম্।।
ৰলৰদ্ দৃশ্যতে ব্যোম স্বদ্যোতো হ্ৰ্যৰাড়িব।
ন তলং বিদ্যতে ব্যাম্নি ন বদ্যোতে হুতাশনঃ।
তস্মাৎ প্রৱ্যক্ষদৃষ্টৌ২পি যুক্তো হ্যর্থঃ পৰীক্ষিতুম্।
পৰীক্ষ্য জ্ঞাপয়ন্নর্থান্ন ধর্মাৎ পৰিহীয়তে।

অসমীয়া অনুবাদ ঃ অসত্যক সত্যৰ দৰে আৰু সত্যক অসত্যৰ দৰে বিভিন্ন প্রকাৰ ভাৱত দেখিবলৈ পোৱা যায়। সেয়েহে যুক্তিপূর্ণ মার্গৰ দ্বাৰা পৰীক্ষা কৰা উচিত। (যেনেদৰে) আকাশ ভূতলৰ (surface) দৰে তথা অগ্নি স্ফুলিঙ্গ (firefly) অগ্নিৰ দৰে দেখিবলৈ পোৱা যায়। কিন্তু আকাশত ভূতল আৰু অগ্নিস্ফুলিঙ্গত প্রকৃততে অগ্নি নাথাকে।

সেয়েহে দৃশ্যমান পদার্থৰো পৰীক্ষা কৰা প্রয়োজন। (কোনোবা পুৰুষৰ বক্তব্যত সত্যৰ আভাস থাকিলেও সেয়া সত্য নহ'বও পাৰে)। পৰীক্ষাপূর্বক বিচাৰ প্রক্রিয়াত ধর্মৰ কেতিয়াও হানি নহয়। অর্থাৎ বিজয় সুনিশ্চিত হয়।

শ্লোক-৭৪ ঃ এৱং পশ্যন্ সদা ৰাজা ৱ্যৱহাৰান্ সমাহিতঃ।
ৰিচত্যেহ যশো দীপ্তং প্রেত্যাপ্নোতি ত্রিৰিষ্টপম্।

অসমীয়া অনুবাদ ঃ এনেদৰে যিজন ৰজাই সংযত চিত্তেৰে বিবাদৰ বিচাৰ কৰে, জীৱনকালত তেওঁৰ যশস্যা চাৰিওফালে প্রকাশিত হয় তথা মৃত্যুৰ পিছত তেওঁৰ স্বর্গ প্রাপ্ত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ কি কি ক্ষেত্রত গ্রেপ্তাৰ কৰিব নোৱাৰি। দুটা উদাহৰণ দিয়ক।

.....

প্রশ্ন নং ৭ ঃ বিচাৰ প্রক্রিয়াত পৰাজিত হোৱাৰ যিকোনো এটা লক্ষণ দিয়ক।

.....

প্ৰশ্ন নং ৮ ঃ বিচাৰত মাতিলেও পলায়ন কৰা জনৰ কি হয়?

.....

প্ৰশ্ন নং ৯ ঃ বিচাৰকে কেতিয়া দণ্ড পায়?

.....

প্ৰশ্ন নং ১০ ঃ কূটলেখ্য কি?

.....

৯.৪ সাধাৰণ আলোচনা

নাৰদস্মৃতিৰ ব্যৱহাৰ অধ্যায়ত বিচাৰ প্ৰক্ৰিয়াৰ বিষয়সমূহ আলোচনা কৰা হৈছে। ব্যৱহাৰ অধ্যায়ৰ এই পাঠটোত শ্লোক-৩০ৰ পৰা শেষলৈ থকা বিষয়সমূহ আলোচনা কৰা হৈছে। ব্যৱহাৰৰ চতুষ্পাদ, শত্ৰশাখা, উৎপত্তি, গতি, দ্বাৰ আদি পূৰ্ব পাঠটোত আলোচনা কৰাৰ পিছত বিচাৰ প্ৰক্ৰিয়াৰ আৰু কিছুমান বিষয় এই পাঠটোত সন্নিৱিষ্ট কৰা হৈছে। ইয়াত কোৱা হৈছে যে প্ৰবাদশূন্যভাৱে তথা ধৰ্ম অনুসৰি বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰা উচিত, কিয়নো ধৰ্মই হৈছে ৰাজ্যৰ উন্নতিৰ মূল। ধৰ্ম অনুসৰি বিচাৰ সম্পন্ন কৰা ৰজা সাতটা গুণৰ অধিকাৰী হয়। তেওঁ যমৰ দৰে ধৰ্মৰাজ হৈ ধৰ্মশাস্ত্ৰত থকা বিষয়সমূহক সন্মুখত ৰাখি বিচাৰ প্ৰক্ৰিয়াৰ বিষয়সমূহ চাব।

বিচাৰ প্ৰক্ৰিয়াৰ চাৰিটা স্তৰৰ বিষয়ে নাৰদে উল্লেখ কৰিছে। সেইকেইটা হৈছে আগম, ব্যৱহাৰ, চিকিৎসা তথা নিৰ্ণয়। ৰজাই ধৰ্মশাস্ত্ৰ আৰু অৰ্থশাস্ত্ৰ অনুসৰি বিচাৰ প্ৰক্ৰিয়া নিৰীক্ষণ কৰে। ধৰ্মশাস্ত্ৰৰ বিৰোধত লোক ব্যৱহাৰৰ দ্বাৰাই নিৰ্ণয় গ্ৰহণ কৰা উচিত। ৰজাই প্ৰত্যক্ষ মাৰ্গৰ জৰিয়তে বিচাৰ প্ৰক্ৰিয়া আগবঢ়াই নিব লাগে। নাৰদৰ মতে স্ত্ৰীসকলৰ দ্বাৰা কৰা বিচাৰ প্ৰক্ৰিয়া, ৰাতি কৰা বিচাৰ প্ৰক্ৰিয়া, ঘৰত কৰা বিচাৰ প্ৰক্ৰিয়া তথা শত্ৰুসকলৰ মাজত কৰা বিচাৰ প্ৰক্ৰিয়া সঠিক হ'ব নোৱাৰে। ঋণাদান আদি স্পৰ্শকাতৰ বিষয়সমূহত সঠিক তথ্য উদ্‌ঘাটনৰ স্বাৰ্থত ৰজাই বিচাৰ প্ৰক্ৰিয়া দীঘলীয়া কৰিব পাৰে। কিছুমান গোচৰৰ বিচাৰ প্ৰক্ৰিয়া যেনে— গৰু, ভূমি, স্ত্ৰী, যোগ, চুৰি কাৰ্য আদি যিমান পাৰি সিমান সোনকালে সমাপ্ত কৰিব লাগে। ৰজাক নজনোৱাকৈ কোনেও বিচাৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব নালাগে।

নাৰদে চাৰি প্ৰকাৰৰ আসেধ অৰ্থাৎ আটকৰ কথা উল্লেখ কৰিছে। সেইকেইটা হৈছে— স্থানাসেধ, কালাসেধ, প্ৰৱাসাসেধ আৰু কৰ্মাসেধ। কিন্তু কিছুমান বিশেষ অৱস্থাত যেনে, নদী পাৰ হৈ থকা সময়ত, দেশভংগ আদি দুৰ্যোগৰ সময়ত ইত্যাদি ক্ষেত্ৰত আটক বাধা কৰা হৈছে। আটকৰ উলঙঘন কৰাজনক দণ্ড বিধানৰ ব্যৱস্থা কৰা হৈছে। বিবাহৰ বাবে সাজু হোৱা দৰা, বেমাৰী, আন গোচৰৰ অভিযুক্ত আদি কিছুমান বিশেষ ব্যক্তিক গ্ৰেপ্তাৰৰ পৰা সাময়িক সকাহ দিয়া হৈছে। বিচাৰ প্ৰক্ৰিয়াত মিছা অভিযোগ তথা প্ৰত্যাভিযোগ বাৰণ কৰা হৈছে। বিচাৰ প্ৰক্ৰিয়াত বাদী অথবা বিবাদীজনে পৰাজিত হোৱাৰ লক্ষণ সমূহো ইয়াত উল্লেখ কৰা হৈছে।

ৰজাই, অনুৰাগ তথা লোভ আদিৰ বশৱৰ্তী হৈ বিচাৰ প্ৰক্ৰিয়া পৰিচালনা কৰা বিচাৰকক, দণ্ডৰে দণ্ডিত কৰিব পাৰে। ৰজাই স্বধৰ্ম ৰক্ষা কৰি সত্য-অসত্যৰ যথাযথ পৰীক্ষা কৰা উচিত। পৰীক্ষামূলক বিচাৰ প্ৰক্ৰিয়াত ধৰ্মৰ কেতিয়াও হানি নহয় অৰ্থাৎ বিজয় সুনিশ্চিত হয়।



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- নাৰদস্মৃতিত প্ৰথম অধ্যায়ৰ লগত চিনাকী হ'ব পাৰিলে।
- ব্যৱহাৰ বিভিন্ন দিশ সম্পৰ্কে জানিব পাৰিলে।
- বিচাৰ প্ৰক্ৰিয়াত ৰজাৰ কৰ্তব্যসমূহৰ বিষয়ে অৱগত হ'ল।
- বিভিন্ন বিধি, যেনে আটক, দণ্ড, অভিযোগ আদিৰ লগত পৰিচয় হ'ল।
- প্ৰাচীন ভাৰতীয় বিচাৰ ব্যৱস্থাৰ লগত পৰিচয় হ'ব পাৰিলে।



৯.৬ অধিক জানিবলৈ

১) Swain, (Dr.) Braja Kishore, (2006), *Naradasmrti*, Varanasi, Choukhambha Sanskrit Bhawan.

২) Lariviere, Richard W., (2003), *The Naradasmrti*, Delhi : Motilal Banarsidass.

৩) কাণে পি ভি, (১৯৯২), *ধর্মশাস্ত্র কা ইতিহাস প্রথম ভাগ,* লক্ষ্ণৌ ঃ উত্তৰ প্ৰদেশ হিন্দী সংস্থান।

৪) শৰ্মা, কিৰণ, (১৯৯৮), *মনুসংহিতা,* গুৱাহাটী, অসম বেদ বিদ্যালয়।

৫) বসু, সুমিতা, (১৪০৭ বংগাব্দ), *যাজ্ঞৱল্ক্যসংহিতা,* কোলকাতা, সংস্কৃত পুস্তক ভাণ্ডাৰ



৯.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাতটা গুণ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ আগম, ব্যৱহাৰ, চিকিৎসা আৰু নিৰ্ণয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মহাভাৰতত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ স্ত্ৰীসকলৰ দ্বাৰা কৰা ব্যৱহাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ স্থানাসেধ, কালাসেধ, প্ৰৱাসাসেধ আৰু কৰ্মাসেধ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বিবাহৰ বাবে প্ৰস্তুত দৰা, ৰোগাগ্ৰস্ত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বিলম্ব কৰি থকা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৰজাই দণ্ড দিয়ে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ দোষযুক্ত বিচাৰ প্ৰক্ৰিয়াত।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ যিজনে ভুৱা নথি প্ৰস্তুত কৰে।



৯.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক।

(ক) শুনানিৰ চাৰিটা স্তৰ কি কি?

(খ) ৰজাৰ সাতটা গুণ কি কি?

(গ) ৰজাই কিহৰ ওপৰত ভিত্তি কৰি বিচাৰ নিৰীক্ষণ কৰে?

(ঘ) চাৰি প্ৰকাৰৰ আসেধ কি কি?

(ঙ) বিচাৰ প্ৰক্ৰিয়াত ৰজাৰ ধৰ্ম কি?

খ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ধৰ্মানুসৰি বিচাৰ কৰা ৰজাৰ গুণসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বিচাৰ প্ৰক্ৰিয়া সঠিক কেতিয়া নহয়? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ আটকৰ পৰা সাময়িক পৰিত্ৰাণ কোনে কোনে পায়? চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ চমুটোকা লিখক।

প্ৰাড্‌বিবাক, চিকিৎসা, আসেধ, কূটলেক্ষ্য, দৰ্শন।

প্ৰশ্ন ৫ ঃ ব্যাখ্যা কৰক ঃ

যথা মৃগশ্চ ৰিদ্ধস্য ৰ্ব্যাধো মৃগপদং নয়েৎ।

কক্ষে শোণিতপাদেন তথা ধৰ্মপদং নয়েৎ।।

*** ***** ***

অধ্যায় ১০ ঃ নাৰদস্মৃতি ঃ চতুর্থ অধ্যায় ঃ দায়ভাগ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ দায়ভাগ ঃ মূলপাঠ
১০.৪ সাধাৰণ আলোচনা
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্রগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নাৰদস্মৃতিৰ অন্যতম বিষয় 'দায়ভাগ'ৰ লগত চিনাকী হ'ব পাৰিব
- 'দায়ভাগ' কি সেই বিষয়ে জানিব পাৰিব
- সম্পত্তিৰ উত্তৰাধিকাৰী কোনবোৰ সেই বিষয়ে আভাস পাব
- কোনে কিমান অংশ পৈত্রিক সম্পত্তি লাভ কৰিব জানিব পাৰিব
- প্রাচীন ভাৰতীয় বিভাগ নীতিৰ লগত পৰিচয় হ'ব পাৰিব।

১০.২ পৰিচয়

আপুনি ইতিমধ্যে অৱগত যে নাৰদস্মৃতিত চাৰিটা অধ্যায় আছে। প্রথম তিনিটা অধ্যায়ত ব্যৱহাৰ সম্বন্ধে আলোচনা আগবঢ়োৱা হৈছে। নাৰদস্মৃতিত ধর্মশাস্ত্রৰ কেবল ব্যৱহাৰ অংশটো আলোচিত হৈছে। প্রথম অধ্যায়টোত ব্যৱহাৰৰ লক্ষণ, বিধি, নীতি আদিৰ বিষয়ে আপুনি ইতিমধ্যে জ্ঞাত হৈছে। প্রথম অধ্যায়ত পোৱা যায় যে (শ্লোক সংখ্যা ১৬-১৯) ব্যৱহাৰ অর্থাৎ বিচাৰ প্রক্রিয়াত ওঠৰটা পদ আছে। যিবোৰক বিবাদপদ বুলিও জনা যায়। ঋণাদান, উপনিধি, দায়ভাগ আদি ওঠৰবিধ বিবাকপদ।

নাৰদস্মৃতি চতুর্থ অধ্যায়ত এই গোটেই ওঠৰটা পদ আলোচনা কৰা হৈছে। এই অষ্টাদশ পদৰ ভিতৰত ত্রয়োদশ পদ হিচাপে থকা দায়ভাগ (partition of inheritance) অন্যতম। 'দায়' মানে হৈছে পৈত্রিক সম্পত্তি অর্থাৎ যি ধন ধনস্বামীৰ সৈতে সম্বন্ধবশতঃ অন্যব্যক্তিৰ নিজস্ব ধনত পৰিণত হয়। 'বিভাগ' বা 'ভাগ' মানে হৈছে সেই ধন যেতিয়া উত্তৰাধিকাৰী সূত্রে পুত্রসকলৰ মাজত বিভাজিত কৰা হয়। প্রাচীন পণ্ডিতসকলে এই বিবাদৰ বিষয়টোক অতি

বিবাদস্পদ অথবা স্পর্শকাতৰ বিষয় বুলি উল্লেখ কৰিছে। আন কিছুমান স্মৃতিকাৰৰ মতে পিতা, পিতামহ, মাতা প্রভুতিৰ ধন যোগ্য উত্তৰাধিকাৰীৰ মাজত ভাগ কৰি দিয়াকে দায়ভাগ বুলি কোৱা হয়।

এই পাঠটোত আপুনি দায়ভাগৰ বিভিন্ন নিয়ম সম্বন্ধে অৱগত হোৱাৰ লগতে, কোনজনে কিমান অংশ পাব, সন্তান নাথাকিলে পৈত্রিক সম্পত্তিৰ কি হ'ব, সেই সম্বন্ধে বিশদভাৱে জানিব পাৰিব।

১০.৩ দায়ভাগ (Partition of Inheritance) ঃ মূলপাঠ

শ্লোক-১ ঃ ৰিভাগো২র্থস্য পিত্র্যস্য পুত্রৈর্যত্র প্রকল্প্যতে
দায়ভাগ ইতি প্রোক্তং তদ্বিৱাদপদং বুধৈঃ।।

অসমীয়া অনুবাদ ঃ পুত্রসকলৰ দ্বাৰা যেতিয়া পিতৃধন বিভাগ কৰা হয়, তাকেই 'দায়ভাগ' বুলি কোৱা হয়। পণ্ডিতসকলে এই বিষয়টোক এটি বিবাদাস্পদ বিষয় বুলি কৈছে।



জানি থোৱা ভাল

দায়ভাগ ঃ 'দায়' মানে হৈছে সম্পত্তি, যি ধনস্বামীৰ সৈতে সম্বন্ধ থকা অন্য ব্যক্তিৰ নিজস্ব হৈ যায় (দায়শব্দেন য়দ্ ধনং স্বামিসম্বন্ধাদ্ এৱ নিমিতাদ্ অন্যস্য স্বং ভৱতি তদুচ্যতে)। 'ভাগ' মানে হৈছে 'বিভাগ' অর্থাৎ ধনস্বামীৰ মৃত্যুৰ পিছত সেই ধন সম্বন্ধীসকলৰ মাজত যেতিয়া বিভাজিত কৰা হয় (বিভাগো নাম দ্রব্য সমুদায় বিষয়াণাম্ অনেক স্বাম্যানাং তদেকদেশযু ব্যৱস্থাপনম্)। আচার্য্য নাৰদৰ মতে 'দায়' শব্দৰ অর্থ হ'ল পিতৃধন আৰু সেই ধন যেতিয়া পুত্রসকলে নিজৰ মাজত ভাগ-বতৰা কৰে, তেতিয়া তাকেই কোৱা হয় দায়ভাগ। ইয়াতে 'পিত্র্য' অর্থাৎ পিতৃধন বুলিলে নিজ নিজ সম্বন্ধ অনুসৰি দায়ভাগীকে বুজায় (পিত্যস্যেতি স্বত্বনিমিত্ত সম্বন্ধো পলক্ষণম্)। সহজ ভাষাত ক'বলৈ হ'লে পূর্বধন স্বামীৰ মৃত্যুৰ পিছত তৎসম্বন্ধী অন্য ব্যক্তিত সেই ধনৰ স্বত্ব উৎপন্ন হ'লে, সেয়াই লৈ 'দায়'।

এই দায় দুই প্রকাৰৰ— অপ্রতিবন্ধ আৰু সপ্রতিবন্ধ। যেতিয়া পুত্র বা পৌত্রসকলে (নাতিসকলে) পুত্রত্ব আৰু পৌত্রত্বৰ অধিকাৰৰ দ্বাৰা পিতৃধন অথবা পিতামহৰ ধন লাভ কৰে, সেয়াই হৈছে 'অপ্রতিবন্ধ' দায়, কাৰণ ইয়াত দায় প্রাপ্তিত কোনো বাধা বা চর্ত নাথাকে (তত্র পুত্রাণাং পৌত্রাণাং চ পুত্রত্বেন পৌত্রত্বেন চ পিতৃধনং পিতামহধনং চ স্বং ভৱতীত্যপ্রতিৱন্ধোদায়ঃ)। আনহাতে, পিতৃব্য (খুড়া, জেঠা আদি) তথা ভ্রাতা আদিৰ পুত্র নাথাকিলে, তেওঁৰ মৃত্যুৰ পিছত যিসকল ভাইৰ পুত্র (ভতিজা), ভাই আদিৰ সেই ধন প্রাপ্তি হয়, সেয়াই হৈছে 'সম্প্রতিবন্ধ' দায়। এই ক্ষেত্রত প্রত্যক্ষৰূপে দায়গ্রহণ সম্ভৱ নহয়। (পিতৃব্যভ্রাত্রাদীনাং তু পুত্রাভাৱে স্বাম্যভাৱে চ স্বং ভৱতীতি সপ্রতিবন্ধো দায়ঃ)।

পিতৃৰ মৃত্যুৰ পিছত দায়ভাগ ঃ

শ্লোক-২ ঃ পিতর্যূর্ধ্বং গতে পুত্রা ৰিভজেৰন্ ধনং ক্রমাৎ।
মাতুর্দুহিতৰো২ভাৱে দুহিতৃণাং তদন্বয়ঃ।।

অসমীয়া অনুবাদ ঃ পিতৃৰ মৃত্যুৰ পিছত পুত্রসকলে পিতৃধন ক্রমানুসাৰে ভগাই ল'ব পাৰে। মাতৃৰ মৃত্যুৰ পিছত পুত্রীসকলে মাতৃৰ ধনৰ অধিকাৰ লাভ কৰে। জীয়েকৰ অভাৱত তেওঁৰ সতি-সন্ততিয়ে (জীয়েকৰ) সেই ধন লাভ কৰে।

পিতৃৰ জীৱিত অৱস্থাত দায়ভাগ ঃ

শ্লোক-৩ ঃ মাতুর্নিবৃত্তে ৰজসি প্রত্তাসু ভগিনীষু চ।
নিবৃত্তে ৱাপি ৰমণে পিতর্যুপৰতস্পৃহে।।

অসমীয়া অনুবাদ ঃ (বিশেষ মুহূর্তত পিতৃৰ জীৱিত কালতো পিতৃধন ভাগ কৰাৰ ব্যৱস্থা) মাতৃৰ ৰজোধর্মনিবৃত্তি (ceased to menstruate) ৰ পিছত, ভগিনীসকলৰ বিবাহৰ পিছত আৰু পিতৃৰ ইচ্ছানিবৃত্তি (impotent) তথা নিস্পৃহতাৰ কাৰণে ধনবিভাগ কৰিব পাৰি।

শ্লোক-৪ ঃ পিতৈৰ ৱা স্বয়ং পুত্রান্বিভজেদ্বয়সি স্থিতঃ।
জ্যেষ্ঠং ৱা শ্রেষ্ঠভাগেন যথা ৱাস্য মতির্ভৱেৎ।।

অসমীয়া অনুবাদ ঃ জীৱিত অৱস্থাত পিতৃয়ে নিজে পুত্রসকলৰ মাজত সম্পত্তিৰ বিভাজন কৰিব পাৰে। জ্যেষ্ঠ পুত্রক অধিক ভাগ দিব পাৰে, অথবা নিজৰ ইচ্ছানুসৰি কৰিব পাৰে।

শ্লোক-৫ ঃ ৰিভূয়াদ্বেচ্ছতঃ সর্ৱান্ জ্যেষ্ঠো ভ্রাতা যথা পিতা।
ভ্রাতা শক্তঃ কনিষ্ঠো বা শক্ত্যপেক্ষাঃ কুলে শ্রিয়।।

অসমীয়া অনুবাদ ঃ (পিতৃৰ মৃত্যুৰ পিছতো, সম্পত্তিৰ ভাগ-বটৰা নকৰালৈকে) জ্যেষ্ঠ ভাতৃয়ে নিজৰ পিতৃৰ দৰে সকলোৰে ভৰণ-পোষণৰ দায়িত্ব ল'ব পাৰে, অথবা কোনো ভৰণ-পোষণৰ সমর্থ থকা কনিষ্ঠ ভাতৃয়েও ল'ব পাৰে। কিয়নো বংশত শক্তি অনুসৰি শ্রীবৃদ্ধি সাধিত হয়।

অবিভাজ্য ধন ঃ

শ্লোক-৬ ঃ শৌর্যভার্যাধনে চোভে যচ্চ ৰিদ্যাধনং ভৱেৎ।
ত্রীণ্যেতান্যবিভাজ্যানি প্রসাদী যশ্চ পৈতৃকঃ।।

অসমীয়া অনুবাদ ঃ শৌর্য্যধন অর্থাৎ কোনো প্রতিযোগিতাত বিজয়ী হৈ লাভ কৰা ধন, ভার্য্যাধন অর্থাৎ পত্নীৰ সম্পত্তি (স্ত্রীধন) বিদ্যাধন, এই তিনি প্রকাৰৰ ধন আৰু পিতৃৰ দ্বাৰা উপহাৰ স্বৰূপে লাভ কৰা ধন দায়ৰ ৰূপত বিভাজন কৰিব নোৱাৰি।

শ্লোক-৭ ঃ মাতা চ স্বধনং দত্তং যস্মৈ স্যাৎ প্রীতিপূর্ৱকম্।
তস্যাপ্যেষ বিধির্দৃষ্টে মাতাপি হি যথা পিতা।

অসমীয়া অনুবাদ ঃ মাতৃয়েও যদি প্রীতিবশত অথবা স্নেহবশতঃ তেওঁৰ স্ত্রীধন কাৰোবাক প্রদান

কৰিলেও এই (পূর্বোক্ত শ্লোকৰ) বিধি প্রযোজ্য অর্থাৎ এই ধন বিভাজিত নহয়। কাৰণ পিতা যেনেকুৱা মাতাও তেনেকুৱা।

স্ত্রীধনৰ বর্ণনা

শ্লোক-৮ ঃ অধ্যগ্ন্যধ্যাৱহনিকং ভর্তৃদায়স্তথৈৱ চ।
ভাতৃমাতৃপিতৃপ্রাপ্তং ষড়ৱিধং স্মৃতম্।।

অসমীয়া অনুবাদ ঃ স্ত্রীধন (women's property) ছয় প্রকাৰৰ। সেইবোৰ হ'ল— ১। বিবাহৰ সময়ত অগ্নিক সাক্ষী কৰি লোৱা ধন, ২। স্বামী ঘৰলৈ যোৱাৰ সময়ত প্রাপ্ত ধন, ৩। স্বামীয়ে দিয়া ধন, ৪। ভাতৃৰ পৰা পোৱা ধন, ৫। মাতৃৰ পৰা পোৱা ধন আৰু ৬। পিতৃৰ পৰা পোৱা ধন। (১। অধ্যগ্নি, ২। অধ্যাৱহনিক, ৩। ভর্তুদায়, ৪। ভাতৃপ্রাপ্ত, ৫। মাতৃ প্রাপ্ত, আৰু ৬। পিতৃপ্রাপ্ত।

শ্লোক-৯ ঃ স্ত্রীধনং তদপত্যানাং ভর্তুগাম্যপ্রজাসু চ।
ব্রাহ্মাদিষু চতুষৱাহঃ পিতৃগামীতৰেষু চ।।

অসমীয়া অনুবাদ ঃ স্ত্রীধন তেওঁৰ সন্তানে লাভ কৰে। সন্তানৰ অভাৱত সেই ধন স্বামীয়ে লাভ যদিহে তেওঁৰ বিবাহ ব্রাহ্ম আদি প্রথম চাৰি প্রকাৰৰ দ্বাৰা হয়। যদি শেষৰ চাৰি প্রকাৰৰ যিকোনো এটাৰ দ্বাৰা বিবাহ সম্পন্ন হয়, তেনেহ'লে সেই স্ত্রীধন স্ত্রীগৰাকীৰ পিতৃগৃহই লাভ কৰে।

বিবাহ ঃ হিন্দুশাস্ত্রমতে বিবাহ আঠ প্রকাৰৰ— ব্রাহ্ম, দেৱ, আর্ষ, প্রাজাপত্য, আসুৰ, গান্ধর্ব, ৰাক্ষস আৰু পৈশাচ। 'ব্রাহ্মো দৈৱস্তথৈবার্ষঃ প্রাজাপত্যস্তথাসুৰঃ। গান্ধর্বো ৰাক্ষসশ্চৈৱ পৈশাচশ্চাষ্টমোঽধমঃ।।'
— মনুসংহিতা, ৩.২১



জানি থোৱা ভাল

স্ত্রীধন (women's property) ঃ স্মৃতি শাস্ত্রসমূহে স্ত্রীধন সম্বন্ধে যথেষ্ট আলোচনা আগবঢ়াইছে। স্ত্রীয়াঃ ধনম্ স্ত্রীধনম্— এই ব্যুৎপত্তি অনুসৰি স্ত্রীধন বুলিলে স্ত্রীসম্বন্ধীয় ধন বুজায়। স্মৃতিশাস্ত্র মতে স্ত্রীধন মানে স্ত্রীসকলৰ ব্যক্তিগত ধন। কোনবিলাকক স্ত্রীধন বুলি কোৱা হৈছে— এই সম্বন্ধে স্মৃতিকাৰসকলে বিভিন্ন ধাৰণা আগবঢ়াইছে। নাৰদৰ মতে ছয় প্রকাৰৰ স্ত্রীধন। যাজ্ঞবল্ক্যৰ মতে স্ত্রীধনৰ সংখ্যা নটা। সেইকেইটা হ'ল— ১। পিতা, মাতা, পতি, তথা ভাতৃ আদিৰ পৰা স্নেহবশতঃ যিধন পায়, ২। বিবাহকালত গার্হপত্য অগ্নিক সাক্ষী কৰি কন্যাৰ মোমায়েক আদি আত্মীয় গণে যি ধন দিয়ে (অধ্যগ্ন্যুপাগত), ৩। পতিৰ দ্বিতীয় বিবাহকালত, পতিয়ে তেওঁৰ পূর্বপত্নীক সন্তুষ্ট কৰিবলৈ যি ধন দিয়ে (আধিবেদনিক), ৪। পিতা আৰু মাতাৰ মাতৃপক্ষ, পিতৃপক্ষ তথা মোমায়েকৰ আত্মীয়ই কন্যাক যি ধন প্রদান কৰে (বন্ধুদত্ত), ৫। বিবাহৰ প্রাক্ক্ষণত ৰৰপক্ষই কন্যাক শুল্ক স্ৱৰূপে যি ধন দিয়ে (শুল্ক), ৬। পিতৃগৃহৰ পৰা পতিগৃহলৈ যাত্রাকালত যি ধন পায় (অধ্যাৱহনিক), ৭। বিবাহৰ পিছত স্বামীঘৰত লাভ কৰা ধন (অন্ৱাধেয়ক), ৮। শ্বশুৰ বা শাহুৰেকে মৰমতে নৱৱধূক যি ধন দিয়ে (পাদান্দনিক), ৯। বিবাহিতা বা অবিবাহিতা কন্যাই পতিগৃহ অথবা পিতৃগৃহত ভাই বা পিতা-মাতাৰ পৰা যি ধন পায় (সৌদায়িক)।—

'পিতৃ-মাতৃপতি ভ্রাতৃদত্তমধ্যাগ্নুপাগতম্।
আধিবেদনিকাদ্যঞ্চস্ত্রীধনং পৰিকীর্তিতম্।।
বন্ধুদত্তং তথা শুল্কমন্বাধেয়কমেৰ বা।
অতীতায়ামপ্রজসি ৰান্ধৰাস্তদবাপ্নুয়ুঃ।।
(যাজ্ঞৱল্ক্যসংহিতা, ব্যাৱহাৰাধ্যায়, দায়ভাগপ্রকৰণম্ ১৪৩-১৪৪)
আচার্য্য মনুৱেও ছয়প্রকাৰৰ স্ত্রীধনৰ কথা উল্লেখ কৰিছে—
'অধ্যগ্ন্যধ্যাংৱহনিকং দত্তং চ প্রীতিকর্মণি।
ভ্রাতৃপিতৃমাতৃপ্রাপ্তং ষড্বিধং স্ত্রীধনং স্মৃতম্।।' (মনুসংহিতা, ৯/১৯৪)

বিদ্যাধনৰো ভাগ বণ্টন ঃ

শ্লোক-১০ ঃ কুটুম্বং বিভৃযাদ্ ভ্রাতুর্যো বিদ্যামধিগচ্ছতঃ।
ভাগং বিদ্যাধনাত্তস্মাৎ স লভেতাশ্রুতোঽপি সন্।।

অসমীয়া অনুবাদ ঃ (পূর্বৰ ৬ নং শ্লোকৰ বিদ্যাৰ দ্বাৰা লাভ কৰা ধনৰ বিদ্যাধনী ভাগ নহয় বুলি কোৱা হৈছে, তথাপিও) বিদ্যা অধ্যয়নৰ বাবে যোৱা ভাতৃৰ আত্মীয়-স্বজনক যদি আন এজনে ভাতৃয়ে ভৰণ-পোষণ দিয়ে, তেনেহ'লে অবিদ্বান হ'লেও এই ভৰণ-পোষণ দিয়া ভাইগৰাকীয়ে সেই বিদ্যাধনৰ ভাগ ল'ব পাৰে।

শ্লোক-১১ ঃ ৱৈদ্যোঽৱৈদ্যায় নাকামো দদ্যাদংশং স্বতো ধনাৎ।
পিত্র্যং দ্রব্যং সভাশ্রিত্য ন চেতেন তদাহৃতম্।।

অসমীয়া অনুবাদ ঃ ইচ্ছা নাথাকিলে কোনো বিদ্বান ভাতৃয়ে অবিদ্বান ভাতৃক নিজৰ বিদ্যাধনৰ ভাগ নিদিবও পাৰে যদি তেওঁ পিতৃদ্রব্যৰ সহায়ত এই বিদ্যাধন অর্জন কৰা নাই।

পিতৃৰ জীৱনাৱস্থাত ভাগ-বণ্টন ঃ

শ্লোক-১২ ঃ দ্বাৱংশৌ প্রতিপদ্যতে ৱিভজন্নাত্মনঃ পিতা।
সমাংশভাগিনী মাতা পুত্রাণাং স্যান্মৃতে পতৌ।।

অসমীয়া অনুবাদ ঃ পিতৃয়ে নিজে নিজৰ ধন ভাগ কৰাৰ সময়ত নিজৰ বাবে দুটা অংশ (ভাগ, share)। ল'ব পাৰে। স্বামীৰ মৃত্যুৰ পিছত মাতৃয়েও পুত্রৰ সৈতে সমান ভাগৰ অংশীদাৰী হয়।

প্রতিজনৰ বিভাগৰ পৰিমাণ ঃ

শ্লোক-১৩ ঃ জ্যেষ্ঠাযাংশোঽধিকো দেয়ঃ কনিষ্ঠাযাৱৰঃ স্মৃতঃ।
সমাংশভাজঃ শেষাঃ স্যুৱপ্রত্তা ভগিনী তথা।।

অসমীয়া অনুবাদ ঃ জ্যেষ্ঠভাতৃয়ে বেছি অংশ লাভ কৰিব, কনিষ্ঠ ভাতৃয়ে ইয়াতকৈ কম অংশ পাব, মধ্যৱর্তী অন্য ভাতৃয়ে সমান অংশ তথা অবিবাহিতা ভনীয়েও সেই একেটা অংশই লাভ কৰিব।

বর্ণশংকৰ (levirate union) পুত্রৰ ক্ষেত্রত বিভাগ ঃ

শ্লোক-১৪ ঃ ক্ষেত্রজেষ্বপি পুত্রেষু তদ্বজ্জাতেষু ধর্মতঃ।
ৱর্ণাৱৰেষৱংশহানিৰূঢাজাতেষ্ৱনুক্রমাৎ।।

অসমীয়া অনুবাদ ঃ ক্ষেত্রজ পুত্র (আপোনাৰ ভার্য্যাৰ গর্ভত বংশৰ কোনো লোকৰ দ্বাৰা উৎপন্ন হোৱা) যদি ধর্ম অনুসৰি জন্ম গ্রহণ কৰিছে, তেনেহ'লে আগৰ বিধিয়েই প্রযোজ্য হ'ব। কিন্তু, বিধিসম্মত হ'লেও পত্নী যদি নিম্নবর্ণৰ (lower caste) হয়, তেনেহ'লে, ক্রমানুসাৰে অংশৰ হানি হয়।

বিভাজনৰ ক্ষেত্রত পিতৃয়েই সর্বোচ্চ ঃ

শ্লোক-১৫ ঃ পিত্রৈৰ তু ৰিভক্তা যে হীনাধিকসমৈর্ধনৈঃ।
তেষাং স এৱ ধর্মঃ স্যাৎ সর্ৱস্য হি পিতা প্রভুঃ।

অসমীয়া অনুবাদ ঃ পিতৃৰ দ্বাৰা বিভাজিত ধন, কাৰোবাৰ ক্ষেত্রত অধিক বা কাৰোবাৰ ক্ষেত্রত সমান হ'লেও বা কম হ'লেও, ধর্ম অনুসৰি বিভাজিত বুলি গ্রহণ কৰিব লাগে। কিয়নো পিতৃয়েই হৈছে সকলো ধনৰ প্রভু।

শ্লোক-১৬ ঃ ৱ্যধিতঃ কুপিতশ্চৈৰ ৰিষয়াসক্তমানসঃ।
অন্যথাশাস্ত্রকাৰৌ চ ন ৰিভাগে পিতা প্রভুঃ।

অসমীয়া অনুবাদ ঃ ৰোগাগ্রস্ত, ক্রোধী, মদিৰা আদি বিষয়াসক্ত আৰু শাস্ত্রমার্গ ত্যাগী পিতা বিভাগৰ সময়ত প্রভু হিচাপে ধৰা নহয়।

অবিধিসম্মত পুত্রৰ ক্ষেত্রত বিভাজন ঃ

শ্লোক-১৭ ঃ কানীনশ্চ সহোঢ়শ্চ গুঢ়ায়াং যশ্চ জায়তে।
তেষাং বোঢ়া পিতা শ্রয়স্তে চ ভাগহৰাঃ স্মৃতাঃ।

অসমীয়া অনুবাদ ঃ কানীন অর্থাৎ কুমাৰী কন্যাৰ সন্তান (A son born out of wedlock), সহোঢ়। অর্থাৎ বিভাগৰ সময়ত কন্যাৰ গর্ভত থকা সন্তান (A son of a woman pregnant at the time of her marriage), আৰু গূঢ়জ অর্থাৎ পতি প্রৱাসত থকা সময়ত আনৰ লগত সহবাসৰ ফলত জন্ম হোৱা পুত্র সন্তান (A son of an unfaithful wife) পুত্র মাকক যিজনে বিবাহ কৰায়, তেৱেঁই (এইবোৰ পুত্রৰ) পিতা। তেওঁলোকেও পিতাৰ ধনৰ অংশ লাভ কৰে।

অজ্ঞাত পিতৃৰ পুত্রৰ ক্ষেত্রত বিভাজন ঃ

শ্লোক-১৮ ঃ অজ্ঞাতপিতৃকো যশ্চ কানীনোঽনুঢ়মাতৃকঃ।
মাতামহায় দদ্যাৎ স পিণ্ডং ৰিক্থং হৰেৎ চ।।

অসমীয়া অনুবাদ ঃ যিজনে কানীন পুত্রৰ পিতৃ জ্ঞাত নহয়, আৰু তেওঁৰ মাতৃ অবিবাহিতা হৈ থাকে, তেওঁৰ পুত্রই যদি মাতামহক (maternal grandfather) পিণ্ড প্রদান কৰে, তেনেহ'লে তেওঁৰ (মাতামহৰ) সম্পত্তিৰ অংশ লাভ কৰে।

শ্লোক-১৯ ঃ জাতা যে ত্বনিযুক্তায়ামেকেন বহুভিস্তথা।
আৰিক্থভাজঃ সর্ৱে স্যুর্বীজিনামের তে সুতাঃ।।

অসমীয়া অনুবাদ ঃ অনিযুক্ত পত্নী অর্থাৎ সন্তান প্রসৱ কৰাৰ বাবে নির্দিষ্ট নকৰা (পণ আদিত জয়লাভ কৰা তিৰোতা) (A women who was not appointed to bear a child)ৰ গর্ভত যদি পুত্র সন্তান জন্ম হয় আৰু সেই সন্তান যদি এজনৰ দ্বাৰা অথবা বহুজনৰ দ্বাৰা সৃষ্ট হয়, তেনেহ'লে সেই পুত্রই বা পুত্রসমূহে মাকৰ পতিৰ ধনৰ ভাগ ল'ব নোৱাৰে, কাৰণ তেওঁলোক 'বীজিন'ৰ পুত্র অর্থাৎ যিজনৰ বীজত সন্তান জন্ম হৈছে (who begat them)।

শ্লোক-২০ ঃ দদ্যুস্তে ৱীজিনো পিণ্ডং মাতা চেচ্ছুল্কতোহৃতা।
অশুল্কোপগতায়াং তু পিণ্ডদা বোঢুৰেব তে।

অসমীয়া অনুবাদ ঃ মাতৃয়ে যদি শুল্ক (লাভ, money paid for) লৈ পুত্র জন্ম দিয়ে, তেনেহ'লে সেই সন্তানে বীজিন অর্থাৎ তেওঁৰ উৎপাদক পুৰুষক (begetter) পিণ্ড দিয়ে। আনহাতে, যদি শুল্ক নোলোৱাকৈ পুৰুষৰ লগত সংপৃক্ত হ'লে, সেই মাতৃগৱাকীৰ পাণিগ্রহণ কৰা পুৰুষজনলৈ তেওঁ পিণ্ড (funerary rite) প্রদান কৰে।

শ্লোক-২১ ঃ পিতৃদ্বিৎ পতিতঃ ষণ্ডো যশ্চ স্যাদৌপপাতিকঃ।
ঔৰসা অপি নৈতেংঽশং লভেৰন্ ক্ষেত্রজাঃ কুতঃ

অসমীয়া অনুবাদ ঃ পিতৃক হিংসা কৰা পুত্রই (who hate their father) বংশভ্রষ্ট নতুবা জাতিভ্রষ্ট (out caste), নপুংসক (impotent) আৰু উপপাতক অর্থাৎ সৰু দোষত দোষযুক্ত (guity of a minor sin) পুত্র ঔৰসজাত হ'লেও, পিতৃ সম্পত্তি লাভ কৰিব নোৱাৰে। ক্ষেত্রজ পুত্রৰ ক্ষেত্রত কোনো কথাই থাকিব নোৱাৰে (অর্থাৎ ক্ষেত্রজ পুত্রয়ো লাভ কৰিব নোৱাৰে)।

শ্লোক-২২ ঃ দীর্ঘতীব্রাময়গ্রস্তা জড়োন্মত্তান্ধপঙ্গৱঃ।
ভর্তব্যাঃ স্যুঃ কুলে চৈতে তৎপুত্রাস্ত্বংশভাগিনঃ।

অসমীয়া অনুবাদ ঃ দীর্ঘকাল্যব্যাপী যক্ষ্মা আদি তথা তীব্র কুষ্ঠ আদি ৰোগৰ দ্বাৰা পীড়িত ব্যক্তি, মূর্খ ব্যক্তি (idiot), অন্ধ (blind) আৰু পংগু (crippled) ব্যক্তি বংশস্থ সদস্যৰ দ্বাৰা পোষণীয়, কিন্তু তেওঁলোকৰ পুত্র সন্তানে সম্পত্তিৰ অংশ লাভ কৰিব।

শ্লোক-২৩ ঃ দ্বিৰামুষ্যায়ণা দদ্যুর্দ্বাভ্যাং পিণ্ডোদকে পৃথক্।
ৰিক্থাদর্ধং সমাদদ্যুর্বীজিক্ষেত্রিকয়োস্তথা।।

অসমীয়া অনুবাদ ঃ দ্বিপিতৃত্বৰ ক্ষেত্রত, (অর্থাৎ পুত্রৰ দুগৱাকী পিতৃ থাকিলে, এজন বীজিন্ আৰু আনজন ক্ষেত্রিক) পুত্রই দুয়োজনৰ উদ্দেশ্যে পৃথককৈ পিণ্ড দিব পাৰে। সম্পত্তিৰ বিভাজনৰ ক্ষেত্রত দুয়োজনৰ পৰাই আধা অংশ লাভ কৰিব পাৰে। (যাৰ বীজৰ পৰা উৎপন্ন হয়, তেওঁ হৈ বীজন পিতৃ (natural father),

আনহাতে তেওঁৰ মাকৰ পতি (husband) যদি বেলেগ এজন হয়, তেতিয়া তেওঁ হ'ব ক্ষেত্রিক পিতৃ (adoptive father)।

শ্লোক-২৪ ঃ সংসৃষ্টনাং তু যো ভাগস্তেষামের স ইষ্যতে।
অনপত্যোংঽশাভাগ্যোঽপি নির্বীজেষ্বিতৰানিয়াৎ।।

অসমীয়া অনুবাদ ঃ সংযুক্ত অংশীদাৰিত্ব ভাতৃয়ে (সংসৃষ্ট, reunited coparcener) সম্পত্তি লাভ কৰে, যদি তেওঁ অপুত্রক হয়, তেনেহ'লে সেই সম্পত্তি আন সংসৃষ্ট ভাতৃয়ে লাভ কৰে। যদি সংসৃষ্ট ভাতৃ অপুত্রক হয় তথা তেওঁৰ যদি কোনো সংসৃষ্ট ভাতৃ নাথাকে, তেনেহ'লে সেই ধন বিভাজিত হৈ থকা মূল ভাতৃ (original separated brother) অথবা অন্য অংশীদাৰী (other heirs) লোকে লাভ কৰে।

অপুত্রক ভাতৃৰ ধনৰ বিভাগ ঃ

শ্লোক-২৫ ঃ ভাতৄণামপ্রজাঃ প্রেয়াৎকশ্চিচ্চেৎ প্রব্রজেৎ বা।
বিভজেৰন্ধনং তস্য শেষাস্ত স্ত্রীধনং বিনা।।

অসমীয়া অনুবাদ ঃ কোনো এজন অপুত্রক ভাতৃৰ মৃত্যু হ'লে অথবা তেওঁ মায়া মমতা ত্যাগ কৰি সন্যাসী হৈ গুচি গ'লে, তেওঁৰ অন্যান্য ভাইসমূহে স্ত্রীধনখিনি বাদ দি বাকীখিনি ভগাই ল'ব পাৰে।

শ্লোক-২৬ ঃ ভৰণং চাস্য কুর্বীৰন্ স্ত্রীণামাজীবিতক্ষয়াৎ।
ৰক্ষন্তি শয্যাং ভর্তুশ্চেদাচ্ছিন্দ্যুৰিতৰাসু চ।

অসমীয়া অনুবাদ ঃ তেওঁৰ (অপুত্রক ভাতৃৰ) পত্নীক আজীৱন বাকীসকল ভাতৃয়ে ভৰণ-পোষণ দিব লাগিব, যদিহে তেওঁ সাধ্বী (faithful) হৈ থাকে। অন্যথা তেওঁৰ ধন (স্ত্রীধন) জোৰপূর্বক লৈ যাব পাৰে।

শ্লোক-২৭ ঃ যা তস্য দুহিতা তস্যা পিত্র্যেংঽশো ভৰণে মতঃ।
বাসংস্কাৰং ভজেৰংস্তাং পৰতো ৰিভূয়াৎ পতিঃ।

অসমীয়া অনুবাদ ঃ এই বিধবাগৰাকীৰ যদি ছোৱালী থাকে, তেনেহ'লে তেওঁৰ ভৰণ-পোষণ তথা বিবাহাদি সংস্কাৰ পিতৃধনৰ দ্বাৰাই হয় আৰু তাৰ পিছত তেওঁৰ পতি (কন্যাৰ পতিয়ে দায়িত্ব বহন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ দায়ভাগ কাক বোলে?

.....

প্রশ্ন নং ২ ঃ স্ত্রীধন কেইপ্রকাৰৰ? কি কি?

.....

প্রশ্ন নং ৩ ঃ কোনজন ভাতৃয়ে বেছি অংশ দায় লাভ কৰে?

.....

প্রশ্ন নং ৪ ঃ কালীন পুত্র কেনেকুৱা?

.....

প্রশ্ন নং ৫ ঃ কোনজন পুত্রই সম্পত্তিৰ ভাগ নাপায়?

.....

পুত্রহীন স্ত্রীৰ দায়িত্বব্যৱস্থাঃ

শ্লোক-২৮ ঃ মৃতে ভর্তর্যপুত্রায়াঃ প্রতিপক্ষঃ প্রভুঃ স্ত্রিয়াঃ।
ৱিনিয়োগাত্মৰক্ষাসু ভৰণে চ স ঈশ্বৰঃ।।

অসমীয়া অনুবাদ ঃ পুত্রহীন স্ত্রীৰ পতিৰ মৃত্যুৰ পিছত পতিৰ পক্ষ অর্থাৎ পতিৰ গৃহৰ আত্মীয়ই তেওঁৰ প্রভু। বিনিয়োগ (appoint, অর্থাৎ ক্ষেত্রজ পুত্র জন্মৰ কাৰণে নিয়োগ), আত্মৰক্ষা (protect), আৰু ভৰণ পোষণৰ ব্যৱস্থাত এই শহুৰ গৃহই তেওঁৰ ঈশ্বৰ।

শ্লোক-২৯ ঃ পৰিক্ষীণে পতিকুলে নির্মনুষ্যে নিৰাশ্রয়ে।
তৎসপিণ্ডেষু বাসৎসু পিতৃপক্ষঃ প্রভূঃ স্ত্রিয়াঃ।

অসমীয়া অনুবাদ ঃ পতিগৃহ মনুষ্যশূন্য হ'লে নিৰাশ্রয় অৱস্থাত অথবা সপিণ্ডৰ অভাৱত পিতৃকুলেই সেই মহিলাগৰাকীৰ প্রভু হ'ব পাৰে।

শ্লোক-৩০ ঃ পক্ষদ্বয়াৱসানে তু ৰাজা ভর্তা স্মৃতঃ স্ত্রিয়াঃ।
স তস্যা ভৰণং কুর্যান্নিগৃহ্নীয়াৎপথশ্চ্যুতাম্।

অসমীয়া অনুবাদ ঃ পতিপক্ষ আৰু পিতৃপক্ষৰ অভাৱত তেনেকুৱা স্ত্রী দায়িত্ব ৰজাই গ্রহণ কৰিব লাগে। ৰজাই তেওঁক ভৰণ-পোষণ দিব লাগে আৰু পথচ্যুত অর্থাৎ অকলশৰীয়া হোৱাৰ পৰা আঁতৰাই ৰাখিব লাগে। (স্বতন্ত্রভাৱে অর্থাৎ অকলশৰীয়াভাৱে থাকিব দিব নালাগে)।

শ্লোক-৩১ ঃ স্বাতন্ত্র্যাদ্ধি প্রণশ্যন্তি কুলে জাতা অপি স্ত্রিয়ঃ।
অস্বান্ত্র্যমতস্তাসাং প্রজাপতিৰকল্পয়ৎ।।

অসমীয়া অনুবাদ ঃ ভাল বংশত জন্মগ্রহণ কৰিলেও স্বতন্ত্রতা অর্থাৎ অকলশৰীয়া হৈ থকাৰ কাৰণে স্ত্রী নষ্ট হৈ যায়। সেয়েহে প্রজাপতিয়ে (ব্রহ্মাই) তেওঁলোকৰ অস্বতন্ত্রতা (অকলশৰীয়াবিহীনতা)ৰ বিধান দিছে। (তেওঁৰ প্রতি বেয়া ব্যৱহাৰৰ পৰাও তেওঁক ৰক্ষা কৰাটো উচিত— 'দুষ্প্রসঙ্গাদপি ৰক্ষণং কর্তব্যম্'- 'স্মৃতিচন্দ্রিকা', ২৩৯)

শ্লোক-৩২ ঃ পিতা ৰক্ষতি কৌমাৰে ভর্তা ৰক্ষতি যৌৱনে।
পুত্রাস্তু স্থবিৰে ভাৱে ন স্ত্রী স্বাতন্ত্র্যমর্হতি।।

অসমীয়া অনুবাদ ঃ পিতৃয়ে স্ত্রী এগৰাকীৰ কুমাৰী অৱস্থাত, পতিয়ে যৌৱন অৱস্থাত আৰু পুত্রই

বার্ধ্যক্য অৱস্থাত (অথবা বিধৱা অৱস্থাত) স্ত্রীৰ ৰক্ষা কৰে। স্ত্রীক কেতিয়াও স্বাতন্ত্র্যভাৱে অর্থাৎ অকলশৰীয়াকৈ থাকিবলৈ দিয়া উচিত নহয় (A women is not fit to be independent)।

পিতৃৰ অবর্তমানত পিতৃ ঋণ পৰিশোধ ঃ

শ্লোক-৩৩ ঃ যচ্ছিষ্টং পিতৃদায়েভ্যো দচ্ৱার্ণং পৈতৃকং চ যৎ।
ভাতৃভিস্তদ্বিভক্তব্যমনৃণী ন স্যাদ্যথা পিতা।।

অসমীয়া অনুবাদ ঃ পিতৃৰ ঋণ পৰিশোধৰ পিছত (ঋণাগ্রস্ত অৱস্থাত যদি পিতৃৰ বিয়োগ ঘটে), যিখিনি দায় অর্থাৎ সম্পত্তি অৱশিষ্ট থাকে, সেইখিনি ভাইসকলে বিভাগ কৰি ল'ব পাৰে, যাতে পিতৃ ঋণী হৈ নাথাকে।

পিতৃৰ অবর্তমানত সংস্কাৰ সম্পন্নত ব্যয় ঃ

শ্লোক-৩৪ ঃ যেষাং তু ন কৃতাঃ পিত্রা সংস্কাৰবিধয়ঃ ক্রমাৎ।
কর্তব্যা ভাতৃভিস্তেষাং পৈতৃকাদেৱ তে ধনাৎ।।

অসমীয়া অনুবাদ ঃ ক্রমানুসাৰে পিতৃয়ে যদি কোনো পুত্রৰ সংস্কাৰ কর্ম তেওঁৰ জীৱিত অৱস্থাত সম্পাদন কৰিব নোৱাৰিলে, তেনেহ'লে তেওঁৰ মৃত্যুৰ পিছত পিতৃধনৰ দ্বাৰাই অসংস্কৃত ভাতৃসকলৰ সংস্কাৰ কর্ম কৰা হ'ব।

শ্লোক-৩৫ ঃ অৱিদ্যমানে পিত্র্যেঽর্থে স্বাংশাদুদ্ধৃত্য বা পুনঃ।
অৱশ্যকার্যাঃ সংস্কাৰা ভাতৄণাং পূর্বসংস্কৃতৈঃ।।

অসমীয়া অনুবাদ ঃ পিতৃধনৰ অভাৱত, পূর্ব সংস্কাৰপ্রাপ্ত ভাতৃসকলে নিজৰ নিজৰ অংশৰ পৰা সংগ্রহ কৰি অসংস্কৃত ভাতৃৰ সংস্কাৰ কর্ম (Sacraments) সম্পন্ন কৰা উচিত।

শ্লোক-৩৬ ঃ কুটুম্বার্থেযু যশ্চোক্তস্তৎকার্যং কুৰুতে চ যঃ।
ভাতৃভির্ভৰণীয়োঽসৌ গ্রাসাচ্ছাদনৱাহনৈঃ।

অসমীয়া অনুবাদ ঃ যদি আত্মীয় কুটুম্বৰ ভৰণ-পোষণৰ বাবে (বা কোনো অনুষ্ঠানৰ বাবে) কোনো এজন ভাতৃয়ে দায়িত্ব ল'বলগীয়া হয়, তেনেহ'লে অন্য ভাতৃসকলে লগ হৈ তেওঁৰ বাবে ভোজন, পৰিধান (কাপোৰ) আৰু বাহনৰ ব্যৱস্থা কৰিব। (অর্থাৎ এইখিনি যোগান ধৰি তেওঁৰ লগত ভাৰ বহন কৰিব)।

সম্পত্তিৰ বিভাজন প্রসঙ্গ ঃ

শ্লোক-৩৭ ঃ বিভাগধর্মসন্দেহে দায়াদানাং ৱিনির্ণয়ঃ।
জ্ঞাতিভির্ভাগলেখ্যৈশ্চ পৃথগ্কার্যপ্রৱর্তনাৎ।।

অসমীয়া অনুবাদ ঃ দায়ৰ বিভাগবিধিত সন্দেহ প্রকাশিত হ'লে, জ্ঞাতিসকলৰ দ্বাৰা, ভাগলেখ অর্থাৎ বিভাগজ্ঞাপক লেখ্য প্রমাণৰ দ্বাৰা আৰু আয় ব্যয় আদি নির্দিষ্ট পৃথক ব্যৱস্থাৰ দ্বাৰা সম্পত্তিৰ বিভাগ কৰা উচিত।

বিভাজিত ভাতৃ প্রসঙ্গ ঃ

শ্লোক-৩৮ ঃ ভাতৃণামৱিভক্তানামেকো ধর্মঃ প্রৱর্ততে।
ৱিভাগে সতি ধর্মো হি তেষাং ভৱেৎ পৃথক্ পৃথক্।

অসমীয়া অনুবাদ ঃ অবিভক্ত অৱস্থাত ভাতৃসকলৰ একেটা ধর্মবিধিয়েই থাকে অর্থাৎ তেওঁলোকে একেলগে পঞ্চমহাযজ্ঞ, বৈশ্বদেৱযাগ আদি সম্পাদন কৰে। বিভাজনৰ পিছত তেওঁলোকৰ পৰিবাৰ ধর্ম পৃথক্ পৃথক্ হৈ পৰে।

শ্লোক-৩৯ ঃ দানগ্রহণপশবন্নগৃহক্ষেত্রপৰিগ্রহাঃ
ৱিভক্তানাং পৃথগ্ জ্ঞেয়াঃ পাকধর্মাগমৱ্যয়াঃ।।

অসমীয়া অনুবাদ ঃ দান, গ্রহণ, পশুপালন, অন্ন, গৃহ, ক্ষেত্র (field), পৰিগ্রহ (চৌহদ বেৰ), পাকক্রিয়া (cooking), ধর্ম (religious observances), আয় আৰু ব্যয়— বিভাজিত (separated) সকলৰ ব্যক্তিগতভাৱে পৃথক্ পৃথক্ হয়।

শ্লোক-৪০-৪১ ঃ সাক্ষিত্বং প্রাতিভাৱ্যং চ দানং গ্রহণমের চ।
ৱিভক্তা ভ্রাতৰঃ কুর্যুর্নাৱিভক্তাঃ পৰস্পৰম্।
যেষামেতাঃ ক্রিয়া লোকে প্রৱর্তন্তে স্ৱৱিক্থিনাম্।
ৱিভক্তা ভ্রাতৰস্তে তু ৱিজ্ঞেয়া ইতি নিশ্চয়ঃ।

অসমীয়া অনুবাদ ঃ বিভক্ত ভাতৃসকলে সাক্ষী (witness), জামিনদাৰ (surety), দাতা (giver) তথা প্রতিগ্রহীতা (receiver) পৰস্পৰে পৰস্পৰৰ হ'ব পাৰে, কিন্তু অবিভক্তসকলে সেৱাৰে।

এনেকুৱা কামত মুকলিকৈ প্রবৃত্ত হোৱা অংশীদাৰী বিভক্ত ভাইসকলক নিশ্চিতভাৱে বিভাজিত ভাতৃ বুলি কোৱা হ'ব (এই ক্ষেত্রত কোনো লিখিত প্রমাণ নাথাকিলেও)।

শ্লোক-৪২ ঃ ৱসেযুর্যে দশৱ্দানি পৃথগ্ ধর্মাঃ পৃথগ্ ক্রিয়াঃ।
ৱিভক্তা ভ্রাতৰস্তে তু ৱিজ্ঞেয়া ইতি নিশ্চয়ঃ।।

অসমীয়া অনুবাদ ঃ একান্তৱর্তী হ'লেও যদি ভাতৃসকলে দহ বছৰ কাল পৃথক্ ধর্ম তথা পৃথক্ কর্ম কৰে, তেনেহ'লে নিশ্চিতভাৱে তেওঁলোকক বিভাজিত (separated) ভাতৃ বুলি জানিব লাগে।

শ্লোক-৪৩-৪৪ ঃ যদ্যেকজাতা বহৱঃ পৃথক্ধর্মাঃ পৃথক্ক্রিয়াঃ।
পৃথক্ কর্মগুণোপেতা ন তে কৃত্যেষু সম্মতাঃ।।
স্বান্ ভাগান্যদি দদ্যুস্তে ৱিক্রীণীৱন্নথাপি বা।
কুর্যুর্যথেষ্ঠং তৎসর্ৱমীশাস্তে স্বধনস্য তু।।

অসমীয়া অনুবাদ ঃ একে মাতৃ-পিতৃৰ পৰা জন্ম হ'লেও যদি বহুত লোকে পৃথক্ পৃথক্ ধর্ম (বৈশ্বদেবযাগ, পিতৃ কার্য আদি), পৃথক্ ক্রিয়া (মাটি কর্ষণাদি ক্রিয়া), পৃথক্ কর্ম তথা গুণৰ (পৃথক্ কর্মফল তথা গুণ) দ্বাৰা যুক্ত হৈ নিজৰ কর্মত সামঞ্জস্য



সংসৃষ্ট ঃ সংসৃষ্ট শব্দৰ অর্থ হৈছে মিশ্রিত। ধনৰ বিভাজন হোৱাৰ পিছত, যদি কোনো ব্যক্তিয়ে নিজৰ ধনৰ অংশ পিতা, ভ্রাতা বা পৃতৃব্য অর্থাৎ খুড়া আদিৰ সৈতে মিশ্রিত কৰে, অবিভক্তভাৱে ব্যৱহাৰ কৰে, তেনেহ'লে সেই ধনক সংসৃষ্ট ধন (mixed property) বোলে। এই ধনৰ গৰাকীক সংসৃষ্টী বোলে।

নাৰাখি (do not consult their affairs)।

নিজৰ নিজৰ সম্পত্তিৰ ভাগসমূহ যদি কাৰোবাক দিয়ে অথবা বিক্রী কৰে, তেনেহ'লে নিজৰ ধন ইচ্ছানুসৰি বিনিয়োগ কৰিব পাৰে, কাৰণ তেওঁলোক সেই নিজৰ নিজৰ ধনৰ নিজেই গৰাকী।

বিভিন্ন ধৰণৰ পুত্রৰ ভাগ প্রসঙ্গ ঃ

শ্লোক-৪৫ ঃ ঊৰ্ধ্বং বিভাগাজ্জাতস্তু পিত্র্যেমেব হৰেদ্ধনম্।
সংসৃষ্ঠাস্তেন বা যে স্যুর্বিভজেৰন্নিতি স্থিতিঃ।

অসমীয়া অনুবাদ ঃ বিভাজনৰ পিছত জন্ম হোৱা পুত্রই পিতাকৰ অংশ লাভ কৰে। অথবা সংসৃষ্ট (reunited) পুত্রসকলৰ সৈতে তেওঁৰ বিভাগ স্থিৰ কৰা হয়।

দ্বাদশ প্রকাৰৰ পুত্র ঃ

শ্লোক-৪৬-৪৭ ঃ ঔৰসঃ ক্ষেত্রজশ্চৈব পুত্রিকাপুত্র এব চ।
কানীনশ্চ সহোদশ্চ গুঢ়োৎপন্নস্তথৈব চ।
পৌনর্ভবো২পবিদ্ধশ্চ লব্ধঃ কৃতকস্তথা।
স্বয়ং চোপগতঃ পুত্রা দ্বাদশৈষ উদাহৃতা।।

অসমীয়া অনুবাদ ঃ বাৰ প্রকাৰৰ পুত্র পোৱা যায়। তেওঁলোক হ'ল— ১। ঔৰস (natural born son), ২। ক্ষেত্রজ (a son born of an appointed widow), ৩। পুত্রিকাপুত্র (a son of a daughter), ৪। কানীন (a son bornoyt of wedlock), ৫। সহোঢ (son of a woman pregnant at the time of her marriage), ৬। গূঢ়োৎপন্ন (son of an unfaithful woman), ৭। পৌনর্ভৰ (the son of a remarried woman), ৮। অপবিদ্ধ (a founding), ৯। লব্ধ (a son given up by his parants), ১০। ক্রীত (a son who was purchased), ১১। কৃতক (an adopted son), আৰু ১২। স্বয়ং অপগত (a son who offered himself)।



জানি থোৱা ভাল

পুত্র ঃ মনুৰ মতে যিহেতু 'পুং' নামৰ নৰকৰ পৰা পিতাকক উদ্ধাৰ কৰে, সেই কাৰণে স্বয়ং ব্রহ্মাই তাক পুত্র বুলি কৈছে—

'পুন্নামো নৰকাদ্ যস্মাৎ ত্রায়তে পিতৰং সুতঃ।
তস্মাৎ পুত্র ইতি প্রোক্তঃ স্বয়মেৰ স্বয়ম্ভুবা।।' মনুসংহিতা, ৯/১৩৮

নাৰদ, যাজ্ঞবল্ক্য তথা মনু আদিয়ে ১২ প্রকাৰৰ পুত্রৰ নাম উল্লেখ কৰিছে। তেওঁলোকৰ নামবোৰত দুই এটা ব্যতিক্রম দেখিবলৈ পোৱা মনুৰ মতে সেই দ্বাদশ প্রকাৰৰ পুত্র হৈছে—

১। ঔৰসজ ঃ যথাবিধি বিবাহিত সজাতীয় স্ত্রীত পুৰুষে স্বয়ং যি পুত্র জন্ম দিয়ে,

সেয়াই ঔৰসজ পুত্ৰ।

২। ক্ষেত্ৰজ ঃ মৃতপ্ৰায়, ৰোগী অথবা নপুংসক পুত্ৰহীন ব্যক্তিয়ে 'নিয়োগ' বিধিমতে জন্ম দিয়া পুত্ৰক 'ক্ষেত্ৰজ' বুলি কোৱা হয়। সন্তানহীনা স্ত্ৰীয়ে গুৰুজন অথবা পতিৰ দ্বাৰা অনুমতি সাপেক্ষে 'নিযুক্ত' হৈ দেওৰ অথবা সপিণ্ডৰ দ্বাৰা স্বইচ্ছিত সন্তান লাভ কৰিব পাৰে।

৩। দত্তক ঃ দুর্ভিক্ষ অথবা আপদকালত, মাতা পিতাই আনন্দেৰে যদি নিজৰ পুত্ৰক কোনোৱা সবর্ণ ব্যক্তিৰ হাতত দান কৰে, সেই পুত্ৰক 'দত্তক' বুলি কোৱা যায়। নাৰদে ইয়াক লব্ধপুত্ৰ বুলি কৈছে।

৪। কৃত্ৰিম ঃ কোনো পুত্ৰার্থী ব্যক্তিয়ে কোনো স্বজাতীয়ক পুত্ৰ বুলি গ্ৰহণ কৰে।

৫। গূঢ়োৎপন্ন ঃ সজাতীয় অজ্ঞাত পুৰুষৰ দ্বাৰা নিজৰ পত্নীত গোপনে জন্ম দিয়া পুত্ৰ।

৬। অপবিদ্ধ ঃ মাক-পিতাকৰ দ্বাৰা পৰিত্যক্ত পুত্ৰক নিজৰ পুত্ৰ বুলি গ্ৰহণ কৰিলে।

৭। কানীন ঃ পিতৃগৃহত অবিবাহিত হৈ থকা অৱস্থাত জন্ম দিয়া পুত্ৰ।

৮। সহোঢ ঃ বিয়াৰ সময়ত কন্যাৰ গর্ভত থকা সন্তান।

৯। ক্ৰীত ঃ মাক-পিতাকক মূল্য দি ক্ৰয় কৰা পুত্ৰ।

১০। পৌণর্ভৱ ঃ পতিয়ে ত্যাগ কৰা অথবা বিধবাই নিজ ইচ্ছাৰে আন এজনক বিয়া কৰালে তেওঁ হ'ল পুনর্ভূস্ত্ৰী, তেওঁৰ সন্তান পৌণর্ভৱ।

১১। স্বয়ংদত্ত ঃ পিতৃ-মাতৃহীন কোনো এজন পুত্ৰই নিজকে কাৰোবাক দান কৰিলে, তেওঁক স্বয়ংদত্তা বুলি কোৱা হ'ব।

১২। শৌদ্ৰ ঃ কামৰ বশৱর্তী হৈ কোনোবা দ্বিজে যদি শূদ্ৰ কন্যাত পুত্ৰ জন্ম দিয়ে, তেওঁক শৌদ্ৰ অথবা পাৰশৱ' বুলি কোৱা হ'ব।

শ্লোক-৪৮ ঃ এষাং ষড়্ বন্ধুদায়াদাঃ ষড়দায়াদবান্ধৱাঃ
পূর্ৱঃ পূর্ৱঃ স্মৃতঃ শ্ৰেয়াঞ্জধন্যো যো য় উত্তৱঃ।।

অসমীয়া অনুবাদ ঃ ইয়াৰে ভিতৰত প্ৰথম ছয় প্ৰকাৰৰ পুত্ৰ বন্ধুদায়াদ অর্থাৎ পৰিয়ালৰ উত্তৰাধিকাৰী (inheritins relatives) (পৈত্ৰিক স্বত্ব ভোগ কৰে), আনহাতে পিছৰ ছয় প্ৰকাৰৰ পুত্ৰ অবন্ধুদায়াদ অর্থাৎ পৰিয়ালৰ উত্তৰাধিকাৰী নহয় (non inheriting relatives) (তেওঁলোক উত্তৰাধিকাৰী সূত্ৰে পৈত্ৰিক সম্পত্তি লাভ নকৰে)। তেওঁলোকৰ ভিতৰত পূর্বপূর্ব শ্ৰেষ্ঠ আৰু উদ্ধৃত্তৰোত্তৰ জঘন্য অর্থাৎ নীচ। (মনুৰ মতে 'দায়াদ' মানে পিতৃধনৰ ভাগী আৰু 'বান্ধৱ' যাতে পিণ্ডদানৰ যোগ্য। প্ৰথম ৬ জন পুত্ৰ দায়াদ আৰু বান্ধৱ, আনহাতে পিছৰ ৬জন কেবল বান্ধৱ। (মুসংহিতা - ৯/১৫৮-১৫৯)

শ্লোক-৪৯ ঃ ছিন্নভোগে গৃহক্ষেত্ৰে সন্দেহো যত্ৰ জায়তে।
লেখ্যেন ভোগৱিদ্ভির্ৱা সাক্ষিভির্ৱা সমাহৱেৎ।।

অসমীয়া অনুবাদ ঃ গৃহ আৰু ক্ষেত্ৰৰ দখল বিচ্ছিন্ন হ'লে সন্দেহ উপজিলে, লিখিত প্ৰমাণৰ দ্বাৰা বা ভোগ-দখলৰ অবিভক্ত ব্যক্তিৰ দ্বাৰা অথবা সাক্ষীৰ দ্বাৰা পুত্ৰই নিজৰ ভাগ নিশ্চিত কৰিব পাৰে।

শ্লোক-৫০ ঃ ক্ৰমাদ্ধোতে প্ৰপদ্যেৰন্মৃতে পিতৰি বা ধনম্।
জ্যাযসো জ্যাযসো২লাভে কনীয়ান্নৃক্থমর্হতি।।

অসমীয়া অনুবাদ ঃ পিতৃৰ মৃত্যুৰ পিছত ক্ৰমানুসাৰে পুত্ৰই পিতৃধনৰ স্বামীত্ব লাভ কৰে। জেষ্ঠ্য জ্যেষ্ঠৰ অভাৱত ক্ৰমান্বয়ে কনিষ্ঠসকল ৰিক্খগ্ৰাহী হয় অর্থাৎ পৈত্ৰিক সম্পত্তিৰ স্বত্ব (inheritance) লাভ কৰে।

পুত্ৰ তথা কন্যাৰ সমানতা ঃ

শ্লোক-৫১ ঃ পুত্ৰাভাবে তু দুহিতাতুল্যসন্তানকাৰণাৎ।
পুত্ৰশ্চ দুহিতা চোভৌ পিতুঃ সন্তানকাৰকৌ।।

অসমীয়া অনুবাদ ঃ পুত্ৰৰ অভাৱত পুত্ৰীয়েই পুত্ৰৰ দৰে হয়। কিয়নো পুত্ৰ আৰু কন্যা পিতৃৰেই সন্তান।

পুত্ৰ-কন্যাৰ অভাৱত পিতৃ ধনৰ ব্যৱস্থা ঃ

শ্লোক-৫২ ঃ অভাৱে তু দুহিতৃণাং সকুল্যা বান্ধৱাস্ততঃ।
ততঃ সজাতিঃ সর্ৱেষামভাৱে ৰাজগামি তৎ।।

অসমীয়া অনুবাদ ঃ কন্যাৰ অভাৱত পিতৃধন সেই বংশৰ আত্মীয়ই (close relatives) লাভ কৰে, স্বজাতীৰ অভাৱত বান্ধৱ অর্থাৎ দূৰসম্বন্ধীয়সকলে (distant relatives) লাভ কৰে। তেওঁলোকৰ অভাৱত মিত্ৰভূতা স্বজাতীয়ই (follow caste members) লাভ কৰে। এই সকলোবোৰৰ অভাৱ হ'লে সেই ধন ৰাজভঁৰালৈ যায়।

শ্লোক-৫৩ ঃ অন্যত্ৰ ব্ৰাহ্মণেভ্যঃ স্যাদ্ৰাজা ধর্মপৰায়ণঃ।
তৎ স্ত্ৰীভ্যো জীৱনং দদ্যাদেষ দায়বিধিঃ স্মৃতঃ।।

অসমীয়া অনুবাদ ঃ ব্ৰাহ্মণৰ বাহিৰে অন্যবর্ণৰ ধন স্বামীৰ স্ত্ৰীসকলক ৰজাই ধর্মপৰায়ন হৈ তেওঁলোকক সুৰক্ষা দিয়াটো তেওঁৰ কর্তব্য। এয়েই দায়বিধি (law of inheritance, সম্পত্তিৰ উত্তৰাধিকাৰী বিধি) ধর্মশাস্ত্ৰত কোৱা হৈছে। (ব্ৰাহ্মণৰ মৃত্যুত তেওঁৰ সম্পত্তিৰ উত্তৰাধিকাৰীৰ অভাৱত তেওঁৰ সম্পত্তি ৰাজভঁৰালৈ নাযায়, ৰৰঞ্চ অন্যান্য ব্ৰাহ্মণক প্ৰদান কৰা হয়।)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ পুত্ৰহীন স্ত্ৰীৰ পতিহীনতাত কোনে প্ৰথমতে দায়িত্ব ল'ব লাগে?

.....

প্রশ্ন নং ৭ ঃ স্ত্রীৰ দায়িত্ব কোনে কোনে ল'ব লাগে?

.....

প্রশ্ন নং ৮ ঃ বিভাজিত ভাতৃসকলৰ কি পৃথক্ পৃথক্?

.....

প্রশ্ন নং ৯ ঃ পুত্র কেইপ্রকাৰৰ বুলি কোৱা হৈছে?

.....

প্রশ্ন নং ১০ ঃ কোনো উত্তৰাধিকাৰী নাথাকিলে পিতৃধনৰ কি হয়?

.....

১০.৪ সাধাৰণ আলোচনা

নাৰদস্মৃতিৰ চতুর্থ অধ্যায়ত ওঠৰটা ব্যৱহাৰ পদৰ আলোচনা কৰা হৈছে। ইয়াৰে ত্রয়োদশ ব্যৱহাৰ পদটো দায়ভাগ (law of inharitance) নামেৰে জনা যায়। 'দায়' শব্দটো যদিও বর্তমান কর্তব্য (duty) অর্থত প্রয়োগ কৰা হয়, তথাপি ধর্মশাস্ত্রত এইটো এটা পাৰিভাষিক শব্দ (technical term)। দায় হৈছে সেই সম্পত্তি যি ধন স্বামীৰ সৈতে সম্বন্ধবশতঃ অন্যব্যক্তিৰ নিজৰ হৈ যায়। নাৰদৰ মতে দায় হৈছে পিতৃধন, যি ধন উত্তৰাধিকাৰী সূত্রে তেওঁৰ পুত্রসমূহে লাভ কৰে। পুত্রসকলৰ দ্বাৰা যেতিয়া এই ধন ভাগ কৰা হয়, তাকেই দায়ভাগ বুলি কোৱা হয়। ধর্মশাস্ত্রকাৰসকলে এই দায়ভাগ বিষয়টোক বিবাদস্পদ বিষয় বুলি অভিহিত কৰিছে।

জীৱিত অৱস্থাত পিতৃয়ে ইচ্ছা অনুসৰি নিজৰ সম্পত্তি পুত্রসকলৰ মাজত ভাগ কৰি দিব পাৰে। তেওঁ জ্যেষ্ঠ পুত্রক শ্রেষ্ঠ ভাগ দিব পাৰে। পিতৃৰ মৃত্যুৰ পাছত পুত্রসকলে পিতৃধন ক্রমানুসাৰে ভাগ কৰি ল'ব পাৰে। মাতৃৰ মৃত্যুৰ পাছত পুত্রসকলে পিতৃধন ক্রমানুসাৰে ভাগ কৰি ল'ব পাৰে। মাতৃৰ মৃত্যুত জীয়ৰীসকলে মাতৃধনৰ অধিকাৰ লাভ কৰে। পিতৃৰ মৃত্যুৰ পিছতো সম্পত্তিৰ বিভাজন নহ'লে জ্যেষ্ঠ ভাতৃয়ে সকলোৰে ভৰণ পোষণৰ দায়িত্ব ল'ব পাৰে। কিছুমান ধনৰ ভাগ বতৰা নহয়, যেনে শৌর্য্যধন, ভার্য্যাধন, বিদ্যাধন আদি। মাতৃয়েও ইচ্ছানুসৰি তেওঁৰ স্ত্রীধন কাৰোবাক প্রদান কৰিব পাৰে। স্ত্রীধন ছয় প্রকাৰৰ বুলি কোৱা হৈছে। স্ত্রীধন তেওঁৰ জীয়ৰীয়ে সাধাৰণতে লাভ কৰাটো নিয়ম, জীয়ৰীৰ অভাৱত স্বামীয়েও অথবা তেওঁৰ পিতৃগৃহয়ো লাভ কৰে।

বিদ্যাধনো বিশেষ পৰিস্থিতিত ভাগ হ'ব পাৰে। জীৱিত অৱস্থাত পিতৃয়ে কাক কিমান অংশ দিব, তাৰো হিচাপ এই অধ্যায়টোত দিয়া হৈছে। ভাগ-বণ্টনৰ সময়ত পিতৃয়েই সর্বোচ্চ, সেয়েহে কাৰোবাৰ ভাগত বেচি তথা কাৰোবাৰ ভাগত কম হ'লেও সেইটো ধর্ম বুলি ভাবিব লাগে। ৰোগাগ্রস্ত অথবা ক্রোধী পিতৃ বিভাগৰ ক্ষেত্রত সর্বোচ্চ নহয় বুলি কোৱা হৈছে। বিভিন্ন প্রকাৰৰ পুত্রৰ বিভাজনৰ বিষয়ে ইয়াত আলোচনা কৰা হৈছে। কানীন্, সহোঢ, অজ্ঞাত পিতৃৰ পুত্র, জাতিভ্রষ্ট পুত্র, পিতৃক হিংসা কৰা পুত্র আদি ক্ষেত্রত বিভাগৰ বিধিসমূহো বর্ণিত হৈছে।

অপুত্রক ভাতৃ তথা সন্যাসী হৈ মায়া-মোহ ত্যাগ কৰি গুচি যোৱা ভাতৃৰ সম্পত্তিৰ

অধিকাৰ তেওঁৰ অন্যান্য ভাতৃসকলক দিয়া হৈছে। কিন্তু অপুত্রক ভাতৃৰ পত্নীৰ ভৰণ পোষণৰ দায়িত্ব অন্যান্য ভাতৃসমূহৰ ওপৰত ন্যস্ত কৰা হৈছে। পুত্র-স্বামীহীন স্ত্রীৰ দায়িত্ব প্রথমতে স্বামী গৃহই ল'ব লাগিব, স্বামীগৃহৰ অভাবত পিতৃগৃহই ল'ব লাগিব বুলি কোৱা হৈছে। স্ত্রীক কেতিয়াও অকলশৰীয়াভাৱে থকাত শাস্ত্রই বাধা নিষেধ আৰোপ কৰিছে। ইয়াত কোৱা হৈছে যে কুমাৰী অৱস্থাত নাৰীৰ দায়িত্ব পিতৃয়ে ল'ব লাগে, যৌৱন অৱস্থাত পতিয়ে ল'ব লাগে তথা বার্দ্ধক্য অৱস্থাত পুত্রই ল'ব লাগে। স্ত্রীৰ আদৰ-সাদৰৰ দায়িত্ব পুৰুষৰ প্রধান কর্তব্য।

এই অধ্যায়টোত অন্যান্য বিষয়ৰ লগতে পিতৃৰ অবর্তমানত পিতৃ ঋণ পৰিশোধ, পিতৃৰ অবর্তমানত সংস্কাৰৰ ব্যয়, সম্পত্তিৰ বিভাজন, বিভক্ত ভাতৃৰ প্রসংগ, পুত্র-কন্যাৰ অভাবত পিতৃধনৰ ব্যৱস্থা ইত্যাদি বিষয়সমূহো আলোচিত হৈছে। ঔৰসকে আদি কৰি বাৰ বিধ পুত্রৰ বিষয়ে ইয়াত আলোচনা কৰাৰ লগতে পুত্র আৰু পুত্রীৰ সমানতাত গুৰুত্ব দিয়া হৈছে।



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- নাৰদস্মৃতিৰ অতি গুৰুত্বপূর্ণ বিষয় 'দায়ভাগ'ৰ লগত চিনাকী হ'ব পাৰিলে।
- 'দায়ভাগ' মানে কি? সেই সম্পর্কে জ্ঞান লাভ কৰিলে।
- সম্পত্তিৰ উত্তৰাধিকাৰী কোন হ'ব পাৰে, সেই বিষয়ে অৱগত হ'ল।
- পৈত্রিক সম্পত্তিৰ কোনে কিমান অংশ পাব, সেই বিষয়ে জানিলে।
- প্রাচীন ভাৰতীয় ধর্মশাস্ত্রৰ নীতিবোৰৰ লগত পৰিচয় হ'ব পাৰিলে।



১০.৬ অধিক জানিবলৈ

১) Swain, (Dr.) Braja Kishore, (2006), *Naradasmrti*, Varanasi: Choukhambha Sanskrit Bhawan.

২) Lariviere, Richard W., (2003), *The Naradasmrti*, Delhi : Motilal Banarsidass.

৩) কাণে পি ভি, (১৯৯২), *ধর্মশাস্ত্র কা ইতিহাস প্রথম ভাগ,* লক্ষ্ণৌ ঃ উত্তৰ প্রদেশ হিন্দী সংস্থান।

৪) শর্মা, কিৰণ, (১৯৯৮), *মনুসংহিতা*, গুৱাহাটী, অসম বেদ বিদ্যালয়।

৫) বসু, সুমিতা, (১৪০৭ বংগাব্দ), *যাজ্ঞৱল্ক্যসংহিতা*, কোলকাতা, সংস্কৃত পুস্তক ভাণ্ডাৰ



১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পুত্রসকলৰ দ্বাৰা যেতিয়া পিতৃধনৰ বিভাগ কৰা হয়, তাকেই দায়ভাগ বোলে।

২ নং প্রশ্নৰ উত্তৰ ঃ স্ত্রীধন ছয় প্রকাৰৰ। অধ্যাগ্নি, অধ্যাৱহনিক, ভর্ত্তুদত্ত, ভাতৃপ্রাপ্ত, মাতৃপ্রাপ্ত আৰু পিতৃপ্রাপ্ত।

৩ নং প্রশ্নৰ উত্তৰ ঃ জ্যেষ্ঠ ভাতৃয়ে।

৪ নং প্রশ্নৰ উত্তৰ ঃ কুমাৰী কন্যাৰ সন্তান অর্থাৎ অবিবাহিত কন্যাৰ সন্তান।

৫ নং প্রশ্নৰ উত্তৰ ঃ পিতৃক হিংসা কৰা, বংশভ্রষ্ট, নপুংসক আৰু উৎপাতক পুত্রই।

৬ নং প্রশ্নৰ উত্তৰ ঃ পতিগৃহই।

৭ নং প্রশ্নৰ উত্তৰ ঃ পিতৃ, পতি আৰু পুত্রই।

৮ নং প্রশ্নৰ উত্তৰ ঃ বিভাজিত ভাতৃসকলৰ দান, গ্রহণ, পশুপালন, পাকক্রিয়া আদি পৃথক পৃথক।

৯ নং প্রশ্নৰ উত্তৰ ঃ পুত্র দ্বাদশ প্রকাৰৰ বুলি কোৱা হৈছে।

১০ নং প্রশ্নৰ উত্তৰ ঃ সেই ধন ৰজাৰ ওচৰলৈ যায়।



১০.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়ক।

(ক) দায়ভাগ কাক বোলে?

(খ) স্ত্রীধন কেইপ্রকাৰৰ কি কি?

(গ) কানীন পুত্র কি?

(ঘ) ক্ষেত্রতা পুত্র কি?

(ঙ) স্ত্রীৰ দায়িত্ব কোনে কোনে ল'ব লাগে?

খ) ৰচনাধর্মী প্রশ্ন

প্রশ্ন ১ ঃ নাৰদস্মৃতিৰ দায়ভাগৰ বিষয়বস্তু সংক্ষেপে আলোচনা কৰক।

প্রশ্ন ২ ঃ পিতৃৰ জীৱিতকালত দায়বিভাগৰ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ স্ত্রীধন কাক বোলে? ই কি কি? আলোচনা কৰক।

প্রশ্ন ৪ ঃ পুত্রহীন স্ত্রীৰ দায়িত্ব ব্যৱস্থা বিষয়ে এটি টোকা লিখক।

প্রশ্ন ৫ ঃ বিভাজিত ভাতৃ প্রসংগত নাৰদৰ বক্তব্য কি? আলোচনা কৰক।

প্রশ্ন ৬ ঃ চমুটোকা লিখক ঃ

দায়ভাগ, স্ত্রীধন, ক্ষেত্রজপুত্র, বিভক্তভ্রাতা, পুত্র।

*** ***** ***

অধ্যায় ১১ ঃ উপনিষদ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ উপনিষদৰ সংখ্যা আৰু নামবোৰ
১১.৪ উপনিষদৰ প্ৰবক্তা সকল
১১.৫ প্ৰধান উপনিষদবোৰৰ চমু পৰিচয়
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্ৰগতিৰ খতিয়ান
১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উপনিষদ সাহিত্যৰ আভাস পাব
- উপনিষদ শব্দৰ ব্যুৎপত্তি আৰু তাৎপর্য বুজি পাব
- উপনিষদৰ সংখ্যা আৰু নামবোৰ জানিব পাৰিব
- উপনিষদৰ প্ৰৱক্তাসকলৰ নাম জানিব পাৰিব
- প্ৰধান ওঠৰখন উপনিষদৰ চমু পৰিচয় পাব
- উপনিষদৰ বিষয়বস্তুৰ আভাস পাব।

১১.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰিলে আপুনি বেদান্ত দর্শনৰ মূল বা গুৰি কথাৰে পৰিচিত হ'ব পাৰিব। আপুনি জানো যে বেদৰ অন্তিম ভাগটো বেদান্ত নামেৰে পৰিচিত। এই বেদান্তকে উপনিষদ বোলা হয়। এই অধ্যায়ত আমি উপনিষদবোৰৰ বিষয়বস্তুলৈ আপোনাৰ মনোযোগ আকর্ষণ কৰাৰ চেষ্টা কৰিছোঁ।

এই অধ্যায়ত আমি ঈশ, কেন, ঐতৰেয়, মাণ্ডুক্য প্ৰভৃতি ক্ষুদ্ৰ পৰিসৰৰ আৰু বৃহদাৰণ্যক আৰু ছান্দোগ্যৰ দৰে বৃহৎ উপনিষদেৰেও পৰিচিত কৰিবলৈ চেষ্টা কৰিছো।

উপনিষদৰ বিষয়বস্তুৰ ওপৰত বেদান্তদর্শন প্ৰতিষ্ঠিত। বেদান্তৰ তিনি প্ৰস্থানৰ ভিতৰত উপনিষদবোৰক শ্ৰুতি প্ৰস্থান বোলা হয়। শ্ৰীমদভগৱদগীতা আৰু ব্ৰহ্মাপুত্ৰ অন্য দুই প্ৰস্থান, ক্ৰমে স্মৃতি আৰু প্ৰকৰণ প্ৰস্থান বুলি জনাজাত।

উপনিষদ সম্বন্ধীয় বর্তমান অধ্যায়ৰ অধ্যয়নে আপোনাক বেদান্ত দর্শনৰ গুৰি কথা বুজাত সহায় কৰিব। ইয়াৰ অধ্যয়নে আত্মতত্ব বা ব্রহ্মতত্ত্বৰ সৈতে আপোনাক পৰিচিত কৰিব।

শেষৰ এটা ভাগত উপনিষদবোৰে কেনেকৈ বিদেশত প্রচাৰিত হ'ল, তাকো জনাত এই অধ্যায়ৰ অধ্যয়নে আপোনাক সহায় কৰিব।

উপনিষদৰ সাধাৰণ পৰিচয়ে অধ্যেতাক আধ্যাত্মিক ভাবৰ প্রতি আকর্ষণ কৰিব। কাৰণ, উপনিষদবোৰে মানুহক অধ্যাত্মবিদ্যাৰ প্রতি অৱগত হ'বলৈ শিকায়।

১১.৩ উপনিষদৰ সংখ্যা আৰু নামবোৰ

উপনিষদসমূহক মুখ্য আৰু গৌণ বুলি দুভাগত ভাগ কৰা দেখা যায়।

মুখ্য উপনিষদ কোনো পণ্ডিতৰ মতে দহখন, কাৰো মতে তেৰখন বা চৈধ্যখন। অষ্টম শতিকাত শঙ্কৰাচার্যই ভাষ্য ৰচনা কৰা উপনিষদবোৰকে মুখ্য বোলা হয়। মুক্তিকোপনিষদৰ এটা শ্লোকত সেই দহখন উপনিষদৰ নাম এনেদৰে দিছে ঃ

ঈশকেনকঠপ্রশ্নমুণ্ডকমাণ্ডূক্যতিত্তিবিঃ।
ঐতৰেয়ং চ ছান্দোগ্যঞ্চবৃহদাৰণ্যকংতথা।।

চাৰিবেদ অনুসৰি এই চৈধ্যখন উপনিষদৰ ভাগবোৰ হ'ল—
ঋগ্বেদীয়—ঐতৰেয় আৰু কৌষীতাকীব্রাহ্মণোপনিষদ্।
সামবেদীয়—ছান্দোগ্য আৰু কেন।
শুক্লযজুর্বেদীয়—ঈশ আৰু বৃহদাৰণ্যক।
কৃষ্ণযজুর্বেদীয়—কঠ, শ্বেতাশ্বতৰোপনিষদ, তৈত্তিৰীয়, মৈত্রায়েণী আৰু মহানাৰায়ণ
অথর্ববেদীয়—প্রশ্ন, মুণ্ডক আৰু মাণ্ডুক্য।
মুক্তিকোপনিষদণ্ড এশ আঠখন উপনিষদৰ তালিকা এখন পোৱা গৈছে। তাত দহখন ঋগ্বেদীয়, ঊনৈশখন শুক্ল যজুর্বেদীয়, বত্রিশখন কৃষ্ণ যজুর্বেদীয়, ষোল্লখন সামবেদীয় আৰু একত্রিশখন অথর্ববেদীয় উপনিষদৰ নাম পোৱা গৈছে।

১১.৪ উপনিষদৰ প্রবক্তাসকল

বৈদিক মন্ত্রবোৰ দর্শন কৰা ঋষিসকলৰ দৰে উপনিষদৰ দার্শনিক তত্ত্বৰ প্রবক্তা এচামেও উত্তৰ বৈদিক যুগত জন্মগ্রহণ কৰিছিল। তাৰ ভিতৰত নাৰদ, সনৎকুমাৰ, ইন্দ্র, বৰুণ, বিৰোচন আদি উল্লেখযোগ্য। তেওঁলোকৰ উপৰিও মহী দাস ঐতৰেয়, বৈৰু, শাণ্ডিল্য, সত্যকাম জাবাল, গৌতম, জৈবালী, উপকেসেল, উদ্দালক, শ্বেতকেতু, ভাৰদ্বাজ, গার্গ্যায়ন, প্রতর্দন, বালাকি, অজাত শত্রু, যাজ্ঞবল্ক্য, গার্গী, মৈত্রেয়ী, আৰু জনকৰ নাম উল্লেখযোগ্য। এইসকলৰ ভিতৰত উদ্দালক আৰুণি আৰু যাজ্ঞবল্ক্য শ্রেষ্ঠ আছিল।

১১.৫ প্রধান উপনিষদবোৰৰ চমু পৰিচয়

এতিয়া আপুনি প্রধান উপনিষদবোৰৰ বিষয়ে পঢ়িবলৈ পাব।

১) বৃহদাৰণ্যক উপনিষদ ঃ

এইখন উপনিষদ শতপথ ব্রাহ্মণৰ শেষছোৱাত অন্তর্ভুক্ত হৈছে। ইয়াত ছটা অধ্যায় আছে। তাৰে প্রথম দুটা অধ্যায়ক মধুকাণ্ড, তৃতীয় আৰু চতুর্থ অধ্যায়ক মুনিকাণ্ড আৰু পঞ্চম আৰু ষষ্ঠ অধ্যায়ক খিলকাণ্ড বোলা হয়।

প্রথম অধ্যায়ত অশ্বমেধ ৰহস্য, প্রাণোপাসনা, আত্মবিদ্যা, ব্রহ্মবিদ্যা আদি বিষয়ৰ আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত আছে আত্মবিদ্যাৰ আলোচনা, যত 'নেতি নেতি' বুলি ব্রহ্মবিদ্যাৰ তত্ত্বৰ নির্দেশ কৰা গৈছে।

তৃতীয় অধ্যায়ত জনকৰ ৰাজসভাত কুৰু-পাঞ্চাল দেশীয় বিদ্বান ব্রাহ্মণসকলৰ সৈতে যাজ্ঞবল্ক্যৰ ব্রহ্ম বিষয়ক বাদ বিবাদৰ বর্ণনা পোৱা যায়। তাত অশ্বল, জাৰৎকাৰৰ আর্তভাগ, ভুজ্যু লাহ্যায়নি, উষস্ত চাক্রায়ণ, কহোল কৌষীতকেয়, গার্গী বাচক্নবী, শাকল্য প্রভৃতিৰ প্রশ্নৰ যথোচিত উত্তৰ দান কৰে ব্রহ্মজ্ঞানী যাজ্ঞবল্ক্যই।

চতুর্থ অধ্যায়ত আছে জনক-যাজ্ঞবল্ক্য সংবাদ। তাত যাজ্ঞবল্কই আত্মতত্ব সম্বন্ধে জনকক বুজায় কয়। জনকে সন্তুষ্ট হৈ বিদেহ ৰাজ্য দান কৰি, নিজকে যাজ্ঞবল্ক্যৰ দাস ৰূপে আত্মসমর্পণ কৰে।

পঞ্চম অধ্যায়ত নীতি, সৃষ্টি আৰু পৰলোক বিষয়ৰ আলোচনা কৰা হৈছে। শেষলৈ গায়ত্রীবিদ্যাৰ আলোচনাও কৰা হৈছে।

ষষ্ঠ অধ্যায়ত প্রাণোপসনা পঞ্চাগ্নিবিদ্যা, শ্রীমন্থকর্ম, পুত্রমন্থকর্ম, বংশাখ্যানৰ আলোচনা কৰা হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত পূর্বৰ আলোচ্য বিষয়ৰ চর্বিত-চর্বণ কৰা বাবে দুয়ো অধ্যায়ক খিল বা পৰিশিষ্ট বোলা হৈছে।

২) ছান্দোগ্য উপনিষদ ঃ

সামবেদীয় ছান্দোগ্য ব্রাহ্মণৰ অন্তিম আঠটা অধ্যায়ক ছান্দোগ্য উপনিষদ বোলা হয়। ইয়াৰ প্রথম অধ্যায়ত ওঙ্কাৰ উপাসনা আৰু সামবেদীয় গূঢ় বিষয়ৰ আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত উদ্গীথৰ ভৌতিক-যাগানুষ্ঠানৰ বর্ণনা আৰু সামগানৰ উপাসনাৰ বর্ণনা দিয়া হৈছে।

তৃতীয় অধ্যায়ত সূর্যোপসনাৰ বর্ণনা আছে। তাৰ মাজত ধ্বনিত হৈছে অদ্বৈতবাদৰ এক মুখ্যমত 'সর্বং খলিবদং ব্রহ্ম।' চতুর্থ অধ্যায়ত ৰৈক্কৰ পৰা লাভ কৰা দার্শনিক তত্ত্ব আৰু সত্যকাম জাবালৰ বিদ্যা লাভৰ বর্ণনা পোৱা যায়।

পঞ্চম অধ্যায়ত প্রৰাহণ জৈৰলিৰ দার্শনিক সিদ্ধান্ত তথা কেকয় অশ্বপতিৰ সৃষ্টি বিষয়ক তথ্যৰ কথা কোৱা হৈছে। ষষ্ঠ প্রপাঠকত উদ্দালক আৰুণি আৰু তেওঁৰ পুত্র শ্বেতকেতুৰ মাজত আলোচ্য বেদান্তৰ মহাবাক্য 'তত্ত্বমসি'ৰ আলোচনা পোৱা যায়।

সপ্তম অধ্যায়ত আছে সনৎকুমাৰ আৰু নাৰদৰ বহু বিশ্রুত সংবাদ। তাত আন এক সত্যৰ

সন্ধান পোৱাযায়, 'য়ো বৈ ভূমা তদমৃতমথ যদল্পং তন্ মর্ত্যম।' এই ভূমাৰ স্বৰূপ জানিবলগীয়া।

অষ্টম অধ্যায়ত ইন্দ্ৰ আৰু বিৰোচনে ব্ৰহ্মাৰ ওচৰত কৰা আত্ম বিদ্যালাভৰ বৰ্ণনা আছে। এই উপনিষদত ভালেমান আখ্যান আছে।

৩) ঈশোপনিষদ ঃ

ৰাজসনেয়ী সংহিতা বা শুক্লযজুৰ্বেদৰ অন্তিম অধ্যায়কে (চত্বাৰিংশ অধ্যায়) ঈশোপনিষদ বুলি জনা যায়। ইয়াত মাত্ৰ ওঠৰটা সুন্দৰ অৰ্থবহ মন্ত্ৰ আছে।

প্ৰথমতে কোৱা হৈছে যে সমস্ত জগৎ ঈশ্বৰৰ দ্বাৰা পৰিব্যাপ্ত। তাৰ পাছত কোৱা হৈছে যে মানুহে কৰ্মৰ মাজেৰে শত বছৰীয়া জীৱন কটাব লাগে। কৰ্মত অনাসক্ত হৈ থাকিলে মানুহৰ মুক্তি লাভ হয়। বিদ্যা আৰু অৱিদ্যাৰ ব্যৱহাৰিক জ্ঞান এয়ে যে অৱিদ্যা বা কৰ্মৰ দ্বাৰা মৃত্যুক জয় কৰি বিদ্যাৰ বলত অমৃতত্ব লাভ কৰা সম্ভৱ। মুঠতে প্ৰথমবাৰলৈ এই ক্ষুদ্ৰ অৱয়ৱৰ অৰ্থবহ উপনিষদখনত জ্ঞানকৰ্ম সমুচ্চয়ৰ অৱতাৰণা কৰা হৈছে, যিটো ভগৱান কৃষ্ণই গীতাত প্ৰাঞ্জল ভাষাৰে তুলি ধৰিছে।

৪) কোনোপনিষদ ঃ

এইখন সামবেদৰ তলৱকাৰ ব্ৰাহ্মণৰ নৱম অধ্যায়ত অন্তৰ্ভুক্ত উপনিষদ। প্ৰথম মন্ত্ৰটো 'কেন' শব্দেৰে আৰম্ভ হোৱা বাবে উপনিষদখনৰ নামো কোনোপনিষদ হৈছে, যেনেকৈ 'ঈশা' শব্দৰে আৰম্ভ হোৱা উপনিষদ্‌খনক 'ঈশোপনিষদ্' বুলি কোৱা হৈছে।

এই ক্ষুদ্ৰ উপনিষদখন চাৰি খণ্ডত বিভক্ত। প্ৰথম দুটা খণ্ডত আছে বাক চকু, কান, মন আৰু প্ৰাণৰ বিবাদ, এই ইন্দ্ৰিয়ৰোৰে ব্ৰহ্মোপলক্ষিত মহান নকৰে ব্ৰহ্মজ্ঞান অতীন্দ্ৰিয় আৰু উপলাৱ্ধৰ বিষয়। এই দুই খণ্ড পদ্যময়। গদ্যত ৰচিত পাছৰ দুই খণ্ড গদ্যময়। তাৰ মাজত বৰ্ণিত উমাৰ বৃত্তান্ত মনোগ্ৰাহী। এবাৰ দেৱতাসকলে অসুৰক যুদ্ধত জয় কৰি অহংকাৰত মত্ত হ'ল। তেতিয়া অদূৰত দেখা দিলে এক যক্ষই। যক্ষক দেখি দেৱতাসকলে তেওঁৰ স্বৰূপ জানিবলৈ প্ৰথমে বায়ুক পঠিয়ালে। বায়ুক ওচৰত দেখি যক্ষই সুধিলে, 'কোন তুমি'? 'তুমি কি কাম কৰা?' 'মই মহাবলী, বায়ু। মই লাগ বুলিলে সকলো উৰুৱাই নিব পাৰোঁ। 'হয় নেকি? 'বাৰু তুমি এই কূটাডালকে উৰুৱাই নিয়াচোন।' এই বুলি যক্ষই তেওঁৰ আগত কূটা এডাল থলে। বায়ুৱে সকলো শক্তি প্ৰয়োগ কৰিও কূটাগছ লৰাব নোৱৰিলে। লাজ পাই উভতি গ'ল। এইবাৰ যক্ষৰ পৰিচয় জানিবলৈ আহিল অগ্নি দেৱতা। ওচৰ আহি পোৱাত যক্ষই অগ্নিক সুধিলে, 'হেৰা বাপু, তুমি কোন' অগ্নিয়ে ক'লে, 'মই অগ্নিদেৱ' 'তুমি কি কৰা?' 'মই চকুৰ নিমিষতে জগতখন পুৰি ছাই কৰিব পাৰো।' বাপৰে, তুমিতো কম নোহোৱা।' সমুখৰ কূটাগছ দেখুৱাই যক্ষই ক'লে, 'কূটাগছকে পোৱাচোন চাওঁ।' অগ্নিয়ে মৰ বল দিও কূটা গছ হানি-বিঘিনি ঘটাব নোৱাৰিলে। লাজ পাই ফিৰি গ'ল। বিষয়ৰ গুৰুত্ব বুজি স্বয়ং দেবেন্দ্ৰ ওলাল যক্ষৰ ওচৰলৈ। কিন্তু তেওঁ গৈ পোৱাৰ আগতে যক্ষ নোহোৱা হ'ল। তেওঁৰ ঠাইতে দেখা গ'ল উমা মহেশ্বৰীক। তেওঁক দেখি ইন্দ্ৰই সুধিলে, 'ভগৱতি। অলপ আগতে তোমাৰ ঠাইত সেইজন কোন আছিল?' উমাই ক'লে, 'সেইজন বিশ্ব নিয়ন্তা,পৰমেশ্বৰ; যাক জ্ঞানীসকলে পৰমাত্মা বোলে। তেওঁৰ বলতে তোমালোকে অসুৰসকলক

যুদ্ধত পৰাস্ত কৰিছা। তেওঁৰ অবিহনে, সকলো চৰাচৰ দুর্বল।' তাকে কৈ উমা অন্তর্ধান হ'ল। (এই গল্পটো শিৱ পুৰাণতো আছে)।

৫) ঐতৰেয় উপনিষদ ঃ

এইখন ঋগ্বেদৰ ক্ষুদ্র উপনিষদ। ই একে নামৰ আৰণ্যকৰ অন্তর্গত। ঐতৰেয় আৰণ্যকৰ দ্বিতীয় আৰণ্যকৰ চতুর্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়েই হৈছে ঐতৰেয় উপনিষদ। এই উপনিষদ তিনিটা ভাগত বিভক্ত। প্রথম অধ্যায়ত আছে সৃষ্টিৰহস্য। সৃষ্টিৰ মূলতে আছে ঈক্ষা বা সংকল্প। তাৰ পৰা লোক সমূহৰ সৃষ্টি। দ্বিতীয় অধ্যায়ত জীৱ বা পুৰুষৰ তিনিটা জন্মৰ ৰহস্য বর্ণিত হৈছে। তৃতীয় অধ্যায়ত আত্মাৰ স্বৰূপ কথিত হৈছে। আত্মাৰ পৰা জগতৰ সৃষ্টি, জীৱৰ উৎপত্তি। আত্মা স্বৰূপতে প্রজ্ঞান। সেই প্রজ্ঞানেই লৌকিক চেতনাৰ বিবিধ বৃত্তিৰূপত প্রকাশিত হৈছে। অন্তঃজগতে বহিঃ জগতকো প্রজ্ঞাময় কৰে। ইয়াৰ মূলমন্ত্র 'প্রজ্ঞানং ব্রহ্ম'।

৬) কৌষীতকী ব্রাহ্মণোপনিষদ্ ঃ

উপনিষদখনৰ নামটোৱে ঈঙ্গিত দিয়ে যে ই ঋগ্বেদৰ অন্তর্গত কৌষীতকি বা সাংখ্যায়ন ব্রাহ্মণৰ ভিতৰুৱা উপনিষদ। উপনিষদখন চাৰিটা অধ্যায়ৰ সমষ্টি। প্রথম অধ্যায়ত কোৱা হৈছে দেৱযান আৰু পিতৃযান পন্থাৰ কথা। তাত ৰজা চিত্রই ৰূপকৰ ছলেৰে পর্যঙ্ক বিদ্যাৰ কথা বুজায় উদ্দালক আৰু তেওঁৰ পুত্র শ্বেতকেতুক। দ্বিতীয় অধ্যায়ত প্রাণবিদ্যাৰ বর্ণনা কৰা হৈছে। তৃতীয় অধ্যায়ত ইন্দ্রই প্রতর্দনক দিয়া ব্রহ্মজ্ঞানৰ কথা আছে। চতুর্থ অধ্যায়ত ব্রহ্মাৰ স্বৰূপৰ বিষয়ে পোৱা যায়। ৰজা অজাতশত্রু আৰু দৃপ্ত বালাকিৰ কথোপকথনৰ মাজেৰে এই শিক্ষা দান কৰা হৈছে।

৭) কঠোপনিষদ ঃ

এয়া কৃষ্ণযজুর্বেদৰ কাঠক শাখাৰ উপনিষদ। উপনিষদখন দুটা অধ্যায়ত বিভক্ত। প্রত্যেক অধ্যায়ে আকৌ তিনিটা বল্লীত ভাগ কৰা হৈছে। প্রথম অধ্যায়ৰ আদিতে গদ্যত এটি আখ্যান প্রস্তুত কৰা হৈছে। বাকী গ্রন্থখন পদ্যময়। যম আৰু নচিকেতাৰ কথোপকথনৰ মাজেৰে মৃত্যু আৰু আত্মাৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ যত্ন কৰা হৈছে।

আদিতে থকা আখ্যানত কোৱা হৈছে যে বাজশ্রৱা নামে লোক এজনে এটা যজ্ঞ পাতি সর্বস্ব দান কৰিলে। তেওঁ বুঢ়া হোৱা আৰু দুগ্ধ দান নকৰা কিছু গাই দান কৰা দেখি পুত্র নচিকেতাই অসন্তোষ প্রকাশ কৰিলে। 'মোক কালৈ দিৱা', 'মোক কালৈ দিৱা' বুলি নাচিকতাই দেউতাকক আমনি কৰিলে। তেতিয়া 'তোক যমলৈ দিম' বুলি ক'লে। তাকে শুনি ল'ৰাটোৱে যমৰ ঘৰলৈ বাট পোনালে। যম ঘৰত নথকাতে তেওঁ যমৰ ঘৰ পালে আৰু ভোকাতুৰ অৱস্থাত তিনি ৰাতি কটালে।

তিনি দিনৰ মূৰত যমে ঘৰলৈ আহি নচিকেতাক পাই তিনিটা বৰ যাচিলে। নচিকেতাই প্রথমটো বৰত মৃত্যুৰ পৰা অব্যাহতি আৰু দ্বিতীয় বৰত অগ্নি ৰহস্য জানিবলৈ বিচাৰিলে। যমে দুয়োটা বৰ মঞ্জুৰ কৰিলে। তৃতীয় বৰত নচিকেতাই প্রেতৰ বিষয়ে অর্থাৎ মৃত্যু ৰহস্য যমৰ পৰা জানিবলৈ বিচাৰিলে। যমে বৰ সহজে সেই ৰহস্য ব্যক্ত কৰিবলৈ ইচ্ছুক নহ'ল। কিন্তু নাচিকেতাৰ নেৰানেপেৰা বান্ধত পৰি যমে সেই ৰহস্য কবলৈ বাধ্য হ'ল। লগতে যমে আত্মবিদ্যাৰ কথাও

নচিকেতাক ক'বলগীয়া হ'ল।

৮) তৈত্তিৰীয় উপনিষদ ঃ

কৃষ্ণ যজুর্বেদৰ প্রসিদ্ধ তৈত্তিৰীয় শাখাৰ অন্তর্গত তৈত্তিৰীয় আৰণ্যকৰ সপ্তম অষ্টম আৰু নৱম প্রপাঠক কেইটাকে উপনিষদ্ বুলি কোৱা হয়। এই প্রপাঠক কেইটাক ক্রমে 'শিক্ষাৱল্লী', 'ব্রহ্মবল্লী' আৰু 'ভৃগুৱল্লী' বুলি কোৱা হৈছে।

এই উপনিষদৰ শিক্ষাবল্লীৰ পৰা তাহানিৰ গুৰুকুল শিক্ষাৰ কিছু আভাস পোৱা যায়। ইয়াত ছাত্রই গুৰুৰ ওচৰত শিক্ষা সমাপ্তিত লাভ কৰা উপদেশবোৰে তাহানিৰ সামাজিক আৰু বৌদ্ধিক দিশৰ আভাস দিয়ে। ছাত্রই শিক্ষা সমাপ্ত কৰি পৰিত্র স্নান কৰি (স্নাতক হৈ) সমাবর্তন পর্বত লাভ কৰে গুৰুৰ উপদেশ ঃ 'সত্যং ৱদ। ধর্মং চৰ। স্বাধ্যায়ন্ মা প্রমদঃ। ..... সত্যন্ মনপ্রমদিতৱ্যম্। দেৱপিতৃকার্য্যাভ্যং ন প্রমদিতৱ্যম্। মাতৃদেৱো ভৱ। পিতৃদেৱো ভব। আচার্য্যদেৱোভব। অতিথিদেৱো ভব। ইত্যাদি। ইয়াৰ পৰা বুজা যায় গার্হস্থ্য জীৱনত গৃহস্থই কেনেকৈ আদর্শনীয় জীৱনৰ পাতনি মেলিব লাগিছিল ইয়াৰ মাজেৰে পঞ্চমহাযজ্ঞৰ ভাৱনাও প্রকটিত হৈছে।

ব্রহ্মবল্লীত ঘোষণা কৰা হৈছে 'সত্যং জ্ঞানমনন্তং ব্রহ্ম।' তাত ব্রহ্মৰ লক্ষণ চমুৰাই কোৱা হৈছে। ভৃগুৱল্লীত বিবৃতি বিদ্যাক বাৰুণী বিদ্যাও বোলা হয়। অর্থাৎ বৰুণে ভৃগুক শুনোৱা ব্রহ্মোপদেশ' এই বিদ্যাৰ বিষয়বস্তু। তাক পঞ্চকোষী বিদ্যাৰ মাজেৰে কোৱা হৈছে।

৯) মহানাৰায়ণ উপনিষদ ঃ

তৈত্তিৰীয় আৰণ্যকৰ অন্তিম ভাগতে মহানাৰায়ণ উপনিষদ বোলা হয়। ইয়াৰ অন্য নাম মহানাৰায়ণীয় বা যাজ্ঞিক উপনিষদ্। এই উপনিষদৰ বিষয়বস্তু কিছু পৃথক্। বেদান্ত, সন্ন্যাস, দুর্গা, নাৰায়ণ, মহাদেৱ, দান্ত গৰুড় আদি শব্দৰ উল্লেখৰ পৰা বুজা যায় যে ই বিশেষ পুৰণি উপনিষদ্ নহয়। কিন্তু ৱিণ্টাৰনিৎসৰ দৰে পণ্ডিতে ইয়াৰ প্রাচীনত্ব স্বীকাৰ কৰিছে। ইয়াক নাৰায়ণকে পৰমাত্মতত্ত্ব বুলি বহুবাৰ কোৱা হৈছে। ইয়াত স্নান, আচমন, হোমাদিৰ উপযুক্ত মন্ত্র সন্নিৱিষ্ট হৈছে, যাৰ বাবে ইয়াক যাজ্ঞিক উপনিষদো বোলা হয়।

১০) মুণ্ডকোপনিষদ ঃ

ই অথর্ববেদৰ অন্তর্গত। ই মুণ্ডক নামে তিনিভাগত বিভক্ত। মুণ্ডকবোৰ দুটা ভাগত ভগোৱা হৈছে। কোনো এজন শুনকগোত্রীয় ঋষিয়ে আচার্য অঙ্গিৰসৰ ওচৰলৈ গৈ প্রশ্ন কৰে— 'কস্মিন্ নু ভগৱো বিজ্ঞাতে সৱমিদং ৱিজ্ঞাতং ভৱতি ইতি।' তাৰ উত্তৰত অঙ্গিৰসে ক'লে যে পৰা আৰু অপৰা নামে দুই 'বিদ্যা' আছে, সাধাৰণ শ্রুতি-স্মৃতি সম্বন্ধীয় শাস্ত্রচয় অপৰাবিদ্যাৰ ভিতৰুৱা। 'পৰাবিদ্যা' বা 'ব্রহ্মবিদ্যা' তাকে বোলে যাৰ দ্বাৰা অক্ষৰ ব্রহ্মক সম্যকভাৱে জনা যায়।

এইদৰে পৰা আৰু অপৰাবিদ্যাৰ কথা কৈ আচার্যই ক'লে যে অপৰাবিদ্যা ৰূপ যাগ-যজ্ঞাদি কর্মবোৰ তুলুঙা নাৱৰ দৰে। (প্লৱাহ্যেতে যজ্ঞৰূপাঃ)। যিজনে ইয়াকে শ্রেয়ঃ বুলি কয় আৰু তাৰ অনুষ্ঠান কৰে তেওঁ বাৰে বাৰে জৰা-মৰণৰ কবলত পৰে। গতিকে বিচৰালোকে হাতত লৈ গুৰুৰ আশ্রয় লব লাগে। গুৰুজনে তেওঁৰ মনৰ সংশয় আঁতৰ কৰি পৰাবিদ্যা বিষয়ক জ্ঞান

দিয়ে। তাৰ ফলত শিষ্য বা মুমুক্ষুজনৰ জ্ঞান জন্মে যে 'পুৰুষ এৱেদং বিশ্বং কর্ম তপো ব্রহ্ম পৰামৃতম্'। এই জ্ঞান যাৰ হয়, তেওঁৰ পৰম ব্রহ্মৰ কথা জ্ঞাত হয়।

'স য়োহ ৱৈ তৎ পৰমং ব্রহ্ম বেদ
ব্রহ্মৈৱ ভৱতি মাস্যাব্রহ্মৱিৎ কুলে ভৱতি।'

এইদৰে মুণ্ডক উপনিষদত পৰাপৰা বিদ্যাৰ বৰ্ণনাৰে ব্রহ্ম জ্ঞান লাভৰ যি উপদেশ দিয়া হৈছে সেয়া ব্রহ্মজিজ্ঞাসুসকলৰ বাবে পৰম পাথেয়।

১১) প্রশ্নোপনিষদ ঃ

প্রশ্নোপনিষদ্ অথর্ববেদৰ অন্তর্গত। এই উপনিষদত ছটা অধ্যায় আছে। অধ্যায়বোৰক প্রশ্ন বোলা হৈছে। ছটা অধ্যায়ত ছজন শিষ্যই ঋষি পিপ্পলাদক ছটা ব্রহ্মবিষয়ক প্রশ্ন কৰিছে। প্রথম অধ্যায়ত কবন্ধী কাত্যায়নে প্রশ্ন কৰিছে, 'প্রজা সৃষ্টি ক'ৰ পৰা হয়?' দ্বিতীয়টো অধ্যায়ত ভার্গৱ বৈদর্ভিয়ে সুধিছে, 'কোন দেৱতাই প্রজা সমূহক ধাৰণ কৰে?' তৃতীয় অধ্যায়ত কৌসল্য আশ্বলায়নে প্রশ্ন কৰিছে 'প্রাণৰ উৎপত্তি, স্থিতি আৰু লয় হয় কেনেকৈ?' চতুর্থ অধ্যায়ত সৌর্যায়ণী গার্গ্যই সোধে, 'প্রাণৰ সুষুপ্তিত কোন সোৱে আৰু কোনে জাগি থাকে?' পঞ্চম অধ্যায়ত প্রশ্নকর্তা শৈব্য সত্যকামে প্রশ্ন কৰে,'ওঙ্কাৰৰ উপাসকসকলে কি কি লোকলৈ যায় আৰু ষষ্ঠ অধ্যায়ত সুকেশা ভাৰদ্বাজে প্রশ্ন কৰে, 'ষোড়শ কলাযুক্ত পুৰুষ কোন আৰু তেওঁ ক'ত থাকে?'

এই প্রশ্নবোৰৰ উত্তৰত পিপ্পলাদে জীৱ সৃষ্টি, প্রাণতত্ত্ব, সুষুপ্তি বিজ্ঞান; ওঙ্কাৰ-উপাসনা আৰু ষোড়শ কলা পুৰুষৰ কথা বহলাই ব্যাখ্যা কৰে।

১২) মাণ্ডুক্য উপনিষদ ঃ

এইখন অথর্ববেদৰ অন্তর্গত তৃতীয় উপনিষদ্। ইয়াত ওঙ্কাৰতত্ত্বৰ ব্যাখ্যা কৰা হৈছে। উপনিষদ বিলাকৰ ভিতৰত তেনেই চমু এই উপনিষদত মাত্র বাৰটা বাক্য আছে। তাৰ মাজেৰে প্রবক্তাজনে অদ্বৈততত্ত্ব প্রবর্তন কৰিছে। হাতী মাৰি ভুৰুকাত ভৰোৱাৰ এক উৎকৃষ্ট উদাহৰণ এই উপনিষদ।

ইয়াত কোৱা হৈছে যে ওঙ্কাৰেই ভূত, বর্তমান আৰু ভৱিষ্যৎ। ইয়েই জাগ্রৎ, স্বপ্ন আৰু সুষুপ্তিৰ উপৰিও তুৰীয় অৱস্থাৰ কথা কয়। আত্মা যিদৰে চতুষ্পাৎ, ওঙ্কাৰো সেইদৰে চতুর্মাত্র। ওঙ্কাৰৰ অ, উ, ম এই তিনি ভাগে আত্মাৰ জাগ্রত, স্বপ্ন আৰু সুষুপ্তি এই অৱস্থাৰ কথা সূচায়। দার্শনিক গৌড়পাদে তেওঁৰ কাৰিকাত্মক ভাষ্যত এই উপনিষদত নিহিত অদ্বৈতবাদৰ তত্ত্বৰ ব্যাপক চর্চা কৰিছে। শঙ্কৰাচার্যই মাণ্ডুক্য উপনিষদ্ আৰু গৌড়পাদৰ কাৰিকা উভয়ৰে ভাষ্য ৰচনা কৰে।

১৩) মৈত্রায়নী উপনিষদ ঃ

এই উপনিষদখন কৃষ্ণযজুর্বেদৰ অন্তর্গত। উপনিষদখন সাতটা অধ্যায়ত বিভক্ত। শেষৰ অধ্যায় দুটা খিল বা পৰিশিষ্ট বুলি জনাজাত। এই উপনিষদত ৰজা বৃহদ্রথ আৰু মুনি শাকায়নৰ মাজত হোৱা কথোপকথনেৰে ব্রহ্মজ্ঞানৰ কথা কোৱা হৈছে। উপনিষদখন গদ্যত ৰচিত। উপনিষদ্খনৰ ষষ্ঠ অধ্যায়ত গায়ত্রী মন্ত্রৰ বাখ্যা পোৱা যায়।

১৪) শ্বেতাশ্বতৰোপনিষদ ঃ (শ্বোয়শ্বতৰোপনিষদ)

এইখনো কৃষ্ণ যজুর্বেদৰ ভিতৰুৱা উপনিষদ্। উপনিষদখন ছটা অধ্যায়ত বিভক্ত। এই উপনিষদৰ উপদেশ শ্বেতাশ্বতৰ নামৰ এজন ঋষিয়ে দিছিল বাবে এই উপনিষদৰ নাম শ্বেতাশ্বতৰ হৈছে।

ইয়াৰ প্ৰথমটো অধ্যায়ত জীৱ জ্ঞেয় আৰু অজ্ঞেয়ৰ বৰ্ণনা কৰা হৈছে। গাখীৰত চামনি মিহলি হৈ থকাৰ দৰে ব্ৰহ্মাই জগৎখন বিয়পি আছে। দ্বিতীয় অধ্যায়ত ধ্যান যোগক এক সমতা ৰক্ষাৰ প্ৰণালী বুলি কোৱা হৈছে। তৃতীয় অধ্যায়ত শিৱ ৰুদ্ৰৰ বৰ্ণনা কৰোঁতে ঋগ্বেদীয় পুৰুষসূক্ত আৰু শুক্ল যজুর্বেদীয় ৰুদ্ৰাধ্যায়ৰ পৰা উদ্ধৃতি দিছে। চতুর্থ অধ্যায়ত ব্ৰহ্মাক মহেশ্বৰ আৰু প্ৰকৃতিক মায়া বুলি কৈছে (মায়াং তু প্ৰকৃতিং বিদ্যান্ মায়িনং তু মহেশ্বৰম্)। পঞ্চম অধ্যায়ত কপিলৰ উল্লেখ আৰু ত্ৰৈগুণ্যৰ বৰ্ণনা পোৱা যায়। ষষ্ঠ অধ্যায়ত কৰ্মবাদৰ কথা কোৱা হৈছে। ইয়াত সাংখ্য, যোগেদি বিশেষ অৰ্থত ব্যৱহৃত হৈছে। অন্তিম শ্লোকটোত গুৰু-শিষ্যৰ প্ৰশংসা আৰু বিদ্যালাভৰ বাবে শিষ্যৰ গুৰুভক্তিৰ আৱশ্যক বুলি কৈছে ঃ

য় স্য দেৱে পৰা ভক্তির্যথা দেৱে তথা গুৰৌ।
তস্যৈতে কথিতা হ্যর্থা ঃ প্ৰকাশন্তে মহাত্মনঃ।।

কোনোখন বেদৰ লগত সম্পৰ্ক নথকা আৰু চা�ৰিখন পুৰণি উপনিষদ যোৱা শতিকাত আৱিষ্কৃত হৈছে। এই উপনিষদ্ কেইখন বাষ্কল, ছাগলেয়, আৰ্ষেয় আৰু শৌনক উপনিষদ্ নামে জনা যায়। উপনিষদ কেইখনৰ চমুটোকা তলত দিয়া হ'ল ঃ

১৫) বাষ্কল উপনিষদ ঃ

এইখন উপনিষদত আছে পঁচিশটা মন্ত্ৰ। মন্ত্ৰবোৰ ত্ৰিষ্টুপ ছন্দত ৰচিত। সম্ভৱতঃ ই ঋগ্বেদৰ বাষ্কল উপনিষদৰ পৰিশিষ্ট আছিল। কেইটামান মন্ত্ৰ শাকল সংহিতাত প্ৰাপ্ত মন্ত্ৰৰ সদৃশ। ইয়াত ইন্দ্ৰ আৰু মেধাতিথিৰ সংবাদৰ মাজেৰে দাৰ্শনিক তত্ত্ব তুলি ধৰা হৈছে।

১৬) ছাগলেয় উপনিষদ ঃ

এই উপনিষদখন বৰ সংক্ষিপ্ত। ইয়াত মাত্ৰ ছটা অনুচ্ছেদ আছে। অন্ততঃ এবাৰ ছাগলেয়ৰ নামোল্লেখ আছে। কৃষ্ণ যজুর্বেদৰ মৈত্ৰায়নী সংহিতাৰ ছটা শাখাৰ অন্যতম এ ছাগলেয় প্ৰশাখা। ইয়াত সৰস্বতী নদীৰ পাৰত হোৱা ঋষিসকলৰ সত্ৰৰ উল্লেখ আছে। ঋষিসকলে কৰৰ ঐলুষক 'দাস্যাঃ পুত্ৰঃ' বুলি নিন্দা কৰে। পিছত তেওঁলোকে ঐলুষৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি তেওঁৰ ওচৰত উপনীত হ'বলৈ ইচ্ছা প্ৰকাশ কৰে। ঐলুষে তেওঁলোকক কুৰুক্ষেত্ৰত থকা ৰালিশ নামে জনদিয়েক বদ্ধানৰ ওচৰলৈ পঠিয়াই দিয়ে। তাত এবছৰ বিদ্যাব্ৰত গ্ৰহণ কৰাৰ পাছত তেওঁলোকক সম্যক্ ৰূপে জ্ঞানোপদেশ দিয়ে।

১৭) আৰ্ষেয় উপনিষদ ঃ

আড্যাৰ সংকলনত প্ৰকাশিত চাৰিখন প্ৰাচীন উপনিষদৰ ভিতৰত আৰ্ষেয় উপনিষদ অন্যতম। এইখনো দহটা অনুচ্ছেদত প্ৰাপ্ত ক্ষুদ্ৰ উপনিষদ্। ইয়াতো ঋষিসকলৰ মাজত অনুষ্ঠিত ব্ৰহ্মোদ্যৰ বৰ্ণনা আছে। বিশ্বামিত্ৰ, জমদগ্নি, ভৰদ্বাজ, গৌতম, বশিষ্ঠ প্ৰভৃতি ঋষিয়ে সেই ব্ৰহ্মোদ্যত

ভাগ লৈছিল। ঋষিসকলৰ কথোপকথন বর্ণিত হোৱা বাবে উপনিষদ গ্রন্থ খন আর্ষেয় উপনিষদ বুলি জনা যায়।

১৮) শৌনকোপনিষদ ঃ

আড্যাৰ সংকলনত প্রাকাশিত চতুর্থ উপনিষদখন শৌনকোপনিষদ নামে জনাজাত। ইয়াৰ প্রৱক্তা শৌনক। অসুৰসকলৰ ওপৰত দেৱতাসকলৰ বিজয় লাভ আৰু ইন্দ্রৰ মহত্ত্ব ইয়াৰ উপজীব্য বিষয়। ইয়াত একাক্ষৰ প্রণৱৰ উপাসনা বিহিত হৈছে।

এইকথা উল্লেখযোগ্য যে সম্প্রতি দুশৰো অধিক 'উপনিষদ' নামে গ্রন্থ মুদ্রিত হৈ ওলাইছে। তাৰ প্রাচীন আৰু প্রামাণিক উপনিষদ্ ওঠৰখনৰ চমু পৰিচয় ওপৰত তুলি ধৰা হ'ল।
তদুপৰি আৰু কেইখনমানৰ নাম ইয়াত উল্লেখ কৰা হ'ল ঃ

(১) অমৃতনাদ, (২) অমৃত বিন্দু, (৩) শাঠ্যায়নীয়, (৪) যোগতত্ত্ব, (৫) কৈৱল্য, (৬) হংস, (৭) গর্ভ, (৮) পাশুপত, (৯) যাজ্ঞবল্ক্য, (১০) কালিকা, (১১) গৰুড়, (১২) স্কন্দ, (১৩) সর্বসাৰোপনিষদ্, (১৪) পঞ্চব্রহ্ম, (১৫) ভাৱনা, (১৬) কালাগ্নি ৰুদ্র, (১৭) প্রাণাগ্নিহোত্র, (১৮) কলিসন্তৰণ, (১৯) শ্রীৰামপূর্বতাপনীয়, (২০) ৰামৰহস্য আদি।

শঙ্কৰাচার্য, ৰামানুজাচার্য, মধ্বাচার্য, বল্লভাচার্য প্রভৃতিয়ে মূল উপনিষদবোৰৰ ওপৰত ভাষ্য ৰচনা কৰে। ম্যাক্সমূলাৰ, ডায়চন, ৰাধাকৃষ্ণণ প্রভৃতিয়ে ইংৰাজী ভাষালৈ সিবোৰ অনুবাদ কৰে।

জানি থোৱা ভাল

১) উপনিষদ শব্দটোৰ ব্যুৎপত্তি অর্থ ঃ উপ-নি+ $\sqrt{}$সদ ধাতু+ক্বিপ্ প্রত্যয়ৰ যোগত উপনিষদ' শব্দার্থ সাধিত হৈছে। সদ্ ধাতুৰ সাধাৰণ অর্থ ওচৰত বহা। কিন্তু উপনিষদ শব্দটোৱে বুজায় ঃ যিয়ে হেতু সহ সংসাৰৰ অৱসাদন কৰে বা সংসাৰৰ মায়া-মোহ সমূহকো বিনাশ কৰে; চমুকৈ উপনিষদ্ হৈছে ব্রহ্মবিদ্যা, ৰহস্য বিদ্যা। ইয়াত সদ্ ধাতুৰ অর্থ অৱসাদন অর্থাৎ শিথিল কৰা বা বিনাশ কৰা।

২) সম্রাট ছাহজাহানৰ জ্যেষ্ঠ পুত্র আৰু সম্রাট ঔৰঙ্গজেৱৰ অগ্রজ দৰে সিকোৱে মূল সংস্কৃতৰ পৰা পঞ্চাশখন উপনিষদ্ বাচি উলিয়াই ১৬৫৬ খৃষ্টাব্দত ফার্ছী ভাষালৈ অনুবাদ কৰে।

৩) আঁকেতিল দুপেৰোঁ (Anquetil Duperron) নামে ফৰাছী পণ্ডিতে ভাৰতৰ পৰা দাৰা সিকোৰ ফার্ছী অনুবাদ (Oupenkhat) সংগ্রহ কৰি ১৮০১-২ চনত তাৰ লেটিন অনুবাদ প্রকাশ কৰে।

৪) পাছলৈ ইৰাণীয় পণ্ডিত জালালি নাইনি (Jalani Naini)য়ে দাৰা সিকোৰ ফার্ছীত কৰা 'উপনেখত'ৰ সংগ্রহ সুবিস্তৃত ভূমিকাৰ সৈতে সম্পাদনা কৰি প্রকাশ কৰে। তাকে ১৯৬২ চনৰ ১৯ মার্চত আনুষ্ঠানিক ভাৱে দিল্লীত ভাৰতৰ ৰাষ্ট্রপতি,

উপৰাষ্ট্রপতি আৰু প্রধান মন্ত্রীৰ হাতত অর্পণ কৰে।

৫) দুপেৰোৰ লেটিন অনুবাদৰ পঞ্চাশখন উপনিষদৰ সৈতে আৰু দহখন যোগ দি জার্মান পণ্ডিত পাউল ডয়সেনে জার্মানলৈ অনুবাদ কৰে আৰু Sechzig Upanisaden des Veda নামে ১৮৯৭ চনত প্রকাশ কৰে। পুনেৰ পণ্ডিত ৰেডেকাৰ আৰু পলমূলে ইয়াৰ ইংৰাজী অনুবাদ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ উপনিষদ শব্দৰ ব্যুৎপত্তি আৰু অর্থ কি কি?

.....

প্রশ্ন নং ২ঃ মুখ্য উপনিষদৰ সংখ্যা কিমান?

.....

প্রশ্ন নং ৩ঃ দহখন প্রাচীন উপনিষদৰ নাম লিখক।

.....

প্রশ্ন নং ৪ঃ দহখন অর্বাচীন উপনিষদৰ নাম লিখক।

.....

প্রশ্ন নং ৫ঃ ক্ষুদ্র পৰিসৰৰ উপনিষদ দুখনৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ঃ বেদ অনুসৰি চৈধ্যখন উপনিষদৰ নাম সজাই লিখক।

.....

প্রশ্ন নং ৭ঃ বৈদিক গুৰুকুল শিক্ষাৰ সমাবর্তন ভাষণৰ বিষয়ে কোনখন উপনিষদত বর্ণিত হৈছে।

.....

প্রশ্ন নং ৮ঃ কোনে উপনিষদবোৰ ফার্ছী ভাষালৈ অনুবাদ কৰিছিল?

.....

প্রশ্ন নং ৯ঃ কোনে উপনিষদবোৰ লেটিন ভাষালৈ অনুবাদ কৰিছিল?

.....

প্রশ্ন নং ১০ঃ ষাঠিখন উপনিষদৰ জার্মান অনুবাদকজন কোন?

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৈদিক সাহিত্যৰ অন্তৰ্গত—বেদৰ শেষ ভাগ—বেদান্ত বুলি জনাজাত উপনিষদসমূহৰ বিষয়ে থূল-মূলকৈ বহু কথা জানিব পাৰিলে।
- প্ৰথমতে উপনিষদৰ চমু পৰিচয়, সিবোৰৰ সংখ্যা, নামবোৰ আৰু প্ৰবক্তাসকলৰ বিষয়ে গম পালে।
- তাৰ পাছত ওঠৰখন প্ৰাচীন উপনিষদৰ চমু পৰিচয় জানিলে।
- উপনিষদ শব্দৰ চমু অৰ্থ আৰু ইবোৰৰ ফাৰ্ছী, লেটিন আৰু জাৰ্মান অনুবাদৰ কথা জানিব পাৰিলে।



১১.৭ অধিক জানিবলৈ

১) Radhakrishnan, S, (ed), (1953), *The Principal Upanisads*, London : George Allen and Unwin Ltd.

২) Vedebar, V. M. and Palsule G. B. (trans.) (1970), *Sixty Upanisads*, (trans. from-German edn. of Paul Deussen, 1897)

৩) Max Mueller, F, (ed). (1879 & 1884), *The Upanisads*, 2 Vols. SBE Series. vol. 1415. Oxford.

৪) শৰ্মা, তীৰ্থনাথ, (১৯৯১), *উপনিষদ্ অষ্টক*, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৫) শৰ্মা তীৰ্থ নাথ, (১৯৯৮), *ছান্দোগ্য উপনিষদ্*, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৬) শৰ্মা থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, ৰূপনগৰ ঃ অসম বেদবিদ্যালয়।

৭) শৰ্মা থানেশ্বৰ, (২০০৮), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, ২য় সংস্কৰণ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



১১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ উপ-নি+সদ+ক্বিপ প্ৰত্যয়ৰ যোগত সাধিত হোৱা উপনিষদ্ শব্দটোৰ সাধাৰণ অৰ্থ ওচৰত বহা। কিন্তু উপনিষদ্ শব্দটোৱে দৰাচলতে ব্ৰহ্মবিদ্যাক বুজায়, যিহেতুকে এই

বিদ্যাই অবিদ্যাবশতঃ জন্মা সংসাৰৰ মায়া-মোহ আদি সমূহে বিনাশ কৰে। ইয়াত সদ্ ধাতুৰ অর্থ অৱসাদন অর্থাৎ শিথিল কৰা বা বিনাশ কৰা।

২ নং প্রশ্নৰ উত্তৰঃ মুখ্য উপনিষদ্ কোনো কোনো পণ্ডিতৰ মতে দহখন, কোনো জনৰ মতে তেৰখন বা চৈধ্যখন।

৩ নং প্রশ্নৰ উত্তৰঃ ঈশ, কেন, কঠ, প্রশ্ন, মুণ্ডক, মাণ্ডুক্য, তিত্তিৰি, ঐতৰেয়, ছান্দোগ্য আৰু বৃহদাৰণ্যক।

৪ নং প্রশ্নৰ উত্তৰঃ অমৃতনাদ, অমৃতবিন্দু, শাধ্যায়নীয়, যোগতত্ত্ব, হংস, গর্ভ, পাশুপত, যাজ্ঞবল্ক্য, গৰুড় আৰু স্কন্দ উপনিষদ্।

৫ নং প্রশ্নৰ উত্তৰঃ মাণ্ডুক্য আৰু ঈশ উপনিষদ্। মাণ্ডুক্য উপনিষদত বাৰৰ্যা বাক্য আৰু ঈশ উপনিষদৰ ওঠৰটা মন্ত্র আছে।

৬ নং প্রশ্নৰ উত্তৰঃ ঋগ্বেদীয় উপনিষদ্— ১) ঐতৰেয় ২) কৌষীতকী

সামবেদীয় উপনিষদ— ৩) ছান্দোগ্য ৪) কেন

শুক্লযজুর্বেদীয় উপনিষদ— ৫) ঈশ আৰু ৬) বৃহদাৰণ্যক

কৃষ্ণ যজুর্বেদীয় উপনিষদ— ৭) কঠ ৮) তৈত্তিৰীয়
৯) মৈত্রায়ণী ১০) মহানাৰায়ণ
১১) শ্বেতাশ্বতৰ

অথর্ববেদীয় উপনিষদ— ১২) প্রশ্ন ১৩) মুণ্ডক
১৪) মাণ্ডুক্য

৭ নং প্রশ্নৰ উত্তৰঃ তৈত্তিৰীয় উপনিষদৰ শিক্ষা বল্লীত।

৮ নং প্রশ্নৰ উত্তৰঃ সম্রাট ছাজাহানৰ জ্যেষ্ঠ পুত্র দাৰা শিকোৱে পঞ্চাশখন উপনিষদ ফার্ছী ভাষালৈ অনুবাদ কৰিছিল।

৯ নং প্রশ্নৰ উত্তৰঃ আঁকেতিল দুপেৰোঁৱে (Anquetil Duperron)

১০ নং প্রশ্নৰ উত্তৰঃ পাউল ডয়সেন (Paul Deussen)



১১.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ বৈদিক সাহিত্যত উপনিষদৰ স্থান ক'ত?

প্রশ্ন ২ঃ উপনিষদৰ আধাৰত গ্রন্থ ৰচনা কৰা দেশী/বিদেশী পণ্ডিত কেইজনমানৰ নাম লিখক।

প্রশ্ন ৩ঃ উপনিষদৰ মূল বিষয় কি?

(খ) চুটি প্রশ্ন ঃ

প্রশ্ন ১ঃ ঈশ, কেন, কঠ, ঐতৰেয় আৰু তৈত্তিৰীয় উপনিষদৰ চমু পৰিচয় লিখক।

প্রশ্ন ২ঃ উপনিষদত বর্ণিত হোৱা দুটা আখ্যান চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ কেনোপনিষদত প্রাপ্ত উমা মাহেশ্বৰীৰ আখ্যানটো চমুকৈ উল্লেখ কৰক।

প্রশ্ন ২ঃ কঠোপনিষদত পোৱা নচিকেতাৰ আখ্যানটোৰ তাৎপর্য লিখক।

*** ***** ***

অধ্যায় ১২ ঃ ঈশোপনিষদ্

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ঈশোপনিষদৰ পৰিচয়

১২.৪ শান্তি মন্ত্ৰ, ইয়াৰ অর্থ আৰু তাৎপর্য

১২.৪.১ ঈশোপনিষদৰ প্রথম মন্ত্রৰ শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য

১২.৪.২ ঈশোপনিষদৰ দ্বিতীয় মন্ত্র, শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য

১২.৪.৩ ঈশোপনিষদৰ তৃতীয় মন্ত্র, শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য

১২.৫ আত্মাৰ স্বৰূপ (চতুর্থ, পঞ্চম আৰু অষ্টম মন্ত্র)

১২.৫.১ আত্মজ্ঞানীৰ মনৰ অৱস্থা (ষষ্ঠ আৰু সপ্তম মন্ত্র)

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৭ অধিক জানিবলৈ

১২.৮ অগ্রগতিৰ খতিয়ান

১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঈশোপনিষদৰ পৰিচয় লাভ কৰিব।
- ঈশোপনিষদৰ বিষয়বস্তুৰ কিছু জ্ঞান লাভ কৰিব পাৰিব।
- ঈশোপনিষদখন কোন বেদৰ অন্তর্গত তাকো জানিব পাৰিব।
- ঈশোপনিষদৰ কিছুমান বিষয়ৰ মূল সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব।
- মূল সংস্কৃত পাঠৰ সন্ধি ভাঙি শব্দৰ অসমীয়া অর্থৰ অধ্যয়ন কৰিব পাৰিব।
- পাঠ্যৰ মূল সংস্কৃতৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব।
- আত্মাৰ স্বৰূপৰ বিষয়ে জানিব পাৰিব।
- আত্মজ্ঞানীৰ মনৰ অৱস্থা কেনেকুৱা হয় তাকো জানিব পাৰিব।

১২.২ পৰিচয়

আপুনি ইতিমধ্যে উপনিষদ্ সাহিত্যৰ বিষয়ে অধ্যয়ন কৰিছে। সেই প্রসঙ্গত আপোনাৰ উপনিষদ্ শব্দটিৰ ব্যুৎপত্তি আৰু অর্থও অৱগত হৈছে। আপুনি হয়তো প্রধান উপনিষদ্‌বোৰৰ নামো জানিব পাৰিছে।

ইয়াত আপুনি 'ঈশোপনিষদ্' গ্রন্থখনৰ বিষয়ে কিছু কথা জানিব পাৰিব। উপনিষদ্বোৰৰ ভিতৰত 'ঈশোপনিষদ'খন অন্যতম। উপনিষদ্ সাহিত্যৰ মূল বিষয়বস্তু এইখনত তেনেই চমুকৈ উল্লিখিত হৈছে। 'ঈশোপনিষদ'খন মন্ত্ৰত ৰচিত। উপনিষদত গদ্য আৰু পদ্য এই দুয়োবিধ ৰচনা আছে। কিন্তু, ঈশোপনিষদ কেৱল পদ্যত ৰচিত।

ঈশ্বৰ সকলোতে বিৰাজ কৰিছে বুলি এই উপনিষদ্খনৰ প্ৰথম মন্ত্ৰতেই কোৱা হৈছে। চলন শক্তি থকা আৰু চলনশক্তি নথকাকে আদি কৰি সকলো পদাৰ্থতেই ঈশ্বৰ পৰিব্যাপ্ত বুলি কোৱা হৈছে। গোটেই জগত ঈশ্বৰৰ অধীন। সেইকাৰণেই ত্যাগৰ ভাৱ মনত ৰাখি ভোগ কৰিবলৈ কোৱা হৈছে। কৰ্ম কৰিয়েই মানুহে এশবছৰলৈকে জীয়াই থাকিবলৈ ইচ্ছা কৰিব লাগে। ঈশোপনিষদত জীৱাত্মা আৰু পৰমাত্মাৰ স্বৰূপৰ কথা অৱগত হব পাৰিব। ইয়াত জীৱাত্মা আৰু পৰমাত্মাৰ ঐক্যৰ কথাও কোৱা হৈছে।

ঈশোপনিষদখনত মুঠতে ওঠৰটি মন্ত্ৰ আছে। সেইবোৰৰ ভিতৰত মাত্ৰ কেইটিমান মন্ত্ৰহে আপুনি অধ্যয়ন কৰিব লাগিব।

১২.৩ ঈশোপনিষদ্ৰ পৰিচয়

আপুনি উপনিষদৰ পাতনিসূচক কিছু কথা ইতিমধ্যে অধ্যয়ন কৰিছে। সেই প্ৰসঙ্গত ঈশোপনিষদৰ নাম নিশ্চয় জানিব পাৰিছে।

ঈশা উপনিষদ্ = ঈশোপনিষদ্। ঈশা এই পদ ফাঁকিৰে উপনিষদ্খন আৰম্ভ হৈছে। সেইকাৰণেই এই উপনিষদ্খনৰ নাম ঈশোপনিষদ্ ৰখা হৈছে। ঈশোপনিষদ্খন শুক্লযজুৰ্বেদৰ উপনিষদ্। আপুনি জানে যে প্ৰত্যেকখন বেদৰ মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ্ গ্ৰন্থ আছে। উপনিষদ্বোৰ ব্ৰাহ্মণ আৰু আৰণ্যকৰ অংশ। কিন্তু ঈশোপনিষদখন মন্ত্ৰৰ অন্তৰ্গত। শুক্লযজুৰ্বেদৰ সৰ্বমুঠ চল্লিছটি অধ্যায়ৰ ভিতৰত শেষৰ অধ্যায়টিয়েই ঈশোপনিষদ্। এই উপনিষদ্খন ব্ৰাহ্মণ বা আৰণ্যকৰ অন্তৰ্ভুক্ত নহয়। শুক্লযজুৰ্বেদৰ শেষৰ অধ্যায়টি 'ঈশাৱাস্যম্' পদ দুটিৰে আৰম্ভ হৈছে। সেইকাৰণেই ইয়াক 'ঈশাৱাস্যোপনিষদ্' নামেৰেও জনা যায়। এই উপনিষদ্খন বেদৰ মন্ত্ৰভাগৰ অন্তৰ্গত। সেইকাৰণেই এই উপনিষদ্খনক মন্ত্ৰোপনিষদ্ বুলিও কোৱা হয়। (মন্ত্ৰ + উপনিষদ্ = মন্ত্ৰোপনিষদ্)। ঈশোপনিষদ্খনক বাজসনেয়ি সংহিতোপনিষদ্ বুলিও কোৱা হয়।

ঈশোপনিষদ্ত ঈশ্বৰৰ সৰ্বব্যাপ্তিত্বৰ কথা কোৱা হৈছে। কৰ্ম কৰিয়েই মানুহে এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰিব লাগে বুলিও কোৱা হৈছে। আত্মজ্ঞানহীন জীৱৰ অৱস্থাৰ বিষয়েও কোৱা হৈছে।

আত্মাৰ স্বৰূপ, পৰমাত্মা আৰু জীৱাত্মাৰ একত্বৰ বিষয়েও আলোচনা কৰা হৈছে। আত্মাৰ কোনো বিকাৰ নাই আৰু ই সৰ্বব্যাপী। যিয়ে আত্মাৰ একত্ব উপলব্ধি কৰে তেওঁৰ মনত ভেদভাব, শোক, মোহ আদি একোৰেই নাথাকে। ঈশোপনিষদত **বিদ্যা, অবিদ্যা, সম্ভূতি** আৰু **অসম্ভূতি**ৰ উপসনাৰ পৃথক পৃথক ফলৰ কথা কোৱা হৈছে।

জগতৰ পুষ্টিবৰ্দ্ধক সূর্য দেৱতাক প্ৰাৰ্থনা জনোৱা হৈছে যে তেওঁ যেন তেওঁৰ ৰশ্মি



বিদ্যা- ঈশোপনিষদত বিদ্যাই দেৱতাৰ উপাসনাক বুজাইছে।
অবিদ্যা- অবিদ্যাই বিবিধ যাগ-যজ্ঞৰ কথা কৈছে।
সম্ভূতি-মূল প্ৰকৃতিৰ পৰা ওপজা প্ৰথম সৃষ্টিক বুজোৱা হৈছে।
অসম্ভূতি - যাৰ উৎপত্তি নাই অৰ্থাৎ মূল প্ৰকৃতি।

সম্বৰণ কৰে। তেতিয়া উপাসকে আদিত্য মণ্ডলত থকা পৰমাত্মাৰ দৰ্শন লাভ কৰিবলৈ পাব। আদিত্য মণ্ডলত থকা দিব্য পুৰুষ আৰু জীৱাত্মা এক।

এই উপনিষদ্খনত মুঠতে ওঠৰটি মন্ত্র আছে। সেইবোৰৰ ভিতৰত মাত্র কেইটিমান মন্ত্রহে আপোনাৰ পাঠ্য।

১২.৪ শান্তি মন্ত্র আৰু ইয়াৰ অর্থ আৰু তাৎপর্য

আপুনি ঈশোপনিষদ্ৰ পৰিচয় অধ্যয়ন কৰিলে। এতিয়া এই উপনিষদ্খনৰ শান্তি মন্ত্র অধ্যয়ন কৰিবলৈ পাব। প্রত্যেকখন উপনিষদ শান্তি মন্ত্রেৰে আৰম্ভ হয়। ঈশোপনিষদখনো শান্তি মন্ত্রেৰেই আৰম্ভ হৈছে। শান্তি মন্ত্র ফাঁকি এনেকুৱা—

ওঁ পূর্ণমদ ঃ পূর্ণমিদং পূর্ণাৎ পূর্ণমুদচ্যতে।
পূর্ণস্য পূর্ণমাদায় পূর্ণমেৱাৱশিষ্যতে।।
ওঁ শান্তিঃ, শান্তিঃ, শান্তিঃ।

ওঁ অদঃ (সেইটো) পূর্ণম্ (পূর্ণ, পৰিপূর্ণ), ইদম্ (এইটো) পূর্ণম্ (পূর্ণ)। পূর্ণাৎ (পূর্ণৰ পৰা) পূর্ণম্ (পূর্ণ) উদচ্যতে (বাহিৰ হয়, ওলাই আহে)। পূর্ণস্য (পূর্ণৰ) পূর্ণম্ (পূর্ণতা) আদায় (গ্রহণ কৰি) পূর্ণম্ এৱ (পূর্ণই, পূর্ণইহে) অৱশিষ্যতে (অৱশিষ্ট থাকে)

অসমীয়া অনুবাদ—সেইটো পূর্ণ আৰু এইটোও পূর্ণ। পূর্ণৰ পৰাই পূর্ণৰ উৎপত্তি হয়। পূর্ণৰ পূর্ণতা গ্রহণ কৰি শেষত পূর্ণই অৱশিষ্ট থাকে।

তাৎপর্য — আপুনি দেখিলে যে ওঁ পদটি শান্তিমন্ত্রত পূর্ণ, পূর্ণতা, ভৰা এনেকুৱা অর্থত ব্যৱহাৰ হৈছে। মন্ত্রটিত 'অদঃ' (সেইটো) পদে বহু দূৰত থকা বস্তুটিক বুজাইছে। পৰমেশ্বৰ, পৰমাত্মা আদি শব্দ উপনিষদ্ ব্রহ্মক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। পৰমাত্মা বা পৰমেশ্বৰেই হৈছে জগতৰ সৃষ্টিৰ মূল কাৰণ। তেওঁক পৰমব্রহ্ম বোলা হয়। শান্তিমন্ত্রত 'অদঃ' পদে ব্রহ্মক বুজাইছে। আনহাতে 'ইদম্' পদে ওচৰৰ পদার্থক বুজায়। ইয়াত জগত বা পৃথিৱী আৰু পৃথিৱীৰ সকলো পদার্থক 'ইদম্' পদে বুজাইছে। জগতৰ পৰমকাৰণটিও পূর্ণ আৰু পূর্ণৰ পৰা অর্থাৎ পৰম ব্রহ্মৰ পৰা সৃষ্টি হোৱা পৃথিৱীখনো পৰমেশ্বৰৰ দ্বাৰাই পূর্ণ। পৰমব্রহ্মৰ পূর্ণত্বৰ পৰাই ব্রহ্মোৰে পৰিপূর্ণ এই সংসাৰ সৃষ্টি হৈছে। শান্তি মন্ত্রটিৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে পৰব্রহ্মও পূর্ণ আৰু তেওঁৰ পৰা সৃষ্টি হোৱা সংসাৰখনো পূর্ণ। আপুনি ইয়াকে বুজিলে যে সৃষ্টি হোৱা সকলোৰে ভিতৰত আৰু বাহিৰতো ব্রহ্ম বিৰাজিত।

'শান্তিঃ পদটি শান্তি মন্ত্রৰ শেষত তিনিবাৰ উচ্চাৰণ কৰা আপুনি দেখিলে। আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক বিঘিনি যাতে নঘটে তাৰ বাবেই শান্তি পদটি তিনিবাৰ উচ্চাৰণ কৰা হৈছে। নিজৰ শৰীৰৰ সম্পর্কত দেখা দিয়া বিঘিনি যেনে—অসুখ-বিসুখ আদিক আধ্যাত্মিক বাধা বোলা হয়।

ভূত- পিশাচ বা আন জীৱ-জন্তুৰ পৰা ঘটিব পৰা বিঘিনিক আধিভৌতিক বাধা বুলি কোৱা হয়। যেনে—মহৰ কামোৰ, কীট পতঙ্গৰ দংশন ইত্যাদি। দেৱতাৰ উৎপাত যেনে—

বানপানী, ধুমুহা আদিক আধিদৈবিক বাধা বোলা হয়।

এই তিনি প্ৰকাৰ বাধাই যাতে কামত বাধাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ কাৰণেই শান্তি মন্ত্ৰৰ শেষত শান্তিঃ শব্দটো তিনিবাৰ উচ্চাৰণ কৰা হৈছে।

পৰমেশ্বৰৰ পৰাই জগতৰ সৃষ্টি হৈছে। সৃষ্টি হোৱা সকলো পদাৰ্থতেই পৰমেশ্বৰ বিৰাজ কৰে আৰু ধ্বংসৰ পিছত পৰমেশ্বৰৰেই পদাৰ্থ উভতি যায়।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ঈশোপনিষদখন কোন বেদৰ অন্তৰ্গত লিখক।

.....

.....

প্ৰশ্ন নং ২ঃ ঈশোপনিষদখন কোনটি পদেৰে আৰম্ভ হৈছে লিখক (কেৱল পদটি লিখিব)।

.....

.....

প্ৰশ্ন নং ৩ঃ ঈশোপনিষদক মন্ত্ৰোপনিষদ বুলি কিয় কোৱা হয় লিখক।

.....

.....

প্ৰশ্ন নং ৪ঃ শুক্লযজুৰ্বেদত মুঠ কেইটি অধ্যায় আছে লিখক। (কেৱল অধ্যায়ৰ সংখ্যাটি লিখিব)

.....

.....

প্ৰশ্ন নং ৫ঃ বিঘিনি কেই প্ৰকাৰৰ বুলি কোৱা হৈছে লিখক।

.....

.....

প্ৰশ্ন নং ৬ঃ ঈশোপনিষদ্খন আন কি কি নামেৰেও জনা যায় লিখক।

.....

.....

১২.৪.১ ঈশোপনিষদ্ৰ প্ৰথম মন্ত্ৰৰ শব্দাৰ্থ অসমীয়া অনুবাদ আৰু তাৎপৰ্য্য

আপুনি ঈশোপনিষদৰ শান্তি মন্ত্ৰৰ অৰ্থ আৰু তাৎপৰ্য্য অধ্যয়ন কৰিলে। এতিয়া উপনিষদখনৰ প্ৰথম মন্ত্ৰৰ বিষয়ে জানিবলৈ পাব। তলত উল্লেখ কৰা মন্ত্ৰ ফাঁকিৰ প্ৰত্যেকটি পদৰ অসমীয়া অৰ্থ আৰু মন্ত্ৰটিৰ অসমীয়া অনুবাদো অধ্যয়ন কৰিব। মন্ত্ৰফাঁকি তলত উল্লেখ কৰা হৈছে—

ঈশা ৱাস্যমিদং সর্বং য়ৎ কিঞ্চ জগত্যাং জগৎ।
তেন ত্যক্তেন ভুঞ্জীথা মা গৃধঃ কস্যস্বিদ্ধনম্।।

শব্দার্থ—জগত্যাম্ (সংসাৰত, পৃথিৱীত) য়ৎ (যি) কিং চ (কিছু) জগৎ (চৰাচৰ বস্তু) ইদম্ সর্বম্ (এই আটাইবোৰ) ঈশা (ঈশ্বৰৰ দ্বাৰা) ৱাস্যম্ (পৰিব্যাপ্ত, আচ্চাদিত)। তেন (সেই নিমিত্তে) ত্যক্তেন (ত্যাগেৰে, ত্যাগৰ ভাৱত) ভুঞ্জীথাঃ (ভোগ কৰিব লাগে)। কস্যস্বিৎ (কাৰো) ধনম্ (ধন, ধনক) মা গৃধঃ (লোভ নকৰিবা)।

অসমীয়া অনুবাদ—সংসাৰখনত যি কিছু চৰাচৰ বস্তু আছে সেই আটাইবোৰ পৰমেশ্বৰৰদ্বাৰা পৰিব্যাপ্ত। সেইকাৰণেই ত্যাগৰ ভাৱত ভোগ কৰিব লাগে; কাৰো ধনৰ প্রতি লোভ কৰিব নালাগে।

তাৎপর্য — আপুনি জানিলে যে এই সংসাৰ সদায় পৰিৱর্তনশীল। ক্ষন্তেকৰ বাবেও সংসাৰ স্থিৰ নহয়। সংসাৰত যি সকলো পদার্থ আছে সেইবোৰো অস্থিৰ। ঈশ্বৰে অস্থিৰ সংসাৰ আৰু অস্থিৰ বস্তুক নিয়ন্ত্রণ কৰিছে। সেই ঈশ্বৰেই একমাত্র স্থিৰ। তেৱেঁই একমাত্র নিত্য আৰু বাকী সকলো পদার্থ অনিত্য। তেওঁ অস্থিৰ জগত আৰু বস্তুৰ ভিতৰত সত্তা হিচাবে অৱস্থান কৰে। ঈশ্বৰ সর্বব্যাপী। আমাৰ ভোগ কৰিবলগীয়া দ্রব্যতো ঈশ্বৰ বিৰাজ কৰে। ঈশ্বৰে ভোগ কৰিবলৈ দিছে কাৰণেই আমি ভোগ কৰিছোঁ। সেইকাৰণেই ভোগত আমাৰ কর্তৃত্ব থাকিব নালাগে। সেইকাৰণেই ত্যাগৰ ভাৱত ভোগ কৰিবলৈ কোৱা হৈছে। আমি কেতিয়াও কাৰো ধনৰ প্রতি লোভ কৰিব নালাগে। আনকি নিজৰ ধনৰ প্রতিও লোভ থাকিব নালাগে। কাৰণ, সকলো বস্তু পৰমেশ্বৰৰ অধীন। পদার্থৰ স্থিতি ঈশ্বৰৰ অৱস্থানৰ বাবেই সম্ভৱ হৈছে। ঈশ্বৰৰ অস্তিত্বত গভীৰ বিশ্বাস থাকিব লাগে। তেতিয়া ঈশ্বৰে দিয়াখিনিহে আমি ভোগ কৰিছোঁ—এনেকুৱা ভাৱৰ উদয় হয়। ঈশ্বৰৰ সর্বব্যাপ্তিত্ব ধাৰণাৰ পৰাই ধন-সম্পদৰ প্রতি থকা লোভো আঁতৰ হয়।

১২.৪.২ ঈশোপনিষদৰ দ্বিতীয় মন্ত্র শব্দার্থ, অসমীয়া অনুবাদ আৰু তাৎপর্য

আপুনি ঈশোপনিষদৰ প্রথম মন্ত্র আৰু তাৰ অনুবাদ অধ্যয়ন কৰিলে। ঈশ্বৰে যে সকলোতে বিৰাজ কৰিছে সেইটো জানিবলৈ পালে। তেনেকুৱা বিশ্বাস আৰু শ্রদ্ধাৰ ফলতেই মানুহৰ মনত ত্যাগৰ উদয় হয় আৰু লোভ নাইকিয়া হয় তাকো জানিলে। এতিয়া ইয়াত কর্মৰ কথা অধ্যয়ন কৰিবলৈ পাব। ঈশোপনিষদত কর্মৰ বিষয়ে এইদৰে কোৱা হৈছে—

"কুর্ৱন্নেৱেহ কর্ম্মানি জিজীৱিষেচ্ছতং সমাঃ।
এৱং ত্ৱয়ি নান্যথেতোহস্তি ন কর্ম্ম লিপ্যতে নৰে।।"

শব্দার্থ—কর্ম্মানি (কর্মসমূহ, কামবোৰ) কুর্ৱন্ এৱ (কৰিয়েই) শতম্ (এশ) সমাঃ (বছৰ) ইহ (ইয়াত, এই সংসাৰত) জিজীৱিষেৎ (জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত)। এৱম্ (এনেকৈ, এইদৰে) ত্ৱয়ি (তোমাত অর্থাৎ তোমাৰ কাৰণে) ইতঃ (ইয়াৰ বাহিৰে) অন্যথা

(আন) ন অস্তি (নাই অর্থাৎ আন উপায় নাই)। নৰে (মানুহৰ) কর্ম (কাম) ন লিপ্যতে (লিপ্ত নহয়)।

অসমীয়া অনুবাদ— কর্ম কৰিয়েই এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত। এনেকৈয়ে তোমাৰ কাৰণে ইয়াৰ বাহিৰে আন পন্থা নাই। কর্ম মানুহত লিপ্ত নহয়।

তাৎপর্য— আপুনি দ্বিতীয় মন্ত্ৰৰ পৰা জানিলে যে সংসাৰত সকলোৱে কর্ম কৰিয়েই জীয়াই থাকিবলৈ ইচ্ছা কৰিব লাগে। কর্মৰ বাহিৰে আন কোনো পন্থা নাই। মানুহৰ আয়ুস এশ বছৰ বুলি কোৱা হৈছে। সেইকাৰণেই এশ বছৰ কাল মানুহে কর্ম কৰিয়েই জীয়াই থাকিব লাগে বুলি মন্ত্ৰ ফাঁকিক উক্ত হৈছে। আপুনি বুজিব লাগিব যে ইয়াত কর্ম বুলি কোৱাত দৈনন্দিন সাধাৰণ কর্ম আৰু শাস্ত্ৰ অনুসৰি কৰিবলগীয়া বিশেষ কর্মৰ কথা কোৱা হৈছে। এই প্ৰসঙ্গত আপুনি বেদৰ বিহিত যাগ-যজ্ঞৰ কথাও কর্মৰ ভিতৰতেই ধৰিব লাগিব। এই ধৰণে সকলো কর্ম কৰোঁতে পৰমেশ্বৰৰ অস্তিত্বৰ কথাও উপলব্ধি কৰিব লাগিব। পৰমেশ্বৰ বা পৰম ব্ৰহ্ম যে পৃথিৱীৰ সকলোতে পৰিব্যাপ্ত সেইটো আগেয়ে কোৱা হৈছে। যিকোনো ধৰণৰ কর্ম কৰোঁতেও ঈশ্বৰৰ অস্তিত্বৰ কথা গভীৰভাৱে স্মৰণ কৰিব লাগিব। আপুনি নিশ্চয় বুজিব পাৰিছে যে ঈশ্বৰৰ অস্তিত্বত গভীৰ বিশ্বাস আৰু শ্ৰদ্ধা থাকিলে মানুহৰ কর্মৰ প্ৰতি থকা আসক্তি থাকিব নোৱাৰে। আসক্তি শব্দই ইয়াত কর্মৰ ফলৰ প্ৰতি থকা লালসাক বুজাইছে। যেতিয়া সকলো ঈশ্বৰৰ অধীন, তেতিয়া কর্মৰ ফলো তেওঁৰেই অধীন। সেইকাৰণেই কর্ম কৰোঁতাৰ মনত কর্মৰ ফলৰ প্ৰতি থকা বাসনাও থাকিব নোৱাৰে। ঈশ্বৰৰ অস্তিত্বত শ্ৰদ্ধা আৰু বিশ্বাস অটল হ'লে মানুহৰ মনৰ পৰা কর্মফলৰ বাসনা ঔষধ খোৱাৰ ফলত বেমাৰ ভাল হোৱাৰ দৰেই নাইকিয়া হয়। সেইকাৰণেই কোৱা হৈছে যে কর্মত মানুহ লিপ্ত নহয় অর্থাৎ কর্মৰ ফলত আবদ্ধ নহয়। কর্মৰ ফলত আবদ্ধ নোহোৱা অৱস্থাটোকেই নিৰাসক্ত ভাব বুলি কোৱা হৈছে। এই মন্ত্ৰফাঁকিত মানুহৰ জীৱন যাপনৰ সৰল উপায়ৰ কথা কোৱা হৈছে। ঈশ্বৰৰ অৱস্থান সকলোতে আছে এই সিদ্ধান্তত বিশ্বাস অটল ৰাখিব লাগিব। তেনেকুৱা ভাব মনত ৰাখি কর্ম কৰিলে কর্মত আসক্তি অর্থাৎ কর্মফলৰ প্ৰতি আকাঙ্ক্ষাও নাইকিয়া হয়।

১২.৪.৩ তৃতীয় মন্ত্ৰ, শব্দার্থ অসমীয়া অনুবাদ আৰু তাৎপর্য

আপুনি দ্বিতীয় মন্ত্ৰ ফাঁকি অসমীয়া অনুবাদ সহ অধ্যয়ন কৰিলে। ঈশ্বৰ সর্ব্বব্যাপী আৰু সেইকাৰণেই ত্যাগৰ ভাবতহে ভোগ কৰিব লাগে বুলিও জানিলে। ঈশ্বৰত বিশ্বাস গভীৰ হ'লে ধনৰ প্ৰতি লোভ থাকিব নোৱাৰে বুলিও অধ্যয়ন কৰিলে।

আত্মজ্ঞান নথকা লোকৰ অৱস্থা মৃত্যুৰ পিছত কেনেকুৱা হয় তাকেই ঈশোপনিষদৰ তৃতীয় মন্ত্ৰত কোৱা হৈছে। এই মন্ত্ৰটি আপুনি তলত শব্দার্থ আৰু অসমীয়া অনুবাদ সহ অধ্যয়ন কৰিবলৈ পাব। মন্ত্ৰফাঁকি এনেকুৱা—

"অসূর্য্যা নাম তে লোকা অন্ধেন তমসাবৃতাঃ।
তাংস্তে প্রেত্যাভিগচ্ছন্তি য়ে কে চাত্মহনো জনাঃ।"

শব্দার্থ— অসূর্য্যা ঃ (অসুৰৰ যোগ্য) নাম (নামেৰে) অন্ধেন (অন্ধকাৰৰ দ্বাৰা) তমসা (এন্ধাৰেৰে) আবৃতাঃ (আৱৰা) তে (সেইবোৰ) লোকাঃ (ঠাইবোৰ)। য়ে কে চ (যিকোনো) আত্মহনঃ (আত্মজ্ঞান নথকা), তে (সিহঁত) প্রেত্য (দেহ ত্যাগ কৰাৰ পিছত) তান্ (সেইবোৰ) অভিগচ্ছন্তি (লাভ কৰে, গমন কৰে)।

অসমীয়া অনুবাদ—দেখিবলৈ নোপোৱা অন্ধকাৰৰ আবৃত অসুৰৰ কাৰণে উপযুক্ত সেই ঠাই। আত্মজ্ঞান নথকাসকলে মৃত্যুৰ পিছত সেই ঠাইৰ অভিমুখে গমন কৰে।

তাৎপর্য— আপুনি অৱগত হব পাৰিলে যে পৰমেশ্বৰৰ জ্ঞান লাভ কৰিলে মানুহ কর্মৰ বিপাকত নপৰে। পৰম জ্ঞানৰ অভাৱত মানুহে কর্মফলৰ লালসা এৰিব নোৱাৰে। ফলত সংসাৰত সুখ-দুখ ভোগ কৰিবলগীয়া হয়। পৰমেশ্বৰৰ নামত আত্মসমর্পণ কৰি কৰা কর্মই অনাসক্ত কর্ম। তেনেকুৱা কর্মীৰ কর্মফলৰ প্রতি কোনো বাসনা নাথাকে। আপুনি জানিলে যে মানুহে কর্ম কৰিয়েই জীয়াই থাকিব লাগিব। কর্মৰ অবিহনে আন পন্থা আৰু নাই।

তৃতীয় মন্ত্রত আপুনি দেখিলে যে আত্মজ্ঞানৰ অভাৱত মানুহৰ পৰিণতি মঙ্গলজনক নহয়। আত্মজ্ঞানে মানুহক অভিমানৰ পৰা মুক্ত কৰে। আনহাতে আত্মজ্ঞানৰ অভাৱত মানুহ অভিমানৰ বান্ধত পৰে। যিসকলে কর্ত্তৃত্বৰ অভিমানত কর্ম কৰে, তেওঁলোকে অজ্ঞানবশতঃ ঘোৰ অন্ধকাৰত লিপ্ত হয়। অজ্ঞানীৰ কর্ম সদায় ফলৰ আকাঙক্ষাতহে সীমিত থাকে। আনহাতে জ্ঞানীৰ সকলো কর্ম পৰমেশ্বৰত সমর্পিত। জ্ঞানীয়ে উপলব্ধি কৰিব পাৰে যে জীৱাত্মা আৰু পৰমাত্মাৰ মাজত অলপো পার্থক্য নাই। পৰমাত্মা জীৱৰ দেহৰ ভিতৰত প্রাণবায়ুস্বৰূপে অৱস্থান কৰে। তাৰ ফলতেই দেহৰ সকলো অঙ্গ-প্রত্যঙ্গ কর্মক্ষম হয়। সেইকাৰণেই কর্ম ক্ষমতাৰ মূলতো পৰমাত্মাৰ অৱস্থান জ্ঞানীয়ে সদায় অনুভৱ কৰে। তেনেকুৱা আত্মজ্ঞান নথকা লোকক আত্মঘাতী বোলা হৈছে। আত্মজ্ঞানহীন লোকে ইহ লোকত সুখ ভোগৰ বাসনাত কর্ম কৰাৰ কাৰণেই তেওঁলোকৰ শেষ পৰিণতি অতি শোচনীয় হয়। যিসকলে শৰীৰ আৰু ইন্দ্রিয়াৰ বাহিৰে আত্মাৰ অস্তিত্বৰ স্বীকাৰ নকৰে, তেওঁলোক মৃত্যুৰ পিছত অন্ধকাৰাচ্ছন্ন বিষাদগ্রস্ত লোকলৈ গমন কৰে। কর্মৰ ফল যিমানেই সুখদায়ক নহওক কিয় সি কেতিয়াও মানুহক অজ্ঞানত নিমগ্ন বিষন্নতাৰ পৰা ৰক্ষা কৰিব নোৱাৰে। সেই কাৰণেই তেনেকুৱা ঠাইক অসুৰৰ উপযুক্ত লোক (স্থান) বুলি কোৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ ঈশোপনিষদত কাৰো ধনৰ প্রতি লোভ নকৰিবলৈ কোৱা হৈছে— বাক্যটি শুদ্ধ নে অশুদ্ধ লিখক।

.....

.....

প্রশ্ন নং ৮ঃ আত্মজ্ঞানহীন লোক মৃত্যুৰ পিছত কেনেকুৱা ঠাইলৈ গমন কৰে লিখক।

.....

.....

প্রশ্ন নং ৯ঃ আত্মঘাতী পদটি কি অর্থত ব্যৱহাৰ হৈছে লিখক।

.....

.....

প্রশ্ন নং ১০ঃ ঈশোপনিষদত কিহৰ বাহিৰে (ন অন্যথা ইতঃ অস্তি) বেলেগ পন্থা নাই বুলি কোৱা হৈছে লিখক।

.....

.....

প্রশ্ন নং ১১ঃ ঈশোপনিষদত কেনেকৈ এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত বুলি কোৱা হৈছে লিখক।

.....

.....

১২.৫ আত্মাৰ স্বৰূপ (চতুর্থ, পঞ্চম আৰু অষ্টম মন্ত্র)

আত্মজ্ঞানৰ অভাৱত মৃত্যুৰ পিছত মানুহৰ কেনেকুৱা অৱস্থা হয় সেইটো আপুনি অধ্যয়ন কৰিলে। আত্মজ্ঞানহীন লোককেই যে আত্মঘাতী বোলা হয় তাকো আপুনি জানিলে। এতিয়া ইয়াত আপুনি আত্মাৰ স্বৰূপৰ কথা অধ্যয়ন কৰিবলৈ পাব।

ঈশোপনিষদত আত্মাৰ স্বৰূপ তলত উল্লেখ কৰা মন্ত্র কেইটিত এনেদৰে বর্ণনা কৰা হৈছে—

অনেজদেকং মনসো জৱীয়ো নৈনদ্দেৱা আপ্নুৱন্ পূর্বমর্ষৎ।
তদ্ধাতোহন্যত্যেতি তিষ্ঠৎ তস্মিন্নপো মাতৰিশ্বা দধাতি।।
তদেজাতি তন্নৈজতি তদ্দূৰে তদ্বন্তিকে।
তদন্তৰস্য সর্ৱস্য তদু সর্ৱস্যাস্য বাহ্যতঃ।।
স পর্য্যগাচ্ছুক্রমকায়মব্রণমস্নাৱিৰং শুদ্ধমপাপৱিদ্ধম্।
কৱির্মনীষী পৰিভূঃ স্বয়ম্ভূর্যাথাতথ্যতোহর্থান্ ব্যদধাচ্ছাশ্বতীভ্য, সমাভ্যঃ।।

শব্দার্থ— অনেজৎ (গতি নকৰে, নাযায়, অচল) একম্ (এক, সদায় একক) মনসঃ (মনতকৈয়ো) জৱীয়ঃ (বেগবান, বেগী), পূর্ৱম্ (আগতেই) অষৎ (গৈ থকা) এনৎ (ইয়াক, এই আত্মাক) দেৱাঃ (দেৱতাসকলে) ন আপ্নুৱন্ (লাভ কৰিব নোৱাৰিছিল)। তৎ (সেই আত্মা) তিষ্ঠৎ (থিৰ হলেও, একেঠাইত নিশ্চল থাকিলেও) ধাৱতঃ (দৌৰি থকা, গতি কৰা) অন্যান্ (আনবোৰক) অতি এতি (অতিক্রম কৰে, চেৰ পেলায়)। তস্মিন্ (আত্মা থকাৰ কা�ৰণেই, আত্মাত অধিষ্ঠিত) মাতৰিশ্বা (মাতৰিশ্বাই, বায়ুৱে) অপঃ (কর্মসমূহ) দধাতি (বিধান কৰিছে)।

তৎ (আত্মা) এজতি (যায়, গতি কৰে) তৎ (সেই আত্মা) দূৰে (দূৰত, আঁতৰত) তৎ (সেই আত্মা) ন এজাতি (নাযায়, গমন নকৰে), তৎ (সেই আত্মা) উ (আৰু) অন্তিকে (ওচৰত)। তৎ (সেই আত্মা) অস্য সর্ৱস্য (এই সকলোবোৰৰ) অন্তঃ (ভিতৰত, অভ্যন্তৰত) তৎ (সেই আত্মা) উ (আৰু) অস্য সর্ৱস্য (এই সকলোবোৰৰ) বাহ্যতঃ (বাহিৰত)।

শুক্রম্ (শুদ্ধ, উজ্জ্বল), অকায়ম্ (শৰীৰহীন, দেহ নথকা) অব্রণম্ (অক্ষত), অস্নাৱিৰম্ (শিৰা নথকা, স্নায়ু নথকা) শুদ্ধম্ (নির্মল, শুদ্ধ) অপাপবিদ্ধম্ (পাপহীন), কৱিঃ (ক্রান্তদর্শী, সর্ৱদ্রষ্টা) মনীষী (সর্বজ্ঞ), পৰিভূঃ (সকলোতে বিৰাজিত), স্বয়ম্ভূঃ (আপোনা-আপুনি হোৱা), সঃ (তেওঁ, সেই পৰমাত্মা) পৰি অগাৎ (সকলোতে গতিশীল) য়াথাতথ্যতঃ (যথাযথ ধৰণে) শাশ্বতীভ্যঃ (চিৰন্তন) সমাভ্যঃ (কালৰে পৰা) অর্থান্ (বিষয়সমূহ) ব্যদধাৎ (ভাগ কৰি দিছে)।

অসমীয়া অনুবাদ—গতিহীন, অদ্বিতীয় আত্মা মনতকৈয়ো বেগী। দেৱতাসকলেও আগৰে পৰা থকা তেওঁক লাভ কৰিব নোৱাৰে। তেওঁ নিশ্চল হ'লেও বেগশীল সকলো পদার্থক অতিক্রম কৰে। আত্মা থকাৰ কাৰণেই প্রাণবায়ুয়ে কর্মসমূহ বিধান কৰে।

তেওঁ যায়, তেওঁ নাযায়। তেওঁ দূৰত আৰু তেওঁ কাষতে (ওচৰতো)। তেওঁ সকলোৰে অন্তৰত আৰু তেওঁ এই সকলোবোৰৰ বাহিৰতো।

উজ্জ্বল, শৰীৰহীন, অক্ষত, স্নায়ুহীন, নির্মল, পাপহীন, সূক্ষ্ম আৰু সর্ৱদ্রষ্টা, সর্বজ্ঞ, সকলোতে বিৰাজিত, আপোনা-আপুনি উদ্ভৱ হোৱা, চাৰিওপিনে স্থিতিশীল তেওঁ যথার্থৰূপত চিৰন্তন কালৰে পৰা বিষয়সমূহ বিভক্ত কৰিছে।

তাৎপর্য— আ পুনি আত্মজ্ঞানৰ কথা ইতিমধ্যে কিছু পৰিমাণে অধ্যয়ন কৰিছে। আত্মজ্ঞানৰ কথা কওঁতে আত্মাৰ স্বৰূপৰ বিষয়েও কবলগীয়া হৈছে বুলি আপুনি বুজিব পাৰিছে। কাৰণ, আত্মা নো কি, ইয়াৰ লক্ষণ কেনেকুৱা আদি বিষয়ৰ আভাস পালেহে আপুনি আত্মাৰ কথা কিছু অৱগত হব পাৰিব। আত্মাৰ কোনো আকাৰ নাই। আত্মাৰ কোনো ৰূপো নাই। কিন্তু আত্মানো কেনেকুৱা তাক বুজিবলৈ ঈশোপনিষদত সংসাৰৰ সাধাৰণ ধর্মৰ (গুণ) পৰা আত্মা যে বেলেগ সেইটো স্পষ্টকৈ কোৱা হৈছে। কাৰণ, আত্মা সদায় গুণ, ৰূপহীন আৰু ইয়াৰ কোনো শাৰীৰিক অৱয়বো নাই। সেইকাৰণেই শৰীৰৰ ধর্মবোৰো আত্মাৰ নাই।

আত্মা গতিহীন, অচল। এই আত্মা অদ্বিতীয়। আত্মা সংসাৰৰ সকলোতে এনেকৈ পৰিব্যাপ্ত যে তেওঁৰ আকৌ গমন কৰিবৰ কোনো প্রয়োজন নাই। তেওঁ মনতকৈয়ো বেগী। আত্মাৰ গতি থাকিলেও তেওঁ নিশ্চল। কাৰণ, যিটো কথা জানিবলৈ বা কোনো এঠাইত যাবলৈ মানুহে যি চেষ্টা

কৰিব লাগে, আত্মা তাত পূর্বতেই বিৰাজিত থাকে। কাৰণ, আত্মা সর্ব্বব্যাপী। আত্মা তেনেই ওচৰত আৰু তেনেই আঁতৰতো বিৰাজিত। তেওঁ সকলোৰে ভিতৰত আত্মাৰূপে অধিষ্ঠিত আৰু সকলোৰে বহিৰতো তেঁও পৰিব্যাপ্ত। তেওঁ সকলোতে গমনশীল আৰু তেওঁ অতি পৱিত্র।

সৃষ্ট পদার্থৰ দেহ আৰু আকৃতি আছে। কিন্তু আত্মাৰ দেহ বা শাৰীৰিক গঠন নাই। দেহযুক্ত প্রাণীৰ দৰে তেওঁৰ কোনো স্নায়ু (শিৰা) নাই। তেওঁ অক্ষত। তেওঁ শুদ্ধ আৰু পাপহীন। তেওঁ সর্বজ্ঞ আৰু মনীষী। তেওঁৰ জন্ম নহয়, তেওঁ নিজেই আৱির্ভূত হয় আৰু সকলো পিনেই তেওঁ অৱস্থান কৰে। অনাদি কালৰে পৰা সকলোতে তেওঁ কর্মৰ বিধান কৰিছে। আত্মাৰ পৰাই সংসাৰৰ উৎপত্তি হৈছে আৰু শেষত আত্মাতেই তাৰ লয় ঘটে। পৰমাত্মাই বিশ্বব্রহ্মাণ্ডৰ সৃষ্টি কৰি তাৰ ভিতৰত তেওঁ চৈতন্য ৰূপত বিৰাজ কৰে। সেই সেইকাৰণেই 'ঈশাৱাস্যম্ ইদং সর্ব্বম্', 'তদ্ধাৱতোহন্যান্ অত্যেতি,' 'তদন্তৰস্য সর্ব্বস্য তদু সর্ব্বস্যাস্য বাহ্যতঃ' আদি বহুতো প্রকাৰে আত্মাৰ সর্ব্বব্যাপিত্বৰ কথা আলোচনা কৰা হৈছে। আত্মা ভিতৰ, বাহিৰ, ঊর্দ্ধ, অধঃ আদি সকলো দিশত ওতঃপ্রোতভাবে বিৰাজিত।

১২.৫.১ আত্মজ্ঞানীৰ মনৰ অৱস্থা (ষষ্ঠ আৰু সপ্তম মন্ত্র)

আপুনি আত্মাৰ স্বৰূপৰ বিষয়ে অধ্যয়ন কৰিলে। আত্মা সর্ব্বব্যাপী, সর্ব্বজ্ঞ আৰু সৃষ্টিৰ মূল কাৰণ বুলিও জানিলে। আত্মাৰ সর্ব্বব্যাপিত্ব উপলব্ধি কৰিব পাৰিলে মানুহৰ মনৰ অৱস্থা কেনেকুৱা হয় সেইটোও ঈশোপনিষদত কোৱা হৈছে। এতিয়া আপুনি সেই বিষয়ে অধ্যয়ন কৰিবলৈ পাব। ঈশোপনিষদত এই সন্দর্ভত কোৱা হৈছে—

"য়স্তু সর্ৱাণি ভূতানি আত্মন্যেৱানুপশ্যতি।
সর্ৱভূতেষু চাত্মানং ততো ন বিজুগুপ্সতে।।
যস্মিন্ সর্ব্বানি ভূতানি আত্মৈৱাভূদ্ ৱিজানতঃ
তত্র কো মোহঃ কঃ শোক একত্বমনুপশ্যতঃ ।।"

শব্দার্থ— যঃ তু (কিন্তু যিয়ে) আত্মনি এৱ (নিজৰ আত্মাতেই) সর্ব্বানি ভূতানি (সকলোবোৰ প্রাণীক) অনুপশ্যতি (দেখে) চ (আৰু) সর্বভূতেষু (সকলো প্রাণীত) আত্মানম্ (নিজক, নিজৰ আত্মাক)। ততঃ (সেইকাৰণেই) ন বিজুগুপ্সতে (ঘৃণা নকৰে)।

যস্মিন্ (যি সময়ত) আত্মা এৱ (আত্মাই) সর্বাণি ভূতানি (সকলো প্রাণী) অভূৎ (হৈছে, হয়), তত্র (সেই সময়ত) বিজানতঃ (জানোঁতাৰ, যিয়ে উপলব্ধি কৰে তেওঁৰ) একত্বম্ (একত্ব, কেৱল একেটাই তত্ত্ব)অনুপশ্যতঃ (উপলব্ধিৰ, যিয়ে দেখে তেওঁৰ) কঃ মোহঃ (মোহ কি) কঃ শোকঃ (শোক কি)।

অসমীয়া অনুবাদ—যিয়ে নিজৰ আত্মাকেই সকলো প্রাণীক আৰু সকলো প্রাণীতেই নিজৰ আত্মাক দর্শন কৰে; সেইকাৰণেই তেওঁ কাকো ঘিণ নকৰে।

যেতিয়া সকলো প্রাণী আত্মা বুলি অনুভূত হয়, তেতিয়া একত্বদর্শী পৰমজ্ঞানীৰ মোহেই বা কি শোকেই বা কি?

তাৎপর্য—আপুনি জানিবলৈ পালে যে সকলোতে পৰমাত্মাৰ অনুভূতিয়ে মানুহক সমভাবাপন্ন হ'বলৈ শিকায়। ভেদ ভাৱৰ পৰাই ঘৃণা, বিদ্বেষ আদিৰ সৃষ্টি হয়। যেতিয়া মানুহে সকলো প্ৰাণীক আত্মদৰ্শনৰ দৃষ্টিৰে উপলব্ধি কৰে তেতিয়া মানুহৰ মনৰ পৰা ঘৃণা, অসূয়া, অপ্ৰীতি আদি ভাৱসমূহ আঁতৰি যায়। কাৰণ, এজনৰ অন্তৰত যি আত্মাৰ অৱস্থিতি, আন সকলোৰে ভিতৰতো সেই একে আত্মাৰেই অৱস্থান। সেইকাৰণেই আনক ঘৃণা কৰা মানেই নিজক ঘৃণা কৰাহে বুজায়।

যিয়ে সকলোতে আত্মাক অনুভৱ কৰে তেওঁ আত্মাদৰ্শী। সকলোৰে পৃথক পৃথক দৈহিক আকৃতিৰ অন্তৰালত অপৰিবৰ্ত্তনীয়, নিত্য আত্মা বিৰাজিত। দেহৰ লগত বা দৈহিক আকৃতিৰ লগত আত্মাৰ কোনো সম্পৰ্ক নাই। দেহৰ মাজত দেহীৰূপে তেওঁ সকলোতে বিৰাজ কৰে। দেহৰ ধ্বংসৰ ফলতো আত্মাৰ ধ্বংস নহয় বা কোনো পৰিৱৰ্তন নহয়। আত্মাৰ অৱিনশ্বৰতাত যাৰ মন যিমান গভীৰভাবে উপলব্ধি কৰিব পাৰে, তেওঁৰ মনৰ পৰা শোক, মোহ, মায়া আদি সাংসাৰিক ভাৱবোৰো সোনকালে আঁতৰি যায়। এই শ্লোক দুটাত আত্মাৰ সৰ্ব্বব্যাপিত্বত মন নিবেশৰ পৰা ঘৃণাৰ ভাব আঁতৰ হয় বুলি কোৱা হৈছে। দ্বিতীয়তে আত্মাৰ যে ধ্বংস নহয়, আত্মাই যে নিত্য এনেকুৱা ভাৱৰ পৰা সংসাৰবন্ধন ৰূপ শোক আৰু মোহ আদি ভাৱ দূৰীভূত হয়। দেহৰ ধ্বংসত শোক কৰাটো পৰম দৃষ্টিত নিৰৰ্থক। কাৰণ, আত্মাৰ বিনাশ নাই। সংসাৰৰ যিকোনো বিষয়ত মোহো থাকিব নালাগে। কাৰণ, কোনো বস্তুৱেই নিত্য বা স্থায়ী নহয়। সেইকাৰণেই অস্থায়ী বিষয়ত মোহ কৰাটো নিষ্প্ৰয়োজন। এতেকে আপুনি জানিলে যে আত্মাৰ একত্বৰ অনুভূতিয়ে মানুহৰ মনৰ পৰা ঘৃণা, মোহ আৰু শোক আঁতৰাই জীৱক পৰমাত্মাৰ একত্বত অধিষ্ঠিত কৰে।



জানি থোৱা ভাল

১) **মাতৰিশ্বা**—'মাতৰিশ্বা' পদে বায়ুক বুজায়। 'মাতৰি' পদে অন্তৰীক্ষ আৰু 'শ্বয়তি' পদে যোৱা অর্থ বুজাইছে। অন্তৰীক্ষত যি যায় তাকেই মাতৰিশ্বা বোলা হয়—'মাতৰি অন্তৰিক্ষে শ্বয়তি গচ্ছত ইতি মাতৰিশ্বা বায়ুঃ'।

২) **অপঃ**— 'অপঃ' পদে সাধাৰণতে পানীক বুজায়। কিন্তু ইয়াত 'অপঃ' পদটি কর্মৰ অর্থত ব্যৱহাৰ হৈছে—'অপঃ কর্মাণি প্ৰাণিনাং চেষ্টালক্ষণানি' প্ৰাণীৰ প্ৰাণধাৰণ আদি সকলো কর্মৰ অর্থত অপঃ পদটি প্ৰয়োগ হৈছে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১২ঃ 'মাতৰিশ্বা' পদটিয়ে কাক বুজাইছে লিখক।

.....

.....

প্রশ্ন নং ১৩ঃ 'অপঃ'পদটি কি অর্থত ব্যৱহাৰ হৈছে লিখক।

.....

.....

প্রশ্ন নং ১৪ঃ সকলো পদার্থত আত্মা আছে নে নাই লিখক।

.....

.....

প্রশ্ন নং ১৫ঃ আত্মদর্শীৰ মনৰপৰা শোক, মোহ আঁতৰ হয় নে নহয় লিখক।

.....

.....

প্রশ্ন নং ১৬ঃ 'ঘৃণা' কেতিয়া নাইকিয়া হয় লিখক।

.....

.....



১২.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ঈশোপনিষদৰ পৰিচয় লাভ কৰিলে।
- ঈশ্বৰৰ সর্ব্বব্যাপিত্বৰ কথা জানিব পাৰিলে।
- ত্যাগৰ ভাব মনত ধাৰণ কৰি ভোগ কৰিব লাগে বুলি গম পালে।
- কাৰো ধনৰ প্রতি লোভ কৰিব নালাগে বুলিও জানিলে।
- কর্ম কৰিয়েই এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত বুলি জানিলে।
- আত্মাৰ স্বৰূপৰ বিষয়ে অধ্যয়ন কৰিলে।
- আত্মজ্ঞানীৰ মনৰ অৱস্থা কেনেকুৱা হয় তাকো জানিলে।
- কিছুমান মন্ত্রৰ শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিবলৈ পালে।
- বিদ্যা, অবিধ্যা, সম্ভূতি আৰু অসম্ভূতি শব্দবোৰৰ অর্থও কিছু পৰিমাণে জানিব পাৰিলে।



১২.৭ অধিক জানিবলৈ

১) সম্পাদক পণ্ডিত দুর্গাচৰণ সাংখ্য, *ঈশ, কেন, কঠ, উপনিষদ্* (১৩৭৪ বাংলা), বেদান্ত-কলিকতা ঃ তীর্থ দেব সাহিত্য কুটীৰ।

২) *উপনিষদ—অখণ্ড সংস্কৰণ* (১৯৮৭ খৃষ্টাব্দ), কলিকতা ঃ হৰফ প্ৰকাশনী।

৩) ভদ্ৰ, শ্ৰীসুধেন্দু মোহন, *ঈশোপনিষদ্* গুৱাহাটী ঃ ছিটি প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ।



১২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ঈশোপনিষদ্খন শুক্লযজুৰ্বেদৰ অন্তৰ্গত।

২ নং প্ৰশ্নৰ উত্তৰঃ ঈশা।

৩ নং প্ৰশ্নৰ উত্তৰঃ ঈশোপনিষদ্খন শুক্লযজুৰ্বেদৰ মন্ত্ৰ অংশৰ অন্তৰ্গত। সেইকাৰণেই তাক মন্ত্ৰোপনিষদ্ বুলি কোৱা হয়।

৪ নং প্ৰশ্নৰ উত্তৰঃ চল্লিছটি।

৫ নং প্ৰশ্নৰ উত্তৰঃ বিঘিনি তিনি প্ৰকাৰৰ। সেইবোৰ হৈছে—আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক।

৬ নং প্ৰশ্নৰ উত্তৰঃ ঈশোপনিষদ্খন মন্ত্ৰোপনিষদ্, ঈশাৱাস্যোপনিষদ্, বাজসনেয়িসংহিতোপনিষদ্ নামেৰেও জনা যায়।

৭ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ।

৮ নং প্ৰশ্নৰ উত্তৰঃ আত্মজ্ঞানহীন লোক মৃত্যুৰ পিছত অসুৰৰ কাৰণে উপযুক্ত অন্ধকাৰ লোকলৈ গমন কৰে।

৯ নং প্ৰশ্নৰ উত্তৰঃ আত্মঘাতী পদটি আত্মজ্ঞানহীন অৰ্থত ব্যৱহাৰ হৈছে।

১০ নং প্ৰশ্নৰ উত্তৰঃ কৰ্ম কৰাৰ বাহিৰে বেলেগ পন্থা নাই বুলি কোৱা হৈছে।

১১ নং প্ৰশ্নৰ উত্তৰঃ ঈশোপনিষদত কৰ্ম কৰিয়েই এশ বছৰ জীয়াই থাকিবলৈ ইচ্ছা কৰা উচিত বুলি কোৱা হৈছে।

১২ নং প্ৰশ্নৰ উত্তৰঃ বায়ু।

১৩ নং প্ৰশ্নৰ উত্তৰঃ অপঃ পদটি কৰ্ম অৰ্থত ব্যৱহাৰ হৈছে।

১৪ নং প্ৰশ্নৰ উত্তৰঃ সকলো ভূতত আত্মা আছে।

১৫ নং প্রশ্নৰ উত্তৰঃ আত্মদর্শীৰ মনৰ পৰা শোক, মোহ, আঁতৰ হয়।

১৬ নং প্রশ্নৰ উত্তৰঃ যেতিয়া সকলো প্রাণীৰ আত্মাত নিজক আৰু নিজৰ আত্মাত সকলো প্রাণীক দেখে তেতিয়া ঘৃণা নাইকিয়া হয়।



১২.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ঈশোপনিষদৰ প্রথম মন্ত্রটো মুখস্থ লিখক।

প্রশ্ন ২ঃ ঈশাবাচ্যম্ ..... এই মন্ত্রটোৰ অর্থ লিখক।

(খ) চমু প্রশ্ন ঃ

প্রশ্ন ১ঃ তলৰ শব্দবোৰৰ চমু টোকা লিখক—

বিদ্যা, সম্ভূতি, মাতৰিশ্বা, অপঃ।

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ঈশোপনিষদত অধ্যয়ন কৰা আত্মাৰ স্বৰূপ আপোনাৰ নিজৰ ভাষাত লিখক।

প্রশ্ন ২ঃ আত্মজ্ঞানীৰ মনৰ অৱস্থা কেনেকুৱা হয় সেই বিষয়ে আপুনি নিজৰ ভাষাত লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ কঠোপনিষদ (সাধাৰণ অধ্যয়ন)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ নামৰ তাৎপর্য্য

১৩.৪ উপনিষদৰ সংখ্যা - মুখ্য উপনিষদসমূহ

১৩.৫ উপনিষদৰ কাল

১৩.৬ কঠোপনিষদৰ এক সম্যক আভাস

- ১৩.৬.১ কঠোপনিষদৰ এক সাধাৰণ পৰিচয়
- ১৩.৬.২ কঠোপনিষদৰ আলোচ্য বিষয়
- ১৩.৬.৩ কঠোপনিষদৰ প্ৰতিটো অধ্যায়ৰ প্ৰতিটো বল্লীৰ বিষয়বস্তুৰ সাৰাংশ

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৮ অধিক জানিবলৈ

১৩.৯ অগ্ৰগতিৰ খতিয়ান

১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উপনিষদ-এই নামটিৰ তাৎপর্য জানিব পাৰিব
- উপনিষদৰ সংখ্যা আৰু মুখ্য উপনিষদসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব
- কঠোপনিষদৰ এক সম্যক পৰিচয় লাভ কৰিব পাৰিব
- কঠোপনিষদৰ আলোচ্য বিষয়ৰ লগত অৱগত হ'ব
- কঠোপনিষদৰ প্ৰতিটো অধ্যায়ৰ অন্তর্গত প্ৰতিটো বল্লীৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিব
- উপনিষদৰ কাল সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব।

১৩.২ পৰিচয়

ভাৰতীয় সনাতন সভ্যতা তথা ঐতিহ্যৰ মূল ভেটি হৈছে বেদ। বেদেই হৈছে সকলো ধর্ম তথা দর্শনৰ মূল। বিষয়বস্তুৰ ফালৰ পৰা কালানুযায়ী এই বেদকেই আকৌ চাৰিটা ভাগত ভাগ কৰা হৈছে— মন্ত্র বা সংহিতাভাগ, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ্। ইয়াৰে মন্ত্র আৰু ব্রাহ্মণক একেলগে কর্মকাণ্ড তথা আৰণ্যক আৰু উপনিষদ্, উভয়কে একেলগে জ্ঞানকাণ্ড বুলি

কোৱা হয়। বেদৰ সকলোতকৈ শেষৰ ভাগটোৱেই হৈছে উপনিষদ্। উপনিষদক 'বেদস্য অন্ত ইতি' বেদান্ত নামেৰেও জনা যায়। কাৰণ এই উপনিষদসমূহতেই বেদৰ গুঢ় তত্ত্বাজি অন্তর্নিহিত হৈ থকা বুলি ভাৰতীয় প্ৰাচীন জ্ঞানগর্ভা মনীষীসকলে ব্যক্ত কৰি গৈছে।

উপনিষদৰাজিত বেদৰ কর্মকাণ্ডতকৈ জ্ঞানকাণ্ডৰহে আলোচনা প্ৰগাঢ়ৰূপত দৃশ্যমান হয়। প্ৰাচীন ভাৰতীয় বিভিন্ন দর্শনশাস্ত্ৰসমূহৰো বীজ ইয়াতেই অংকুৰিত হৈছে। উপনিষদসমূহত মূখ্যতঃ ব্ৰহ্মবিদ্যাৰ বিষয়ে আলোচিত হৈছে।

১৩.৩ উপনিষদৰ নামটিৰ তাৎপর্য্য

আগতেই কৈ অহা গৈছে যে উপনিষদ এই শব্দটিয়ে মূলতঃ ব্ৰহ্মবিদ্যাকেই নির্দেশ কৰে। কিন্তু গৌণ অর্থত এই শব্দটি সমস্ত দার্শনিক সাহিত্যৰাজি যি ব্ৰহ্মবিদ্যাপৰক, সেই সকলোকে সামৰি লয়। 'উপনিষদ' পদটো স্ত্ৰীলিঙ্গবাচক আৰু ই ৰহস্যময়ী বিদ্যা। 'অমৰকোষ'ত এই সম্পর্কে কোৱা হৈছে যে ধর্মতঃ অর্থাৎ স্বভাৱতেই উপনিষদসমূহ ৰহস্যঘন। কাৰণ নিঃশ্ৰেয়সসাধক যি ব্ৰহ্মবিদ্যা, সি সদায় গুঢ়। বেদৰ অভ্যন্তৰত নিহিত হৈ থকা এই গোপন তত্ত্বক অনুভৱ কৰিবলৈ হ'লে প্ৰয়োজন প্ৰগাঢ় সাধনাৰ। সেয়েহে প্ৰাচীন মনীষীসকলে অতি সাৱধানে এই তত্ত্বৰ জ্ঞানাদেশ নিজৰ যোগ্য শিষ্য-প্ৰশিষ্যসকলকহে প্ৰদান কৰিছিল। সর্বসাধাৰণ মানুহৰ পক্ষে এই গুঢ়তত্ত্বৰ জ্ঞান আহৰণ কৰাটো অসাধ্য তথা দুৰূহ বুলি বহু উপনিষদত উল্লেখ থকা আমি দেখিবলৈ পাওঁ।

অদ্বৈত বেদান্ত দর্শনৰ প্ৰতিষ্ঠাপক আচার্য্য শ্ৰীশংকৰাচার্য্যই 'উপনিষদ্' পদটোৰ ব্যুৎপত্তি নিৰূপণ প্ৰসংগত গুৰুত্বপূর্ণ অভিমত আগবঢ়াইছে। দৰাচলতে উপ আৰু নি পূর্বক সদ্ ধাতুৰ লগত ক্বিপ্ প্ৰত্যয়যুক্ত হৈ উপনিষদ পদটো ব্যুৎপন্ন হৈছে। ইয়াত 'উপ' উপসর্গটিয়ে ওচৰত, কাষত বা সমীপত আদি অর্থ নির্দেশ কৰে। নি মানে নিশ্চিতকৈ। অর্থাৎ গুৰুৰ সমীপত অৱস্থান কৰি মোক্ষার্থী শিষ্যই এই গোপন কিন্তু পৰম শ্ৰেয়স্কৰ ব্ৰহ্মতত্ত্বক নিশ্চিতভাৱে উপলব্ধি কৰাৰ চেষ্টা কৰিছিল। এই ক্ষেত্ৰত শ্ৰীমদ্শংকৰাচার্য্যই সদ্ ধাতুৰ তিনিপ্ৰকাৰ অর্থৰ উল্লেখ কৰিছে— বিশৰণ, গতি আৰু অৱসাদন। ইয়াত বিশৰণ পদটোৰ অর্থ শিথিল কৰা অর্থাৎ অবিদ্যাৰ শিথিলীকৰণ আৰু মুমুক্ষুব্যক্তিক আত্মজ্ঞানৰ দিশে অগ্ৰসৰ কৰোৱা। গতি অর্থাৎ গমন, অজ্ঞানতাৰ পৰা ব্ৰহ্মজ্ঞানৰ পথলৈ। অৱসাদন অর্থাৎ অবিদ্যাক সমূলি নাশ কৰা বা ধ্বংস কৰা। এই সমূহ অর্থকেই উপনিষদ পদটোৱে সামৰি লৈছে। গতিকে উপনিষদেই হৈছে এক অর্থত পৰাবিদ্যা, যি পৰমপদ মোক্ষসাধক। বাকী সকলো বিদ্যাকেই অপৰা বিদ্যা বুলিহে কোৱা হয়। অর্থাৎ ষড়বেদাঙ্গসহিতে ঋক্ প্ৰভৃতি চাৰিবেদ হ'ল অপৰাবিদ্যা আৰু পৰাবিদ্যা হ'ল সেয়ে যাৰ দ্বাৰা অক্ষৰব্ৰহ্মজ্ঞান উপলব্ধ হয়। গতিকে বেদৰ অংশবিশেষ উপনিষদৰ পৰা উদ্বুদ্ধ হোৱা নিত্য, শুদ্ধ, বুদ্ধ, মুক্তস্বভাৱ, অবিনাশী সেই পৰমতত্ত্বক উপলব্ধি কৰাতেই উপনিষদৰ সার্থকতা সিদ্ধি হয়।

১৩.৪ উপনিষদৰ সংখ্যা - মূখ্য উপনিষদসমূহ

উপনিষদৰ সংখ্যা সম্পৰ্কে বিশেষজ্ঞসকলৰ মাজত মতানৈক্য থকা পৰিলক্ষিত হয়। ইয়াৰ মূখ্য কাৰণ হৈছে উপনিষদসমূহ হ'ল শ্রুতিসাহিত্য, যি বহুৰ বহুৰ ধৰি কালৰ সোঁতত মুখে মুখে প্রবাহিত হৈ আহি বর্তমানৰ এই লিখিত ৰূপ ধাৰণ কৰিছে। গতিকে এই সাহিত্যৰাজিৰ ক্ষেত্রত এক নিশ্চিত সময় আৰু সংখ্যা স্থিৰ কৰাটো দৰাচলতে এক দুৰূহ কাম।

আনহাতে, এই বিষয়ৰ ওপৰত কোনো সঠিক তথ্য-প্রমাণ পাবলৈ নাই। বর্তমানে পোৱা নথি পত্রৰ ওপৰত ভিত্তি কৰি ক'ব পৰা যায় যে উপনিষদৰ সংখ্যা আনুমানিক দুশৰো অধিক। মুক্তিকোপনিষদত এই সংখ্যা মুঠ ১০৮খন বুলি উল্লেখ কৰা হৈছে।

দাৰাশিকোহে (এক প্রসিদ্ধ মোগলবংশীয় ইতিহাসবিদ, ১৬১৫—১৬৫৯ শতিকা) তেওঁৰ সংগ্রহত উপনিষদৰ মুঠ সংখ্যা ৫০খন বুলি উল্লেখ কৰিছে। ক'লব্রুক (১৭৬৫—১৮৩৭) নামৰ এগৰাকী পাশ্চাত্য পণ্ডিতৰ মতে এয়া আচলতে ৫২খন। পণ্ডিত উৱেবাৰে কিন্তু তেওঁৰ 'History of Sanskrit Literature' গ্রন্থত মুঠতে ২৩৫খন উপনিষদ আছে বুলি স্বীকাৰ কৰিছে। ১৮৬৫ চনত মেক্সমুলাৰে উপনিষদৰ সংখ্যা সম্বলিত এক নতুন সূচী প্রস্তুত কৰি উলিয়ায় য'ত তেওঁ বর্ণক্রমানুসৰি ১৪৯খন উপনিষদৰ নাম উল্লেখ কৰে। আন এক অংশত তেওঁ পুনৰায় কয় যে ড° বার্ণেলে ইয়াত ৫খন আৰু অধ্যাপক হ'গে ১৬খন যোগ দি মুঠতে ১৭০খন পোৱা গৈছে। এইসমূহকে একেলগে পণ্ডিত মেক্সমুলাৰে প্রকৃতার্থত যথার্থ আৰু পূর্ণাংগ উপনিষদ বুলি অভিহিত কৰে।

এতিয়া, এই সমূহ উপনিষদৰ মাজত মুখ্য উপনিষদকেইখন চিনাক্তকৰণৰ বেলিকা আমি আচার্য্য শংকৰাচার্য্যৰ অভিমত গ্রহণ কৰাটোৱেই যুক্তিযুক্ত বুলি পৰিলক্ষিত হয়। মন কৰিবলগীয়া কথা যে আচার্য্য শংকৰাচার্য্যই মুঠতে এঘাৰখন উপনিষদৰ ওপৰতহে ভাষ্য ৰচনা কৰিছিল। এইকেইখন হৈছে— ঈশ, কেন, কঠ, প্রশ্ন, মুণ্ডক, মাণ্ডুক্য, তৈত্তিৰীয়, ঐতৰেয়, ছান্দোগ্য, বৃহদাৰণ্যক আৰু শ্বেতাশ্বতৰ। কিন্তু শ্বেতাশ্বতৰ উপনিষদৰ ওপৰত থকা শংকৰাচার্য্যৰ ভাষ্য তেওঁৰ নিজস্ব ৰচনা নহয় বুলি বহুতো পণ্ডিতে মত পোষণ কৰে। মুখ্য উপনিষদৰ সংখ্যানিৰূপণৰ ক্ষেত্রত ড° সর্বপল্লী ৰাধাকৃষ্ণণদেৱৰ মত উল্লেখযোগ্য। তেওঁ তেওঁৰ স্বকীয় গ্রন্থ 'The Principal Upanishads' ত উল্লেখ কৰিছে যে প্রাচীন পৰম্পৰা অনুসৰি এই সংখ্যা উক্ত দহখন বুলি কোৱা হৈছে। গতিকে তেওঁ প্রাচীন পৰম্পৰা অনুসৰিয়েই ব্যাখ্যা আগবঢ়াইছে। ইয়াত কিন্তু শ্বেতাশ্বতৰোপনিষদক ধৰা হোৱা নাই।

১৩.৫ উপনিষদৰ কাল

উপযুক্ত তথ্য-প্রমাণৰ অভাৱত উপনিষদৰ কাল সম্পৰ্কে কোনো সঠিক মতামত আজিলৈকে উপস্থাপন কৰিব পৰা হোৱা নাই। ইয়াৰোপৰি উপনিষদসমূহ কোনো এজন ব্যক্তিৰ ব্যক্তিগত ৰচনা নহয়। ই এক বিৰাট সাহিত্য যি বহু বছৰ জুৰি মুখে মুখে চলি অহা এক সামগ্রিক

সাধনাৰ ফলশ্রুতি স্বৰূপ। এই ক্ষেত্রত প'ল ড'ছন (১৮৪৫-১৯১৯) নামৰ এক পাশ্চাত্য পণ্ডিতে তেওঁৰ 'The Philosophy of the Upanishads' নামৰ গ্রন্থত নিজৰ মত পোষণ কৰি কৈছে যে নিশ্চয় এই উপনিষদসমূহ আনুমানিক খৃঃপূঃ ১০০০ বা ৪০০ নতুবা ৫০০ খৃঃ পূঃ কালৰ ৰচনা; বৌদ্ধধর্মৰ প্রাদুর্ভাৱৰ আগতেই যাৰ সৃষ্টি হৈছিল। মেক্সমুলাৰ আদিয়েও খ্রীঃ পূঃ ৫০০ শতিকায়েইপ্রাচীন তথা প্রধান উপনিষদসমূহৰ ৰচনাকাল বুলি ঠাৱৰ কৰিছে। উইন্টাৰনিজ (১৮৬৩-১৯৩৭) নামৰ এজন পাশ্চাত্য পণ্ডিত তথা প্রাচ্যতত্ত্ববিদৰ মতে বৈদিক সভ্যতাত, বিশেষকৈ ঋক্‌বেদৰ সাধাৰণ প্রকৃতি-উপাসনাৰ পৰা আৰম্ভ কৰি উপনিষদৰ যুগত তাৰেই ভিত্তিত সৃষ্টি হোৱা দার্শনিক চিন্তাৰাজিলৈকে এই উৎকর্ষণ কেইবা শতিকা ব্যাপি চলি থকা এক প্রক্রিয়া।

সেয়েহে তেওঁ গ্রীক পণ্ডিত মেগাস্থেনিছ্ প্রথম ভাৰতলৈ অহা সময়কে, প্রায় ৩০০ খ্রীঃ পূঃ কালকেই উপনিষদৰো প্রকৃত কাল বুলি স্বীকাৰ কৰিছে। কাৰণ তেওঁ আহি ভাৰতবর্ষত সেই সময়তেই সম্প্রদায়ভেদে বিভিন্ন দেৱ-দেৱীৰ প্রতি ভক্তি, বিশ্বাস আদি দর্শন কৰিছিল। গতিকে উপনিষদৰ কাল সম্পর্কে একেবাৰে ন্যূনতম সময়সীমা ৩০০ খ্রীঃ পূঃ কাল বুলি সাধাৰণতে ধৰি লোৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ উপনিষদ পদটো কেনেকৈ সাধিত হয়?

.....

.....

প্রশ্ন নং ২ঃ বেদৰ কর্মকাণ্ড আৰু জ্ঞানকাণ্ড বুলিলে কি বুজা যায়?

.....

.....

প্রশ্ন নং ৩ঃ খালী ঠাই পূৰণ কৰক—

(ক) উপনিষদক ..... নামেৰেও জনা যায়।

(খ) মুক্তিকোপনিষদত উপনিষদৰ সংখ্যা .....খন বুলি উল্লেখ কৰা হৈছে।

প্রশ্ন নং ৪ঃ মূখ্য উপনিষদৰ সংখ্যা কেইখন আৰু কি কি?

.....

.....

১৩.৬ কঠোপনিষদৰ এক সম্যক আভাস

এই অংশত আপুনি কঠোপনিষদৰ এক সাধাৰণ পৰিচয়, আলোচ্য বিষয় আৰু এই উপনিষদৰ প্রতিটো অধ্যায়ৰ অন্তর্গত প্রতিটো বল্লীৰ বিষয় বস্তুৰ বিষয়ে সম্যকভাৱে অৱগত হ'ব পাৰিব।

১৩.৬.১ কঠোপনিষদৰ এক সাধাৰণ পৰিচয়

উপনিষদসমূহ বৈদিক সাহিত্যৰ অন্তর্গত। প্রতিখন বেদৰ নিজা নিজা ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ গ্রন্থ আছে। আগতেই কৈ অহা হৈছে যে কঠোপনিষদো মূখ্য উপনিষদকেইখনৰে এখন। তলত প্রত্যেকখন বেদৰ লগত জড়িত হৈ থকা মূখ্য উপনিষদসমূহৰ নামসমূহ যথাক্রমে সজোৱা হ'ল—

ঋগবেদ = ঐতৰেয়

যজুর্বেদ = তৈত্তিৰীয়, কঠ, বৃহদাৰণ্যক, ঈশ।

সামবেদ = ছান্দোগ্য, কেন

অথর্ববেদ = মুণ্ডক, মাণ্ডুক্য, প্রশ্ন।

ইয়াৰ ভিতৰত যজুর্বেদক আকৌ দুটা ভাগত বিভক্ত কৰা হয়। শুক্ল আৰু কৃষ্ণ যজুর্বেদ। ইয়াৰে কৃষ্ণ যজুর্বেদৰ অন্তর্গত হ'ল কঠোপনিষদ্। কঠোপনিষদক কাঠকোপনিষদ বুলিও কোৱা হয়। ই কৃষ্ণ যজুর্বেদৰ তৈত্তিৰীয় শাখাৰ অন্তর্গত। এই উপনিষদত দুটা অধ্যায় আছে। একোটাকৈ অধ্যায়ত তিনিটাকৈ বল্লী থাকে। সেয়েহে কেতিয়াবা ইয়াক কঠবল্লী উপনিষদ বুলিও কোৱা হয়। প্রথম অধ্যায়ৰ তিনিটা বল্লীত নচিকেতাৰ আখ্যান আৰু তাৰ উত্তৰত যমে দিয়া আত্মতত্ত্বোপদেশ সুন্দৰকৈ বর্ণিত হৈছে। দ্বিতীয় অধ্যায়ত উপনিষদে নিজেই ব্রহ্মতত্ত্ব তথা ব্রহ্মজ্ঞান লাভৰ উপায় বিৱৰি কৈছে।

১৩.৬.২ কঠোপনিষদৰ আলোচ্য বিষয়

কঠোপনিষদ্ বিশেষকৈ আৰম্ভ হৈছে নচিকেতা আখ্যানৰ দ্বাৰা। এই নচিকেতা আখ্যান-কথনৰ মূলতে হ'ল গল্পচ্ছলে যাতে অতি পৰিস্ফুটভাৱে, দুর্বিজ্ঞেয় ব্রহ্ম-তত্ত্ব জিজ্ঞাসুসকলক অৱগত কৰাব পৰা যায়। উপনিষদৰ এই শিক্ষা-প্রণালী অতি বিস্ময়কৰ। কাৰণ নানা ৰকমৰ আখ্যান-উপখ্যান আৰু দৃষ্টান্তৰে সৃষ্টিতত্ত্বৰ অতি দুৰূহ কথাবোৰ অতি প্রাঞ্জল ভাষাৰে বুজোৱা হৈছে। এই নচিকেতা আখ্যানৰ কিন্তু প্রথমোল্লেখ পোৱা যায় ঋক্বেদৰ দশম মণ্ডলত (১০.১৩৫), পিছলৈ তৈত্তিৰীয় ব্রাহ্মণতো এই আখ্যানটি পোৱা গৈছে। (৩.১.৮)

ইয়াত প্রথম অধ্যায়তেই এই আখ্যানটি সাঙুৰি লোৱা হৈছে। পিছৰ দ্বিতীয়াধ্যায়ত কিন্তু নচিকেতা আখ্যানৰ ছাঁ পৰা নাই। ইয়াত প্রথমে ব্রহ্মস্বৰূপৰ কথা উপনিষদে বহলাই কৈছে। ব্রহ্মই যে সংসাৰ বৃক্ষৰ মূল তলা ধীৰ ব্যক্তিয়ে অধ্যাত্মযোগৰ সহায়তেই যে এই মহৎ আৰু বিভু ব্রহ্মতত্ত্বক উপলব্ধি কৰি একত্বদর্শন হয়, সেয়াই এই উপনিষদখনিত বিভিন্ন দৃষ্টান্তৰ দ্বাৰা ফুটাই তোলা হৈছে।

১৩.৬.৩ কঠোপনিষদৰ প্ৰথমাধ্যায়ৰ প্ৰথম বল্লী

এই অধ্যায়টো নচিকেতা আখ্যানৰ দ্বাৰাই আৰম্ভ হৈছে। আখ্যানটি এনেধৰণৰ— বাজশ্ৰাৰ পুত্ৰ বাজশ্ৰবস উদ্দালকে বিশ্বজিত্ যজ্ঞ কৰি তাৰ ফলস্বৰূপে স্বৰ্গপ্ৰাপ্তিৰ কাৰণে নিজৰ সৰ্বস্ব দান কৰিছিল। তেওঁৰ নচিকেতা নামৰ এক গুণী পুত্ৰ সন্তান আছিল। বিভিন্ন ঋষি-মুনিসকলক উদ্দেশ্য কৰি যেতিয়া গাইগৰু দান কৰা হৈছিল, তেতিয়া নচিকেতাৰ মনত সেই যজ্ঞৰ প্ৰতি শ্ৰদ্ধাভাৱৰ উৎপন্ন হয়। তেওঁ মন কৰিছিল যে পিতাকে যজ্ঞৰ উদ্দেশ্যে এনেকুৱা কিছুমান গাই গৰু দান কৰিছিল, যিবিলাক পুনৰ সন্তান প্ৰসৱত অসমৰ্থ অথবা যিবিলাকে জীৱনলৈ আৰু তৃণভক্ষণ কৰি ল'লে তথা পানী সেৱন কৰি ল'লে। তেওঁৰ মনত পিতাকৰ এই দুষ্কাৰ্য দেখি সন্তাপ ওপজে, যি দুষ্কাৰ্যই তেওঁক অৰ্থাৎ পিতাকক দুঃখময় লোকৰ দিশে লৈ যাব পাৰে। সেয়েহে শ্ৰদ্ধাবান নচিকেতাই নিজকে পিতৃসম্পত্তি জ্ঞান কৰি পিতাকৰওচৰলৈ লৈ প্ৰশ্ন কৰিলে, 'তুমি মোক কাৰ ওচৰত অৰ্পণ কৰিবা?' পিতাক উদ্দালক মৌন হৈ থাকিল। তাকে দেখি নচিকেতাই দ্বিতীয়বাৰ আৰু তৃতীয়বাৰলৈ পুনৰায় সেই একে প্ৰশ্নকে দোঁহাৰিলে। এইবাৰ কিন্তু পিতাকে খঙৰ ভমকতে তেওঁক যমৰ ওচৰত অৰ্পণ কৰিব বুলি কৈ উঠিল। নচিকেতাই পিতৃৰ সেই কথা শুনি তথা সেয়া ৰক্ষাৰ হকে মনে মনে ভাবিবলৈ ধৰিলে যে নিশ্চয় যমৰ এনে এক দৃঢ় প্ৰয়োজন আছে যিটো পিতাকে কুমাৰ নচিকেতাৰ দ্বাৰা পূৰণ কৰিব খুজিছে। গতিকে পিতৃসত্য ৰক্ষা কৰিবই লাগিব। তেওঁ এই ভাবি পিতৃৰ কাষলৈ গৈ ক'লে যে অতীতৰ পিতৃ পিতামহসকল তথা বৰ্তমানৰ সাধুসকলেও সদায় সত্যনিষ্ঠাৰ পথতেই অগ্ৰসৰ হৈছে। মনুষ্য এই সংসাৰত শস্যৰ দৰেই জীৰ্ণ হৈ মৰি যায়, আকৌ শস্যৰ দৰেই গজি উঠে। গতিকে অনিত্য এই সংসাৰত মিথ্যাচৰণ কৰা এক অপ্ৰয়োজনীয় কথা। গতিকে তেওঁক যমৰ ঘৰলৈ যাব দিব লাগে। পুত্ৰৰ এনে জ্ঞানগৰ্ভ কথা শুনি পিতাকে আৰু বাধা নিদিলে। নচিকেতাই যমৰ ঘৰলৈ যাত্ৰা কৰিলে। পিছে যমৰ ঘৰত তেওঁ তিনিৰাতি লঘোণে-ভোকে থাকিবলগা হ'ল, কাৰণ যম ঘৰত নাছিল। তিনিদিন পিছত যেতিয়া যমে আহি এই কথাটো গম পালে, তেতিয়া তেওঁ নচিকেতাৰ ওচৰলৈ গৈ যথোপযুক্তভাৱে পাদ্য-অৰ্ঘ্য যাচি ক'বলৈ ধৰিলে যে মানুহৰ আশা অৰ্থাৎ নজনা বস্তু পোৱাৰ, প্ৰতীক্ষা অৰ্থাৎ জনা বা বিজ্ঞাত বস্তু পোৱাৰ ইচ্ছা, সৎসঙ্গ-সত্যবচন— ইষ্টাপূৰ্তকৰ্মৰ ফল তথা পুত্ৰ-পশু আদি সকলো সম্পত্তিয়েই অতিথিৰ অনাহাৰৰ ফলত ধ্বংস হৈ যায়। গতিকে তেওঁ যাতে এই দোষত নপৰে তাৰ বাবে নচিকেতাক তেওঁ তিনিটি বৰ দিবলৈ সাজু হ'ল। নচিকেতাইও প্ৰথম বৰ হিচাপে পিতৃৰ মনত উদ্বেগহীনতা তথা সুখ-সন্তোষপূৰ্ণ ভাৱৰ প্ৰাৰ্থনা কৰিলে। তেওঁৰ প্ৰতি যেন পিতৃ পুনৰায় ক্ৰোধশূন্য তথা স্নেহপৰায়ণ হয়। যমৰাজেও তথাস্তু বুলি কৈ সেই বৰ দান কৰিলে আৰু ক'লে যে তেওঁ পৰম শান্তিত বহু ৰজনী শুব পাৰিব।

এইবাৰ দ্বিতীয়বৰৰ সময় আহিল। নচিকেতাই ক'লে যে স্বৰ্গফলকামী যজমানসকলে অগ্নিবিদ্যাৰ সহায়তে অমৰত্ব প্ৰাপ্ত হয়, যি বিষয়ে যমে ভালকৈয়ে জানে। গতিকে শ্ৰদ্ধাযুক্ত কিশোৰ নচিকেতাক যেন এইবিষয়ে তেওঁ বুজাই কয়। উক্ত স্বৰ্গফল সকলোৰে কাম্য যিহেতুকে তাত কোনো মৃত্যুভয় নাই। যমে নচিকেতাক অগ্নিবিদ্যা দান কৰিবলৈ সন্মত হ'ল। গতিকে এই অগ্নি-উপাসনাৰ লগত অঙ্গীভূত হৈ থকা কৰ্মসমূহৰ সমস্ত বৰ্ণনা যমে নচিকেতাৰ আগত দাঙি ধৰিলে।

এইখিনিতে নচিকেতাৰ উপযুক্ত শিষ্যত্ব দেখি যমৰাজ বৰ সন্তুষ্ট হ'ল। তেওঁ এক চতুৰ্থ বৰ হিচাপে ক'লে যে উক্ত অগ্নিবিদ্যা নচিকেতাৰ নামেৰেই ভৱিষ্যতে প্ৰসিদ্ধ হ'ব। অৰ্থাৎ নচিকেতাগ্নি নামেৰে ই জগতত প্ৰচাৰিত হ'ব। এইখিনি কৈয়েই যমে দ্বিতীয় বৰৰ সামৰণি মাৰি নচিকেতাক তৃতীয় তথা অন্তিমটো বৰপ্ৰাপ্তিৰ দিশে আগুৱাই দিলে।

নচিকেতা কিন্তু আপেক্ষিক যুক্তি তথা স্বৰ্গসুখৰ প্ৰতি লালায়িত নহয়। তেওঁ হ'ল বৈৰাগ্যপূৰ্ণ ব্যক্তি, গতিকে তেওঁৰ পূৰ্ণমুক্তিৰ প্ৰতিহে হাবিয়াস। যমৰ নিচিনা এজন আদৰ্শ আচাৰ্য্যৰ ওচৰত ক্ষুদ্ৰ জাগতিক বস্তুৰ যাচনা কৰি লাভ নাই, মহামূল্যৱান পৰম আত্মতত্ত্ব অৰ্থাৎ মৃত্যু ৰহস্যই হ'ব সৰ্বশ্ৰেষ্ঠ দান। গতিকে তেওঁ যমৰাজৰ ওচৰত তাকেই তৃতীয় বৰ হিচাপে প্ৰাৰ্থনা কৰিলে। শৰীৰৰ মৃত্যুৰ পিছত দেহান্তৰ সম্বন্ধযুক্ত যি আত্মাৰ অস্তিত্ব সম্পৰ্কে বহু সন্দেহৰ অৱকাশ থাকে, তথা প্ৰত্যক্ষ, অনুমানাদি প্ৰমাণৰ দ্বাৰাও যি অসিদ্ধ, তেনে আত্মতত্ত্বৰ বিষয়েও তেওঁ জানিব বিচাৰে। যমে এই কথা শুনি নচিকেতাৰ যোগ্যতা পৰীক্ষাৰ বাবে নানান ৰকমৰ প্ৰলোভন দিবলৈ আৰম্ভ কৰিলে। কিন্তু নচিকেতাও নিজৰ মতত অজৰ-অটল হৈ থাকিল। এনে জাগতিক স্পৃহনীয় বস্তুৰে তেওঁক কিঞ্চিতমানো টলাব নোৱাৰিলে। যমে নচিকেতাৰ এই পৰিপক্ক বৈৰাগ্য লক্ষণ দেখি মনে মনে বৰ সন্তুষ্ট হ'ল আৰু তেওঁক প্ৰকৃত আত্মজ্ঞানৰ অধিকাৰী বুলি জানিব পাৰিলে। কাৰণ প্ৰকৃত আত্মজ্ঞানৰ অধিকাৰীয়েহে অনিত্য জাগতিক বস্তুৰ প্ৰত্যাখ্যান কৰিব পাৰে। এনেদৰেই নচিকেতা দৃষ্টান্তৰ দ্বাৰা শ্ৰুতিয়েও সেই কথাই প্ৰতিষ্ঠাপিত কৰিলে। এইখিনিতে প্ৰথমাধ্যায়ৰ প্ৰথম বল্লী সমাপ্ত হৈছে।



জানি থোৱা ভাল

অগ্নিবিদ্যা ঃ এই অগ্নিবিদ্যা দৰাচলতে অগ্নিবিষয়ক এক উপাসনা। ই যজ্ঞত আঁহুতি দিয়া অগ্নিমাত্ৰ নহয়, এই অগ্নি এক প্ৰতীক উপাসনা। অগ্নিক প্ৰতীক হিচাপে লৈ তাত বিৰাট পুৰুষৰ ধ্যান কৰা হয়। এই বিৰাট পুৰুষেই জীৱ সৃষ্টিৰ আদিতে প্ৰথম শৰীৰধাৰিৰূপে উৎপন্ন হৈছিল বুলি উপনিষদত কোৱা হৈছে। তেঁৱে এই জগতৰ আশ্ৰয়, জগতৰ সৃষ্টিৰ আদিভূত অগ্নি। মাতা-পিতা আৰু আচাৰ্য্য এই তিনি ব্যক্তিৰ দ্বাৰা উপদিষ্ট হৈ যিজনে উক্ত ত্ৰিণাচিকেত ঃ অৰ্থাৎ

তিনিবাৰ নাচিকেত অগ্নিচয়ন কৰে অথবা ত্রিকর্ম (যজ্ঞ, দান আৰু বেদাধ্যয়ন) কৰে, তেওঁ জন্ম-মৃত্যু চক্রৰ পৰা বিমুক্ত হৈ যায়। ই চিৰমুক্তি নহয়। ই হ'ল একপ্রকাৰৰ সগুণ উপাসনা অথবা ক্রমমুক্তিৰ সাধনস্বৰূপ। সগুণ উপাসনাৰ পৰাই সাধকে ক্রমান্বয়ে চিৰমুক্তিৰ দিশে অগ্রসৰ হয়।

থোৰতে কৈ থোৱা ভাল হ'ব যে উক্ত অগ্নিবিদ্যাত ইষ্টকৰ সংখ্যা ৭২০, সংবৎসৰৰ অর্থাৎ দিন-ৰাতিৰ সংখ্যাও (৩৬০ × ২) = ৭২০, গতিকে এই অহোৰাত্র আৰু ইটাৰ সংখ্যা-সাদৃশ্যবশতঃ সংবৎসৰাত্মক বিৰাট্ৰূপ অগ্নিচয়ন কৰি তাৰ লগত একত্ব ধ্যান কৰাতেই হৈছে ইয়াৰ সার্থকতা। এনেদৰে ধ্যান কৰি সাধকে শৰীৰত্যাগৰ পূর্বতে মৃত্যুপাশ ছিণ্ডি অর্থাৎ অবিদ্যাদি বন্ধন ছিন্ন কৰি তথা মানসিক দুখ বর্জিত হৈ বৈৰাজধামত আনন্দভোগ কৰে।

প্রথমাধ্যায়ৰ দ্বিতীয় বল্লী

দ্বিতীয় বল্লীৰ আৰম্ভণিতে যমে নচিকেতাক সংসাৰৰ দুই মার্গ, শ্রেয় আৰু প্রেয়ৰ বিষয়ে ক'বলৈ আৰম্ভ কৰে। এই শ্রেয়মার্গেই হ'ল পৰাবিদ্যা অর্থাৎ মোক্ষসাধিকা বিদ্যা, তথা প্রেয়মার্গ হ'ল অপৰাবিদ্যা বা অবিদ্যা, অর্থাৎ স্বর্গাদিফললাভৰ সাধনবিদ্যা। এই দুয়োবিদ্যাই মানুহক আবদ্ধ কৰে। কিন্তু যিয়ে শ্রেয়মার্গ অৱলম্বন কৰে তেওঁৰ মঙ্গল হয় তথা মোক্ষলাভ কৰে আৰু যিয়ে প্রেয়মার্গ অৱলম্বন কৰে তেওঁ পৰমার্থ সাধনৰ পথৰ পৰা বিচ্যুত হয়। নচিকেতা কিন্তু প্রকৃত বিদ্যাভিলাষী। কাৰণ কোনো কাম্যবস্তু তেওঁৰ অভিপ্রেত নহয়। এই কামনাৰ ফলতেই সংসাৰত অন্ধৰ দ্বাৰা পৰিচালিত অন্ধৰ নিচিনাকৈ সকলোৱে পৰিভ্রমণ কৰি থাকে। নচিকেতাই কিন্তু বিশাল হিৰণ্যগর্ভপদৰূপ প্রতিষ্ঠা সম্বন্ধে বিচাৰ কৰি সেই আপেক্ষিক মুক্তিপদ ত্যাগ কৰিছে আৰু ইয়াৰ পিছতেই, উপনিষদত তেওঁৰ আগত প্রকৃত মুক্তিৰ পথ উন্মোচিত হৈছে। গতিকে নচিকেতাৰ নিচিনা জিজ্ঞাসু শিষ্য সঁচাকৈয়ে বিৰল। এইবুলি যমে তেওঁক তর্কাতীত এই প্রকৃত আত্মবিদ্যা সম্বন্ধে ক'বলৈ আৰম্ভ কৰিলে।

এই আত্মতত্ত্ব অতিকৈ দুর্জ্ঞেয় আৰু দুঃসাধ্য বস্তু। ইয়াৰ উপদেষ্টাও অতিকে বিৰল তথা অনুভৱকাৰীসকলো অতিকে সুনিপুণ। এই উপদেষ্টা অভেদদর্শী জীৱমুক্ত বুলি উপনিষদে গৈ গৈছে। ই এক তকার্তীত বিষয়। ধীৰব্যক্তিসকলে অধ্যাত্মযোগ সহায়েৰে সেই সনাতন তথা স্বপ্রকাশ আত্মাক উপলব্ধি কৰি সুখ-দুঃখ, জন্ম-মৃত্যুৰ পৰা পৰমমুক্তি লাভ কৰে। ভূত, ভৱিষ্যত তথা বর্তমানৰ যি উর্দ্ধত, সেই পৰমব্রহ্মাক উপনিষদখনিত প্রথমতে 'ওঁ' কাৰ ধ্বনিৰ দ্বাৰা নির্দেশ কৰা হৈছে। ওঁ কাৰ ব্রহ্মাৰ বাচক আৰু প্রতীক। ই পৰব্রহ্ম আৰু অপৰব্রহ্ম উভয়ৰেই বাচক। মধ্যম আৰু মন্দবুদ্ধিৰ লোকসকলে ওঁ কাৰক প্রতীকৰূপে গ্রহণ কৰি উপাসনা কৰিব পাৰে। উপনিষদে ওঁ কাৰক শ্রেষ্ঠ অৱলম্বন বুলি উল্লেখ কৰিছে। উত্তমসকলে অৱশ্যে কোনো অৱলম্বন নোহোৱাকৈয়ে কেৱল মাত্র ব্রহ্মাৰ শ্রবণ-মনন-নিদিধ্যাসনৰ দ্বাৰাই ব্রহ্মজ্ঞান প্রাপ্ত হয়। সাধকৰ প্রজ্ঞা-সাধনা অনুসৰিয়েই ওঁ কাৰ উপাসনাৰ ফলপ্রাপ্তি হয়।

ইয়াৰ পিছতহে শ্ৰুতিয়ে পৰমব্ৰহ্মস্বৰূপৰ কথা বিস্তাৰিতভাৱে ক'বলৈ লয়। ব্ৰহ্ম জন্ম-মৃত্যুৰহিত এক শাশ্বত, চিৰন্তন সত্ত্বা। শৰীৰ ধ্বংস হ'লেও আত্মাৰ ধ্বংস নাই। উপাধিভেদবশতঃ ইয়েই সূক্ষ্ম, সূক্ষ্মতৰ, বিশাল, বিশালতৰ হিচাপে প্ৰতিভাত হয়। আত্মা কাৰ্যও নহয়, কাৰণো নহয়। জীৱৰ সুষপ্তিকালত সেই আত্মাই সৰ্বত্ৰ গতিময়তা প্ৰাপ্ত হয়। **কূটস্থ**সাক্ষিৰূপ ই অচল হ'লেও দূৰলৈ গমন কৰে। মহান-আত্মাই প্ৰাণীসকলৰ হৃদয়গুহাত অৱস্থিত। ইয়েই শুদ্ধচৈতন্যৰূপ তথা মুক্তস্বভাৱযুক্ত পৰমতত্ত্ব। অন্তঃকৰণৰ শুদ্ধতাৰ দ্বাৰাই **অক্রতু**-নিষ্কামব্যক্তিয়ে তত্ত্বদৰ্শন কৰি শোকাতীতৰূপে প্ৰতিভাত হয়। আকৌ, অজ্ঞানীৰ ওচৰত সিয়েই বহু বিপৰীত বিলক্ষণযুক্ত তথা বিৰুদ্ধধৰ্মবিশিষ্ট দুৰ্বোধ্যৰূপে প্ৰকটিত হয়।

অক্রতু = কামনা-বাসনাৰহিত বৈৰাগ্যাকৃষ্ট পুৰুষ।

কূটস্থ = অবিচল, ধ্ৰুব।

প্ৰথমাধ্যায়ৰ তৃতীয় বল্লী

উক্ত বল্লীতো উপনিষদে আত্মাৰ স্বৰূপ তথা সেই আত্মজ্ঞান লাভৰ পথ সম্পৰ্কে আলোচনা কৰিছে।

আত্মা ৰূপ-ৰস-শব্দ-গন্ধবিহীন, অক্ষত, শ্বাশ্বত, অনাদি আৰু অনন্ত। যি মহান, ধ্ৰুব তথা কূটস্থ নিত্য, সেই আত্মাক জানিয়েই জন্ম-মৃত্যুৰ বন্ধনৰ পৰা সাধক বিমুক্ত হয়। সেয়েহে উপনিষদে ব্ৰহ্মজিজ্ঞাসুসকলক উঠি শীঘ্ৰতৰে শ্ৰেষ্ঠ আচাৰ্য্যগণৰ সমীপলৈ যাবলৈ উপদেশ দিছে। মেধাবী ক্ৰান্তদৰ্শীপুৰুষসকলে কয় যে ক্ষুৰৰ অগ্ৰভাগ যেনেকুৱা তীক্ষ্ণ, ঠিক তেনেকুৱাই এই পথো দুৰ্গম।

শ্ৰুতিয়ে পুনৰায় সোঁৱৰাই দিছে যে স্ব স্ব কৰ্মৰ ফল ভোগকাৰী দুজন পুৰুষ, প্ৰকাৰান্তৰে ইয়েই জীৱ আৰু ঈশ্বৰ, দুয়ো ভোগায়তন এই শৰীৰৰ মাজত পৰমব্ৰহ্মৰ শ্ৰেষ্ঠ উপলব্ধিস্থান হৃদয়গুহাত তথা বুদ্ধিত প্ৰবিষ্ট হৈ থাকে। ব্ৰহ্মবিদসকল, পঞ্চাগ্নিৰ সাধক গৃহস্থগণ তথা নাচিকেতাগ্নিৰ উপাসকসকলে কয় যে ছাঁ আৰু পোহৰৰ নিচিনা পৰস্পৰ বিলক্ষণযুক্ত হ'লেও এই দুই মূলতঃ এক। এই ভোগায়তন শৰীৰ যেন এখন ৰথ আৰু জীৱাত্মা সেই ৰথৰ স্বামী। আকৌ ইন্দ্ৰিয়সমূহ হ'লগৈ অশ্ব বা ঘোঁৰা। গতিকে জীৱাত্মাই বুদ্ধিকে সাৰথি কৰি আৰু মনৰ লেকাম টানি ইহসংসাৰত চলিব লাগে বুলি উপনিষদে সঁকিয়াই দিছে। বিবেকবান আৰু শান্ত, সমাহিত চিত্তৰ ব্যক্তিয়েহে ইন্দ্ৰিয়সমূহ সুসংযত অশ্বৰ নিচিনাকৈ আজ্ঞাধীন আৰু সুনিয়ন্ত্ৰিত কৰি ৰাখিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ কঠোপনিষদখন কোন বেদৰ অন্তৰ্গত?

.....

.....

প্ৰশ্ন নং ৬ঃ কঠোপনিষদত মুঠতে কেইটা বল্লী আছে?

.....

.....

প্ৰশ্ন নং ৭ঃ নচিকেতাৰ পিতৃৰ নাম কি আছিল?

.....

.....

কঠোপনিষদৰ দ্বিতীয়াধ্যায়ৰ প্ৰথম বল্লী

দ্বিতীয়াধ্যায়ৰ প্ৰথমতেই কৈছে যে যিসকল ব্যক্তি বহিৰ্মুখ, তেওঁলোক পৰমাত্মা সাক্ষাৎকাৰৰ বাবে সমৰ্থবান নহয়, কাৰণ এয়ে ইন্দ্ৰিয়বিলাকৰ পতন অৰ্থাৎ বিনাশ। বিবেকীপুৰুষসকলে প্ৰথমতে ইন্দ্ৰিয়সমূহক সংযমিত কৰি তথা অন্তমুৰ্খী কৰিহে অমৃতত্ত্বৰ অভিলাষী হৈ, অবিচল কূটস্থ নিত্য পৰমাত্মাৰ সন্ধান পায়। সেই জ্ঞানস্বৰূপ আত্মাৰ দ্বাৰা প্ৰেৰিত হৈয়েই জীৱই ৰূপ-ৰস-গন্ধ-শব্দ-স্পৰ্শ আৰু মিলনসম্ভূত সুখানুভূতি বিশেষভাৱে জানিব পাৰে। এই জগতত এনেনো কি অৱশিষ্ট বস্তু আছে যি আত্মাৰ দ্বাৰা অবিজ্ঞাত! ইয়াৰ দ্বাৰাই মানুহে স্বপ্ন আৰু জাগৃত এই উভয় অৱস্থাৰে অন্তৰ্ভুক্ত দৃশ্যবস্তুসমূহ দৰ্শন কৰিব পাৰে।

ইয়াৰ পিছতেই উপনিষদে ব্ৰহ্মস্বৰূপৰ কথা বহলাই কৈছে। যি সাধকে কৰ্মফলভোগী আৰু প্ৰাণাদিৰ বিধায়কৰূপে তথা কালত্ৰয়ৰ নিয়ন্তাৰূপে নিজৰ হৃদয়ত অভিন্ন আত্মদৰ্শন কৰিছে, তেওঁ অভয়প্ৰাপ্ত হয়। ইয়াত অণুমাত্ৰও ভেদ নাই। ইয়েই সৰ্বাত্মক বিজ্ঞানঘন ব্ৰহ্ম। ইয়েই অন্তৰাত্মা, যি অঙ্গুষ্টপৰিমাণ পুৰুষৰূপে হৃদয়মধ্যত অৱস্থিত হৈ থাকে। এই জীৱ-সমুদায় সেই আত্মাৰ পৰা পৃথক নহয়। সূৰ্যকে আদি কৰি সমস্ত দেৱতা ইয়াতেই প্ৰবিষ্ট হৈ আছে। যাক কোনেও অতিক্ৰম কৰিব নোৱাৰে। এই ব্ৰহ্মত জ্ঞাতৃজ্ঞেয়ৰূপো ভেদ নাই। সংস্কৃতমনৰ দ্বাৰাই ই উপলভ্য হয়। নিৰ্মল পানী যেনেদৰে প্ৰক্ষিপ্ত হ'লে ভেদহীন হৈ একৰসতা প্ৰাপ্ত হয়, ঠিক তেনেদৰে উপাধি বিনাশ হ'লে মননশীল আৰু একত্বদৰ্শী সাধকৰ আত্মাও একত্বপ্ৰাপ্ত হয়।

দ্বিতীয়াধ্যায়ৰ দ্বিতীয় বল্লী

পুনৰ্বাৰ এই বল্লীত প্ৰকাৰান্তৰে দুৰ্বিজ্ঞেয় ব্ৰহ্মতত্ত্বৰ নিৰ্দেশ দিয়া হৈছে। ইয়াত শ্ৰুতিয়ে এক সুন্দৰ দৃষ্টান্ত ডাঙি দৰিছে। যেনে, এই নিত্য চৈতন্যস্বৰূপ আত্মাৰ একাদশ দ্বাৰযুক্ত এখন নগৰ আছে। ব্ৰহ্মৰন্ধ্ৰ, দুই চকু, দুই নাসিকাৰন্ধ্ৰ, দুই কৰ্ণ, মুখ, নাভি আৰু মল-মূত্ৰদ্বাৰদ্বয়— এই সকলো হ'ল একাদশখন দুৱাৰযুক্ত শৰীৰ অৰ্থাৎ নগৰ। এই নগৰৰ স্বামীক ধ্যান কৰিয়েই জীৱ এইদেহৰ পৰা মুক্ত হয় তথা পুনৰায় মৃত্যুৰ পিছত আৰু শৰীৰধাৰণ নকৰে। ইয়েই সেই আত্মা অৰ্থাৎ নগৰৰ প্ৰতিষ্ঠাতা। এই আত্মা জীৱভেদে ভিন্ন নহয়। সৰ্বজগতৰ আত্মা এক, অবিকাৰী তথা সৰ্বব্যাপী। কিন্তু ই দেহাদিৰ পৰা ভিন্ন, পৃথক। কোৱা হৈছে যে প্ৰাণ (উৰ্দ্ধদিশে সঞ্চালিত হোৱা) আৰু অপান (অধঃ প্ৰক্ষিপ্ত হোৱা) ইত্যাদি বায়ুক যিয়ে নিক্ষেপ কৰে, য'ত আশ্ৰিত থাকে, সেই হৃদয় মধ্যত থকা আত্মাই ব্ৰহ্ম। অৰ্জিত কৰ্মানুযায়ী তথা বিজ্ঞানানুযায়ী জীৱই যথাযথ শৰীৰযোনি, স্থাবৰত্ব আদি লাভ কৰে বুলি উপনিষদে সঁকিয়াই দিছে। পৰামুক্তিৰ লগে লগে শৰীৰ, প্ৰাণাদি সকলো স্ব স্বকাৰণস্বৰূপ মহাপ্ৰাণ আৰু সূক্ষ্মভূততে লয় পায়। জীৱও ব্ৰহ্মলীণ হৈ যায়।

এই অদ্বিতীয় সর্বান্তর্যামী পৰমাত্মা সর্বভূতত প্রবিষ্ট হৈ সেই সেই আকৃতিযুক্ত ৰেহ-ৰূপ ধাৰণ কৰে, নিজে কিন্তু অবিকৃত হৈয়েই থাকে। অবিদ্যাবশতঃ এই বিবিধ ৰং-ৰূপ আত্মাত অধ্যস্ত হয়, কিন্তু (ৰজ্জুত) ৰছীত সর্পভ্রম হোৱাৰ দৰে এই আকাৰ-প্রকাৰাদিও দৰাচলতে আত্মাত নাই। স্বকীয় অদ্বিতীয় সত্তামাত্রকেই অর্থাৎ এক ৰূপকেই ই বহুধা বিভক্ত কৰে। সেই পৰম প্রকাশবান, পৰমানন্দস্বৰূপ, নিত্যচৈতন্যময়, সর্বকাৰণ, সর্বনিয়ন্তা তথা অনির্দেশ্য আত্মাক সূর্য্য-চন্দ্রতাৰকাগণ, অগ্নি-বিদ্যুতাদিয়ে প্রকাশ কৰাৰ সামর্থ্য নাই। যাৰ দীপ্তিতেই এই সমুদায় জাগতিক তথা পাৰমার্থিক বস্তু বিবিধৰূপে প্রকাশিত হয়।

দ্বিতীয়াধ্যায়ৰ তৃতীয় বল্লী

উক্ত বল্লীত সাধকৰ বাবে উপনিষদে যোগ সাধনাৰ উপদেশ দিয়া দেখিবলৈ পোৱা যায়। অর্থাৎ যোগৰ বলত কেনেকৈনো ক্রমে মোক্ষপ্রাপ্তিৰ দিশে আগুৱাব পাৰি। এই মুক্তি হ'ল ক্রমমুক্তি, স্তৰে স্তৰে আগুৱাই গৈ লাভ কৰা মুক্তিৰ অৱস্থা। এই সংসাৰবৃক্ষৰ ব্রহ্মই হৈছে মূল বা শিপা, যাৰ মূল উর্দ্ধদিশে আৰু শাখাসমূহ নিম্নদিশে অৱস্থিত। সেই মূলেই হ'ল জ্যোতির্ময়, অবিনাশী নির্মল-শুদ্ধস্বৰূপ ব্রহ্ম। সেয়েই নচিকেতাৰ জিজ্ঞাসিত আত্মা। এই সমস্ত জগত চৰাচৰ তাৰ পৰাই নিঃসৃত হৈ প্রাণবন্ত হৈ উঠে। অর্থাৎ জগত-উৎপত্তিৰ কাৰণ এই ব্রহ্ম, যাৰ ফলত সকলো সূর্য্য-চন্দ্রাদিয়ে নিয়ামক গতি অৱলম্বন কৰে।

আত্মজ্ঞানলাভৰ উপায় সম্পর্কত শ্রুতিয়ে কৈ গৈছে যে ইহজগততেই জীৱৰ মুক্তি লাভ কৰা সম্ভৱ। সুনির্মল দাপোনত যেনেকৈ নিজৰ মুখ সুস্পষ্টভাৱে দেখা যায়, ঠিক তেনেকৈ শুদ্ধবুদ্ধিত আত্মদর্শন হয়। যোগসম্পর্কত কৈছে যে যোগীসকলে বাহ্যেন্দ্রিয় আৰু অন্তৰেন্দ্রিয়বিলাক অপ্রমত্তভাৱে তথা স্থিৰ, অবিচলভাৱে ধাৰণ কৰা ৰূপকেই যোগ আখ্যা দিয়া হয়। চিত্তত থকা বিষয়কল্পনাশূন্য বুদ্ধিবৃত্তিৰ দ্বাৰাহে ব্রহ্মজ্ঞান উপলব্ধ হয়। এনেদৰে আৰম্ভ কৰি প্রথমে সোপাধিক আত্মাক 'অস্তি' বুলি বুজি উঠি পিছতহে নিৰুপাধিক আত্মাক অনুভৱ কৰিবলৈ যত্নপৰ হ'ব লাগে। মানৱহৃদয়ৰ কামনাসমূহ যেতিয়া নাইকীয়া হৈ যায় আৰু বুদ্ধিৰ বন্ধনসমূহো বিনষ্ট হয়, তেতিয়াই পার্থিব মানুহো অমৰ হয়। মুণ্ডক উপনিষদত এইধৰণৰ এক অৱস্থাৰ ছবি সুন্দৰভাৱে বর্ণিত হৈছে—

'ভিদ্যতে হৃদয়গ্রন্থিঃ ছিদ্যন্তে সর্বসংশয়াঃ
ক্ষীয়ন্তে চাস্য কর্মাণি তস্মিন্ দৃষ্টে পৰাৱৰে।।' (২/২/৯)

ইয়াৰ অর্থ হ'ল— হৃদয়গ্রন্থিসমূহ ভেদ হৈছে, সকলো সংশয় দূৰ হৈছে, কর্মক্ষয় হৈছে, সেই পৰ আৰু অপৰ ব্রহ্মক দেখি। এই অৱস্থাই হ'ল জীৱন্মুক্তৰ অৱস্থা।

শ্রুতিয়ে সোঁৱৰাই দিছে যে হৃদয়ৰ পৰা নির্গত হোৱা এশ এডাল নাড়ীৰ মাজত এডাল ব্রহ্মৰন্ধ্র ভেদ কৰি নির্গত হয়। উৎক্রমণকালত সুষুম্না নামে এই নাড়ীকেই অৱলম্বন কৰি উর্দ্ধদিশে গৈ যোগসাধকে অমৰত্ব লাভ কৰে। ই হ'ল আপেক্ষিক মুক্তি। শুদ্ধচৈতন্যৰূপ ব্রহ্মৰ লগত জীৱাত্মাৰ একত্বজ্ঞানৰ ফল নহয়। ইয়াৰ দ্বাৰা হিৰণ্যগর্ভপদৰূপ ঐশ্বর্য-মহিমা লাভ হয়। শাস্ত্রই ইয়াক দেৱযান পথ বুলিছে। ইয়াৰ পিছতহে সূক্ষ্মশৰীৰ হিৰণ্যগর্ভসমন্বিতে প্রলয়কালত নির্বিশেষ

ব্ৰহ্মত লীন হয়। গতিকে প্ৰথমতেই যোগসাধকক ধৈৰ্য্যসহকাৰে নিজ আত্মাক স্বীয় শৰীৰৰ পৰা পৃথক কৰাৰ বাবে যত্নপৰায়ণ হ'বলৈ শ্ৰুতিয়ে উপদেশ দিছে। শেষত কোৱা হৈছে যে এনেদৰেই মৃত্যুৰ দ্বাৰা উক্ত হোৱা ব্ৰহ্মবিদ্যা তথা সম্পূৰ্ণ যোগবিধি আয়ত্ত কৰি নচিকেতাই অমৃতত্ব লাভ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ঃ খালী ঠাই পূৰণ কৰক —

(ক) অগ্নিবিদ্যা এক প্ৰকাৰৰ ..... উপাসনা।

(খ) এই অগ্নিবিদ্যাক ..... নামেৰেও জনা যায়।

প্ৰশ্ন নং ৯ঃ নচিকেতাৰ অন্তিমটো বৰ কি আছিল?

.....

.....

প্ৰশ্ন নং ১০ঃ উপনিষদখনিত 'ওঁকাৰ' ধ্বনিৰ দ্বাৰা কি নিৰ্দেশ কৰা হৈছে?

.....

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- উপনিষদৰ এক পৰিচয় লাভ কৰিব পাৰিলে।
- উপনিষদ এই নামটিৰ তাৎপৰ্য জানিব পাৰিলে।
- উপনিষদৰ সংখ্যা আৰু মুখ্য উপনিষদকেইখনৰ নাম জানিব পাৰিলে।
- উপনিষদৰ কাল সম্পৰ্কেও জানিব পাৰিলে।
- কঠোপনিষদৰ সম্যক পৰিচয় আৰু আলোচ্য বিষয়সমূহৰ সম্পৰ্কে অৱগত হ'ব পাৰিলে।
- কঠোপনিষদৰ প্ৰতিটো অধ্যায়ৰ প্ৰতিটো বল্লীৰ বিষয়বস্তুৰ বিষয়েও অৱগত হ'ল।



১৩.৮ অধিক জানিবলৈ

১) উপনিষদ গ্ৰন্থাৱলী (প্ৰথম খণ্ড), স্বামী গম্ভীৰানন্দ সম্পাদিত (১৩৪৯ বংগাব্দ) কলিকতাঃ উদ্বোধন কাৰ্যালয়।

২) ঈশকঠকেনোপনিষদ্ (শাংকৰভাষ্যসহ), দূর্গাচৰণ সাংখ্য-বেদান্ততীর্থ, (১৩৩১ বংগাব্দ), দ্বিতীয় সংস্কৰণ, কলিকতাঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড্ ।

৩) ঈশাদিদশোপনিষদঃ, (শাংকৰভাষ্যসহ), প্রথমভাগ, (১৯৬৪) দিল্লী ঃ মোতিলাল বনৰসীদাস।

৪) ড'ছন, প'ল, দ্য ফিল'চ'ফী অফ দ্য উপনিষদচ্, (১৯৯৯) দিল্লীঃ মোতিলাল বনৰসীদাস।

৫) ৰাধাকৃষ্ণন, এছ, দ্য প্রিন্সীপাল উপনিষদচ্, (১৯৫৩), গ্রেট ব্রিটেইনঃ জর্জ এলেন এণ্ড আনউইন্ লি।

৬) শর্মা, তীর্থনাথ, উপনিষদ অষ্টক, (১৯৮৭), গুৱাহাটীঃ অসম প্রকাশন পৰিষদ।

১৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ উপ আৰু নি পূর্বক সদ্ ধাতুৰ লগত ক্বিপ্ প্রত্যয় যুক্ত হৈ উপনিষদ পদটো সাধিত হয়।

২ নং প্রশ্নৰ উত্তৰঃ বেদৰ মন্ত্র আৰু ব্রাহ্মণক ক্রমে কর্মকাণ্ড আৰু আৰণ্যক আৰু উপনিষদক জ্ঞানকাণ্ড বুলি কোৱা হয়।

৩ নং প্রশ্নৰ উত্তৰঃ (ক) বেদান্ত (খ) ১০৮ খন।

৪ নং প্রশ্নৰ উত্তৰঃ মুখ্য উপনিষদৰ সংখ্যা দহখন। যেনে— ঈশ, কঠ, কেন, প্রশ্ন, মুণ্ডক, মাণ্ডুক্য, ঐতৰেয়, তৈত্তিৰীয়, ছান্দোগ্য, বৃহদাৰণ্যক।

৫ নং প্রশ্নৰ উত্তৰঃ কৃষ্ণ যজুর্বেদৰ।

৬ নং প্রশ্নৰ উত্তৰঃ ছটা বল্লী আছে।

৭ নং প্রশ্নৰ উত্তৰঃ উদ্দালক বাজশ্রবস।

৮ নং প্রশ্নৰ উত্তৰঃ (ক) সগুণ (খ) নচিকেতাগ্নি।

৯ নং প্রশ্নৰ উত্তৰঃ আত্মতত্ত্বৰ বিষয়ে জনাটোৱেই আছিল অন্তিমটো বৰ।

১০ নং প্রশ্নৰ উত্তৰঃ ব্রহ্মক।

১৩.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ শ্রীমদ্ শংকৰাচার্যই উপনিষদৰ তাৎপর্য কেনেকৈ ব্যাখ্যা কৰিছে?

প্ৰশ্ন ২ঃ চমুটোকা লিখক—

(ক) অগ্নিবিদ্যা (খ) পৰাবিদ্যা

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ উপনিষদৰ কাল সম্পৰ্কে লিখক।

প্ৰশ্ন ২ঃ নচিকেতা আখ্যানৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কঠোপনিষদৰ প্ৰথম অধ্যায়ৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ১৪ ঃ তৈত্তিৰীয়োপনিষদ - সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ তৈত্তিৰীয়োপনিষদৰ এক সম্যক আভাস

১৪.৩.১ উপনিষদখনিৰ আলোচ্য বিষয়

১৪.৩.২ উপনিষদখনিৰ প্ৰতিটো বল্লীৰ বিষয়বস্তুৰ সাৰাংশ ঃ উপনিষদখনিৰ প্ৰথম বল্লী বা শিক্ষাবল্লী

১৪.৩.৩ উপনিষদখনিৰ দ্বিতীয়বল্লী বা ব্ৰহ্মানন্দবল্লী

১৪.৩.৪ তৈত্তিৰীয়োপনিষদৰ ভৃগুবল্লীৰ বিশদ আলোচনা ঃ প্ৰতিটো অনুবাকৰ বিষয়বস্তুৰ সাৰাংশ

১৪.৪ উপনিষদৰ ভাষ্যকাৰসকল

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্ৰগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- তৈত্তিৰীয়োপনিষদৰ আলোচ্য বিষয়ৰ লগত অৱগত হ'ব
- তৈত্তিৰীয়োপনিষদৰ প্ৰতিটো বল্লীৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিব
- তৈত্তিৰীয়োপনিষদৰ ভৃগুবল্লীৰ প্ৰতিটো অনুবাকৰ কথাবস্তুৰ লগত পৰিচিত হ'ব পাৰিব।
- উপনিষদৰ ভাষ্যকাৰসকলৰ বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

ভাৰতীয় বৈদিক সাহিত্যৰ একেবাৰে শেষৰ ভাগটো হৈছে উপনিষদ। উপনিষদক সেয়েহে 'বেদস্য অন্ত ইতি বেদান্ত' নামেৰেও জনা যায়। উপনিষদৰ পৰিচয় আৰু সংখ্যা সম্পৰ্কে আগৰ অধ্যায়ত ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। এতিয়া আমি তৈত্তিৰীয়োপনিষদৰ বিষয়ে কিছু কথা জানিম।

ভাৰতীয় পৰম্পৰা অনুসৰি প্ৰধান দহখন উপনিষদৰ ভিতৰত এখন হৈছে তৈত্তিৰীয়োপনিষদ্। তৈত্তিৰীয়োপনিষদৰ ওপৰত শ্ৰীমদ্ শংকৰাচাৰ্য্যই ভাষ্য প্ৰণয়ন কৰি গৈছে।

এই উপনিষদখনি কৃষ্ণ যজুর্বেদৰ তৈত্তিৰীয় শাখাৰ অন্তর্ভুক্ত। তৈত্তিৰীয় শাখাৰ তৈত্তিৰীয় আৰণ্যকৰে ভিতৰুৱা এই তৈত্তিৰীয়োপনিষদ্। ই তিনিটা ভাগত বিভক্ত। প্ৰত্যেকটো ভাগকে বল্লী নামেৰে জনা যায়। এইকেইটা হ'ল— শিক্ষাবল্লী, ব্ৰহ্মানন্দবল্লী আৰু ভৃগুবল্লী। এইখিনিতে এটা কথা উনুকিয়াই থোৱাটো ভাল হ'ব যে শিক্ষা হৈছে ছয় বেদাঙ্গৰৰ অন্তর্গত এক মূখ্য ভাগ। এই ভাগত বেদৰ মন্ত্ৰসমূহৰ উচ্চাৰণ প্ৰক্ৰিয়া। তথা উচ্চাৰণবিধিৰ বিষয়ে আলোচনা কৰা হয়। শিক্ষাবল্লীতো আমি কিছু অনুৰূপ সিদ্ধান্তই দেখা পাওঁ। ব্ৰহ্মানন্দবল্লীত ব্ৰহ্মতত্ত্ব আৰু ভৃগুবল্লীত ভৃগু-বৰুণৰ আখ্যায়িকাৰ যোগেদি ব্ৰহ্মজ্ঞান লাভৰ উপায় সম্পর্কে বহলাই কোৱা হৈছে।

১৪.৩ তৈত্তিৰীয়োপনিষদৰ এক সম্যক আভাস

এই অংশত আপুনি তৈত্তিৰীয়োপনিষদৰ আলোচ্য বিষয় আৰু প্ৰতিটো বল্লীৰ বিষয়বস্তু সম্পর্কে জানিব পাৰিব।

১৪.৩.১ উপনিষদখনিৰ আলোচ্য বিষয়

তৈত্তিৰীয়োপনিষদৰ আৰম্ভণিতে সংহিতা সম্পর্কীয় উপাসনাৰ বিষয়ে বর্ণনা কৰা হৈছে। ইয়াত বেদমন্ত্ৰোচ্চাৰণ সম্পর্কীয় বিধি-নিয়ম তথা ইয়াৰ অন্তর্নিহিত তাৎপর্যও গুৰুত্বসহকাৰে আলোচিত হৈছে। ইয়াৰোপৰি গুৰু-শিষ্যৰ সম্পর্ক আৰু ব্ৰহ্মজ্ঞান লাভৰ ইচ্ছুক শিষ্যৰ ক্ষেত্ৰত পালন কৰিবলগীয়া কেতবোৰ আচৰণাত্মক বিধি-বিধানো উক্ত উপনিষদৰ প্ৰধান আলোচ্য বিষয়। এই কর্মাদিৰ বিধান ব্ৰহ্মবিদ্যাৰ প্ৰথম সোপান যেন, যাৰ যোগেদি চিত্তৰ শুদ্ধতা আদি লাভ কৰা হয়। ইয়াৰ পিছতহে ব্ৰহ্মজ্ঞানবিষয়ক কথাৰ অৱতাৰণা কৰা হৈছে। ঠিক তেনেদৰে ভৃগু বল্লীত অতি সুন্দৰকৈ আখায়িকাৰ ছলেৰে ব্ৰহ্মবিদ্যাৰ উপদেশ প্ৰদান কৰা হৈছে। ঋষি বৰুণ এই বিদ্যাৰ প্ৰবর্তক। ব্ৰহ্মবিদ্যালাভৰ ক্ষেত্ৰত যদিও প্ৰকৃত গুৰুৰ মার্গদর্শনৰ নিত্য প্ৰয়োজন, তথাপিও শিষ্যৰ স্বকীয় শ্ৰবণ-মনন আৰু নিদিধ্যাসনৰো যে খুবেই গুৰুত্ব, তাকেই এই আখায়িকাচ্ছলে যেন ক'ব বিচৰা হৈছে। তপস্যাক জীৱনৰ ব্ৰত কৰি লোৱাটো ব্ৰহ্মজিজ্ঞাসুসকলৰ বাবে এক অপৰিহার্য্য কথা। উপনিষদখনিৰ শেষৰফালে ব্ৰহ্মনিষ্ঠ আৰু জীৱন্মুক্ত পুৰুষৰ আনন্দৰ উদ্‌ঘোষ পৰিস্ফুট হৈ পৰিছে। ইও বৰ বিস্ময়কৰ এক ৰূপ-অমৃতত্ত্বত লাভ কৰা পাৰলৌকিক মাদকতা বা আনন্দ। ইয়ে হৈছে উপনিষদৰ প্ৰকৃত আনন্দতত্ত্ব অর্থাৎ আনন্দময় ব্ৰহ্মসত্বা।

১৪.৩.২ উপনিষদখনিৰ প্ৰতিটো বল্লীৰ বিষয়বস্তুৰ সাৰাংশ

এতিয়া আপুনি উপনিষদখনিৰ প্ৰথম বল্লী বা শিক্ষাবল্লীৰ বিষয়ে জানিব পাৰিব।

তৈত্তিৰীয়োপনিষদৰ শিক্ষাবল্লীত প্ৰথমতে শান্তিপাঠ কৰা হৈছে। ইয়াৰ দ্বাৰা

বিদ্যাৰ শ্ৰৱণ, ধাৰণা আৰু প্ৰদান সম্পৰ্কে প্ৰতিবন্ধকতা দূৰ কৰাৰ বাবে মিত্ৰাদি দেৱতাৰ আশীৰ্বাদ আদি কামনা কৰা হৈছে। যাতে বিদ্যা উৎপত্তিৰ আগতে থকা প্ৰতিবন্ধকবোৰ নাশ কৰে। শৰীৰৰ জ্ঞানেন্দ্ৰিয়, কৰ্মেন্দ্ৰিয়সমূহ তথা প্ৰাণ-অপান আদি বায়ুসমূহৰ উৎকৰ্ষ-সাধন এইখিনিতে কামনা কৰা হৈছে।

উক্ত বল্লীত শিক্ষাবিষয়ক বৰ্ণনা দাঙি ধৰা হৈছে। যেনে— বৰ্ণ, উদাত্তাদি স্বৰ, মাত্ৰা, বল বা প্ৰযত্ন, সাম বা একৰূপতা অৱলম্বন কৰি উচ্চাৰণ কৰা আৰু সন্তান বা সংহিতা অৰ্থাৎ নিয়মিত ক্ৰমবদ্ধ পদ বা বাক্য আদি। এই পৰিচিত বৰ্ণসমূহৰ সহায়ত 'সংহিতোপাসনা' নামে এটি উপাসনাৰ বৰ্ণনা কৰা হৈছে, যাৰ দ্বাৰা শিষ্যৰ চিত্তশুদ্ধি আৰু মনৰ একাগ্ৰতাদি লাভ হয়। অধিলোক, অধিজ্যৌতিষ, অধিবিদ্যা, অধিপ্ৰজ আৰু অধ্যাত্ম— এই পঞ্চবিষয়ৰ অৱলম্বনত সংহিতোপাসনা বিহিত হৈছে। ইয়াক জ্ঞানীসকলে 'মহাসংহিতা' বুলিও কয়। এয়া পাঁচ প্ৰকাৰৰ ভিন্ন ভিন্ন উপাসনা নহয়। পঞ্চ বিষয়ৰ অৱলম্বনত কেৱল এটা মাত্ৰ উপাসনাই বৰ্ণিত হৈছে। উদাহৰণস্বৰূপে, শালগ্ৰামক প্ৰতীকৰূপে লৈ যেনেদৰে বিষ্ণুক আৰাধনা কৰা হয়, ঠিক তেনেদৰেই এই উপাসনাতো 'সংহিতা'ৰ বিভিন্ন অবয়বক আশ্ৰয় কৰি ক্ৰমে বিভিন্ন দেৱ-দেৱতাৰ ধ্যান-উপাসনা আদি প্ৰস্তুত কৰা হৈছে। ই একপ্ৰকাৰৰ উপনিষদৰ প্ৰতীক— উপাসনাৰ নিদৰ্শন। ইয়াত সিদ্ধিলাভ কৰিলেই বেদজ্ঞানৰ ইচ্ছুক শিষ্যই ক্ৰমে স্থূলবিষয়সমূহ অতিক্ৰমণ কৰি সূক্ষ্মাতিসূক্ষ্ম বিষয়সমূহৰ ওপৰত মন কেন্দ্ৰীভূত কৰিবলৈ সমৰ্থবান হ'ব। চতুৰ্থ অনুবাকত অল্পমেধাযুক্ত ব্যক্তিসকলৰ বাবে তথা শ্ৰীপ্ৰাপ্তিৰ অৰ্থে শ্ৰুতিয়ে কিছু জপ আৰু হোমৰ বিধান দিছে।এই জপ ব্ৰহ্মবিদ্যাৰ সহায়ক, যিহেতুকে হোম-যজ্ঞ কৰ্মৰ জৰিয়তেহে চিত্তশুদ্ধি হয়। কিন্তু উক্ত কৰ্মাদি অৰ্থ অবিহনে কৰা সম্ভৱপৰ নহয়। গতিকে উপনিষদে ইয়াত অৰ্থৰ প্ৰয়োজনীয়তাও নুই কৰা নাই। ইয়াত শ্ৰী অৰ্থাৎ সম্পদৰ কামনাও পৰম্পৰানুসাৰে ব্ৰহ্মবিদ্যাৰেই পৰিপূৰক। ইয়াৰ পিছতেই আমি দেখিবলৈ পাওঁ যে মেধা কামী শিষ্যই ব্ৰহ্মোপাসনাৰ শ্ৰেষ্ঠ আলম্বনস্বৰূপ ওঙ্কাৰৰ ধ্যান তথা তপ আৰম্ভ কৰিছে। কাৰণ ওঙ্কাৰেই হৈছে সৰ্ববেদৰ প্ৰধান আৰু অমৃতস্বৰূপ। এই ওঙ্কাৰকেই বিশ্বৰূপ বোলা হৈছে। যি সমস্ত জগত ব্যাপি আছে। মেধাকামী ব্যক্তিৰ এয়ে প্ৰাৰ্থনা— তেওঁ যেন এই অমৃতত্ত্বৰ তথা ব্ৰহ্মজ্ঞানৰ আধাৰ হ'ব পাৰে। 'ভগ' বুলি সম্বোধনান্তে পুৰুষে সেই পৰমপুৰুষ শৰণাগতবৎসলা ভগৱানৰ লগত নিজকে এক সত্বাৰূপে প্ৰতিভাত হ'বলৈ স্তুতি কৰিছে। এয়াই হৈছে দৰাচলতে অহংগ্ৰহ উপাসনা। ইয়াৰ পিছত শ্ৰুতিয়ে ব্যাহৃতি আৰু পাঙ্‌ক্ত উপাসনাৰ দিশে গতি কৰিছে। এনেদৰে দেখা যায় যে উপনিষদখনিৰ এই বল্লীত বিভিন্ন উপাসনাৰ বৰ্ণনা কৰি শ্ৰুতিয়ে শেষত শ্ৰৌত আৰু স্মাৰ্ত কৰ্মসমূহ যে ব্ৰহ্মপ্ৰাপ্তিৰেই সাধনস্বৰূপ তাকেই জোৰ দি কৈছে। এই কৰ্মবোৰো কিন্তু নিৰৰ্থক নহয়। এই ক্ষেত্ৰত সত্য, তপঃ, স্বাধ্যায় আৰু প্ৰবচনৰ প্ৰয়োজনীয়তা অতি বেছি।

সদৌ শেষত বেদ-অধ্যাপনাৰ পিছত আচাৰ্য্যই শিষ্যক উদ্দেশ্যি ব্যৱহাৰিক

জীৱনত নিশ্চয়কৈ পালন কৰিবলগীয়া কিছুমান নীতি-নির্দেশনাৰ উপদেশ প্রদান কৰে। উদাহৰণস্বৰূপে— সদায় সত্য কথা কোৱা, ধর্ম আচৰণ কৰা ইত্যাদি। এইবোৰেই হ'ল উপনিষদৰ মহান সপ্রতিভ ঋষিসকলৰ মনুষ্যজাতিৰ প্রতি দিয়া সর্বকালৰ শ্রেষ্ঠ আদেশ। শ্রুতিয়ে ইয়াক 'এষ আদেশঃ' বুলি স্পষ্টকৈ নির্দেশিত কৰি গৈছে। এয়াই ভাৰতীয় পৰম্পৰাৰ অনুশাসন, ঈশ্বৰাজ্ঞা তথা বেদৰ ৰহস্য, যি সর্বদাই অনুষ্ঠেয়।



জানি থোৱা ভাল

১। **প্রতীক উপাসনা ঃ** কোনো জাগতিক বস্তুক প্রতীকৰূপে লৈ কৰা ব্রহ্মোপাসনা। উদাহৰণস্বৰূপে শালগ্রামক প্রতীকৰূপে লৈ কৰা বিষ্ণুৰ তথা সগুণ ব্রহ্মৰ উপাসনা।

২। **অহংগ্রহ উপাসনা ঃ** কোনো জাগতিক বস্তুক ব্রহ্ম বুলি ভাবি নিজকে অভিন্নৰূপে অনুভৱ কৰা। অর্থাৎ 'তুমিয়েই মই' এই ভাৱনাযুক্ত হৈ ব্রহ্মৰ লগত পূর্ণতাপ্রাপ্ত হোৱা। উদাহৰণস্বৰূপে, ওঙ্কাৰস্বৰূপ ব্রহ্মৰ লগত সাধকে স্বয়ং অভিন্নৰূপে অনুভৱ কৰিছে।

৩। **ব্যাহৃতি উপাসনা ঃ** ভূঃ - ভুবঃ - স্বৰ - মহঃ - জন - তপঃ আৰু সত্য— এই সাতটা হৈছে সপ্তলোকৰ পৰিচায়ক বীজৰূপী মন্ত্র, যাক ব্যাহৃতি বোলা হয়। তাৰ মাজত প্রথম তিনিটা হৈছে মহদ্ব্যাহৃতি। ইয়াৰে 'মহঃ' এই চতুর্থ ব্যাহৃতিটোকেই হিৰণ্যগর্ভ ব্রহ্মৰ স্বৰূপ বুলি ব্যাখ্যা কৰা হৈছে। ইয়াক ওঙ্কাৰ বুলিও কোৱা হৈছে। ই একপ্রকাৰৰ সগুণ ব্রহ্মোপাসনা।

৪। **পাঙ্‌ক্ত উপাসনা ঃ** পাঙ্‌ক্ত উপাসনা হৈছে পাঁচ— পাঁচটিকৈ প্রতীকৰূপে লৈ উপাসনাৰ কাৰণে সৃষ্টি কৰা এক সমূহ বা গোট। অধিভূত (বাহ্য) আৰু অধ্যাত্ম (অভ্যন্তৰ) ভেদে ই দুই প্রকাৰেৰে কৰা হয়। দৰাচলতে সমস্ত দৃশ্যমান জগতখনেই পঞ্চক বা পাংক্তৰ সমষ্টি বুলি ক'লেও অত্যুক্তি কৰা নহয়। আধ্যাত্মিক পাংক্তৰ দ্বাৰাই বাহ্য বা অধিভূত পাংক্তৰ লগত একাত্মতা স্থাপন কৰিবলৈ শ্রুতিয়ে পথ দেখুৱাইছে।

১৪.৩.৩ তৈত্তিৰীয়োপনিষদৰ দ্বিতীয়বল্লী বা ব্রহ্মানন্দবল্লী

ব্রহ্মবল্লী অধ্যায়ত মূলতঃ ব্রহ্মবিদ্যাবিষয়ক আলোচনা কৰা হৈছে। ইয়াৰে সূত্র-স্থানীয় মূল কথাফাঁকি হ'ল যি ব্রহ্মবিদ, অর্থাৎ ব্রহ্মক জানে, সি নিশ্চয়কৈ পৰব্রহ্মকেই প্রাপ্ত হয়। ব্রহ্মৰ **স্বৰূপ** বর্ণনা কৰি শ্রুতিয়ে কৈছে যে সেই ব্রহ্ম সত্যৰূপ, জ্ঞানময় আৰু অনন্ত বা সর্বব্যাপী। ব্রহ্মক আনন্দময় বুলিও জনা যায়। উক্ত ব্রহ্ম তথা পৰমাত্মাৰ পৰাই প্রথমতে পঞ্চমহাভূত তথা ক্রমান্বয়ে সমস্ত সৃষ্টিপ্রপঞ্চৰ উৎপত্তি হৈছে। হৃদয়াকাশত থকা বুদ্ধিৰূপ গুহাৰ মাজত যিয়ে এই পৰমব্রহ্মৰ অস্তিত্ব অনুভৱ কৰিব পাৰে, সেই সর্বজ্ঞ ব্যক্তিয়েই সকলো কামনা-বাসনা নির্বিশেষৰূপে উপভোগ কৰিবলৈ

স্বৰূপ লক্ষণ ঃ ব্রহ্ম সত্য, জ্ঞান আৰু আনন্দময় সত্বা।

সমর্থবান হয়।

ইয়াৰ পিছতেই অন্নময়াদি কোশৰ বর্ণনা আছে। জীৱৰ উৎপত্তি, স্থিতি আৰু লয়ৰ কাৰণ এই অন্নই, গতিকে অন্নকেই ব্রহ্মাস্বৰূপ বুলি ভাবি উপাসনা কৰিব লাগে। এইদৰেই উপনিষদে অন্নময় কোশতকৈও সূক্ষ্ম সূক্ষ্মতৰ কোশসমূহৰ, যিবোৰ স্থূল কোশৰ অন্তৰালত নিহিত হৈ আছে, সেই সমস্তৰেই বর্ণনা ক্রমানুসাৰে দাঙি ধৰিছে। এই অন্নময় কোশৰ পৰা পৃথক, কিন্তু তাৰেই অভ্যন্তৰত আছে প্রাণময় কোশ, তাৰো অভ্যন্তৰত আমি পাওঁ মনোময় কোশ, তাৰ পিছত বিজ্ঞানময় আৰু শেষত আনন্দময় কোশ। আত্মা উক্ত পঞ্চকোশযুক্ত আৱৰণৰ দ্বাৰা আবৃত হৈ থাকে। অথচ অজ্ঞানীজনে দেহকেই আত্মা বুলি ভ্রম কৰে। শ্রুতিয়ে সাধকৰ অর্থে ক্রমে ক্রমে ভ্রমবোৰ গুচাই গৈ পঞ্চকোশৰ নিবৃত্তিৰ লগে লগেই নির্বিশেষ ব্রহ্মোপলব্ধিৰ দুৱাৰ মুকলি কৰি দিছে।

উক্ত নামৰূপাত্মক জগতৰ কাৰণবো কাৰণ হ'ল ব্রহ্ম। গতিকে ব্রহ্ম সদায় সত্। ছান্দোগ্যোপনিষদতো আমি পাওঁ— 'সদেৱ সৌম্যেদমগ্রআমীদেকমেৱাদ্বিতীয়ম্ (ছা ৬/২/২)'। জগতসৃষ্টিৰ পূর্বে যিয়েই অব্যাকৃতভাৱে অর্থাৎ অবিকৃতভাৱে সুপ্ত হৈ আছিল। এই অবিকৃত ব্রহ্মতত্ত্বৰ পৰাই ব্যাকৃত তথা অভিব্যক্তৰূপৰ সৃষ্টি হৈছে।

ব্রহ্মাই জগতৰ উপাদান আৰু নিমিত্তকাৰণ, তেঁৱেই ৰসস্বৰূপ— 'ৰসো বৈ সঃ।' অদ্বৈতজ্ঞানহীন পুৰুষে তাঁতেই ভেদদর্শন কৰাৰ ফলত তেওঁৰ মনত ভয়ৰ সৃষ্টি হয়। মৰণশীল সকলো প্রাণীৰ অন্তৰতেই ভয় বিৰাজমান হৈ থাকে। ইফালে সকলোৱেই অভয়ৰ ভিক্ষাৰী। সেয়েহে শ্রুতিয়ে ইয়াত মানৱজাতিক সোঁৱৰাই দিছে যে ব্রহ্মাই সেই আনন্দপূর্ণ ভয়াতীত সত্বা। মানুহৰ যি আনন্দ সেই আনন্দৰ শতগুণ দেৱতাৰ এক আনন্দ। এনেদৰে আনন্দৰ ভাগ বৃদ্ধি হৈ হৈ গৈ থাকে আৰু তাৰ লগে লগে সাধকৰ অবিদ্যাৰ আৱৰণখনো শিথিল হৈ যায়। অবিদ্যাদশাত সেই আত্মাই পাপ-পূণ্যৰূপে উপলব্ধি হয় আৰু বিদ্যাৱস্থাত অর্থাৎ জ্ঞানলাভ কৰিলে পাপ-পূণ্যৰ স্বৰূপভূত সেই আত্মাক নির্বিষয় ব্রহ্মানন্দৰূপে অনুভূত হয়। সেই ব্রহ্মনিষ্ঠ ব্যক্তি সর্বভয়ৰ কাৰণৰ পৰা মুক্ত হৈ যায়। এয়াই হৈছে পৰমৰহস্যময় ব্রহ্মবিদ্যা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তৈত্তিৰীয়োপনিষদখন কোন বেদৰ কোন শাখাৰ অন্তর্গত?

.....

.....

প্রশ্ন নং ২ ঃ তৈত্তিৰীয়োপনিষদত মুঠতে কেইটা বল্লী আছে আৰু কি কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ তৈত্তিৰীয়োপনিষদৰ শেষৰ বল্লীটোত কোনটো আখ্যায়িকা বৰ্ণিত হৈছে?

.....

.....

প্ৰশ্ন নং ৪ ঃ পঞ্চকোশ কি কি?

.....

.....

১৪.৩.৪ তৈত্তিৰীয়োপনিষদৰ ভৃগুবল্লীৰ বিশদ আলোচনা ঃ প্ৰতিটো অনুবাকৰ বিষয়বস্তু সাৰাংশ

এই অংশত আপুনি তৈত্তিৰীয়োপনিষদৰ ভৃগুবল্লীৰ প্ৰত্যেকটো অনুবাকৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিব।

প্ৰথম অনুবাক ঃ

ভৃগুবল্লীত আখ্যানৰ চলেৰে ব্ৰহ্মবিদ্যাৰ সাধনস্বৰূপ তপস্যাৰ গুৰুত্বৰ বিষয়ে কোৱা হৈছে। উক্ত বল্লী আৰম্ভ হৈছে ভৃগু-বৰুণ সংবাদেৰে। ভৃগু নামে প্ৰসিদ্ধ এক ঋষিপুত্ৰ ব্ৰহ্মবিদ্যা সাধনৰ অৰ্থে পিতাক বৰুণৰ ওচৰ চাপিল এইবুলি যে, 'হে প্ৰভু, মোক ব্ৰহ্মবিদ্যা দান কৰক।' পিতাকে সসম্ভ্ৰমে বিধিপূৰ্বক উপস্থিত হোৱা পুত্ৰক উদ্দেশ্যি সংকেতসূচকভাৱে ক'লে— অন্ন, প্ৰাণ, চক্ষু, শ্ৰোত্ৰ, মন আৰু বাক্ এইসমূহক উপাসনা কৰা। অৰ্থাৎ এইবোৰ হ'ল ব্ৰহ্মোপলব্ধিৰ দুৱাৰস্বৰূপ। ছান্দোগ্যোপনিষদতো ব্ৰহ্মাত্মৈক্য দেখুৱাবৰ কাৰণে। 'তত্ত্বমসি' এই মহাবাক্যটিৰ প্ৰয়োগ কৰা হৈছিল। শিষ্যই শ্ৰৱণ-মনন-নিদিধ্যাসনৰ দ্বাৰাহে উক্ত বিবেকজ্ঞান অৰ্থাৎ শৰীৰ-আত্মাৰ পৃথকত্বৰ জ্ঞান বুজি উঠাটো সম্ভৱ। তেনেতে পিতা বৰুণে পুত্ৰক সোঁৱৰাই দিছে যে য'ৰ পৰা এই সমস্ত ভূতবৰ্গ উৎপন্ন হৈছে, যাৰ দ্বাৰা বৰ্দ্ধিত হৈছে তথা বিনাশকালত য'ত আহি লীন হৈছে, সেয়ে হৈছে পৰব্ৰহ্ম। এয়াই ব্ৰহ্মৰ **তটস্থ লক্ষণ**। গুৰু তথা পিতৃৰ নিৰ্দেশানুসাৰে সুযোগ্য পুত্ৰ ভৃগুমুনিয়ে তপস্যানুষ্ঠান আৰম্ভ কৰে— এয়ে হৈছে প্ৰথম অনুবাকৰ সাৰগৰ্ভ বিষয়।



তটস্থ লক্ষণ ঃ ব্ৰহ্মৰ জগত্‌কাৰণত্বই হ'ল ইয়াৰ তটস্থ লক্ষণ। এই সংসাৰৰ জন্ম-স্থিতি লয় এই তিনি অৱস্থাৰ কাৰণ হ'ল ব্ৰহ্ম।

দ্বিতীয় অনুবাক ঃ

দ্বিতীয় অনুবাকত আমি পাওঁ যে ভৃগুয়ে প্ৰথমতে তপস্যাৰ অন্তৰালত অন্নকেই ব্ৰহ্ম বুলি জ্ঞাত হৈছে। কাৰণ অন্নৰ পৰাই ভূতবৰ্গৰ জন্ম হৈছে, অন্নৰ দ্বাৰাই জীৱিত আৰু অন্নতেই লীন হৈছে। কিন্তু স্থূল উপাদানৰূপী অন্নৰ উৎপত্তি- বিনাশাদি আছে। ইফালে ব্ৰহ্ম কিন্তু অজৰ-অমৰ। সেয়েহে মনৰ সংশয়াদি দূৰ নহ'ল। পুনৰায় গুৰুৰ পৰা নিশ্চয়তা বিচাৰিলে। গুৰু বৰুণে তপস্যাৰ পথলৈ উভটি যাবলৈ পুত্ৰক পুনৰ নিৰ্দেশ দিয়ে। কাৰণ তপস্যাৰ সহায়তেহে ব্ৰহ্মক বিশেষভাৱে জনা যায়।

তৃতীয় অনুবাক ঃ

ইয়াৰ পিছত ভৃগুই প্ৰাণকেই ব্ৰহ্ম বুলি বিজ্ঞাত হ'ল। প্ৰাণ অৰ্থাৎ বিৰাট পুৰুষ তথা হিৰণ্যগৰ্ভ। এই প্ৰাণেই সমস্ত ক্ৰিয়াৰ আকৰ। অন্নময় শৰীৰৰ অভ্যন্তৰত ক্ৰিয়াৰূপে তথা চলনাত্মক শক্তিৰূপে প্ৰাণেই নিহিত হৈ আছে। এতেকে জন্ম, স্থিতি আৰু লয়ৰ কাৰণ প্ৰাণেই হ'ব বুলি সিদ্ধান্ত কৰিও কিন্তু মনৰ সংশয়টো শেষ হোৱা নাই। কাৰণ প্ৰাণ চলনাত্মক আৰু পৰিণামী। সেয়েহে পুনৰ পিতাক বৰুণৰ ওচৰ চাপি কাকূতি কৰিবলৈ ধৰিলে— 'অধীহি ভগবো ব্ৰহ্মেতি।' অৰ্থাৎ 'হে প্ৰভু, মোক ব্ৰহ্মবিদ্যাৰ বিষয়ে অধ্যাপনা কৰক।' তৎস্বত্বেও কিন্তু পিতা বৰুণে তেওঁক পুনৰায় গভীৰভাৱে চিন্তা কৰিবলৈহে উপদেশ প্ৰদান কৰে। কাৰণ উক্ত তপঃচৰ্য্যাই ব্ৰহ্মোপ্ৰাপ্তিৰ একমাত্ৰ সাধন। সেয়েহে শ্ৰুতিত দঢ়াই দঢ়াই কৈছে— 'তপো ব্ৰহ্মেতি।' অৰ্থাৎ তপস্যাই ব্ৰহ্ম বা ব্ৰহ্মসিদ্ধিঃ।

চতুৰ্থ অনুবাক ঃ

ভৃগুয়ে ইয়াত মনেই ব্ৰহ্ম বুলি গম পালে। মনৰ পৰাই জীৱৰ সৃষ্টি— স্থিতি আৰু লয় হয়। ই সংকল্পশক্তিযুক্ত হিৰণ্যগৰ্ভাত্মক ব্ৰহ্ম। মনৰ সংকল্পাত্মক চিন্তাৰ পৰাই জীৱই বিভিন্ন যোনিত পুনঃ পুনঃ মনুষ্যলোকলৈ আহি প্ৰাণধাৰণ কৰে। মনেও মৃত্যুৰ সময়ত পুনৰ্জন্মত পৰৱৰ্তী দেহৰ ভাৱনা কৰে। সকলো স্থূল ইন্দ্ৰিয়াদি তথা প্ৰাণ মৰণকালত মনতেই লয় পায়। কিন্তু মন অনিশ্চয়াত্মকো। গতিকে পুনৰাই ভৃগু উলটি গৈ পিতাকৰ পৰা ব্ৰহ্ম-জিজ্ঞাসা কৰিবলৈ ধৰে।

পঞ্চম অনুবাক ঃ

মনৰ পিছতেই বিজ্ঞানেই ব্ৰহ্ম বুলি জানিলে। ইয়াত বিজ্ঞান অৰ্থাৎ অধ্যৱসায় শক্তিবিশিষ্ট হিৰণ্যগৰ্ভক বুজোৱা হৈছে। শ্ৰুতিতো কৈছে— 'বিজ্ঞানঘন ইতি ইমানি ভূতানি সমুৎথায়...।' ইত্যাদি। যিয়ে মনকে আদি কৰি ইন্দ্ৰিয়সমূহক নিয়ন্ত্ৰিত কৰে। বিজ্ঞানেই সেই কৰ্তা। কিন্তু তেতিয়াও ভৃগুৰ মনৰ সন্দেহৰ অৱকাশ থাকি গ'ল। কাৰণ সুখ-দুঃখৰ অনুভূতিও বিজ্ঞানৰেই অন্তৰ্ভুক্ত, গতিকে এয়া কিন্তু পূৰ্ণানন্দ বা ব্ৰহ্মানন্দ নহয়। এইখিনিতে এটা কথা উল্লেখযোগ্য যে বাৰম্বাৰ তপসা কৰিবলৈ কোৱাৰ মূল উদ্দেশ্যই হ'ল ব্ৰহ্মপ্ৰাপ্তিৰ ক্ষেত্ৰত তপস্যাই যে একমাত্ৰ সাধন তাকেই জোৰ দি শ্ৰুতিয়ে প্ৰকাৰান্তৰে বুজাব খুজিছে।

ষষ্ঠ অনুবাক ঃ

ষষ্ঠ অনুবাকত আমি আনন্দই ব্ৰহ্ম বুলি পাওঁ। এতিয়াহে মুনিপুত্ৰ ভৃগুৰ ব্ৰহ্মজিজ্ঞাসা পূৰ হ'ল। জন্ম-স্থিতি লয় এই তিনিও আনন্দৰ পৰাই উদ্ভৱ হয়। এয়াই হ'ল পৰমানন্দ, যি প্ৰকৃততে নিৰ্বিষয়। এইখিনিতেই উপনিষদৰ উক্ত ভৃগু-বৰুণ সংবাদৰো অন্তত পৰিছে। এই সংবাদক ভাৰ্গৱী বাৰুণী বিদ্যা বুলিও কোৱা হয়। যি ব্ৰহ্মতত্ব বুজি উঠে, তেওঁ এই আনন্দস্বৰূপ ব্ৰহ্মতেই প্ৰতিষ্ঠিত হয়। গতিকে প্ৰথম অন্নোপাসনাৰ পৰাই ক্ৰমে ক্ৰমে উধাই গৈ সাধক শেষত ব্ৰহ্মতেজসম্পন্ন হয়। তেওঁৰ খ্যাতিও জগতত

বিয়পি পৰে। কিন্তু লোকসমাজত এইবোৰ ফলৰ যুক্তিযুক্ততা থাকিলেও ব্ৰহ্মজ্ঞানৰ ক্ষেত্ৰত ইয়াৰ প্ৰাসংগিকতা নাই। ব্ৰহ্মনিষ্ঠ পুৰুষে এইবোৰ ফলৰ লগত সংপৃক্ত নোহোৱাকৈ বৰ্তি থাকে। ইয়াৰ মূল বক্তব্য হ'ল অন্নক উপাসনা বা তপস্যাৰ যোগেদিয়ে কোনো এজন সাধকে ভৃগুলব্ধ জ্ঞান লাভ কৰিবলৈ সক্ষম হয়।

সপ্তম অনুবাক ঃ

আগৰ অনুবাকৰ প্ৰসঙ্গ টানি আনি ক'ব পাৰি যে অন্নৰ মাহাত্ম্যৰেই বৰ্ণনা ইয়াতো পোৱা যায়। শ্ৰুতিয়ে স্পষ্ট কৰি দিছে যে অন্নক যেন আমি কেতিয়াও নিন্দা নকৰোঁ— 'অন্নং ন নিন্দাৎ।' শৰীৰ আৰু প্ৰাণ দুয়ো যেন অন্নময়। ইটো সিটোৰ পৰিপূৰক। ইয়াত দুয়ো পৰস্পৰ অন্ন আৰু অন্নাদও। গতিকে উভয়ে উভয়ৰ আধাৰ বুলি ভাবি উপাসনা কৰিব লাগে। অন্নতেই অন্ন প্ৰতিষ্ঠিত হৈ থাকে।

অষ্টম অনুবাক ঃ

ইয়াত জল বা পানীয়েই হ'ল অন্ন। আকৌ তেজ হৈছে অন্নাদ। অন্ন আৰু অন্নাদৰূপে জল আৰু তেজক উপাসনা কৰা হৈছে, ইও এটা ব্ৰহ্মজ্ঞানৰ সাধন।

নৱম অনুবাক ঃ

পুনৰায় শ্ৰুতিয়ে কৈছে পৃথিৱীই অন্ন আৰুআকাশ **অন্নাদ**। উভয়েই উভয়ৰ অন্নৰূপে প্ৰতিষ্ঠিত হৈ আছে। শ্ৰুতিয়ে এই অন্ন-উপাসকৰ কাৰণে এটা ব্ৰতৰ নিৰ্দেশ কৰিছে। সেইটো হ'ল— 'অন্নং বহু কুৰ্বীত।' অন্নক বৰ্ধিত কৰা তথা অন্নৰ যেন প্ৰচুৰ উৎপাদন হয়। ইয়াৰ দ্বাৰাই ব্ৰহ্মজ্ঞানোপলব্ধিৰ পথ মুকলি হয়।



অন্নাদ **ঃ** অন্নৰ ভোক্তা।

এনেকৈয়ে প্ৰাণ আৰু শৰীৰৰ পৰা আৰম্ভ কৰি আকাশ পৰ্যন্ত সমুদায় কাৰ্য বস্তু-অন্ন আৰু অন্নাদৰূপে বিভক্ত হৈ আছে। এইসকলোবোৰেই সংসাৰৰ অন্তৰ্ভুক্ত জাগতিক আৰু বিনাশী। কিন্তু ব্ৰহ্মই একমাত্ৰ নিত্যবস্তু, যি সংসাৰাতীত।

দশম অনুবাক ঃ

এতিয়া শ্ৰুতিয়ে অভ্যাগতক উত্তমভাৱে অন্নদান কৰিবলৈ সঁকিয়াই দিছে। অন্নই যিহেতু ব্ৰহ্মময় গতিকে অন্নদান কৰাটোও সাংসাৰিক মানুহৰ পক্ষে এক মহান ব্ৰতৰ নিচিনা। গতিকে দান কৰিবলৈও অন্নবৃদ্ধি কৰা উচিত।

ইয়াৰ পিছত শেষৰ এই অনুবাকটিত আন কেইটামান উপাসনাৰ দিহা দিছে।

ব্ৰহ্মক ক্ষেমৰূপে বাক্যত, যোগক্ষেমৰূপে প্ৰাণাপানত, কৰ্মৰূপে হস্তদ্বয়ত, গতিৰূপে ভৰিযুগলত, পৰিত্যাগ ৰূপে পায়ুত প্ৰতিষ্ঠিত বুলি উপাসনা কৰিব লাগে। এই সকলোবোৰ হ'ল মানুহ তথা মনুষ্যদেহ সম্পৰ্কিত উপাসনা। দৈৱী-উপাসনা আকৌ ভিন্ন।

উপনিষদৰ অন্তত অন্ন আৰু অন্নাদ কাৰ্যতঃ এক অভিন্ন সত্বাৰূপেই পৰিগণিত হৈছে। অন্ন আৰু অন্নাদক লগ লগোৱা চেতনাবান কতাৰ্ত্ত স্বয়ং ব্ৰহ্মই। এনে ব্ৰহ্মাৰূপ প্ৰাপ্ত হৈ সাধকে সৰ্বাত্মকত্ব অনুভৱ কৰি স্বতঃস্ফূৰ্ত আনন্দত ব্ৰহ্মসাম্য গান গাইছে বুলি

শ্রুতিত উল্লেখ আছে। উক্ত হিৰণ্যগর্ভ ব্রহ্মই প্রথমজ অর্থাৎ প্রথমোৎপন্ন, যি মূর্তামূর্ত জগতৰ তথা দেৱগণৰো পূর্ববর্তী। প্রাণীসমূহৰ অমৰত্বৰ মুক্তিৰ আশ্রয়স্বৰূপ— 'অমৃতস্য নাভিঃ।' অর্থাৎ ব্রহ্মত্বই মোক্ষ। যিজনে অন্নার্থীক অন্নদান কৰে, তেওঁ অন্নস্বৰূপ ব্রহ্মক ৰক্ষা কৰে আৰু নহ'লে, তেওঁৰেই স্বয়ং ভোগ্য হয়। অর্থাৎ তেওঁ নিজে নিজেই নষ্ট পায়।

শেষত ব্রহ্মৰ লগত অভিন্ন অনুভৱ কৰি কৈছে যে ময়েই পৰমেশ্বৰ, সমস্ত জগতৰ বিধাতা আৰু নিয়ন্তা। আদিত্যৰ দৰেই যাৰ জ্যোতিসমূহ সদা প্রকাশমান। যিজনে এইৰূপে তেওঁক জানে, তেওঁ নিজেও স্বয়ং প্রকাশিত হয় বুলি ব্রহ্মবিদ্যাৰ সামৰণি পৰিছে। ইয়াত 'মই' শব্দৰ ব্যৱহাৰ কৰা হৈছে ব্রহ্মবিদ্ আৰু ব্রহ্মৰ মাজত অভিন্নতাৰ সূচকৰূপে। জীৱন্মুক্তৰ অনুভৱখিনি ইয়াত বর্ণিত হৈছে। কিন্তু এয়া কার্যব্রহ্ম বা সগুণ ব্রহ্মৰ উপলব্ধিহে মাত্র। হিৰণ্যগর্ভ বুলি আমি যাক জানো। নির্বিশেষব্রহ্মৰ উপলব্ধি ইয়াৰ পিছতহে হয়। এইখিনিতে তৈত্তিৰীয়োপনিষদৰ ভৃগুবল্লীৰ অন্ত পৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভৃগুৰ পিতৃৰ নাম কি আছিল?

.....

.....

প্রশ্ন নং ৬ ঃ প্রতীক উপাসনা বুলিলে কি বুজা?

.....

.....

প্রশ্ন নং ৭ ঃ তপস্যানুষ্ঠান কৰি ভৃগুমুনিয়ে প্রথমতে কি বুলি জ্ঞাত হ'ল?

.....

.....

প্রশ্ন নং ৮ ঃ তৈত্তিৰীয়োপনিষদত 'ওঁঙ্কাৰ'ৰ দ্বাৰা কি নির্দেশিত হৈছে?

.....

.....

প্রশ্ন নং ৯ ঃ তপস্যাৰ শেষত ভৃগুৱে কি বুলি ব্রহ্মক জানিলে?

.....

.....

প্রশ্ন নং ১০ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) '..... বৈ সঃ।'

(খ) ভৃগু বৰুণ সংবাদক ..... নামেৰেও জনা যায়।

১৪.৪ উপনিষদৰ ভাষ্যকাৰসকল

উপনিষদৰ হৈছে বেদৰ জ্ঞানকাণ্ড ভাগৰ অন্তর্ভুক্ত। বেদৰ গুঢ়ৰহস্য এই উপনিষদত নিহিত হৈ আছে গতিকে সর্বসাধাৰণৰ কাৰণে এনে গ্রন্থৰাজি বুজি পোৱাটো এক অতি দুৰূহ কাম। সেয়েহে অতীজৰে পৰাই বিভিন্নজনে এই উপনিষদৰ গুঢ়ার্থ অনুধাৱন কৰি বিভিন্ন ভাষ্য ৰচনা কৰি আহিছে। যাতে তাৰ দ্বাৰা সমগ্র মানৱ জাতিৰ এক মহৎ উপকাৰ সাধন হয়। ইয়াত আমি উপনিষদৰ ভাষ্যকাৰসকলৰ বিষয়ে ভালকৈ জানিব পাৰিম।

উপনিষদৰ প্রাচীন ভাষ্যকাৰসকলৰ ভিতৰত শংকৰাচার্য্য অন্যতম। তেওঁৰ ভাষ্যগ্রন্থসমূহে এই ক্ষেত্রত এক অদ্বিতীয় স্থান অধিকাৰ কৰি আহিছে। অদ্বৈত-বেদান্ত দর্শনৰ মূখ্য পৃষ্ঠপোষক শ্রীমদ্ শংকৰাচার্য্যই (৭৮৮-৮২০ খৃঃ) মূলতে প্রাচীন পৰম্পৰা অনুসৰি ১১খন উপনিষদৰ ওপৰত ভাষ্য ৰচনা কৰিছিল। এইকেইখন হ'ল— ঈশ, কেন, কঠ, প্রশ্ন, মুণ্ডক, মাণ্ডুক্য, তৈত্তিৰীয়, ঐতৰেয়, ছান্দোগ্য, বৃহদাৰণ্যক আৰু শ্বেতাশ্বতৰ। ইয়াৰে শ্বেতাশ্বতৰ উপনিষদৰ ওপৰত থকা ভাষ্য শংকৰাচার্য্যৰ নিজস্ব ৰচনা নহয় বুলি বহুতো পণ্ডিতে মত পোষণ কৰে। এয়া পিছৰ কালৰ সংযোজন বুলিহে বহুতে কয়। আচার্য্য ৰামানুজৰ শিষ্য ৰঙ্গৰামানুজে (১০১৭-১১৩৭ খৃঃ) মূখ্যতঃ দহখন উপনিষদৰ ওপৰত ভাষ্য ৰচনা কৰে। তেওঁৰ নিজস্ব মতবাদ ইয়াৰ জৰিয়তে প্রচাৰিত হয়।

দ্বৈতদর্শনৰ প্রৱর্তক মধ্বাচার্য্যই (১১৯৭-১২৭৬ খৃঃ) প্রাচীন পৰম্পৰানুসৰি গোটেইকেইখন উপনিষদৰ ওপৰতেই মূখ্যতঃ দ্বৈতবাদী চিন্তাধাৰাৰে ভাষ্য প্রণয়ন কৰে।

প্রাচীন ভাষ্যকাৰসকলৰ লেখিয়া পিছৰ যুগৰ ভাষ্যকাৰসকলেও উপনিষদৰ ওপৰত প্রসিদ্ধ ভাষ্য ৰচনা কৰি গৈছে।

১৬৫৬ চনত 'Oupnek' hat' নামেৰে মোগলসম্রাট চাহজাহানৰ পুত্র চুলতান দাৰাশিকোহে ৫০খন উপনিষদৰ ওপৰত পার্চীভাষাত এখন অনুবাদাত্মক ভাষ্যগ্রন্থ ৰচনা কৰি উলিয়ায়। সেই গ্রন্থখন ১৮-০১-০২ চনত লেটিন ভাষালৈও অনুদিত হয়। পিছত ড'ছনে জার্মান ভাষালৈ অনুবাদ কৰে।

১৮২৩-১৯০০ খ্রীঃত মেক্সমুলাৰে ১২খন উপনিষদৰ ওপৰত ইংৰাদী ভাষাত এখন গ্রন্থ প্রণয়ন কৰে। এইসমূহ 'Sacred Books of the East' নামৰ উক্ত গ্রন্থখনত দুটা ভাগেৰে ক্রমে ১৮৭৯ আৰু ১৮৮৪ চনত প্রকাশিত হয়।

এইখিনিতে উল্লেখযোগ্য যে ড° সর্বপল্লী ৰাধাকৃষ্ণণেও অতি তত্ত্বগধূৰভাৰে প্রাচীন উপনিষদসমূহক সামৰি 'The Principal Upanisads' নামেৰে এক গুৰুত্বপূর্ণ গ্রন্থ ৰচনা কৰে। প'ল ড'ছনেও 'Sixty Upanishads of the Vedas' জার্মান ভাষাত প্রণয়ন কৰে, যিখন পিছৰ যুগত ইংৰাজীলৈ অনুদিত হয়। এনেদৰে বিভিন্ন প্রাচীন ভাষ্যকাৰে তথা আধুনিক অনুবাদকে ভিন্ন ভিন্ন মতাদর্শৰে উপনিষদৰ ওপৰত ভাষ্য প্রণয়ন কৰিছে।



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- তৈত্তিৰীয়োপনিষদৰ এক সম্যক পৰিচয় লাভ কৰিলে।
- তৈত্তিৰীয়োপনিষদৰ আলোচ্য বিষয় সম্পৰ্কে অৱগত হ'ল।
- তৈত্তিৰীয়োপনিষদৰ প্ৰতিটো বল্লীৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- তৈত্তিৰীয়োপনিষদৰ ভৃগুবল্লীৰ প্ৰতিটো অনুবাকৰ বিষয়বস্তু সম্পৰ্কে বিশদভাৱে জানিব পাৰিলে।
- উপনিষদৰ ভাষ্যকাৰসকলৰ বিষয়ে অৱগত হ'ব পাৰিব।



১৪.৬ অধিক জানিবলৈ

১) উপনিষদ গ্ৰন্থাৱলী (প্ৰথম খণ্ড), স্বামী গম্ভীৰানন্দ সম্পাদিত (১৩৪৯ বংগাব্দ) কলিকতাঃ উদ্বোধন কার্যালয়।

২) ঈশাদিদশোপনিষদঃ, (শংকৰভাষ্যসহ) প্ৰথম ভাগ, ১৯৬৪ দিল্লী ঃ মোতিলাল বনৰসীদাস।

৩) ৰাধাকৃষ্ণন, এছ, দ্য প্ৰিন্সীপাল উপনিষদ্, (১৯৫৩), গ্ৰেট ব্ৰিটেইন ঃ জৰ্জ এলেন এণ্ড আনউইন্ লি।

৪) শৰ্মা, তীৰ্থনাথ, উপনিষদ অষ্টক, (১৯৮৭), গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।



১৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কৃষ্ণ যজুৰ্বেদৰ তৈত্তিৰীয় শাখাৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ তিনিটা বল্লী। শিক্ষাবল্লী, ব্ৰহ্মানন্দবল্লী আৰু ভৃগুবল্লী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভৃগু-বৰুণ আখ্যায়িকা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অন্নময় - প্ৰাণময় - মনোময় - বিজ্ঞানময় - আনন্দময় কোশ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বৰুণ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো বস্তুক প্ৰতীকৰূপে লৈ কৰা ব্ৰহ্মৰ উপাসনাক প্ৰতীকোপাসনা বুলি কোৱা হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ তপস্যানুষ্ঠান কৰি ভৃগুমুনিয়ে প্ৰথমতে অন্নকেই ব্ৰহ্ম বুলি জানিলে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰহ্ম নিৰ্দেশিত হৈছে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ তপস্যাৰ শেষত ভৃগুৱে আনন্দই ব্ৰহ্ম বুলি জানিলে।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ৰসো (খ) ভাগৰ্বী বাৰুণী বিদ্যা।



১৪.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তৈত্তিৰীয়োপনিষদ খনিৰ এক চমু আভাস দাঙি ধৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) অহং-গ্ৰহ উপাসনা

(খ) অন্ন-উপাসনা।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ উপনিষদৰ ভাষ্যকাৰসকলৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ ভৃগু-বৰুণ আখ্যানৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তৈত্তিৰীয়োপনিষদৰ ভৃগুবল্লীৰ সাৰাংশ লিখক।

*** ***** ***



প্ৰসংগ গ্ৰন্থসমূহ

১) হিষ্টৰী অব্ ধৰ্মশাস্ত্ৰ, পি ভি কানে, খণ্ড-১ ভাণ্ডাৰকাৰ ওৰিয়েণ্টেল ৰিছার্চ ইন্সটিটিউট, পুনা, ১৯৬৮।

২) কালচাৰেল হেৰিটেইজ অব্ ইণ্ডিয়া, খণ্ড-২, ৰামকৃষ্ণ মিচন, ইনস্টিটিউট অব্ কালচাৰ, কলকাতা, ১৯৬২।

৩) মনুস্মৃতি, কম্পাৰেটিভ, গঙ্গানাথ ঝা, ইউনিভাৰচিটি অব্ কলকাতা, ১৯২৯।

৪) ধৰ্মশাস্ত্ৰ, এন ইন্দ্ৰদাক্তৰী এনালাইচিচ, ব্ৰজকিশোৰ চোৰাই, অক্ষয় প্ৰকাশন, দিল্লী, ২০০৪।

৫) কানে, পি, ভি, (১৯৬৮), *হিষ্ট্ৰী অব্ ধৰ্মশাস্ত্ৰ (খণ্ড-১, অংশ-১),* পুনা ঃ ভাণ্ডাৰকাৰ অৰিয়েণ্টেল ৰিচার্ছ ইনষ্টিটিউট।

৬) *কালচাৰেল হেৰিটেজ অব্ ইণ্ডিয়া (খণ্ড-২),* (১৯৬২), কলকাতা ঃ ৰামকৃষ্ণ মিচন, ইনষ্টিটিউট অব্ কালচাৰ।

৭) ঝা, গঙ্গানাথ, (১৯২৯), *মনুস্মৃতি, কম্পাৰেটিভ,* কলকাতা ঃ ইউনিভার্চিটি অব্ কলকাতা।

৮) স্বাঈন, বি কে, (২০০৪), *দ্য ধৰ্মশাস্ত্ৰ— এন ইণ্ট্ৰডাক্টৰী এনালাইচিচ,* (সম্পাদিত), দিল্লী ঃ অক্ষয় প্ৰকাশন।

৯) *বিদ্যাভূষণ,* শ্যামকান্ত, *মনুসংহিতা,* কলিকতা ঃ ভোলানাথ ব্ৰাডার্চ এণ্ড কোং।

১০) Swain, (Dr.) Braja Kishore, (2006), *Naradasmrti*, Varanasi, Choukhambha Sanskrit Bhawan.

১১) Larivier, Richard W., (2003), *The Naradasmrti*, Delhi, Motilal Banarsidass.

১২) কাণে পি ভি, (১৯৯২), *ধৰ্মশাস্ত্ৰ কা ইতিহাস প্ৰথম ভাগ,* লক্ষ্ণৌ ঃ উত্তৰ প্ৰদেশ হিন্দী সংস্থান।

১৩) শৰ্মা, কিৰণ, (১৯৯৮), *মনুসংহিতা,* গুৱাহাটী, অসম বেদ বিদ্যালয়।

১৪) বসু, সুমিতা, (১৪০৭ বংগাব্দ), *যাজ্ঞৱল্ক্যসংহিতা,* কোলকাতা, সংস্কৃত পুস্তক ভাণ্ডাৰ।

১৫) Kane, P. V., (2006), *History of Dharmasastra*, Vol. I, Pune, Bhandarkar Oriental Researah Institute.

১৬) শৰ্মা, তীৰ্থনাথ, (১৯৯১), *উপনিষদ্ অষ্টক,* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১৭) শৰ্মা তীৰ্থ নাথ, (১৯৯৮), *ছান্দোগ্য উপনিষদ্,* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৮) শৰ্মা থানেশ্বৰ, (১৯৯৭), *ৰৈদিক সাহিত্যৰ ৰূপৰেখা,* ৰূপনগৰ ঃ অসম বেদবিদ্যালয়।

১৯) শৰ্মা থানেশ্বৰ, (২০০৮), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, ২য় সংস্কৰণ,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২০) ৰাধাকৃষ্ণন, এছ, দ্য প্ৰিন্সীপাল উপনিষদ্, (১৯৫৩), জৰ্জ এলেন এণ্ড আনউইন্ লি, গ্ৰেট ব্ৰিটেইন।